# ৰহদৈ লিগিৰী

ৰজনীকান্ত বৰদলৈ

ASSAM BOOK TRUST

অসম বুক ট্ৰাষ্ট

পাণবজাৰ, গুৱাহাটী-১

# উছৰ্গা

অকালতে ১৯২৮ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত শদিয়াত আমা-ডিমা ছটি ল'ৰা-ছোৱালী এৰি পতিৰ আগত আমাক সকলোকে কন্দুৱাই বৈকুণ্ঠ হোৱা মোৰ পৰম সাদৰী সৰু-মাজিউ জীয়াৰী স্বৰ্গীয় মৃণালিনী আইটীৰ নামত এই পুথি উচৰ্গা কৰিলোঁ। যা বাচা! ককায়েৰ দুজন আৰু নিচেই সৰু-ভায়েৰজনৰ লগত মিলি-জুলী স্বৰগৰ ফুল স্বৰগতে থাকিবি। কালপ্ৰাপ্ত হ'লে আমিও যাম আৰু তাত তহঁতক লগ পামগৈ।

ৰজনীকান্ত বৰদলৈ

# প্ৰথম অধ্যায়

## ৰহদৈ

আমাৰ ৰহদৈ লিগিৰীৰ ঘৰ উজনিৰ মাজুলীত থকা কমলাবাৰী গাঁৱত আছিল। সেই সময়ত অৰ্থাৎ মানৰ দিনৰ আগেয়ে গাঁওখনত এশ কি ছকুৰি ঘৰ কোঁচ, কলিতা, বামুণ, সূত, কাটনি ইত্যাদি জাতিৰ মানুহ আছিল। ৰহদৈৰ বাপেকৰ নাম ৰতিকান্ত, মাকৰ নাম কমলা। তেওঁবিলাক সোণাৰি কলিতা জাতিৰ মধ্যবিত্ত অৱস্থাৰ মানুহ আছিল।

ৰহদৈ মাক-বাপেকৰ একেজনী জীয়ৰী আছিল। তাইৰ তলত মাথোন এটা ভায়েক আছিল। সম্পত্তিৰ ভিতৰত তেওঁবিলাকৰ দুজনীমান গাইগৰু আৰু এটা গলধন ধৰা মতা ম'হ আছিল। গাইকেইজনীৰ গাখীৰ খাইছিল; গলধন ধৰা ম'হটোৰে ৰতিকান্তই কমলাবাৰী সত্ৰৰ লাখেৰাজ মাটি তিনিপূৰামান গা খাটনিলৈ লৈ তাত আহুধান, সৰিয়হ, মাহ, মুগ, শাক, পাচলি ইত্যাদি খেতি-বাতি কৰি সুখেৰে খাইছিল। মাটি বৰ সাৰুৱা, সেইদেখি শস্য বৰ ভাল হৈছিল। সেই কালত আজিকালিৰ দৰে মানুহৰ লাহ-বিলাহ বা কানি, * চিগাৰেট, মদ, ভাং ইত্যাদি ৰাগিয়াল বস্তু খোৱা বৰ অভ্যাস নাছিল; সেইকাৰণে খোৱা-পিন্ধাত কাৰো দুখ-কষ্ট নাছিল। মাছ, পহু প্ৰায় সকলোৱে মাৰি-কাটি বা নদীয়ালৰপৰা ধানলৈ সলাই লৈ খাইছিল। ৰহদৈয়ে দিনৰ ভাগত ম'হটো চৰাই লৈ ফুৰিছিল; পুৱা-গধূলি মাকৰ ওচৰত তাঁত ববলৈ, ভাত ৰান্ধিবলৈ শিকিছিল। ভায়েকে গৰুকেইজনী চাৰিছিল। মাকে খেতিৰ কামত বাপেকক সহায় কৰাৰ উপৰিও সকলোকে ৰান্ধি-বাঢ়ি

---

* কানি ইংৰাজে অসমদেশ ল'বৰ পৰাহে প্ৰচলন হৈছে। বেলতলাত পোনপ্ৰথমে ইংৰাজৰ কোনোবা মাৰাঠা নে হিন্দুস্থানী চিপাহীৰ পৰাহে হেনো অসমীয়া মানুহে কানি খাবলৈ আৰু আফু খেতি কৰিবলৈ শিকিলে। বৰ্তমানে কানিতকৈও চিগাৰেটে অসমীয়াৰ সৰ্ব্বনাশ কৰিবলৈ ধৰিছে। অসমীয়াৰ অতি দুখেৰে অৰ্জ্জা ৰূপ লাখে লাখে চিগাৰেটৰ ধোঁৱা হৈ উৰিব লাগিছে আৰু চিগাৰেট হুপি মানুহ খোৱা-পিন্ধাত যে দুখীয়া হৈছেই তদুপৰি ভৱিষ্যতলৈ অসমীয়া ডেকা-গাভৰুলৈ খেহৰোগৰ গুটি সিঁচিছে।

খুৱাইছিল, আৰু বই-কাটি পিন্ধাইছিল। মুঠৰ ওপৰতে গৃহস্থীখন সুখৰ আছিল। বহদৈৰ মাক-বাপেকৰ ভিতৰত কোনো দন-খৰিয়াল হোৱা দেখা বা শুনাও নগৈছিল। উভয়ে ধৰ্মত মতি ৰাখি গধূলি চাৰিউটি প্ৰাণীয়ে নাম-প্ৰসঙ্গ কৰি, কৰি-ধৰি খাই-মেলি জীৱন কটাইছিল।

## দ্বিতীয় অধ্যায়

### দয়াৰাম

তেওঁবিলাকৰ ঘৰৰ পৰা অলপ আঁতৰত সেই গাঁৱতে ধনীৰাম নামেৰে এজন সেই জাতিৰে ধন-চহকী মানুহ আছিল। ধনীৰাম কমলাবাৰী সত্ৰৰ সেৱক আছিল আৰু আঢ্যৱন্ত আৰু তাৰ লগে লগে ভক্তিমন্ত হোৱাৰ কাৰণে সত্ৰৰ পৰা মেধি বাব পাইছিল। ধনীৰামৰ প্ৰথম পক্ষৰ তিৰোতাগৰাকীয়ে আমাৰ দয়াৰাম নামৰ এই ল'ৰাটো এৰি গাভৰু কালতে জীৱন-লীলা সামৰিছিল। দয়াৰামৰ মাক মৰাৰ বছৰেকৰ পাছত ধনীৰামে সুভদ্ৰা নামৰ আৰু এগৰাকী তিৰোতা বিয়া কৰাই সেই তিৰোতাৰ গৰ্ভত দুটি ল'ৰা আৰু এজনী ছোৱালী জন্মাই সুখেৰে কাল কটাইছিল। বাপেকৰ গৰু-ম'হ, মাটি-বাৰী, ধন-সোণ ঢেৰ থকা স্থলতো দয়াৰাম সৰুৰে পৰা মন-দুখীয়া আছিল। মাক-মৰা ল'ৰা মন-দুখীয়া হ'বৰে কথা, তাতে যদি মাহীয়েকৰ পৰা এফেৰা সদ্ব্যৱহাৰ পালেহেঁতেন তেনেহ'লে কি জানি দয়াৰামে মাতৃ-শোক পাহৰি সুখী হ'ব পাৰিলেহেঁতেন। কিন্তু মাহীয়েক সুভদ্ৰাই আন আন সতিয়ৈ মাকে সতিয়ৈ পুতেকক যিদৰে ব্যৱহাৰ কৰে, দয়াৰামকো সেইদৰে নিমৰমিয়াল ভাবেৰেহে ব্যৱহাৰ কৰিছিল। দয়াৰামক প্ৰায় সততে খোৱা-পিন্ধাত কেটেৰ-জেঙেৰ কৰিছিল আৰু সি বুজন হ'বৰে পৰা সিহঁতৰ ঘৰৰ যিটো ঘাই মতা ম'হ সেইটো চৰোৱা-বন্ধোৱা বাবটো তাৰ মূৰত জাপি দিছিল। বাপেকৰ তালৈ মৰম থাকিলেও মাহীয়েকৰ ভয়ত সেই মৰম দেখুৱাব নোৱাৰিছিল। কৰোঁতা-মিলোঁতা মানুহ থকাতো দয়াৰামে ম'হ চাৰিহে ভাত খাবলৈ পাইছিল।

## তৃতীয় অধ্যায়

### নৈৰ ঘাটত

বহদৈয়ে আজিকালিকৈ বাৰ বছৰ বয়সত ভৰি দিলে। পাটগাভৰু হ'বৰে পৰা তাইৰ ৰূপৰ জেউতি চৰি আহিল। সৰুৰে পৰা তাই অতিকৈ জাকত-জিলিকা ছোৱালী আছিল। তাইৰ বৰণ বগা, মুখখন চুচিকটা, নাকটো টন্‌টনীয়া, চকুযুৰি হৰিণীৰ

চকুৰ দৰে ক'লা আৰু উজ্জ্বল। ভূৰুযোৰ দুয়োকাযে বই পৰা, চুলিকোছা ক'লা, দীঘল আৰু কঁকাললৈকে বই পৰা। তাই সেই কালতে অতি ৰূপ-লাৱণ্যৱতী ছোৱালী হৈ উঠিছিল। হ'বৰে কথা তাই জাতিত সোণাৰি-কলিতা, খোৱা-পিন্ধাৰ দুখ নাছিল, তিনি বেলা তিনি সাজ পুষ্টিকৰ আহাৰ খাবলৈ পাইছিল, ব্ৰহ্মপুত্ৰৰ নিৰ্মল পানী পিবলৈ পাইছিল আৰু মুকলি সূৰেৰে মুকলি মনেৰে ব্ৰহ্মপুত্ৰৰ নিৰ্মল বতাহ সেৱন কৰি ফুৰিছিল। তাইৰ সৌন্দৰ্য এনেকুৱা বিনন্দীয়া আছিল, আৰু তাইৰ মুখত, বিশেষকৈ সদায় হাঁহো হাঁহো কৰি থকা, হৰিণীৰ চকুৰ নিচিনা ক'লা চকুযুৰিত এনেকুৱা এটা লাৱণ্য আছিল যে তাইক দেখিলেই বাটৰ বাটৰুৱাইও ক্ষন্তেক পৰ ৰ লাগি নেচাই নোৱাৰিছিল।

তাই এই বাৰ বছৰ বয়সৰ কালতে এদিন ফাগুন মহীয়া বেলি দুপৰ হওঁতে তাইৰ ম'হটোৰ ওপৰত উঠি, ম'হটোৰ নাকী-জৰীডাল দুয়ো হাতে ঘোঁৰাৰ লেকাম ধৰা দি ধৰি ম'হটোৰ এপিঠিত চাহাবসকলে ঘোঁৰাত উঠাৰ লেখীয়াকৈ উঠি তাৰ লগে লগে—

"শ্যামৰাই কলীয়া ঐ ৰাম
চিকণ বিনন্দীয়া ঐ ৰাম
মাথে মৰা পাখী ৰাম
গোপাল গোবিন্দ ৰাম।

নমো তিলফুল ঐ ৰাম
অধৰ ৰাতুল ঐ ৰাম
গলে বনমালা শোভে ৰাম
গোপাল গোবিন্দ ৰাম।

আজানুলম্বিত ঐ ৰাম
গাৱে পীত বস্ত্ৰ ঐ ৰাম
চৰণে নূপুৰ বাজে ৰাম
গোপাল গোবিন্দ ৰাম।
ৰাতুল চৰণ ঐ ৰাম
শোভে মনোৰম ঐ ৰাম
চৰণে প্ৰণমো ঐ ৰাম
গোপাল গোবিন্দ ৰাম।"

এই গীতটো গুণ গুণ কৰি গাই লাহে লাহে নৈৰ ফাললৈ আহিল আৰু গৰাৰ

ওপৰত থাকোঁতেই ম'হটোৰ নাকী-জৰীত ধৰি বালিয়ে বালিয়ে খোজ কঢ়াই নি পানীৰ কাষ চাপি পানী খুৱাব ধৰিলে; এনেতে পূবৰ ফালৰ পৰা দয়াৰামেও তাৰ মতা ম'হটো লৈ সেইখিনি পালেহি। ৰহদৈৰ ম'হটোক পানী খুউৱা দেখি সি তাৰ ম'হটোৰ নাকী-জৰীডাল টানকৈ ধৰি ক'লে— "হেৰ ৰহদৈ! তোৰ ম'হটো সাৰধানে ৰাখিবি ঐ! কেনেবাকৈ তোৰ হাতৰ পৰা এৰাব লাগিলে পোনেই একে কোবে আহি মোৰটোৰে সৈতে খুন্দিয়া-খুন্দি লগাব।" ৰহদৈয়ে তাৰ ফাললৈ উলটি চাই ক'লে— "অ' দয়াৰাম তইহে? তোৰ ম'হটোও পানী পিয়াব আনিছ? বাৰু মোৰটো মই এই সাৰধানে ধৰিলোঁ চা, তোৰটো চম্ভালিবি মাথোন। তোৰটো ইয়ালৈ নানিবি। অলপ আঁতৰলৈ নি পানী খুৱাগৈ।" ৰহদৈৰ এই কথাত দয়াৰামে তাৰ ম'হটো আঁতৰলৈ নি পানী খুৱালে। ৰহদৈয়ে নিজৰটোক পানী পিয়াই তাৰ পিঠিত উঠি ঘৰমুৱা হৈ যাবলৈ ধৰোঁতে দয়াৰামে ক'লে— "হেৰ ৰহদৈ! তই অলপ ৰ'বিচোন মোৰটোক পানী খুৱাওমানে। তোৰ লগত মোৰ কথা অলপমান আছে।" ৰহদৈয়ে "বাৰু তেন্তে" বুলি কৈ গৰাৰ ওপৰলৈ উঠি ম'হটো নি চৰাব ধৰিলে। দয়াৰামে তাৰটোক পানী খুউৱা হ'লত তাৰ ম'হটোৰ পিঠিত উঠি গৰাৰ ওপৰলৈ গ'ল আৰু অলপ আঁতৰৰ পৰা ৰহদৈক ক'লে— "ৰহদৈ তোৰ ভায়েৰে আৰু বাপেৰেও দেখোন ম'হটো চাৰি বান্ধি লৈ ফুৰাব পাৰে, তাকে নকৰি তোৰ গলতনো ম'হটো কেলেই আঁৰি দিছে?" ৰহদৈ— "এ পাই! ভাইটো সৰু। সি গৰু দুজনী চাৰে, বান্ধে। বোপায়ে অকলৈ খেতি-বাতিকে কৰিব নে ম'হ-গৰুকে চাৰিব। সেইদেখি পাই! ময়ে এই ম'হটো চাৰি লৈ ফুৰাওঁ। পিছত মই তোক সোধোঁ তহঁত দেখোন ধন-চহকী মানুহ। দেউতাৰে এটা চাকৰ ৰাখিও দেখোন ম'হটো চৰোৱাব পাৰে। তাকে নকৰিনো তোৰ গলত সেইটো কেলেই আঁৰি দিছে?" দয়াৰাম— "এঃ কি কম। দেউতাই মানুহ ৰাখি এইটো চৰোৱাব বন্ধোৱাপ পাৰে সঁচা পিছত মাহীয়ে সেইটো কৰিব নিদিয়ে নহয়।" ৰহদৈ— "মাহীয়েৰে তেন্তে তোক ভাল নাপায় হ'বলা?" দয়াৰাম— (দীঘলকৈ হমুনিয়াহ এটা কাঢ়ি) "এৰা! ভাল পালেনো এইলেখীয়া কৰে জানো? খোৱা-পিন্ধাত কেতেৰ-জেঙেৰ কৰে জানো?"

ৰহদৈ— এৰা পাই! বুজিলো তোক মাহীয়েৰে ভাল নাপায়। তোৰ মনত দুখ লগা দেখি মোৰো দুখ লাগিল। তোক মই এইষাৰ কথা সুধিব নেলাগিছিল। পিছত এতিয়া যাওঁগৈ দেই।

দয়াৰাম— বাৰু যাবিয়েইতো কথা এটা শুনি যা।

ৰহদৈ— কি কথা?

দয়াৰাম— এইবেলি চ'তৰ নিশা-বিহুত একেলগে বিহু গাম আৰু নাচিম দেই।

ৰহদৈ— বাৰু!

দয়াৰাম— তাৰ পিছত এইবেলি আহিন মাহৰ দুৰ্গা পূজাত নগৰলৈ গৈ ৰজাঘৰত দুৰ্গা পূজা চামগৈ দেই।

ৰহদৈ— আয়ে-বোপায়ে যাবলৈ দিলে যাম। পিছত মোক তোৰ নাৱত নিবিনে?

দয়াৰাম— নিমতো। তোক নিনিয়াকৈ মই পূজা চাবলৈ নাযাওঁ।

ৰহদৈ— বাৰু!

এই কথা-বতৰাৰ পিছত দুয়ো দুফালে ম'হ লৈ গ'ল। দয়াৰামে ম'হৰ ওপৰত উঠি গালে—

প্ৰেমৰ ডোলেৰে বান্ধিলি মইনা
প্ৰথমৰ পিৰীতি জৰী।
নেৰিবি নেৰিবি এনুৱা পিৰীতি
এথানি এবানি কৰি।।

## চতুৰ্থ অধ্যায়

## ল'ৰাকালত

ফাগুন গৈ চ'তৰ মাহ পৰিল। অসমৰ সকলো ঠাইতে ডেকা-গাভৰু, ল'ৰা-ছোৱালী আনকি বুঢ়া-বুঢ়ী পৰ্যন্ত বিহুত উত্ৰাৱল হ'বলৈ ধৰিলে। আন আন ল'ৰা-ছোৱালীৰ দৰে ৰহদৈ দয়াৰামো বিহুত মতলীয়া হ'ল। দয়াৰামে ৰহদৈক য'ৰে পৰাই পাই ত'ৰে পৰা বিচাৰি বিচাৰি আনি কেতেকী ফুল দিছিল, লং গুটি দিছিল। তাইক দয়াৰামে দিয়া এইবিলাক বস্তু অতি সাদৰেৰে লৈ তাৰ পৰিৱৰ্তে তাই ঘৰৰ পৰা কাটি থুৰিয়াই অনা তামোল দিছিল। দুয়ো চ'তৰ নিশা বিহুত একেলগে নাচিছিল। দয়াৰামে ঢোল বজালে তাই নাচিছিল আৰু তাই হাতত চাপৰি মাৰি গীত গালে বা গগনা বজালে দয়াৰামে নাচিছিল। এইদৰে গোটেই চ'ত মাহটোত উভয়ে নিশা-বিহু কৰিছিল। ব'হাগৰ বিহুৰ আগদিনা যেতিয়া ৰাইজে ওচৰৰ বিলত মাছ মাৰিবলৈ গৈছিল, তেতিয়া ৰহদৈ আৰু দয়াৰামেও ৰাইজৰ মাজত উভয়ে ওচৰা-উচৰি হৈ মাছ মাৰিছিল। ফাগুন-চ'ত মহীয়া নৈত ডেকা আৰু ছোৱালীবিলাকে সাঁতোৰ শিকোঁতে দয়াৰামে ৰহদৈক কঁকালত ধৰি ধৰি সাঁতুৰিবলৈ শিকাইছিল। এইদৰে লগে ম'হ ৰাখি, লগে সাঁতুৰি, লগে নিশা-বিহু গাই উভয়ে উভয়ক ভাল পাইছিল। ল'ৰা কালতেই উভয়ৰ প্ৰতি উভয়ৰে এটা মৰম-চেনেহ সোমাইছিল।

## পঞ্চম অধ্যায়

## প্ৰেমালাপ নে চুপতা-চুপতি

ব'হাগৰ বিহু হৈ যোৱাৰ পিছত আকৌ এদিন ৰহদৈয়ে তাইৰ ম'হটো দুপৰীয়া নৈলৈ পানী খুৱাব নিছিল। সেই সময়ত সেইদিনা দয়াৰামে নৈত গা ধুই অলপ সাঁতুৰি আছিল। তাই ম'হ লৈ গৈ পোৱাত দয়াৰামে তাইক দেখি ক'লে—"ৰহদৈ! ম'হটো পানী খুৱাব আনিলি?"

ৰহদৈ— এৰা পাই আনিছোঁ। তোৰটো কি কৰিলি?

দয়াৰাম— মোৰটো পানী খুৱাই সদ্যহতে ঘৰত বান্ধি থৈ আহিছোঁ, পিছত গা-পা ধুই গৈ এমুঠি পঁইতা বা কৰকৰা ভাত খাই আকৌ তাক চাৰিবলৈ নিম। পিছত ৰহদৈ! তই আজিও ইয়াৰ পিঠিত উঠি আহিছনে?

ৰহদৈ— এৰা পাই! তাৰ পিঠিত উঠি গুণ্ গুণকৈ গীত নাগালে সি এখোজকে আগবাঢ়িব নোখোজে।

দয়াৰাম— ৰহদৈ! তোক আজিকালি ম'হত উঠি ফুৰা দেখিলে ভাল নাপাওঁ অ'।

ৰহদৈ— কেলেই?

দয়াৰাম— তই যে আজিকালি গাভৰু হৈ আহিছ, এতিয়া তোক ম'হত উঠি ফুৰাটো ভাল নেদেখি।

ৰহদৈ— ভালকে দেখ বা বেয়াকে দেখ কি কৰিম উপায় নাই।

দয়াৰাম— উপায় থাককে বা নাথাককে মাইকী মানুহক এনেকুৱা এটা জন্তুত উঠি ফুৰাটো নুশুৱায়। মই বেয়া দেখোঁ।

ৰহদৈ— মই ম'হত উঠি ফুৰাটো যে বেয়া দেখ, পিছত দুৰ্গা গোসাঁনীয়ে ভয়ানক সিংহ এটাৰ ওপৰত উঠি ফুৰাটো, জানো বেয়া নেদেখ?

দয়াৰাম— তেওঁ যে গোসাঁনী।

ৰহদৈ— গোসাঁনীয়ে যদি বাঘ আৰু সিংহত উঠি ফুৰিব পাৰে তেন্তে আমি তেওঁৰ জীয়ৰী বা দাসীসকলে হাতী, ঘোঁৰা, ম'হত উঠিলেনো কি জগৰ লাগিব পাৰে?

দয়াৰাম— অৱশ্যে একো জগৰ যে নালাগে সেইটো সঁচা। পিছত মই হ'লে তোৰ নিচিনা ম'হত উঠি ফুৰা ডাংকাটী গাভৰু বিয়া নকৰাওঁ।

ৰহদৈ— নকৰিলিয়েই বা তই বিয়া, তাতনো মোৰ কি লাভ-লোকচান আছে। মইতো তোত বিয়া সোমাব খোজা নাই।

দয়াৰাম— মই যে তোকেহে বিয়া কৰাম বুলি পাঙি থৈছিলোঁ ঐ ৰহদৈ!

ৰহদৈ— যা অ' তই মোৰ লগত চুপতি নামাৰিবি। তই এইদৰে জোকাই খং তুলিলে মই গৈ আইক কৈ দিম।

দয়াৰাম— (হাঁহি হাঁহি) হেৰ কাবৌটি কৰিছোঁ। দহোকুৰি আয়েৰৰ আগত কগৈ। মই আৰ-তাৰ হতুৰাই মাৰত জনাবই খুজিছিলোঁ। পিছত তয়ো যদি জনাৰ মই ভালেহে পাম। মই শুনিছোঁ মোৰ বোপায়ে হেনো তোকে মোলৈ খুজিবলৈ মনে মনে পাঙিছে। পিছত তই জানো মোত বিয়া সোমাবি?

ৰহদৈ— মই আৰু পাই তোৰ লগত চুপতি নকৰোঁ। মই যাওঁগৈ— এই বুলি ৰহদৈয়ে উচাট মাৰি আহিব ধৰাত দয়াৰামে ক'লে— "খং নকৰিবি ৰহদৈ। অলপ পৰ বৈ কথা এটা শুনি যাচোন মোৰ লাহৰি!"

ৰহদৈ— "কিনো কথা কৰ অ'! তই মিছাই চুপতি মাৰি মোক ৰাখি নথ'বি। পলম হ'লে আয়ে খং কৰিব।"

দয়াৰাম— আয়েৰে খং কৰিলে ক'বি আকৌ দয়াৰামে চুপতি মাৰি ৰাখিছিল বুলি। পিছত ৰহদৈ! তই মোৰ আজিৰ কথাত বেয়া নাপাবি দেই। মই সইত খাই কৈছোঁ, এই জলত ধৰি সইত খাই কৈছোঁ মই তোকেহে বিয়া কৰাম। তোক নেপালে দেশ এৰি বিদেশী হ'ম। অথবা বৰাগী হ'ম। নতুবা এই ব্ৰহ্মপুত্ৰৰ জলে ঝাম্প দিয়া মৰিম।

ৰহদৈ— কি কথাবিলাক কৰ ঐ! তই পেংলাই কৰিছ দেখোন।

দয়াৰাম— মই সইতে কৈছোঁ। তোকেহে মই বিয়া কৰাম।

ৰহদৈ— মই পাই আৰু তোৰ কথা শুনি নাথাকো যাওঁগৈ।— এই বুলি ঘৰৰ ফাললৈ ম'হটো লৈ গ'ল। দয়াৰামে পানীৰ পৰা পাৰত উঠি কাপোৰখন সলাই গা মচি ৰহদৈয়ে শুনাকৈ গালে—

দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰি!
জাজী নৈৰ এৰিব পাৰোঁ।
তোমাৰ ঐ ভাৱনা এৰিব নোৱাৰোঁ
নেখায়ে থাকিব পাৰোঁ।।

## ষষ্ঠ অধ্যায়

## ৰজাঘৰত দুৰ্গোৎসৱ

চাওতে চাওতে ভাদ মাহ গৈ আহিন সোমাল। আহিনৰো এদিন-দুদিনকৈ কুৰি দিন গ'ল। শাৰদীয় দুৰ্গা পূজা ওচৰ চাপিল।

আজি ষষ্ঠী তিথি। ৰাতিপুৱাৰে পৰা কমলাবাৰী, বেঙেনাআটী, আউনীআটী

ইত্যাদি গাঁৱৰ পৰা জাকে জাকে মতা-মাইকী, ল'ৰা-ছোৱালী, ডেকা-গাভৰু সকলোৱেই নৈ পাৰ হৈ ৰংপুৰৰ ফালে খোজ ল'লে। কমলাবাৰী গাঁৱৰ পৰা দয়াৰামকে প্ৰমুখ্য কৰি তিনি-চাৰিজন ডেকাই গাঁও গোটেইখনতে জনাই ফুৰিছে তেওঁবিলাক ৰংপুৰলৈ ৰজা-ঘৰৰ দুৰ্গা পূজা চাবলৈ যাব। যাৰ যাৰ ইচ্ছা আছে সেইসকল খাই-বৈ ওলাওক। ডেকাসকলৰ এই জাননীত গাঁৱৰ দহ-বাৰজনীমান গাভৰু, পোন্ধৰ-ষোলটামান ল'ৰা-ছোৱালী, দুই-চাতৰিজন বুঢ়া-বুঢ়ী দুপৰীয়া ভাত-পানী খাই ভালকৈ পিন্ধি-উৰি লগত চাৰি-পাঁচ দিন জোৰাকৈ চাউল-চৰু, হাতত অলপ ধন-বিত লৈ বেলি দুপৰমানত কমলাবাৰী ঘাটত থকা পাঁচখন নাৱত উঠিল। সেয়ে যাৰ লগ ভাল পালে সেয়ে সেই নাৱত উঠিল। তিনি-চাৰিজনী গাভৰু, পাঁচোটা ল'ৰা আৰু দুই-চাৰিজন বয়সীয়াল মানুহে সৈতে ৰহদৈ দয়াৰামৰ নাৱত উঠিল। দয়াৰামেই সেইখন নাৱৰ গুৰিয়াল হ'ল। আগত আন এজন ডেকা আগুৱাল হ'ল। মাজত পাঁচজনী গাভৰুৱে সৰু সৰু হাত বঠা ল'লে। ইবিলাক নাৱতো সেইদৰে মানুহ উঠিল। উজনি আৰু ভাটিফালৰ আন আন গাওঁবিলাকৰ পৰাও তিনি-চাৰিখন মানকৈ নাও লৈ মাজুলীয়াল ল'ৰা-তিৰোতা, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, ৰজাঘৰৰ দুৰ্গোৎসৱ চাবলৈ ওলাল।

সকলোবিলাক মানুহে নাৱত উঠা হ'লত "জয় বাবা ব্ৰহ্মপুত্ৰৰ জয়। আমাক বাবা যেন সুকলমে পাৰ কৰোৱা।"— এই বুলি হৰিধ্বনি দি নাও এৰি দিলে। পাঁচোখন নাও একেলগে চলিল। প্ৰত্যেকখন নাৱৰ মানুহৰ কোনে আগবাঢ়িব পাৰে এনেকুৱা এটা অৰিয়া-অৰি ভাব হ'ল। বঠাৰ চাবে চাবে গাভৰুসকলে গালে—

**ঘোষা**

কৃষ্ণ গোপাল কৰুণাময় ৰাম ৰাম হৰি।

**পদ**

কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ।।
পীতবস্ত্ৰে শোভে আতি শ্যাম কলেবৰ।
কমললোচন চাৰু অৰুণ অধৰ।।
সুন্দৰ নাচিকা কৰ্ণে মকৰ কুণ্ডল।
কণ্ঠত কৌস্তুভ শিৰে কিৰীটি উজ্জ্বল।।
আপাদলম্বিত বনমালা জ্বলে গলে।
শোভে অতি শ্ৰীবৎস বহল বক্ষস্থলে।।

চাৰু চাৰি ভুজ জ্বলে আজানুলম্বিত।
কৰিকৰ সম উৰু বৰ্ত্তুল ললিত।।

পাঁচোখন নাৱে কোবেৰে খেৰা মেলিলে। কোবেৰে গৈ সিপাৰ পাওঁ পাওঁ হ'লত গাভৰুসকলে আকৌ গালে—

"ঘাটে নাও চপাই দিয়া অ' বনমালী"

নাও পাৰ পাওঁ পাওঁ হৈছিল। পাৰলৈ মুঠেই তিনি নল মানহে আছিল। এনেতে দয়াৰামহঁতেৰ নাওখনে সৈতে আন এখন নাৱৰ খুন্দা লগাত দয়াৰামৰ নাওখন অলপ কাতি হ'লত মানুহবিলাক সোপায়ে পানীত পৰিল। ভাগ ভাল যে পানী থাউনি পোৱা নাছিল। নৈৰ সোঁত কোবাল নাছিল, তদুপৰি মাজুলীয়াল প্ৰায় মতা-মাইকী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী সকলোৱে সাঁতুৰিব জানিছিল। এটি প্ৰাণীৰো হানি-বিঘিনি নহ'ল। জুৰুলি-জুপুৰি হৈ পাৰত উঠি নৈৰ বালিত শুকান নল-খাগৰি আৰু কাঠেৰে জুই একুৰা জ্বলাই কাপোৰ-কানি সেকি ইকেইখন নাৱৰ মানুহৰ পৰা অলপ জা-জলপান লৈ হাঁহি-খিকিন্দালি কৰি খাই ৰংপুৰ নগৰৰ ফালে খোজ লৈ গধূলি নৌহওতেই সকলোবিলাক নগৰৰ ওচৰৰ গাঁওবিলাকত চিনাকি আৰু সম্পৰ্কীয় মানুহৰ ঘৰে ঘৰে আশ্ৰয় লৈ ৰ'ল।

## সপ্তম অধ্যায়
## বুৰঞ্জী

আমাৰ অসমৰ আহোমসকল আদিতে যে মহান বৌদ্ধধৰ্মাৱলম্বী আছিল এই কথা বুৰঞ্জী পঢ়া মানুহ মাত্ৰেই জানে। যিমান দিনলৈকে আমাৰ আহোম ৰজাসকল আমাৰ হিন্দুৰ সংসৰ্গলৈ নাহি বৌদ্ধ হৈ আছিল আৰু হিন্দুৰে সৈতে বিবাহাদি সূত্ৰত আবদ্ধ হোৱা নাছিল, সিমান দিনলৈকে আহোমসকল বলী আৰু বীৰত্বৰে পৰিপূৰিত আছিল বুলি আমাৰ অনেক ভাতৃয়ে কয়। আনকি মোগলেও ওঠৰবাৰ অসম আক্ৰমণ কৰিও আহোমক পৰাস্ত কৰিব পৰা নাছিল। পিছত যেতেকে আহোমসকলৰ কাল পুৰণি হৈ আহিল, তেতেকে আহোমসকলে হিন্দুৰ সংসৰ্গত বেছিকৈ পৰিব ধৰিলে; আহোম ৰজাৰ সভাত ব্ৰাহ্মণ আৰু আন আন ওখ খাপৰ হিন্দুসকলে স্থান পালে। হিন্দুৰ ধৰ্মমত জানি শুনি আৰু হিন্দু ধৰ্মই যে পৱিত্ৰ বৌদ্ধধৰ্মৰ জন্মদাতৃ মাতৃ, বুদ্ধদেৱ যে ক্ষত্ৰিয় হিন্দু ৰাজ্যৰহে সন্তান আছিল আৰু বুদ্ধদেৱ যে হিন্দুৰ দহ অৱতাৰৰ নৱম অৱতাৰ ইত্যাদি কথা শুনি আহোম ৰজাসকলৰ মন ৰুদ্ৰসিংহৰ দিনৰে পৰা হিন্দু ধৰ্মলৈ ঢাল খালে। ইয়াৰ ফলত ৰুদ্ৰসিংহ স্বৰ্গদেৱে পোনপ্ৰথমে ১৭১০ খ্ৰীষ্টাব্দত নদীয়াৰ কৃষ্ণাৰাম ভট্টাচাৰ্যৰ

ওচৰত শাক্ত ধৰ্মত দীক্ষিত হ'ল। ৰজাক হিন্দু হোৱা দেখি ডাঙৰ ডাঙৰ আহোম বিষয়া আৰু ডাঙৰীয়া কেইজনাইও হিন্দুধৰ্ম গ্ৰহণ কৰিলে। কামৰূপৰ কামাখ্য মন্দিৰত আগৰে পৰা দুৰ্গোৎসৱ থাককে বা নাথাককেইঁ ৰুদ্ৰসিংহৰ দিনৰে পৰা আহোম ৰজাসকলৰ ঘৰত, বিষয়াসকলৰ ঘৰত বছৰি দশভূজা দুৰ্গাদেৱীৰ হাঁহ, পাৰ, পাঠা, ম'হ ইত্যাদি বলি-বিধানে সৈতে মহা সমাৰোহেৰে পূজা হ'বলৈ ধৰিলে। তামসিক ভাবেৰে মাতৃৰ পূজা হোৱাৰ ফলতেই হওক বা কোনো সাধক বা ঋষিৰ শাপতেই হওক দুৰ্গাদেৱীৰ ডাকিনী, যোগিনীসকলে শিৱসিংহৰ দিনৰে পৰা অসমীয়াৰ তেজেৰে উদৰ পৰিপূৰ্ণ কৰিবলৈ ধৰিলে। তেতিয়াৰে পৰা অৰ্থাৎ ফুলেশ্বৰী কুঁৱৰীৰ দিনৰে পৰা অসম লাহে লহে ভস্ম হৈ শ্মশানত পৰিণত হ'বলৈ ধৰিলে।

## অষ্টম অধ্যায়

## ৰজাঘৰত দুৰ্গোৎসৱ

আজি সপ্তমী তিথি। ৰজাঘৰত ৰাতিপুৱাৰে পৰা ঢোল, খোল, শঙ্খ, ঘণ্টা, বৰকাঁহ, দবা, তাল, মৃদঙ্গ ইত্যাদি নানা বাজানা বাজিছে। কুৰিয়ে কুৰিয়ে ছাগলী, যোৰে যোৰে ম'হ, গোসাঁনী ঘৰলৈ আহিছে আৰু তাৰ লগে লগে বলিকটা আৰু আন আন ৰং-ধেমালি চাবলৈ চাৰিওফালৰ পৰা ল'ৰা-ছোৱালী, ডেকা-গাভৰু আহিছে। পুৱাৰে পৰা ব্ৰাহ্মণসকলে ধূপ-ধুনা লগাই পূজা আৰম্ভ কৰিছে। বেলি প্ৰায় এপৰ হ'ল। ডেকা বয়সৰ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱ, তেওঁৰ লগৰীয়া সৎৰাম, জয়ৰাম, মনাই আৰু ডাঙৰীয়া তিনিওজনে সৈতে গোসাঁনীঘৰ সোমালহি। ৰজাক চাবলৈ, বলিকটা চাবলৈ, মানুহে চাৰিওফালে ৰভাঘৰটো বেঢ়ি ধৰিলে। ৰজাই বিষয়াসকলেৰে সৈতে গৈ পোনেই দেৱীক সেৱা কৰি বলি-বিধানবিলাক লগাবলৈ ব্ৰাহ্মণক আদেশ কৰিলে। ব্ৰাহ্মণে ৰজাক সংকল্পৰ মন্ত্ৰ মতোৱাই ফুল-নিৰ্মালি দি আশীৰ্বাদ কৰিলে। ৰজা উঠি আহি সভাঘৰত পাৰি থোৱা সিংহাসনৰ ওপৰত চাৰিওফালে পাত্ৰ-মিত্ৰ মন্ত্ৰীৰে বেষ্টিত হৈ বহিল। ব্ৰাহ্মণসকলে বলিবিলাকক এটা এটাকৈ শান্তিজল ছটিয়াই, সেন্দুৰৰ ফোঁট দি মাতৃক উছৰ্গা কৰিলে। ঢোল, খোল, মৃদংগ— এই বিলাকৰ তুমুল শব্দৰ মাজত বলিকটীয়াহঁতে এটা এটাকৈ বলিবিলাকক শালত সোমাই লৈ কাটিব ধৰিলে। অসংখ্য ছাগলী, ম'হ, হাঁহ, পাৰ ইত্যাদিৰ তেজেৰে বলিৰ শালবিলাক ৰাঙলী হ'ল। তেজেৰে ঠায়ে ঠায়ে ডোঙা বান্ধিলে।

ৰজাক বেঢ়ি চাওতাসকলৰ ভিতৰত আমাৰ ৰহদৈয়ো দয়াৰামৰ কাষতে থিয় হৈ আছিল। সুক্ষণতে হওক বা কুক্ষণতে হওক দৈবাৎ ৰজাৰ চকু ৰহদৈৰ ওপৰত পৰিল। ৰহদৈৰ মনোমোহা ৰূপ আৰু লাৱণ্যত আকৃষ্ট হৈ ৰজাই একেথৰে কিছুবেলি ৰহদৈৰ ফাললৈ চাই তেওঁৰ কাষতে মাটিত আঁঠু লৈ বহি থকা তেওঁৰ সখি সতাইক আনে নুশুনাকৈ কেতখিনি কিবা-কিবি ক'লে। সতায়ে মূৰ দুপিয়াই শলাগিলে। বেলি দুপৰ হ'লত ৰজাই সভা ভংগ কৰি কাৰেঙলৈ সোমাল, ডাঙৰীয়াসকল আৰু আন আন মানুহো ঘৰা-ঘৰি গ'ল।

## নৱম অধ্যায়

## ৰজা আৰু সৎৰাম

আগবেলা পূজা চাই উঠি ভাটিবেলা ৰজা চন্দ্ৰকান্ত সিংহে তেওঁৰ ভিতৰুৱা ৰংচৰাত বহিলহি। সতাই অলপ আগখিনিতে আহি বহি আছিল। আসনত বহিয়েই ৰজাই সৎৰামক সুধিলে— "পিছত সখি, কোৱাচোঁ সেই ছোৱালীজনীৰ নাম-ধাম আঁতিগুৰি কি?"

সৎৰাম— স্বৰ্গদেউ ঈশ্বৰ! তাইৰ নাম ৰহদৈ। ঘৰ মাজুলীৰ কমলাবাৰীৰ গাঁৱত। বাপেকৰ নাম ৰতিকান্ত। সি কমলাবাৰীৰ সেৱক। জাতত সোণাৰি কলিতা। তাইৰ তলত এটা ভায়েক মাথোন আছে। তাই মাক-বাপেকৰ একেজনী জীয়ৰী।

চন্দ্ৰকান্ত সিংহ— সখি! ছোৱালীজনী এতিয়াও গাভৰু হৈ উঠা নাই যেন লাগে। তথাপি তাই এতিয়াই দেখিবলৈ ইমান ধুনীয়া। গাভৰু হৈ উঠিলে তাই কেনেকুৱা স্বৰ্গৰ দীপলিপ অপেশ্বৰীৰ দৰে হ'ব ক'বই নোৱাৰি। তাই সাধাৰণ মানুহৰ পঁজাঘৰত থকা লায়েকৰ নহয়। মোৰ কাৰেঙেহে তাইক শুৱায়। সেই দেখি সখি! মোৰ বৰ ইচ্ছা হৈছে তাইক মোৰ হাতধৰী লিগিৰী কৰি ৰাখোঁ।

সৎৰাম— স্বৰ্গদেউ ঈশ্বৰে তাইৰ ৰূপৰ বিষয়ে যি কৈছে সেইটো সঁচা। পিছত তাইক সদায় লিগিৰী কৰিয়েই ৰাখিবনে?

ৰজা— নহয়। তাই গাভৰু হৈ উঠিলে তাইক বিয়া কৰাই ৰাণী পাতিম।

সৎৰাম— স্বৰ্গদেৱ ঈশ্বৰে কৰোঁ বুলিলে যি ইচ্ছা তাকে কৰিব পাৰে। পিছত বন্দীয়ে কথা এটা জনাব খোজোঁ।

ৰজা— জনোৱা মই শুনিম।

সৎৰাম— স্বৰ্গদেউ ঈশ্বৰ। কথাটো এই— তাই দীপলিপ অপেশ্বৰী হ'লেও সামান্য কাঁড়ী পাইকৰহে জীয়ৰী। এনেয়ে আমাৰ আপই সদায় স্বৰ্গদেৱৰ ওপৰত

ক্ষমতা চলাই থাকে, তাতে আকৌ যদি সাধাৰণ কাঁড়ী পাইকৰ জীয়ৰী এজনীক ৰাণী পাতে তেন্তে মহা অনৰ্থ ঘটাব পাৰে।

ৰজা— কি! আমাৰ দেখোন উপৰিপুৰুষ "শিৱসিংহ ৰজাই নটৰ জীয়ৰী ফুলেশ্বৰীকো বিয়া কৰাই ৰাণী পাতিছিল— তেতিয়া দেখোন ডাঙৰীয়াসকলে শিৱসিংহ ৰজাক একো কৰিব নোৱাৰিছিল। এতিয়া মই এইক বিয়া কৰাই ৰাণী পাতিলেনো কি জগৰ লাগিব?

সৎৰাম— স্বৰ্গদেৱ ঈশ্বৰ! সেই কালত ডাঙৰীয়া তিনিজন ইমান প্ৰভাৱশালী নাছিল। ৰজা তেওঁবিলাকৰ আজ্ঞামতে চলা নাছিল। পিছত এতিয়া যে স্বৰ্গদেৱে বুঢ়াগোঁহাইৰ হাকে বচনে চলিব লগা হৈছে।

ৰজা— মোৰো এই কথাতেহে বেজাৰ। বুঢ়াগোঁহায়ে সদায় মোক সকলো কথাতে তাৰ তলতীয়া কৰি ৰাখিব খোজে। আই-দেউতা তাৰ ফলীয়া হোৱাত মোৰ উপায় নোহোৱা হৈছে। মোৰ অতিকৈ বেজাৰ-বিৰক্তি হৈছে। মই আৰু বুঢ়াগোঁহাইক নামানো। সখি! তুমি মোৰ সহায় থাকিলে আৰু গুৱাহাটীৰ বৰফুকন আৰু ৰাইজ মোৰ ফলীয়া থাকিলে পূৰ্ণানন্দ বুঢ়াগোঁহাইক দিনক দিনে অপমান দি লঘু-লাঞ্ছনা কৰি তাৰ গৰ্ব খৰ্ব কৰিহে এৰিম। পিছত সদ্যহতে মই এই ছোৱালীজনীক আজিয়েই ধৰাই আনি কাৰেঙত লিগিৰীস্বৰূপে ৰাখিব খোজোঁ, তুমি কেনে বোলা?

সৎৰাম— স্বৰ্গদেৱ ঈশ্বৰে যি ইচ্ছা তাকে কৰিব পাৰে; কিন্তু তেনেকুৱা কৰিলে জানোচা আপ আৰু আপুৰ ফৈদে ৰাইজৰ সহায় আৰু বল পাই আমাক মস্কিলত পেলায়। সেই দেখি বন্দীয়ে জনাওঁ স্বৰ্গদেৱ ঈশ্বৰে সদ্যহতে তাইক পূজা চাই ঘৰলৈ উলটি যাবলৈ দিয়ক। পিছত বন্দীয়ে মানুহ পঠিয়াই তাইৰ মাক-বাপেকক কিছু ধন-বিত দি তাইক কিনি অনাৰ দৰে আনি স্বৰ্গদেৱক সোধাম।

ৰজা— তেন্তে সখি! সেইদৰেই হওক। তুমি পলম নকৰিবা। পুৱা এমাহৰ ভিতৰত মোক তাইক আনি দিব লাগে।

সৎৰাম— ভাল স্বৰ্গদেৱ ঈশ্বৰ এতিয়া উঠিলোহে।

## দশম অধ্যায়

## দয়াৰামৰ প্ৰস্তাৱ

ৰজাঘৰৰ দুৰ্গোৎসৱৰ চাই বিজয়াৰ দিনা ব্ৰহ্মপুত্ৰত দেৱীৰ বিসৰ্জন চাই, মাজুলীৰ পৰা অহা ডেকা-গাভৰু, ল'ৰা-ছোৱালী এইবিলাকেই আগৰ দৰে নাৰে নাৰে গীত-পদ গাই নৈ পাৰ হৈ সিপাৰ পালেগৈ। আৰু ঘাটে ঘাটে নাওবিলাক বান্ধি থৈ

সকলোবিলাক ঘৰা-ঘৰি গ'ল। ঘৰলৈ যাবৰ সময়ত দয়াৰামে ৰহদৈক বাটত লগ ধৰি সুধিলে— “ৰহদৈ! প্ৰথম দিনাই ৰজাৰ ওচৰৰ পৰা সেই বিষয়াজনাই আহি তোক মোৰ পৰা অলপ আঁতৰ কৰি নি কি সুধিছিল?”

ৰহদৈ— সেইজনে দেখোন মোৰ নাম, ধাম, আই, বোপাই ইত্যাদি সকলোৰে কথা সুধিছিল।

দয়াৰাম— কিয় সুধিছিল ক'ব পাৰনে?

ৰহদৈ— এ পাই! মই একোকে বুজিব নোৱাৰিলোঁ।

দয়াৰাম— মোৰ দেখোন মনটোৱে কৈছে এই সোধ-পোছৰ শেহ ফলটো ভাল নহ'ব। যি কি নহওক ৰহদৈ! মই তোক কথা এষাৰ সোধোঁ। তই মোক এই কথাৰ সঠিক উত্তৰ দিবিনে?

ৰহদৈ— এ পাই! মইনো তোক কোন দিনা কোন কথাৰ সঠিক উত্তৰ দিয়া নাই। কি সুধিব খুজিছ সোধ আকৌ।

দয়াৰাম— ৰহদৈ! সৰুৰে পৰা মই তোৰ লগত একেলগে ম'হ ৰখি, নৈত সাঁতুৰি, বিহুত ৰং-ধেমালি কৰি নাচি-বাগি ডাঙৰ হৈছোঁ। মই তোক সৰুৰে পৰা ভাল পাই আহিছোঁ আৰু এতিয়া মই তোক আগতকৈও ভাল পাওঁ। মোৰ ইচ্ছা হয় মই যেন তোৰ লগ এখন্তেকো নেৰিম। পিছত মই যদি বোপাইৰ হতুৱাই তোক মোলৈ খোজবঢ়া কৰাওঁ, তেন্তে তই ভাল পাবিনে বেয়া পাবি ক!

দয়াৰামৰ এই কথাত ৰহদৈ নিমাত হৈ ৰ'ল। তাই তললৈ মূৰ কৰি ৰ'ল— কোনো উত্তৰ নিদিলে। দয়াৰামে তেতিয়া ৰহদৈৰ হাতখন ধৰি আকৌ ক'লে— “ক ৰহদৈ, তই বেয়া পাবি নেকি?”

ৰহদৈ— বেয়া-ভাল নো কি আছে। তোৰ দেউতাৰে যদি খোজে আৰু মোৰ আই-বোপায়ে যদি দিয়ে তেন্তেনো আৰু তোলৈ নগৈ কি কৰিম। যাব লাগিব।

দয়াৰাম— এঃ তই ভাল মনেৰে আহিবি নে দঁড়িত বান্দৰ নচাৰ দৰে আহিবি সেইটো ক।

ৰহদৈ— (অলপ হাঁহি) তোকনো মই কিদৰে ক'ব লাগে। মই দেখোন ক'লোৱেই। পিছত মই এটা কথা সোধোঁ। তহঁতৰ ঘৰৰ মানুহ ধনী, আমাৰ ঘৰ হ'লো দুখীয়া মানুহ। দেউতাৰ আকৌ সত্ৰৰ মেধি! আমাৰ নিচিনা দুখীয়া মানুহক জানো দেউতাৰে বোৱাৰী কৰিব ভাল পাব?

দয়াৰাম— ৰহদৈ! মই তোক এইটো সঠিককৈ ক'ব পাৰোঁ যদিও মাহীয়ে মোক দুখ-কষ্ট দিয়ে তথাপি দেউতাই হ'লে মোক পেটে সমন্বিতে বৰ মৰম কৰে যদিও মাহীৰ দঁড়িত সেই মৰম মুখেৰে দেখুৱাব নোৱাৰে। দেউতাই এদিন তেওঁৰ লগৰ

বন্ধু এজনৰ আগত হেনো কৈছিল যে তেওঁ ভাল ছোৱালী এজনী পালে মোক বিয়া কৰোৱাই বেলেগ ঘৰ-দুৱাৰ মাটি-বৃত্তি দি থাপিব। মাহীৰ লাঞ্ছনাৰ পৰা মোক ৰক্ষা কৰিব। সেই দেখি মই যদি দেউতাক মোৰ কোনো বন্ধুৰ হতুৱাই কোৱাওঁ যে মই তোকেহে বিয়া কৰাম, তেনেহ'লে দেউতাই তোক মোলৈ খুজিব। খুজিলে বোধকৰোঁ তোৰ আইয়েৰ আৰু দেউতাৰে মান্তি হ'ব। সেই দেখি ৰহদৈ! আজি মই তোক মনৰ কথা খুলি ক'লোঁ। মই তোকেহে বিয়া কৰাম। তোক নাপালে মই জীয়াই নাথাকোঁ।

ৰহদৈ— বাৰু অ'! এয়েনে কথা? বাৰু তেন্তে মই এতিয়া যাওঁ।

দয়াৰাম— এঃ তই দেখোন একো নক'লি।

ৰহদৈ— মইনো আৰু কি ক'ম। তোৰ যি ইচ্ছা কৰগৈ।

দয়াৰাম— তই যদি বেয়া পোৱা নাই তেন্তে মোক চুমা এটা দি যা।

ৰহদৈ— এঃ বাটে-ঘাটে চুমা খালে মানুহে কেনেবাকৈ দেখিলে বেয়া বুলিব।

দয়াৰাম— (ইফালে-সিফালে চাই) "কোনো নাই অ' ওচৰে সমাৰে" এই বুলি কৈয়েই ঘপহ কৰে ৰহদৈক ধৰি দুগালে চুমা খালে। ৰহদৈয়ে ক'লে— "যা অ' বাটে-পথে আগলে এনেকুৱা নকৰিবি। বিয়া কৰাই নি যিমান পাৰ চুমা খাবি।" কৈয়েই ৰহদৈয়ে তাৰ লগ এৰি বেগাই ঘৰলৈ গ'ল। দয়াৰামেও ঘৰমুৱা হৈ খোজ লোৱাৰ লগে লগে গালে—

তোকে কেনে কৰি পাম প্ৰাণেশ্বৰী
হ'ম কেনে কৰি কথা।
পানী অনা ছলেৰে ঘাটলৈ আহিবা
তাতে কম হৃদয়ৰ ব্যথা।

## একাদশ অধ্যায়
## খোজ-বঢ়া

দয়াৰামে আৰু ৰহদৈয়ে এই কথা-বতৰা হোৱাৰ দুদিনৰ পিছতে দয়াৰামৰ বাপেক ধনীৰামে মানুহে-দুনুহে দুখন ভাৰে-ভেটীয়ে ৰতিকান্তৰ ঘৰলৈ আহি তেওঁৰ পুতেক দয়াৰামলৈ ৰহদৈক খুজিলে। ৰতিকান্তই ভবা নাছিল যে ধনীৰামৰ নিচিনা এজন আঢ্যৱন্ত মানুহে তেওঁৰ জীয়েকক পুতেকলৈ খোজা-বঢ়া কৰিব। ৰতিকান্তই ঘৈণীয়েক কমলাপ্ৰিয়াক কথাটো সুধি আনন্দ মনেৰে সন্মত জনাই ক'লে যে তেওঁ ইচ্ছা কৰিলে এই মাহৰ ভিতৰতে মণি-কেৰু পিন্ধাই বা বিয়াই কৰাই থ'ব পাৰে। পিছত ছোৱালী কন্যাকাল হ'লে লৈ যাব। ধনীৰামে সেইদৰে কৰিবলৈ সন্মত হৈ

ক'লে যে দিন-বাৰ এটা চোৱাই সকলো ঠিক-ঠাক কৰি তেওঁ এই মাহৰ ভিতৰত বিয়াখন পাতিব। দুয়োঘৰে এইদৰে মনে মনে মিলাপ্ৰীতি হৈ কথা-বতৰা স্থিৰ কৰিলে। ধনীৰাম মেধিয়ে ভাৰ-ভেটী দি ৰতিকান্তই দিয়া জা-জলপান খাই আনন্দ মনেৰে নিজৰ ঘৰলৈ উলটিল।

## দ্বাদশ অধ্যায়

## মনে খোজে ৰজা হ'ব,
## বিধাতাই নিদিয়ে খুজি খাব।

আমাৰ অসমীয়া মানুহৰ এটি ফকৰা আছে যে "দাতাই দিলেও বিধাতাই নিদিয়ে" অথবা মনে ৰজা হ'ব খোজে বিধাতাই কিন্তু খাবলৈকো উপায় নিদিয়ে। এই ফকৰা বচনটো অনেক মানুহৰ জীৱনত ফলে। আমাৰ দয়াৰাম আৰু ৰহদৈৰ ভাগ্যত এই ফকৰাটো সম্পূৰ্ণৰূপে ফলিল।

দয়াৰামৰ বাপেক ভাৰ-ভেটী পেলাই ৰহদৈক পুতেকলৈ খোজা-বঢ়া কৰাৰ তিনদিনৰ পিছত ৰংপুৰৰ পৰা এজন ব্ৰাহ্মণ কটকী, চাৰিজন আহোম চাওডাঙে সৈতে ৰতিকান্তৰ ঘৰত উপস্থিত হ'লহি। ৰজাঘৰীয়া চাওদাং টেকেলাক দেখি ৰতিকান্ত আনকি তেওঁৰ ওচৰ-চুবুৰীয়াৰো চুলিৰ আগতহে জীৱ ৰ'লগৈ। তেওঁলোকে ভাবিলে তেওঁলোকেনো ৰজাঘৰত কি জগৰ লগালে যে চাৰিজনকৈ চাওডাং টেকেলা ৰতিকান্তৰ ঘৰলৈ আহিল। ভয়তে কঁপি কঁপি ৰতিকান্তই ব্ৰাহ্মণ আৰু টেকেলাকেইজনক বহিবলৈ ঢাৰি-কঠ একোডোখৰ দি ভিতৰলৈ গৈ বঁটাত তামোল-পাণ, কটাৰী আনি ব্ৰাহ্মণজনৰ আগত থৈ দুয়োহাত যুৰি আঁঠু লৈ সুধিলে— "দেউ আৰু আমাৰ টেকেলা ককাইটিহঁত, আপোনাসকলে কি সকামত বা এই দুখীয়া নিচলাৰ পঁজাত ভৰিৰ ধূলা পেলালেহি?"

কটকী— তোমাৰ ৰহদৈ নামৰ জীয়ৰী এজনী আছে নহয়?

ৰতিকান্ত— হয় আছে।

কটকী— তাই এইবাৰ ৰজাঘৰত পূজা চাবলৈ নগৈছিলনে?

ৰতিকান্ত— গৈছিল। পিছত মোৰ আকলন ছোৱালীজনীয়ে বা ৰজাঘৰত কি জগৰ লগালে?

কটকী— তাই একো জগৰ লগোৱা নাই। পিছত ছোৱালীজনীক ইয়ালৈ মাতি আনাচোন।

কটকীৰ এই আদেশত ৰতিকান্তই জীয়েকক মাটি পঠিয়ালে। ৰহদৈ থোতমোতকৈ আহি আগত ওলাল। কটকীজনে ৰহদৈৰ পিনে চাই ক'লে— "এৰা

ভাল্লেতোহে এওঁ ৰজাৰ চকুত পৰিল। এওঁ এতিয়াই জাকত জিলিকা! আগলৈ যে কেনেকুৱা এজনী দীপলিপ সুন্দৰী গাভৰু হ'ব তাৰ উপমাই নহয়। ৰতিকান্ত! তোৰ এই ছোৱালীজনী ৰজাৰ চকুত লগা বাবে ৰজাই তাইক নিবলৈ আমাক পঠিয়াইছে।"

ৰতিকান্ত— (দুখ মনেৰে) প্ৰভুদেৱ, ৰজাইনো মোৰ এই আকলন ছোৱালীজনী নি কি কৰিব?

কটকী— ৰজাই সদ্যহতে তাইক তেওঁৰ হাতধৰি লিগিৰী কৰি ৰাখিব পিছত ৰজাৰ ইচ্ছা হ'লে তাইক ৰাণীও কৰিব পাৰে।

ৰতিকান্ত— প্ৰভুদেউ! মই দেখোন সমূলে মৰিলোঁ। মোৰ আগলৈকো নাই পিছলৈকো নাই। এই একেজনী জীয়ৰীকনো ৰজাঘৰত বঞ্চিবলৈ কেনেকৈ এৰি দিওঁ। তাইক এৰি দিনো আমি কেনেকৈ থাকো। মোৰ আকলন ছোৱালীজনীয়ে একো কথাৰে আও-ভাও নাপায়। কোনোদিনাই তাই ৰজাহে নালাগে কোনো ডাঙৰ বিষয়াৰ ঘৰৰ আও-ভাও নেজানে— এনেস্থলত তাইনো তাত কেনেকৈ বঞ্চিবগৈ। তাইক ৰজাঘৰলৈ পঠিয়াই আমিনো কেনেকৈ জীৱন ধৰোঁ?

১ম চাওডাং— জোঁৱাইৰ ঘৰলৈ উলিয়াই দিনো কেনেকৈ থাকিলেহেঁতেন?

ৰতিকান্ত— ককাই, জগৰ নধৰিবি। তাইক আমাৰ এই একে গাঁৱতে থকা ধনীৰাম মেধিৰ পুতেক দয়াৰামলৈ দিবলৈ থিৰ কৰিছিলোঁ। মেধিয়ে পৰহি তাইক খোজা-বঢ়া কৰি ভাৰ-ভেটী দি গৈছে।

২য় চাওডাং— যেয়ে ভাৰ-ভেটী পেলাওক লাগে, যেতিয়াই ৰজাই তোৰ জীয়েৰক ভাল দেখি হাতধাৰ লিগিৰী কৰিব খুজিছে তেতিয়া তই জীয়েৰক এৰি দিব লাগিব।

ৰতিকান্ত— ককাই! ৰজাঘৰলৈ তাইক পঠিয়ালে তাইৰ জাতিকুল নষ্ট হ'ব। আগলৈকো তাইকতো আকৌ আমাৰ ঘৰে-দুৱাৰে তুলি খুৱাব নোৱাৰিম। জাতি বোলা বস্তুটো বহুমূলীয়া, ইয়াকনো সতকাই কেনেকৈ খেদাওঁ।

৩য় চাওডাং— হেৰ গৰু, জাতিনো এটা কি ডাঙৰ বস্তু। তোতকৈ ডাঙৰ ডাঙৰসকলেও ৰজাৰ অনুগ্ৰহ পাবলৈ জাতি-কুলৰ দেখোন কোনো বিচাৰ নাৰাখে। তই নিজকে অতি ভাগ্যৱান বুলিহে ভাবিব লাগে। ৰজাৰ হাতধৰি লিগিৰী হৈ তোৰ জীয়েৰ যাব— তোৰ পদ-মৰ্যাদা বাঢ়িব, আনকি তই বৰা বা শইকীয়া বা হাজৰিকা বা ৰাজখোৱা এনেকুৱা বিষয় এখনো পাব পাৰিবি। যদি দৈবাৎ তোৰ জীয়েৰৰ কপালে তাই ৰজাৰ ৰাণী হ'বলৈ পায় তেনেহ'লেতো উঠি বহিলি— তই তোৰ সমান আৰু ভাগ্যৱান কেৱে নহ'ব। এইবিলাক কথালৈ মন কৰিবিচোন। ধনীৰামৰ পুতেকলৈ নি জানো এইবিলাক সম্পদ পাবি?

ৰতিকান্ত— ককাই, মোৰ নিচিনা দুখীয়া মানুহে পদ-মৰ্যাদা বিচৰাটো বাওনাই চন্দ্ৰ লগ পোৱাৰ দৰে কথা। আমি দুখীয়া মানুহ দুখীয়া অৱস্থাৰে থাকিহে ভাল পাওঁ।

৪ৰ্থ চাওডাং— হেৰ মুৰ্খ, তই বুজি পোৱা নাই নে তই নিজ ইচ্ছামতে নিদিলে আমি জীয়েৰক বল কৰি হ'লেও লৈ যাম। ৰজাৰ আজ্ঞা আমাৰ ওপৰত এইদৰেও আছে। সেই দেখি তই আৰু চুপতি মাৰি নাথাকিবি। ভালে ভালে জীয়েৰক খুৱাই-ধুৱাই পিন্ধাই-উৰাই উলিয়াই দে।

ৰতিকান্ত— (চকুলো টুকি টুকি) মই থিতাতে মৰিলোঁ। ৰজাই কাটে, সমুদ্ৰে বুৰায়। এনেস্থলত যদি ৰজাৰ এনেকুৱাহে আদেশ তেনেহ'লেনো মোৰ কি উপায় আছে। তিনি ত্ৰৈলোক্যৰ গৰাকী হৈ যদি স্বৰ্গদেৱে দুখীয়াৰ এই একেজনী জীয়ৰীকে বল কৰি হ'লেও নিবলৈ আদেশ দিছে, তেনেহ'লেনো মোৰ কি উপায় আছে। পিছত আপোনাসকলে তাইক নিলে ইফালে ধনীৰামে মোৰ ওচৰত খৰচ-বৰচ নল'বনে?

কটকী— তাৰো দিহা নলগাম বুলি ভাবিছনে? ধনীৰামৰ বাপেকৰো দাঁত নহ'ব ৰজাঘৰলৈ তোৰ জীয়ৰী দিয়াৰ বাবে ওপৰত খৰচ ল'বলৈ। তথাপি তহঁতৰ মন শাঁত কৰিবলৈ স্বৰ্গদেৱে তহঁতলৈ এই ৰূপ চাৰিকুৰিও জীয়েৰৰ বেচস্বৰূপে দি পঠিয়াইছে। হোঁ ল, আৰু জীয়েৰক বেগতে উলিয়াই দে। ভালে ভালে উলিয়াই যদি দিয় তেন্তে তই সম্পদ পাবি। মাজে মাজে ৰজাৰ ঘৰলৈ গৈ তাইক চাই-মেলিও আহিব পাৰিবি। আমি বল কৰি নিবলৈ হ'লে তই ৰাজদ্ৰোহত পৰিবি, আৰু ৰাজদ্ৰোহত পৰিলে নাজাননে কি গতি হ'ব। সেইদেখি মনক বুজা। ভিতৰলৈ যা। জীয়েৰক বঢ়াই-বুজাই খুৱাই-ধুৱাই কানি-কাপোৰ যি হয় এডোখৰ পিন্ধাই-উৰাই উলিয়াই দে। তোৰ কপাল ভাল বুলি ভাবিবি। যদিও ৰজাই সদ্যহতে তাইক লিগিৰী কৰি ৰাখিব, তথাপি কোনে জানে ৰজাই তাইক ৰাণীও পাতিব পাৰে। সেইদেখি তই আৰু অবুজন নহ'বি।

কটকী বাপুৰ এই কথাত ৰতিকান্ত ভিতৰলৈ গ'ল আৰু জীয়েকক খুৱাই-বুৱাই কানি-কাপোৰ অলপ গহনা-গাঁঠৰি পিন্ধাই ঘৈণীয়েকে ঢাকুৰি কান্দি কান্দি অলপ সাম্য হ'লত ফেঁকুৰি ফেঁকুৰি কান্দি থকা জীয়েক ৰহদৈক আনি কটকী বাপুৰ আগত থিয় কৰি হাতযুৰি ক'লে— 'প্ৰভুদেৱ! মোৰ আগলৈকো নাই পিছলৈকো নাই, এই একেজনী জীয়ৰীকে ৰজাই নিবলৈ ভাল পালে বলক লৈ গৈ থৈ আহোগৈ।"— এই বুলি জনালে। পিছত চাওডাং চাৰিজনক আৰু কটকী বাপুক অলপ জা-জলপান খুৱাই ৰতিকান্তই জীয়েকৰ লগত যাবলৈ ওলালত কটকীয়ে

ক'লে— "হেৰ তই যাব নালাগে সদ্যহতে।"

ৰতিকান্ত— কেলেই মই লগতে লৈ গৈ থৈ আহিলে জানো কিবা জগৰ লাগিব?

কটকী— জগৰ লাগিবও পাৰে নালাগিবও পাৰে। ৰজাই আমাক আদেশ কৰিছে তোক টকা-শিকা দি সন্মত কৰায়েই হওক বা বল কৰিয়েই হওক তোৰ জীয়েৰক লৈ যাবলৈ। লগত তোক নিবলৈ কোৱা নাই। জানই দেখোঁ আমাৰ স্বৰ্গদেৱসকলৰ অলপতে জগৰ লাগে। পিছত জানোচা তোক লগত লৈ গ'লে অকল যে তোৰেই জগৰ লাগিব এনে নহয় আমিও বা জগৰত পৰোঁ সেই দেখিহে মানা কৰিছোঁ তই যাব নালাগে।

ৰতিকান্ত— তেন্তে দেউ! কাবৌটি কৰিছোঁ মোৰ এই অকালন জীয়ৰীজনীয়ে যেন একো দুখ নাপায়।

কটকী— হেৰ! তই চিন্তা নকৰিবি। তাই মহা সুখত থাকিব। মাজে মাজে তই কোনোপ্ৰকাৰে সৎৰাম চাৰিঙীয়া ফুকনক জনাই তেওঁৰ হতুৱাই ৰজাৰ পৰা অনুমতি লৈ ৰজাঘৰলৈ গৈ জীয়েৰক চাই-মেলিও আহিব পাৰিবি। যদি ৰজাৰ চকুত লাগে তেন্তে তাই গাভৰু হ'লে তাইক ৰাণীও কৰিব পাৰে। যদিহে ৰজাৰ চকুত নেলাগে অথবা তাইক ৰাণী কৰিব নোৱাৰে তেনেহ'লে ৰজাঘৰৰ পূৰ্বাপৰ নিয়মমতে তিনি বছৰৰ মূৰত তাইক আকৌ তহঁতকে ওলোটাই দিব।

ধনীৰাম— প্ৰভুদেৱ! তাই উলটি আহিলে তাইক আমাৰ জাতিৰ ভিতৰত ল'বনে?

কটকী— কেলেইনো নল'ব। আহোমসকলক আমি যেতিয়াই হিন্দু ধৰ্মৰ ভিতৰত লৈছোঁ। তেতিয়াই আহোমৰ সংসৰ্গত আমাৰ হিন্দু জাতিৰ মানুহ থাকিলেনো কেলেই জাতিকুল হেৰুৱাব?

ৰতিকান্ত— "প্ৰভুদেৱ! যদিও আমাৰ আহোমসকলক আপোনালোকে হিন্দু কৰিছে তথাপি দেখোন তেওঁলোকৰ আগত একো নক'লেও পিছত আপোনালোকৰ নিচিনা ব্ৰাহ্মণ-সজ্জনসকলেই আহোমক মেলেছ বুলি কয়।" হোজা ধনীৰামৰ এই কথাত আমাৰ কটকী বাপুৰ খং উঠি ক'লে— "হেৰ গৰু! যদি তোৰ সমাজে সহজে তাইক উলটি আহিলে নলয়, তেনেহ'লে এক চন্দ্ৰায়ণ পৰাচিত কৰাই ব্ৰাহ্মণক দান-দক্ষিণা কৰিলেই জাতিত উঠিব পাৰিব। তই ইয়াকো নুবুজনে?"

ধনীৰাম— বুজো প্ৰভুদেৱ! পিছত পা-পৰাচিত কৰোৱাবলৈ বামুণক খুৱাবলৈ গোট-জ্ঞাতিক ভোজ দিবলৈ ধননো পাম ক'ৰপৰা?

কটকী— হেৰ মহামূৰ্খ! এয়া ধন দিছো নহয়।

ধনীৰাম— দেউ! এই ধনৰ এভাগ ৰতিকান্ত মেধিক দিব লাগিব— বাকীখিনিৰে সদ্যহতে এটা পাইক ধৰি ম'হ-গৰু চৰোৱাব লাগিব আৰু তিনি বছৰলৈ এই ধন বহি থাকিবনে?

কটকী— "হেৰ অবুজন গৰু, জীয়েৰ উলটি আহিলে জীয়েৰেনো ৰজাঘৰৰ পৰা শুদাহাতে আহিবনে? ৰজা-ৰাণীক কৈ ধন-বিত নানিবনে? যদি নানে বা আনিব নোৱাৰে তেন্তে নুঠিব জাতত। তাত কাৰনো দইন পৰিব?" এই কথা কৈ কটকী বাপু উঠিল। ফেঁকুৰি ফেঁকুৰি কান্দি থকা ৰহদৈক মাজত কৰি লৈ কটকী আৰু চাওডাঙহঁত গ'ল। ৰতিকান্তে চকুৰ লো মচিলে। মাক কমলাপ্ৰিয়াই বিনাই বিনাই কান্দিলে। চাওডাঙহঁতে ৰহদৈক নৈ পাৰ কৰি নি সৎৰাম ফুকনক ভেটিলে। সৎৰামে নিজৰ মাক আৰু ভনীয়েকক লগত দি ৰহদৈক নি ৰজাক ভেটিলে। ৰজাই ৰহদৈক তেওঁৰ ঘাই লিগিৰীৰ বাব দি ৰাখিলে। লিখা বাহুল্য সৎৰামে দিয়া ছকুৰি ৰূপৰ চাৰিকুৰিহে কটকী বাপুৱে ৰতিকান্তক দিছিল। সৎৰামে ৰজাৰ পৰা দুশ ৰূপ লৈছিল।

## ত্ৰয়োদশ অধ্যায়

## ৰজাঘৰত

ৰজাঘৰ পাবৰ দিনাই ৰহদৈয়ে মনৰ দুখত মাক-বাপেকলৈ মনত পৰি কান্দি কান্দি চুক এটাত বহি থাকোঁতে ৰাজমাৱে সেই পিনেদি আহি তাইৰ নিচিনা দীপলিপ ছোৱালী এজনীয়ে বহি বহি কান্দি থকা দেখি তাইক মাতি নিজৰ খোঁটালীলৈ নিলে আৰু তাত ৰাজমাৱে নিজৰ আসনত বহি তাইক সুধিলে— "হেৰ ছোৱালীজনী! তই ক'ৰ পৰা আহিছ? তোৰ নাম কি? তোৰ কোন কোন আছে? তই কেলেই কান্দিছ?"

ৰহদৈ— ঈশ্বৰী! মোক মাজুলীৰ কমলাবাৰী গাঁৱৰ পৰা ৰজাঘৰীয়া চাওডাং আৰু এজন কটকী বাপু গৈ আই-বোপাইৰ বুকুৰ পৰা কাঢ়ি আনি মোক সৎৰাম বোলা সেই চাৰিঙীয়া ফুকনজনৰ ঘৰলৈ আনিলে। চাৰিঙীয়া ফুকনজনে তেওঁৰ মাক আৰু ভনীয়েকক মোৰ লগত দি মোক লৈ আহি ৰজাক ভেটিলে। ৰজাই মোক কৈছে মই হেনো কিবা বোলে স্বৰ্গদেৱ ঈশ্বৰৰ হাতধৰি লিগিৰী হ'লোঁ।

ৰাজমাও— অ' মই বুজিলোঁ। তোক সেই সৎৰাম ফুকনে আনি ৰজাক দিছে। পিছত তইনো কান্দিছ কেলেই?

ৰহদৈ — দেউতা ঈশ্বৰী! মোৰ আই-বোপাইলৈ মনত পৰিছে আৰু ইয়াত দেখোন মোৰ ভয় লাগিছে! হাতধৰি লিগিৰীনো কি মই তাকো বুজা নাই।

ৰাজমাও— তোৰ মাৰ-বাপেৰ আছে?

ৰহদৈ— আছে।

ৰাজমাও— ভাই-ককাই একা?

ৰহদৈ— একেটা সৰু ভাই আছে।

ৰাজমাও— তোৰ জাতি-কুল কি?

ৰহদৈ— সোণাৰি কলিতা।

ৰাজমাও— তোক ৰজাই হাতধৰি লিগিৰি পাতিছে।

ৰহদৈ— হয় দেউতা ঈশ্বৰী! পিছত হাতধৰি লিগিৰীৰ বা কাম কি?

ৰাজমাও— তোক ৰজাই যেতিয়া যিটো কাম পাছে সেইটো কৰিব লাগিব। যেনে— ৰজাই যদি কয় লিগিৰী তই চাংমাইক সুধি আহ ভোজন মেলৰ সময় হৈছেনে— তই তেতিয়াই সুধি আহি ৰজাক আঁঠু লৈ জনাব লাগিব হৈছে নে নাই হোৱা। মুঠৰ ওপৰত ৰজাই যেতিয়াই যিটো কাম পাছে কৰিব লাগিব।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰী! ৰজাৰ কথামতে যদি কাম নকৰো বা কৰিব নোৱাৰো তেন্তে!

ৰাজমাও— তেন্তে ৰজাই তোক কাটি পেলাব পাৰে।

ৰহদৈ— গা-মূৰ অসুখ থাকিলে?

ৰাজমাও— আগধৰি আঁঠু লৈ জনাব লাগিব। তেনেকুৱা কৰিলে ৰজাই বুজি-সুজি তোক জিৰাবলৈ দিব।

ৰহদৈ— দেউতা ঈশ্বৰী! মোৰ ভয় লাগিছে। মোৰ ইয়াত কেৱে নাই। জানোবা কেতিয়াবা কিবা জগৰ লগাওঁ।

ৰাজমাও— তই ভয় কৰিব নেলাগে। তই সততে মোৰ পৰা আশ্ৰয় আৰু সহায় পাবি। পিছত তই মোৰ এটা কাম কৰিব লাগিব। তেনেকুৱা হ'লে মই তোক মাৰৰ দৰে মৰম কৰিম।

ৰহদৈ— কি কাম বা কৰিব লাগে আজ্ঞা কৰক মাতৃ।

ৰাজমাও— সেইটো একো টান কাম নহয়। নিতৌ ৰজাৰ লগৰীয়া সংৰাম, জয়ৰাম ইত্যাদি ডেকা ৰংচ'ৰালৈ আহি ৰজাৰে সৈতে কেনেকুৱা ধেমালি-ধুমুলা কৰে, কেনেকুৱা কথা-বতৰা পাতে মোক নিতৌ তই শুবৰ আগেয়ে আহি জনাবি।

ৰহদৈ— ভাল ঈশ্বৰী, সেইদৰে কৰিম।

## চতুৰ্দশ অধ্যায়

## দয়াৰাম

যিদিনাখন ৰহদৈক ৰজাঘৰলৈ লৈ গৈছিল সেইদিনা দয়াৰাম ঘৰত নাছিল। দয়াৰাম প্ৰায় এবেলাৰ বাবে আঁতৰ শালমৰা গাঁৱত থকা মোমায়েকৰ ঘৰলৈ গৈছিল। পিছদিনা মোমায়েকৰ ঘৰৰ পৰা উলটি আহি ঘৰ পাই যেতিয়া শুনিলে ৰহদৈক ৰজাঘৰৰ চাওডাং আৰু কটকীয়ে লৈ গ'ল, তেতিয়া সি মৰ্মান্তিক দুখ পাই মুছ্‌কঁছ্‌ গ'ল। তাৰ পিছত বাপেক আৰু মাহীমাকৰ আঁৰে আঁৰে কান্দি দুনিশামান ঘৰত থাকি ঘৰৰ পৰা চাউল, চৰু আৰু অলপ ধন-বিত হাতত লৈ কোনোৰকমে ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ ৰজাৰ নগৰলৈ আহিল আৰু ৰহদৈক এবাৰ মাথোঁ হ'লেও লগ পাবলৈ আশা কৰি কুৰিদিন মানলৈকে ৰজাৰ হাউলিৰ চাৰিওকাৰ্যে ঘূৰি ফুৰিব ধৰিলে। কিন্তু তাৰ সমস্ত চেষ্টা বিফল হ'ল। ৰজাৰ হাউলিৰ ভিতৰলৈ অচিনাকী মানুহ সোমাবৰ কোনো সাধ্য নাই। বাটচ'ৰাত পৰীয়া। বিনা অনুমতিত ৰজাৰ হাউলিৰ ভিতৰৰ পৰা পৰুৱা-পিপৰা এটাও ওলাব নোৱাৰে। কুৰি দিনে ঘূৰি-পকিও ৰহদৈক নেদেখি বেচেৰাই নিজৰ মনৰ দুখ মনতে সামৰি ঘৰলৈ উলটিল। ঘৰত মাহচেৰেকমান বন-বাৰী একো নকৰি প্ৰায় নেখাই-নলৈ অলিয়ালি-বলিয়ালি কৰি কটালে। অৱশেষত এদিন বাপেক-মাহীয়েক কাকো একো নকৈ নিৰুদ্দেশ হ'ল। বাপেকে অনেক বিচাৰিও দয়াৰামক নাপালে। কোৱা বাহুল্য ধনীৰামে ৰতিকান্তৰ পৰা ভাৰত দিয়া বস্তুবিলাকৰ মূল্যস্বৰূপে ৰূপ একুৰি লৈ পুত্ৰশোক সামৰিলে।

## পঞ্চদশ অধ্যায়

## ৰজা আৰু সৎৰাম

ৰজাঘৰত থকাৰ পাঁচ মাহমানৰ মূৰতে অৰ্থাৎ ফাগুনৰ পাঁচদিন যাওতে ৰহদৈয়ে ৰজাঘৰতে কইনা-কাল পালে। হিন্দুৰ দস্তুৰমতে তাই সাতদিনলৈকে ব্ৰত ধৰি নিজৰ খোঁটালীতে সোমাই ৰ'ল। লগৰ ভাদৈ আৰু আঘণীয়ে তাইক সেইকেইদিন উপহাৰ-কাৰণ খাবলৈ যোগাৰ কৰি দিলে আৰু সাতদিনৰ দিনা তাইক নোৱাই-ধুৱাই শুচি কৰিলে। কইনা-কাল পাই উঠিবৰে পৰা তাই দিনক দিনে আৰু ধুনীয়া হ'বলৈ ধৰিলে। তাই ৰূপে ভুবনমোহিনী হ'ব ধৰাত তাইৰ ৰূপত ৰজা দিনক দিনে আকৃষ্ট হৈ এদিন ৰজাই তেওঁৰ লগৰীয়া সখি সৎৰামক অকলৈ মাতি আনি সুধিলে— "সতাই সখি, মই ৰহদৈক চকলং পাতি বিয়া কৰাই ৰাণী কৰিব খোজোঁ, তুমি কি কোৱা?"

সংৰাম— স্বৰ্গদেৱ ঈশ্বৰে কৰোঁ বুলিলে যি ইচ্ছা তাকে কৰিব পাৰে। তথাপি বন্দীয়ে কথা একাষাৰ জনাব খোজোঁ।

ৰজা— কি কথা নিৰ্ভয়ে জনোৱা।

সংৰাম— স্বৰ্গদেৱ ঈশ্বৰ! ৰহদৈ লিগিৰী নিচেই সামান্য কাঁড়ী পাইকৰ ঘৰৰ জীয়ৰী। তাইক ৰাণী পাতিলে অনৰ্থ ঘটিব পাৰে। আমাৰ আপই চুই-খায়ে নাযাব। বোধকৰো বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁয়ো সন্মত নহ'ব। এনেয়ে বুঢ়াগোহাঁয়ে স্বৰ্গদেৱক ভাঙি নিজে ৰজা হ'বলৈ চেলু বিচাৰি আছে। পিছত স্বৰ্গদেৱে এই কাম কৰিলে সি তাৰ ইচ্ছা পূৰ কৰিবলৈ সুবিধা পাব। সেইদেখি বন্দীয়ে জনাওঁ স্বৰ্গদেৱে তাইক ৰাখনীস্বৰূপে ৰাখি আমাৰ সাতঘৰীয়া আহোম ডাঙৰীয়া এজনৰ জীয়ৰী এজনীকে বিয়া কৰাওক। ৰাজমাৰকো স্বৰ্গদেৱ ঈশ্বৰে এই বিষয়ে সুধি-পুছি চাওক।

ৰজা— আইদেউতাক অৱশ্যে জনাম। পিছত ৰহদৈ লিগিৰীক যেতিয়াই এটা ডেকালৈ খোজা-বঢ়া কৰাৰ পিছত মোৰ ইয়ালৈ অনা হৈছে তেতিয়াই তাইক ৰাণী নকৰাকৈ তাই যে মোৰ ৰাখনী হ'বলৈ সন্মত হ'ব এইটোও মই আশা কৰিব নোৱাৰোঁ। বিশেষ তুমিয়ে দেখোন কৈছা তাই হেনো সেই ডেকাটোৰ লগত সৰুৰে পৰা একেলগে নাচি-বাগি ডাঙৰ হৈছে।

সংৰাম— স্বৰ্গদেৱ ঈশ্বৰ! ল'ৰাকালিত কি ডেকা কি গাভৰুৱে মাছ মাৰোঁতে, ভূই ৰোওতে, বিহু গাওঁতে আৰু নাচোঁতে যি প্ৰেমৰ আলাপ কৰে তাৰ মূল্য একো নাই। ভাগ্য-চকৰিয়ে কেনি নিয়ে তাৰ ঠিকনা নাই। যেতিয়ালৈকে তিৰোতা পুৰুষৰ শয্যাশায়িনী নহয় তেতিয়ালৈকে সেই তিৰোতা বা গাভৰুৰ প্ৰেম সেইজনা পুৰুষলৈ স্থায়ী নহয়। ৰহদৈয়ে যি স্থলত দয়াৰামৰ তিৰোতা হৈ পোৱা নাই সেই স্থলত তাইৰ দয়াৰামলৈ প্ৰেম স্থায়ী নহয়। স্বৰ্গদেৱ ঈশ্বৰে অলপ ফুচুলিয়াই তাইক প্ৰেম-সম্ভাষণ কৰিলেই তাই স্বৰ্গদেৱক ভজিব। এবাৰ ভজিলেই পিছত তাই স্বৰ্গদেৱে যিভাবে ৰাখো বোলে সেইভাবেই ৰ'ব।

ৰজা— সখি! তেন্তে মই তাইকো এবাৰ জোকাই চাওঁ— তাৰ পিছত আইদেউতাকো সুধি-পুছি আকৌ যি হয় তোমাক জনাম।

সংৰাম— ভাল স্বৰ্গদেৱ ঈশ্বৰ। এতিয়া বন্দী বিদায় হ'মনে?

ৰজা— হ'ব পাৰা।

## ষোড়শ অধ্যায়

## ৰজা আৰু ৰহদৈ

সংৰামৰ বিদায় দি উঠি ৰজাই তেওঁৰ আঠ বছৰ বয়সীয়া সাধনী নামৰ হাতধৰি লিগিৰীজনীক ৰহদৈক ৰংচ'ৰালৈ মাতি আনিব পঠালে। সাধনীয়ে গৈ ৰহদৈক মাতি

আনিলে। ৰহদৈয়ে আঁঠু লৈ ৰজাক সেৱা জনোৱাত ৰজাই ক'লে— "ৰহদৈ, মই আজি তোক কথা এটা সুধিব খোজোঁ। তই আচঁল সঁচা কথা ক'বিনে?"

ৰহদৈ— কম স্বৰ্গদেৱ ঈশ্বৰ।

ৰজা— তই মাৰ-বাপেৰৰ ঘৰত থাকোঁতে সেই যে ডেকাটোৰে সৈতে উমলি-জামলি ফুৰিছিলি তাৰ সৈতে কোনো দিন তোৰ হাত-বাত হোৱা নাছিলনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ' কি হাত-বাত বা বেটীয়ে বুজিব পৰা নাই।

ৰজা— অৰ্থাৎ কানো দিন চ'তত নিশা বিহুত নাচোঁতে তই তাৰ তিৰোতা হোৱা নাছিলিনে?

ৰহদৈ— (তললৈ মুৰ কৰি নিৰুত্তৰ)

ৰজা— ক ৰহদৈ সঁচা কথা ক!

ৰহদৈ— (সেপ ঢুকি) স্বৰ্গদেৱ ঈশ্বৰ! এতিয়ালৈকেতো বেটীক আই-বোপায়ে তালৈ বিয়াকে দিব পৰা নাই নহয়।

ৰজা— বিয়া নোহোৱাকৈয়ে জানো ডেকাই গাভৰুৰ লগত সহবাস নকৰে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰে কি সহবাসৰ কথা কয় বেটীয়ে বুজিব নোৱাৰোঁ। গাঁৱে-ভূঁয়ে নাচোঁতে বাগোঁতে কোনো ডেকাই গাভৰুক ভাল পাই সেই কথা তাইক জনাই তাই তালৈ আহিবনে নাহিব অথবা বিয়া সোমাবনে নোসোমাব এনেকুৱা কথা সোধে। পিছত সন্মতি জনালে সেই গাভৰুৰ লগত সেই ডেকাৰ যেনে-তেনে বিয়া হয়।

ৰজা— কিয় সতাই সখিয়ে দেখোন কৈছে যে বিয়া নোহোৱাকৈয়ে অনেক গাভৰুৱে ডেকাই সৈতে নিশা চ'তৰ বিহুত মতা-মাইকী হয় আৰু শেষত তেনেকুৱা গাভৰুও আন ডেকালৈ যায় আৰু তেনেকুৱা ডেকায়ো আন গাভৰু আনে বা বিয়া কৰায়।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! সৎৰাম ফুকনৰ নিচিনাজনৰ লগত অথবা নগৰৰ ডেকাই গাভৰুৱে তেনেকুৱা কৰিলেও কৰিব পাৰে বেটীয়ে সেইটো নাজানো; কিন্তু আমাৰ গাঁৱত হ'লে তেনেকুৱা পাপাচাৰ নহয়। যি গাভৰুৱে বিহুত বা আন সময়ত কোনো ডেকাক কথা দিয়ে সেই গাভৰু সেইজনলৈ যাবই যাব।

ৰজা— তেন্তে তয়ো সেইদৰে তোৰ সেই ডেকাটোক কথা দিছিলিনে?

ৰহদৈ— সি বৰ নৈৰ পানী চুই শপত কাঢ়িছিল যে সি মোক বাদে আন কাকো বিয়া নকৰাব। মোক নাপালে হেনো সি হয় নৈত জাঁপ মাৰিব নতুবা বৰাগী হ'ব।

ৰজা— পিছত ৰহদৈ! তোক মই কথা এটা কওঁ। মই তোৰ ৰূপত ভোল গৈয়ে তোৰ মাক-বাপেৰক ধন-বিত দি কিনি আনিছোঁ। মই তোৰ ৰূপত বলিয়া। তই দয়াৰামলৈ পাহৰি মোত ভজ।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! বেটীক স্বৰ্গদেৱে কাটিবও পাৰে মাৰিবও পাৰে। কিন্তু মই সেইটো কৰিলে বেচাৰা দয়াৰামৰ যে আশা ছেদ হ'ব। অলপতে মোৰ পিতাদেৱে মোক চাবলৈ আহোঁতে দয়াৰামৰ কথা সোধোঁতে কৈছে দয়াৰাম হেনো মোৰ শোকতে ক'লৈ গ'ল, ক'ত মৰিল, কি হ'ল কেৱে ক'ব নোৱাৰে।

এই বুলি কৈ ৰহদৈয়ে চকু চলচলীয়া কৰিলে।

ৰজা— ৰহদৈ! তোৰ কথা শুনি মই দুখ পাইছোঁ। বাৰু মই যদি তোক বিয়া কৰাই মোৰ ৰাণী পাতো তেনেহ'লেও দয়াৰামক নাপাহৰিবিনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! দুখুনী ৰহদৈ সামান্য ভকতৰ জীয়ৰী হৈ ইন্দ্ৰবংশী স্বৰ্গদেৱৰ যোগ্যা হ'ব নোৱাৰোঁ। বিশেষ মই দয়াৰামক পাহৰিব নোৱাৰিম।

ৰজা— বাৰু মই যদি চোৰাংচোৱা মেলি দয়াৰামক বিচাৰি আনি তোৰে সৈতে সমিল-মিল কৰি তাক আন এজনী ধুনীয়া গাভৰু বিয়া কৰাই দিওঁ তেতিয়া তই মোক ভাল পাবিনে? মোৰ ৰাণী হ'বিনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰে যদি দয়াৰামক আনি তাৰ মন পৰীক্ষা কৰি তাক আন এজনী বিয়া কৰাই দিয়ে আৰু সিও তাত সন্মত হৈ মোক ত্যাগ কৰে তেতিয়া এই বেটীয়ে স্বৰ্গদেৱৰ চৰণ সেৱা কৰিবলৈ পিছ নুহুঁহকিম। স্বৰ্গদেৱ ঈশ্বৰক ভাল পাম।

ৰজা— তেন্তে ৰহদৈ মই দয়াৰাম বিচৰাওঁ। পিছত মোক এটা চুমাকে হ'লে দিবিনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰৰ বিধিমতে ৰাণী নোহোৱালৈকে বেটীয়ে স্বৰ্গদেৱ ঈশ্বৰক বেটীৰ মুখখন আগবঢ়াব নোৱাৰে। বেটীয়ে স্বৰ্গদেৱ ঈশ্বৰৰ বেটীস্বৰূপে— ৰাজভক্ত প্ৰজাস্বৰূপে স্বৰ্গদেৱ ঈশ্বৰৰ পদত চুম্বন কৰোঁ।

এই বুলি কৈ ৰহদৈয়ে ৰজাৰ দুয়ো ভৰিত দুটা চুমা খালে। ৰজাই ৰহদৈৰ কথা আৰু আচৰণত পৰম প্ৰীত হৈ ৰহদৈৰ মূৰত থপৰিয়াই ক'লে— "বাৰু ৰহদৈ, এদিন নহয় এদিন তোক মোৰ ৰাণী কৰিম। অৱশ্যে মই আগেয়ে দয়াৰামক আনি তাৰ মন দোছোৱা ফালে ঢাল খুৱাই লৈহে তোৰ প্ৰেম বিচাৰিম। কিয়নো আমাৰ ইন্দ্ৰবংশী ৰজাসকলৰ দস্তুৰ আছে যে ৰজাই কাৰো পেলনীয়া যোৱা (কায়ৰ বা মনৰে হওক) গ্ৰহণ নকৰে। তোৰ মোলৈ একান্ত প্ৰেম নহ'লৈ মই তোক ৰাণী কৰিব নোৱাৰোঁ।"

## সপ্তদশ অধ্যায়

## ৰজা আৰু ৰাজমাও দেউতা

পিছদিনা ৰাতিপুৱা ৰজা শয্যাৰ পৰা উঠি মুখ-হাত ধুই অলপ জা-জলপান খাই ৰাজমাও দেউতাৰ ওচৰলৈ গ'ল আৰু ৰাজমাৱক সেৱা কৰি জনালে— "আই

দেউতা! মই কথা এটা সুধিব আহিলো।”

ৰাজমাও— কি কথা কোৱা মোৰ গোহাঁইদেৱ?

ৰজা— আইদেউতা! মই মোৰ হাতধৰি এই ৰহদৈ নামৰ লিগিৰীজনীক বিয়া কৰাই ৰাণী পাতিব খোজোঁ।

ৰাজমাও— চিঃ গোহাঁইদেৱ! তোমাৰ নজৰ ইমান হীন হ'লনে? তাই দেখিবলৈ ধুনীয়া হ'লেও কাঁড়ী পাইকৰ ঘৰৰ জীয়ৰী। তাইক ৰাণী পাতিলে আমাৰ মান-মৰ্যাদাৰ হানি হ'ব।

ৰজা— কেলেই আইদেউতা? আমাৰ আদিপুৰুষ চুকাফা আৰু তেওঁৰ লগৰ সাতঘৰীয়া আহোমে জানো নিজ নিজ তিৰোতা লগত লৈ আহিছিল? তেওঁবিলাকে এই দেশৰে হিন্দুৰ জীয়ৰীবিলাকক ধৰি ধৰি বিয়া কৰোৱা নাছিলনে?

ৰাজমাও— গোহাঁইদেৱে যিটো কৈছে সেইটো সঁচা। পিছত আজিকালি দেখোন আমাৰ নিজৰ জাতিৰে আমাৰ সাতঘৰীয়া আহোমৰ ভিৰতে দেখিবলৈ ধুনীয়া গাভৰু ঢেৰ আছে। গোহাঁইদেৱে আদেশ কৰিলে মই সাতঘৰীয়া আহোম ডাঙৰীয়াসকলৰ যিমানবিলাক ধুনীয়া ধুনীয়া গাভৰু আছে, সমস্তকে ইয়ালৈ মতাই আনো। এজনী এজনীকৈ চাই যিজনীয়েই তোমাৰ চকুত লাগে সেইজনীকে বিয়া কৰোৱাম। এজনী নালাগে গোহাঁইদেৱে ইচ্ছা কৰিলে দুই-তিনিজনীকো বিয়া কৰোৱাম।

ৰজা— আইদেউ! মই জানো আমাৰ নিজৰ জাতৰ গাভৰুৰ অভাৱ নাই। কিন্তু আইদেউতা! মই ৰহদৈক বৰ ৰূপহী দেখি বিয়া কৰাব খোজোঁ।

ৰাজমাও— তাই যদি তোমাৰ চকুত ইমানকৈ লাগিছে তেন্তে তাইক ৰাখনীকৈ ৰাখিব পাৰা। ৰাণী হ'লে পাতিব নোৱৰা। তাইক ৰাণী পাতিলে কথা বিষম হ'ব। তিনিওজনা ডাঙৰীয়াই বেয়া পাব। আমাৰ মান-মৰ্যাদা হানি হ'ব।

ৰজা— কিয় আইদেউতা! আমাৰ উপৰিপুৰুষ শিৱসিংহ স্বৰ্গদেৱে দেখোন নটৰ জীয়ৰী ফুলেশ্বৰীক ঘাই-ৰাণী পাতিছিল। তেতিয়ানো আমাৰ আহোম ৰজাৰ মান-মৰ্যাদাৰ হানি হোৱা নাছিলনে?

ৰাজমাও— হানি যে হৈছিলেই তদুপৰি আমাৰ নিজৰ জাতক অমান্য কৰি নটৰ জীয়ৰীক ৰজাই মদগৰ্বত বিয়া কৰোৱাৰ ফলেৰে আহোম ৰাজ্য সেই সময়ৰ পৰা ধ্বংস হোৱা নাইনে? ফুলেশ্বৰীয়ে বল কৰি মোৱামৰীয়া মহন্তক দেৱী সেৱা কৰোৱা আৰু ম'হৰ তেজেৰে কপালত ফোঁট দিয়াৰ ফলত মোৱামৰীয়া বিদ্ৰোহ হোৱা নাছিলনে? হেজাৰ হওক সৰু মানুহৰ ঘৰৰ জীয়ৰীৰ সৰু মন। ডাঙৰৰ ঘৰৰ জীয়ৰী দেখিবলৈ সিমান ধুনীয়া নহ'লেও— আন কোনো দোষ থাকিলেও— মন ডাঙৰ

হ'বই। সেইদেখি গোহাঁইদেৱে ৰহদৈক বিয়া কৰাই অনর্থ নঘটাবা। তাইক ৰাখনীস্বৰূপে ৰাখিব পাৰা।

ৰজা— তাই সেইটোত মান্তি নহয়।

ৰাজমাও— তেন্তে তাইক বিদায় দি আমাৰ সাতঘৰীয়া আহোমৰ ঘৰৰ জীয়ৰী এজনী বিয়া কৰোৱা।

ৰজা— আইদেউতা! এতিয়া সেৱাহে জনালোঁ। বাৰু ৰহদৈক মই সদ্যহতে বিয়া নকৰাওঁ। মই আন এজনী ভাল ঘৰৰ জীয়ৰী বাৰু বিয়া কৰাম।

এই বুলি কৈ ৰজা উঠি গ'ল।

## অষ্টাদশ অধ্যায়
## ৰজাৰ মাজুলীলৈ গমন

ৰাজমাও দেউতাৰ সৈতে কথা-বতৰা হোৱাৰ দুদিনৰ পিছত চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে সংৰামৰ হতুৱাই দয়াৰামক বিচাৰি আনিবলৈ চোৰাংচোৱা লগাই, নিজে লগত সংৰাম, জয়ৰাম, মনাই, শান্তিৰাম এই চাৰিজন আৰু হাতী, ঘোঁৰা, দোলা, হিলৈদাৰী, ভাদৈ আৰু আঘণী লিগিৰী, লিকচৌ সমস্ত লৈ ব্ৰহ্মপুত্ৰৰ পাৰত সাজি থোৱা বাহৰত প্ৰথম দিনা ৰ'লগৈ। পিছদিনা হাতীবিলাক নৈত সাঁতোৰাই পাৰ কৰালে। দুপৰীয়া খাই-বৈ ৰজাই সসৈন্যে সজাই থোৱা নাৱত উঠি ব্ৰহ্মপুত্ৰ পাৰ হ'ল। ৰজা মাজুলীলৈ অহা শুনি ৰজা যি ঘাটত চাপিব তাত লোকে লোকাৰণ্য হ'ল। গোটেইবিলাক সত্ৰৰে অধিকাৰ পুৰুষসকলে পূৰ্বাপৰ দস্তুৰ মতে দোলা, ঘোঁৰা, হাতী ইত্যাদিত উঠি আহি নৈৰ ঘাটত ৰজালৈ বাট চাই ৰ'ল। ৰজাৰ নাও যথাসময়ত ঘাট চাপিল। ৰজাই নাৱৰ পৰা পয়োভৰেৰে বনাত পাৰি দিয়া বাটেৰে নামি ওপৰলৈ উঠিল। পোনেই চাৰিসত্ৰীয়া অধিকাৰ চাৰিজনে, তাৰ পিছত কমলাবাৰী, বেঙেনাআটী, আঁহতগুৰি এইসকল সত্ৰৰো অধিকাৰসকলে ৰজাক নিৰ্মালি দি আশীৰ্বাদ কৰি ৰজাৰ কুশল-মংগল বাতৰি সুধিলে। ৰজাৰ ফালৰ পৰা সংৰামে এই সমস্তৰে উত্তৰ দিলে। তাৰ পিছত ৰজাই সংৰামৰ হতুৱাই প্ৰভুসকল কেনে আছে, সত্ৰ-সভা কেনে চলিছে এইবিলাক বাতৰি লৈ আৰু ৰজা যে মাজুলীত অতি কমেও এমাহ থাকিব আৰু সত্ৰসকলে পূৰ্বাপৰ ৰীতিমতে ৰজাক যে ৰোজ দিব লাগিব এইবিলাক কথা জনাই ৰজাই ঘাটৰ পৰা অধিকাৰসকলক বিদায় দিলে। তাৰ পিছত সেই অপৰিচিত ৰাইজৰ জয়ধ্বনিৰ মাজত ৰজা গৈ পাতি ৰখা কিংখাপ মণ্ডিত সোণৰ চুলা লগোৱা কেঁকোৰা দোলাত উঠিল। ৰাইজে "জয় স্বৰ্গদেৱৰ জয়" বুলি ধ্বনি কৰিলে। আগে আগে জোঁৰ, কালি, খোল, মৃদংগ,

ধনঞ্জয় ঢোল বাজি গ'ল। ৰজা, পালী-পহৰীয়া, বিষয়া, ৰাইজ ইত্যাদিৰে পৰিবেষ্টিত হৈ বেঙেনাআটী সত্ৰৰ ওচৰত সাজি থোৱা বাহৰত গৈ উঠিল।

## উনত্ৰিশ অধ্যায়
## মাজুলীত ৰজা চন্দ্ৰকান্ত সিংহ

মাজুলীত বাহৰ কৰি থাকি হাতীৰ ওপৰত উঠি বাঘ, বৰা, পহু চিকাৰ কৰাৰ লগে লগে ৰজা আৰু সংৰাম উভয়ে মাজুলীত মুকলিমূৰীয়া দেখিবলৈ ধুনীয়া ক'ত কেইজনী গাভৰু আছে ইয়াৰো বুজ ল'বলৈ ধৰিলে। দিনত ৰজাই তেওঁৰ সখি সংৰাম, মনাই, জয়ৰাম, শান্তিৰাম, বৰপাত্ৰ গোহাঁই, বৰগোহাঁই এইসকলক লগত লৈ দহ-বাৰটা হাতীৰে একোডোখৰ হাবি বেৰাই লৈ তীৰ ধনু, বল্লম, বন্দুক ইত্যাদিৰে বাঘ, বৰা, পহু মাৰি ফুৰে। ভাটিবেলা কিংখাপ মণ্ডিত সোণ খটোৱা সিংহাসন এখনত বহি কি দূৰৰ পৰা কি ওচৰৰ পৰা অহা বিষয়াসকলৰ পৰা কৰ-ভাৰ গ্ৰহণ কৰে, প্ৰজাৰ সেৱা-সৎকাৰ লয়, দেশৰ ভাল-বেয়া বাতৰি সোধে। অলপ গধূলি হ'ব ধৰিলেই হয় গায়ন-বায়নেৰে সৈতে নটুৱাৰ নাচ, নতুবা মিৰিৰ নাচ বা ওজা গোৱা ইত্যাদি আমোদ-প্ৰমোদ হয়। সাজ লাগিলেই ৰজাৰ বাহৰ গোটেইখন দীপাৱলীৰে তেনেই দিনময় হয়। সাজ গঢ়ি উঠিলে, খাবৰ পৰলৈকে ৰজাই লগৰীয়াকেইজনে সৈতে বহি দহ-পঁচিশ বা পাশা খেলায় অথবা ফুচুৰি আৰু ধেমেলীয়া কথা-বতৰা পাতে আৰু তাৰ লগে লগে মদ-ফটিকা উৰায়। ভোজনৰ সময় হ'লে ভোজন ব্যৱহাৰ চলাৰ পিছত ৰজা শয়ন খোঁটালীলৈ যায়। তাত আঘণী বা ভাদৈয়ে ৰজাৰ ভৰি-হাত টিপি দি শুশ্ৰূষা কৰিলে ৰজা নিদ্ৰা যায় আৰু এইদৰে মাজুলীত ৰজা চন্দ্ৰকান্ত সিংহই প্ৰায় কুৰিদিন কটালে।

## বিংশ অধ্যায়
## ৰজাৰ মাজুলীত বিবাহ

চিকাৰ খেতি ফুৰাৰ লগে লগে সংৰাম চাৰিঙীয়া ফুকনে মনে মনে পুৱা, গধূলি, ভাটিবেলা এই তিনিও প্ৰসংগতে ৰজাৰ নিমিত্তে ৰাণী এগৰাকী মনোনীত কৰা কামটো পাহৰা নাছিল। তেওঁ চাই-মেলি বেঙেনাআটী সত্ৰৰ গৃহস্থী গোসাঁই এগৰাকীৰ অতি সুন্দৰী মাহিন্দ্ৰী নামৰ গাভৰুগৰাকী দেখি তেওঁকে ৰজালৈ উপযুক্ত ভাবি কথাটো গোসাঁইজনক জনালে। গোসাঁয়ে সংৰাম ফুকনৰ প্ৰস্তাৱ শুনি জীয়েকক ৰজাৰ ৰাণী হ'বলৈ দিবলৈ সন্মতি জনালে। সংৰামে তেওঁৰ

কন্যাগৰাকীক ৰজাক দেখুৱাব লাগে বুলি কোৱাত গোসাঁইজনে মাহিন্দ্ৰী গাভৰুক লগতে আনি ৰজাক দেখুৱালে। ৰজাৰ পছন্দ হ'ল। দিন-বাৰ চোৱাই বিয়াৰ দিন স্থিৰ কৰি বিয়া পাতিলে। মাজুলীৰ সন্ত-মহন্ত সমস্ত সেই বিয়ালৈ আহিল। মহা ধুমধামেৰে টেমি-কটাৰী সলাই চকলং বিয়া পাতিলে। ৰাইজক জা-জলপান খুৱালে। বিয়া কৰোৱাৰ পাঁচ দিনৰ মূৰত ৰজাই ৰাণীক দোলাৰে লৈ নৈ পাৰ হৈ নগৰ পালে। ৰাজমাৱে গোসাঁইৰ জীয়াৰীক বোৱাৰী বুলি গ্ৰহণ কৰি আদৰি নিলে।

## একবিংশ অধ্যায়
## বুঢ়াগোহাঁই আৰু বুৰঞ্জী

আমাৰ সহৃদয় পাঠক-পাঠিকাসকলে এইখিনিতে আসোঁৱাহ ধৰি আমাক সুধিব পাৰে চন্দ্ৰকান্ত ৰজাইনো কেলেই নিজৰ সাতঘৰীয়া আহোমৰ এগৰাকী গাভৰু বিয়া নকৰাই আৰু ৰহদৈক "তোক ৰাণী কৰিম বুলি কৈয়ো" হঠাতে মাজুলীলৈ গৈ গোসাঁইৰ জীয়ৰী বিয়া কৰালে। ইয়াৰ উত্তৰত আমি ৰহদৈক বিয়া নকৰোৱা সম্পৰ্কে ইয়াকো ক'ব পাৰো যে তাইক বিয়া কৰোৱা সম্পৰ্কে ৰাজমাও আৰু বিশেষ তেওঁৰ সখি সংৰামৰ পৰা বাধা পালে। এনেকি এনিশা ৰজাক নিশা শুশ্ৰূষা কৰোঁতে ভাদৈয়ে চকুৰ লো টুকি জনাইছিল "তাই আঘোণীয়েনো স্বৰ্গদেৱৰ চৰণত কি অপৰাধ কৰিছিল যে তেওঁবিলাককে দেখুৱাই হিন্দু জাতিৰ কাঁড়ী পাইকৰ ঘৰৰ জীয়ৰী এজনীক লিগিৰী গুচাই ৰাণী পাতিব খুজিছে।" ভাদৈ আকৌ আৰু এনিশা আঘোণীৰো সেই নিচিনা বেজাৰৰ কথা শুনি স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহে সদ্যহতে ৰহদৈক ৰাণী নাপাতি এই গোহাঁইৰ জীয়াৰীজনাক বিয়া কৰালে। চন্দ্ৰকান্ত ৰজা দুৰ্বল মনৰ নহৈ নিৰ্ভীক চিত্তৰ ৰজা হোৱা হ'লে তেওঁ কালৈকো ভয় নকৰি ৰহদৈক বিয়া কৰালেহেঁতেন। লগৰ লিগিৰী বিয়া নকৰাই জাতত হিন্দু হ'লেও এজন সন্মানিত গোহাঁইৰ জীয়ৰী বিয়া কৰোৱাত, কি ভাদৈ, কি আঘোণী, কি ৰাজমাও কেৱে আপত্তি কৰিব নোৱাৰিলে। সাতঘৰীয়া আহোমৰ ভিতৰত এগৰাকী গাভৰুক বিয়া নকৰাই যে ৰজাই ৰহদৈক এৰি হিন্দুৰ ঘৰৰ ছোৱালী এজনী বিয়া কৰালে ইয়াৰ কাৰণ হয়তো কেৱে কেৱে ভাবিব পাৰে যে হিন্দুৰ গাভৰু আহোম গাভৰুতকৈ বেছি ধুনীয়া কাৰণেই ৰজা চন্দ্ৰকান্ত সিংহই সেইদৰে কৰিলে। দৰাচলতে সেইটো নহয়। হিন্দুৰ গাভৰুসকলতকৈ যে আহোম গাভৰুসকল কম ধুনীয়া সেইটো নহয়। আহোম গাভৰুসকলৰ ভিতৰতো সুন্দৰী গাভৰু আছিল। তথাপি ৰজাই যে হিন্দু গাভৰু বিয়া কৰালে ইয়াৰ এটা কাৰণ হ'ল ৰাজমাৱে ৰহদৈক বিয়া কৰাবলৈ বাধা কৰাত আৰু আহোম গাভৰু বিয়া কৰাবলৈ কোৱাত

ৰজাৰ পেটে পেটে খং উঠি আৰু বেজাৰ লাগি ৰাজমাৱৰ ওপৰত আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ওপৰত জেদ ধৰিছিল। দ্বিতীয় কাৰণ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ভাবিছিল যে হিন্দু গাভৰুৱে ৰাণী হ'ব পালে তেওঁ বেছিকৈ সেৱা-শুশ্ৰূষা কৰিব আৰু আদৰ কৰিব। নিজৰ জাতৰ সাতঘৰীয়া আহোম গাভৰুৱে নিজকে ৰজাৰ সমান ভাবি তিমান শুশ্ৰূষা নকৰিব। চন্দ্ৰকান্ত ৰজাই ভবা কথাটো বোধকৰো একেবাৰে অমূলকো নহয়। আমি দুই-এঠাইত দেখিছো যে হীন জাতৰ কোনো কোনো উপপত্নীয়ে ওখ জাতৰ কোনো কোনো পুৰুষক সেৱা-শুশ্ৰূষাৰে, মিঠা কথাৰে ইমান বশ কৰে যে সেই পুৰুষে নিজৰ বিবাহিতা পত্নীক এলাগী কৰি মন দুখীয়া কৰে।

যদিও ৰাজমাৱে গোহাঁইৰ জীয়ৰীক বোৱাৰী বুলি গ্ৰহণ কৰিছিল, তথাপি পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে হ'লে এই বিবাহটো ভাল নুবুলিলে। ৰজাই তেওঁক নজনোৱাকৈ বিয়া কৰোৱাত বেয়াও পালে। তেওঁৰ ইচ্ছা আছিল ৰজাই তেওঁক সুধি-পুছি সাতঘৰ আহোমৰ কোনো এঘৰৰ জীয়ৰী বিয়া কৰাব। কিন্তু ৰজাই সেইটো নকৰি হিন্দুৰ গাভৰু বিয়া কৰালে। তেওঁ এইটোত বৰ বিষম পালে। তেওঁৰ ধ্ৰুব বিশ্বাস আছিল যে আহোম ৰজাসকলে শিৱসিংহৰ দিনৰে পৰা হিন্দুৰ গাভৰু বিয়া কৰোৱাত ৰাজকোঁৱৰসকল হিন্দুৰ তেজেৰে মিশ্ৰিত হৈ আৰু হিন্দুৰ সংসৰ্গত পৰি সবল পুষ্টিকৰ আহাৰ মদ-মঙহ এৰি দিনক দিনে দুৰ্বল হৈ গৈছিল। ফুলেশ্বৰী কুঁৱৰীয়ে কিদৰে ৰজাক বশ কৰি ভেড়াৰ দৰে কৰি নিজে ৰাজ্য শাসন কৰি মোৱামৰীয়া মহন্তক অপমান কৰি মহা অনৰ্থ মিলাইছিল এই কথা বুঢ়াগোহাঁইদেৱে পাহৰা নাছিল। এইবিলাক কাৰণতে বুঢ়াগোঁহাইদেৱে এই বিয়াটো ভাল নাপাই ৰজাক অকলৈ থাকিলৈ সেৱা কৰিলেও কোনোদিনেই ৰাণীক সেৱা-সৎকাৰ নকৰিছিল। এনেয়ে চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে বুঢ়াগোঁহাইক ভাল নাপাইছিল; তাতে যেতিয়াই বুঢ়াগোঁহাইয়ে ৰাণীক সেৱা নকৰিলে, তেতিয়াই ৰজাৰ বুঢ়াগোহাঁইলৈ খং দুগুণ হৈছিল। এইটো সুবিধা পাই সৎৰামে বুঢ়াগোহাঁইৰ বিৰুদ্ধে ৰজাক সৰহকৈ লগাবলৈ চল পাইছিল। পৰিণামত ৰজা আৰু সৎৰাম এফলীয়া হ'ল। ৰাজমাও আৰু বুঢ়াগোহাঁই আনফলীয়া হ'ল। ৰজাই ৰহদৈক এৰি ৰাণীক বিয়া কৰাবৰে পৰা ৰহদৈৰ ৰজালৈ ভক্তি কমিল আৰু লগে লগে তাইৰ দয়াৰামলৈ পূৰ্ব অনুৰাগ বাঢ়িল। সৎৰামক তাইৰ সমস্ত দুখৰ আৰু অনৰ্থৰ কাৰণ ভাবি তাই সৎৰামক পেটে সৈতে ঘৃণা কৰি সৎৰামৰ সমস্ত ৰং-ধেমালি, অৱজ্ঞা, ইতিকিং কিদৰে ৰাজমাও আৰু বুঢ়াগোহাঁইক জনাই আছিল এই কথা '*ৰঙ্গিলী*'ত আছে। ইয়াৰ পিছত বুঢ়াগোহাঁয়ে ৰজাক দিয়া এঙগা-চোলাৰ নিমিত্তে, আৰু বদন বৰফুকনক ধৰি আনিবলৈ পঠোৱাৰ কাৰণে

কিদৰে মানে আহি আক্ৰমণ কৰিলে, কিদৰে বুঢ়াগোহাঁই ঢুকাল— এই সমস্ত বিৱৰণ '*ৰঙ্গিলী*' উপন্যাসত দিয়া হৈছে।

## দ্বাবিংশ অধ্যায়

## মানৰ প্ৰথম আক্ৰমণৰ পিছত আৰু বদন বৰফুকনৰ দিনত

স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই ভূতৰ পুতেকৰ খবৰ আৰু তাৰ পিছত মানে অসম আক্ৰমণ কৰাত, তেওঁৰ আগৰ সকলো বন্ধু-বান্ধৱ হেৰুৱাই বিশেষকৈ সৎৰামক হেৰুৱাই কিছুমান দিনলৈ ঘৰৰ ভিতৰতে ৰাণীয়ে সৈতে সোমাই থাকিব লগাত পৰিছিল। ৰাণী মাৰে ৰজাৰ এই কাৰ্যত পেটে পেটে ভাল পাইছিল। এমাহমানৰ মূৰত চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে আকৌ নিজ প্ৰকৃতি ধৰিলে। আগৰ দৰে আকৌ তিনি-চাৰিজন ডেকা লগত লৈ বিশেষকৈ বদন বৰফুকনৰ গুণধৰ পুত্ৰদ্বয় জন্মি-পিয়লিক লৈ, ৰাজকাৰ্য এইবেলি সোপাকে বদন বৰফুকনক এৰি দি, নিজে দিনে-নিশাই মদ-ফটিকা পিয়াত, বন্ধুকেইজনে সৈতে দহ-পঁচিশ আৰু পাশা খেলোৱাত, লিগিৰীসকলক নচুৱাই সিহঁতৰ লগত চুপতি কৰাত, মাজে মাজে হাতীত উঠি কাঁড়, ধেনু লৈ বাঘ, বৰা পহু চিকাৰ কৰাত দিন-কাল নিয়াব ধৰিলে। ৰাজ্যতনো কি হৈছে কি নহৈছে একোৰে বুজ-বাতৰি নৰখাত পৰিল।

ৰাজমাও দেউতাই বুঢ়াগোহাঁই আৰু মানৰ যুঁজত অসমীয়া ৰাইজ ভালেমানৰ মৃত্যুত শোক পালে। তদুপৰি দেশদ্ৰোহী বদন বৰফুকনেই এতিয়া উঠি ৰজা, বহি ৰজা হৈ ৰাজ্য চলোৱাত মনত বৰকৈ শোক যে পালেই তাৰ লগে লগে তেওঁৰ বদন বৰফুকনলৈ এটা অতিপাত ঘৃণা আৰু ক্ৰোধৰ ভাব হ'ল।

বদন বৰফুকনে কিন্তু পোনপ্ৰথমতে কেবা বেলিও ৰাজমাৱৰ হাউলিলৈ গৈ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দৰে ৰাজকাৰ্যত পৰামৰ্শ ল'বলৈ বিচাৰিছিল; কিন্তু ৰাজমাৱে তেওঁৰ নামকে নুশুনা দেখি আনকি তেওঁৰ নামে জুইতো খৰি নিদিয়া দেখি তেওঁ আৰু পিছলৈ ৰাজমাৱলৈ কোনো ভয়কে নকৰি নিজে নিজে ৰাজ্য চলাবলৈ ধৰিলে। ৰজাই ৰাজকাৰ্যৰ বুজ-বতৰা নোলোৱা দেখি বৰফুকনে স্বেচ্ছাচাৰভাৱে ৰাজ্য শাসন কৰিবলৈ ধৰিলে। গুৱাহাটীত ভাং খুৱাই হাতীক বলিয়া কৰি কামৰূপীয়া ল'ৰা-তিৰোতাক বধ কৰোঁতা সেই অনৰ্থৰ ফলে দন্দুৱা দ্ৰোহ সৃজন কৰোঁতা বৰফুকনৰ সৰ্বগুণী পুত্ৰ দুজন জন্মি-পিয়লিয়ে এইবেলি উজনিত একাধিপত্য কৰিবলৈ পাই বুঢ়াগোহাঁই ফৈদৰ মানুহবিলাকক, আনকি ল'ৰা-তিৰোতাকো ধৰি ধৰি উগ্ৰ শাস্তি আৰু পৈশাচিক যন্ত্ৰণা দিবলৈ কম নকৰিলে। শুৱনি ধুনীয়া গাভৰু পালেই এই দুজনা বীৰ পুৰুষে সেই গাভৰুক চলে-বলে-কৌশলে সতীত্ব হৰণ কৰিবলৈ তোচ্ নেখাইছিল। এইবিলাক

অন্যায় অত্যাচাৰত উজনি অসমত প্ৰথমবাৰ মানৰ আক্ৰমণত হোৱা হাহাকাৰতকৈ বেছি হাহাকাৰ হৈছিল। বুঢ়াগোহাঁইৰ ফৈদৰ দুই-এজন বৃদ্ধই গোপনে ৰাজমাৱলৈ বৰফুকন আৰু তেওঁৰ পুত্ৰদ্বয়ৰ অন্যায়-অত্যাচাৰৰ বাতৰি পঠিয়াই আছিল। ৰাজমাৱে এইবিলাক বাতৰি পাই দেশখনকনো কেনেকৈ, কি উপায়েৰে বৰফুকনৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিব ইয়াকে দিনে-নিশাই চিন্তা কৰিছিল।

## ত্ৰয়োবিংশ অধ্যায়
## ৰজা আৰু ৰহদৈ

মান গুচি যাবৰ আৰু বৰফুকনৰ একাধিপত্য কৰিবৰ প্ৰায় ছমাহ হ'ল। শৰৎকাল। আহিন মাহ। ৰজাঘৰত দুৰ্গোৎসৱ হৈ যাবৰ আজি পাঁচ দিন হৈছে অৰ্থাৎ আজি পূৰ্ণিমা তিথি। গধূলি হৈ এটাইছে। ৰজাঘৰে প্ৰজাঘৰে বন্তি জ্বলিছে। আকাশত ৰূপহী জোনাইটি উঠি গোটেইখন জগতকে পোহৰ কৰিছে। এনেকুৱা সময়তে আজি চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে তেওঁৰ ভিতৰ ৰংচ'ৰাৰ খাটোলাৰ ওপৰত বহি মাত লগালে, "হেৰ ৰহদৈ আছেনে?" ৰজাৰ মাত শুনি ৰহদৈ লিগিৰী ততাতৈয়াকৈ ভিতৰৰ পৰা ওলাই আহি হাতযুৰি আঁঠু লৈ জনালে,— "স্বৰ্গদেৱ ঈশ্বৰ! বেটীক বা কেলেই মাতিছে?"

ৰজা— আজি মোৰ খেলৰ লগৰীয়াকেইজন নাহে। সিহঁতে গ'ল কালিয়েই মোত বিদায় লৈ গৈছে। আজি বোলে কিবা হেনো লক্ষ্মীপূজা সেইদেখি নাহে। মই চাংমাই শালৰ মেললৈ যোৱাৰ আগেয়ে অকলেহে থাকিব লাগি। মোলৈ অলপ সাজ-বস্তু লৈ আহিব পাৰেনে?

ৰজাৰ এই আদেশত ৰহদৈ বেগেৰে ভিতৰলৈ গৈ সোণৰ বাটি এটা, নতুন টেকেলি এটা, আৰু এখন মাইচাঙত কেতখিনি ভজা মঙহ ভিতৰৰ এজন চাংমাইৰ হতুৱাই অনাই ৰজাৰ আগত এখন শৰাইত থোৱালে। ৰজাই চাংমাইক ভিতৰলৈ যাবলৈ ক'লে। ৰহদৈক তেওঁৰ সোণৰ বাটিত টেকেলিৰ পৰা মদ ঢালি দিবলৈ আদেশ কৰিলে। স্বৰ্গদেৱ ঈশ্বৰৰ আদেশ পালন নকৰিবৰ সাধ্য কাৰ? বেচেৰী ৰহদৈ ৰজাক মদ ঢালি দিলে। ৰজাৰ মদ খাই লগে লগে দুডোখৰ ভজা মঙহ খাই যেতিয়া ৰাগী লাগিল তেতিয়া ৰজাই ক'লে,— "হেৰ ৰহদৈ। তইও এটুপি লচোন।" ৰহদৈয়ে আঁঠু কাঢ়ি হাত যুৰি জনালে— "স্বৰ্গদেৱ ঈশ্বৰ! কাটক বা মাৰক বেটীক এই বস্তু ল'বলৈ নক'ব। স্বৰ্গদেৱ ঈশ্বৰে জানে বেটী এজন হিন্দু ভকতৰ জীয়ৰী বিশেষ মহাপুৰুষীয়া পন্থৰ। সাত পুৰুষতো বেটীৰ এই বস্তু লোৱাৰ অভ্যাস নাই।"

ৰজা— (অলপ বিৰক্ত ভাবেৰে) কি কৰ ৰহদৈ! এই বস্তু বৰ ভাল ইয়াক খালে শৰীৰত বল-শক্তি বাঢ়ে। আমি এইবিলাক খাওঁ দেখি আমাৰ গাত সৰহ বল। তহঁতৰ হিন্দুবিলাকে আদা, লোণ আৰু পানী চাকোতে চাকোতে দুৰ্বলী হৈ গৈছে। তই কৈছ হিন্দুৱে এইবিলাক বস্তু নাখায়। কিন্তু তই দেখোন নিজেই দেখিছিলি শান্তিৰাম মেধিৰ ল'ৰা হৈও আমাৰ লগতে বহি মদ-ফটিকা আৰু এই ৰঙা চৰাইৰ মঙহো খাইছিল। মই সতাই সখিৰ পৰা এইটোও জানিছিলো যে ওখ জাতৰ ভালেমান হিন্দুৱে কিবা বোলে নিশা সেৰা এটাত এই বস্তু কলহে কলহে পিয়ে। এনেকুৱা চৰাই আন কি চাৰিঠেঙীয়া দঁতালটোকো লয়। তই আজি ইমান দিন আমাৰ কাৰেঙত থাকিও এই বস্তু আঘোণী আৰু ভাদৈৰ লগত খোৱা নাইনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! আঘোণী আৰু ভাদৈ বাইদেৱহঁতে অনেক সময়ত মোক ফুচুলালেও মই এই বস্তু খোৱা নাই। সেইদেখি স্বৰ্গদেৱ ঈশ্বৰে বেটীক যেন ল'বলৈ আদেশ নিদিয়ে।

ৰজা— বাৰু। তই যেতিয়াই এই বস্তুটো আগে-পিছে খোৱা নাই মই তোক বল নকৰো। পিছত ৰহদৈ, তই এটা আজি গীতকে গাচোন।

ৰহদৈ— ভাদৈ আৰু আঘোণী বাইকো মাতি আনিমনে?

ৰজা— নেলাগে সিহঁতক মাতিব। তই অকলৈ গাচোন।

ৰহদৈ— তললৈ মূৰ কৰি গুণ্ গুণ্কৈ—

চৰায়ে তুলিলে ছবুৰী পোৱালি
গছৰ ডাল শুৱনি কৰি;
ৰহদৈক তুলিলে আয়ে বোপায়ে
নৈৰ ঘাট শুৱনি কৰি।
নৈৰ ঘাটতে গৰু চাৰিছিলে
কলীয়া কানাই দেৱে;
বাঁহীৰ মাততে উত্ৰাৱলী হুই
লৰিছিলো গোপীসৱে!

ৰজা— বঢ়িয়া! ৰহদৈ তোৰ মাতটোও বৰ শুৱলা। পিছত তোক এটা কথা কওঁ।

ৰহদৈ— (হাতযোৰ কৰি) কি কথা স্বৰ্গদেৱ!

ৰজা— ৰহদৈ! তই দেখিবলৈ দিনক দিনে বৰ ধুনীয়াজনী হৈছ। পিছত তই এইদৰেই তোৰ যৌৱনটো খেদাবিনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! মোৰনো উপায় কি? ঈশ্বৰে দয়াৰামৰ কিবা বাতৰি পালেনে?

ৰজা— মই এতিয়ালৈকে তাৰ বাতৰি নাপালো। সি কিজানি মৰিলেই তাৰো ঠিকনা নাই। মিছামিছিকৈ তালৈ বাট চাই তোৰ ডেকা গা বুঢ়া কৰা উচিত নহয়। তই জাননে যে মই ৰাণীক বিয়া কৰাইছো তথাপি তোক পাহৰা নাই। তই মোত ভজ মই তোক মোৰ সৰু ৰাণী কৰিম।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰে বেটীক এইদৰে কোৱা যুগুত নহয়। বেটী সামান্য ভকতৰ জীয়ৰী হৈ স্বৰ্গদেৱ ঈশ্বৰৰ ৰাণী হ'বৰ যোগ্যা নহওঁ। তদুপৰি ৰাণী মাৱে শুনিলে আৰু জানিলে বা কি বুলিব। সেইদেখি স্বৰ্গদেৱ ঈশ্বৰে এই বেটীক আই-বোপাইৰ ঘৰলৈকে বিদায় দিব লাগে।

ৰজা— তই জাননে ৰজাই ভাল দেখে যাক ভাৰ-ভেটী নালাগে তাক? তোক মই যেতিয়াই ভাল পাই ৰাণী পাতিম তেতিয়া তই ৰাণীয়েই হ'বি। পিছত তোক ৰাণী পতাৰ আগেয়ে মোৰ আশা পূৰ্ণ নকৰিবিনে?

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! ৰজাই কাটে সমুদ্ৰে বুৰায়। স্বৰ্গদেৱ ঈশ্বৰে বল কৰিলে বেটীৰ কোনো উপায় নাই। পিছত স্বৰ্গদেৱ ঈশ্বৰে নিজৰ সোণৰ মুখেৰে কৈ থৈছে যে দয়াৰামক অনাই তাক সুধি-পুছি সি যদি আন এগৰাকী বিয়া কৰাবলৈ সন্মত হয় তেতিয়া এই বেটীক ৰাণী কৰিব। বেটীয়ে এই বাক্যকে ধৰি আছোঁ।

ৰজা— যদি সি মৰিছে বা তাক নাপাওঁ তেতিয়া?

ৰহদৈ— তেতিয়া হ'লে স্বৰ্গদেৱ সি যদি মৰা বাতৰি সঠিক পাওঁ, তেনেহ'লে বছৰেকলৈকে তাৰ উদ্দেশ্যে একপ্ৰকাৰ বিধৱা ব্ৰত ধৰিম। তাৰ পিছত স্বৰ্গদেৱে যদি তেতিয়াও দাসীক নেৰে, তেন্তে দাসীয়ে স্বৰ্গদেৱ ঈশ্বৰৰ শ্ৰীচৰণ দুখানি দাসীভাৱেই হওক বা ৰাণীভাৱেই হওক সেৱিম!

ৰজা— ইমান দিন বাট চাবলৈ মই টান পাম। পিছত তই যদি পাহৰ আৰু পাহৰিছো বুলি কৰ, তেন্তে মই তুৰন্তে বিয়া কৰাই তোক সৰু ৰাণী পাতিম।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! বেটীয়ে তেতিয়া হ'লেও এই কাৰেঙত থাকি ৰাণীমাৱৰ সমানে সতিনী খাটিব নোৱাৰিম। এতিয়াই স্বৰ্গদেৱে বেটীক এফেৰা মৰম কৰে বুলি জানি বেটীক ভাদৈ, আঘোণী আৰু ৰাণীমাৱেও ভাল মাপায়, দেখিব নোৱাৰে; তেতিয়া হ'লে মোৰ মৰণেহে পৰাচিত হ'ব।

ৰজা— ভয় নকৰিবি, মই তোক কমলাবৰীয়া কুঁৱৰী নাম দি ৰাঙলী বাহৰত ৰাখিম। পিছত সদ্যহতে তই মোত নভজনে? চাপি আহি চুমা এটা দে!

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰে প্ৰতিজ্ঞা ভংগ কৰিলে স্বৰ্গদেৱ ঈশ্বৰৰ আৰু এই বেটীৰো ধৰ্মনাশ হৈ মহাপাপ হ'ব। দয়াৰামৰ কি হ'ল সেইটো জানিব লাগে অথবা মই তাৰ মূৰ্ত্তিটো মনৰ পৰা আঁতৰাব পাৰিলে, তেহে মোৰ এই ভেদেলা দেহটো

স্বৰ্গদেৱৰ ভোগত লগাব পাৰোঁ।

ৰজা— ৰহদৈ! তই মোক কথাত ঘতুৱালি। মই সেই দেখি বল নকৰো। ধন্য। তোৰ নিচিনা তিৰোতা যেয়ে পাব সেয়ে প্ৰকৃত ভাগ্যৱান পুৰুষ। যি কি নহওক তই চেষ্টা কৰ তাক পাহৰিবলৈ।

এই বুলি কৈ ৰজাই ৰহদৈক বিদায় দি চাংমাইসকলৰ মেললৈ গ'ল।

## চতুৰ্ব্বিংশ অধ্যায়
## ৰহদৈৰ চিন্তা আৰু সপোন

মোৰ মৰমৰ সহৃদয়া পাঠক-পাঠিকাসকল! ৰহদৈৰ নিচিনা এজনী ভকতৰ জীয়ৰীয়ে যে এই পৰিমিত চন্দ্ৰকান্ত ৰজাৰ নিচিনা এজনা সুপুৰুষ ৰজাৰ ৰাণী হ'বলৈকো বাঞ্ছা নেদেখুৱালে এই কথাত তোমালোকে কেৰে যেন আচৰিত নোহোৱা। সেই কালত অৰ্থাৎ মানৰ দিনৰ আগলৈকে অসমীয়া গাভৰুসকল আৰু প্ৰায় তিৰোতাসকল সতী-সাধ্বী আছিল। তেওঁবিলাকে ধৰ্ম বোলা বস্তুটোত মুগ্ধ থাকি পাপলৈ বৰ ভয় কৰিছিল। সেইকাৰণেই বেচেৰী ৰহদৈয়ে ৰজাৰ প্ৰেম-সম্ভাষণ পায়ো, ৰজাই তাইক সৰু ৰাণী কৰিব এনেকুৱা অংগীকাৰ পায়ো, অমৰ বাঞ্ছিত ৰাণী পদকো ধৰ্মৰ অৰ্থে অস্বীকাৰ কৰিলে। সেই নিশা ৰহদৈয়ে খাই-বৈ উঠি নিজৰ খোঁটালীলৈ গৈ বিচনাত পৰি কি হ'ল, কি কৰিম এনেকুৱা এটা ভাবত ভালেমান নিশালৈকে শুব নোৱাৰিলে। ৰজাই তাইক দয়াৰামলৈ ভাব এৰিবলৈ আদেশ কৰিছে। কিন্তু তাই যিমানেই দয়াৰামক পাহৰিবলৈ চেষ্টা কৰে সিমানেই তাইৰ মনত সেই সৰুকালৰ লগে লগে ফুৰা, লগে লগে ম'হ চৰোৱা, লগে চ'তৰ নিশা বিহুত নচা-গোৱা ইত্যাদি কথা মনত পৰিব ধৰিলে। এইবিলাকৰ উপৰি উভয়ে উভয়ক ভাল পাওঁ বোলা কথা, দয়াৰামলৈ তাইক খোজা-বঢ়া কৰা কথা মনত পৰি তাইৰ ছাটি-ফুটি লাগিল। তাইৰ মনত হ'ল তাইনো কি কুক্ষণত ৰজাঘৰলৈ গোসাঁনী চাবলৈ আহিছিল। আহিছিল আহিছিল তাইনো কেলেই ৰজাৰ চকুত পৰিল এই ভাবটোৱে তাইক আকুল কৰিলে। আজি তিনি-চাৰিমাহে তাই বেচেৰীয়ে মাক-বাপেকৰো কোনো খবৰ-বাতৰি পোৱা নাই। দয়াৰামৰো আজি তিনি-চাৰি বছৰে বা কি হ'ল কি নহ'ল, ক'লৈ গ'ল, ক'ত আছে তাৰো একো সম্ভেদ নাই। এইবিলাক ভাবি-চিন্তি তাইৰ দুচকুৰে দুধাৰ লো বলে। বেচেৰীয়ে ভালেমান পৰ ফেঁকুৰি ফেঁকুৰি কান্দি তাহানি সৰুতে বাপেকৰ মুখত শুনা সেই লেচাৰিটো গুণ গুণ কৰি গালে—

কৃষ্ণ এক দেৱ দুখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।।
নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভাগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভাৱ ভাৱন্তা।।

মন-প্ৰাণ ভৰি এই লেচাৰিটো গাই হাত যুৰি প্ৰভুক "হে প্ৰভু! পতিত পাৱন, মধুসূদন, মুৰাৰি তুমি দাসীক ৰক্ষা কৰিবা। তুমিয়েই দাসীৰ সৰ্ব্ব আশ্ৰয়, সৰ্ব্ব ভৰসাৰ থল। মধুসূদন! কাতৰ কৰিছো বেটীক সংকটত ৰক্ষা কৰে যেন।" এইবুলি তুতি কৰি থাকোতে বেচেৰীৰ চকু লাগিল। কিছু বেলি টোপনি হোৱাৰ পিছত তাই সমাজিক দেখিলে— তাই যেন সেই সৰুকালৰ দৰে ম'হত উঠি ম'হটোক পানী পিয়াবলৈ নিছে। দয়াৰামে যেন লগ ধৰি তাইক কৈছে— "ৰহদৈ! মই তোকহে ভাল পাওঁ, তোকেহে বিয়া কৰাম। মই তোক নাপালে হয় বৰবিহ খাই, নতুবা নদীত জাঁপ দি মৰিম, নতুবা দেশ ছাৰি বৰাগী হ'ম।" এই সপোনটো দেখি থাকোতে তাই সাৰ পালে। চকু-মুখ মচি দেখে যে পূবে ৰঙা ৰ'দ দিছে। বেচেৰী বিছনাৰ পৰা উঠি চকুলোবিলাক ধুই-মচি নিজৰ নিত্য কৰ্মত মন দিলে।

## পঞ্চবিংশ অধ্যায়

## ৰজা আৰু বদন বৰফুকন

ৰহদৈয়ে সৈতে প্ৰেমালাপ কৰাৰ পিছদিনা ৰাজকাৰ্য উপলক্ষে ৰাতিপুৱাই বদন বৰফুকন ৰজাৰ ভিতৰুৱা চ'ৰালৈ অহাত ৰজাই তেওঁক যথোচিত আদৰ সন্মান কৰি বহুৱাই সুধিলে,— "ডাঙৰীয়া! কি সকামে বা অহা হৈছে?" বদনে ৰজাক সেৱা কৰি ক'লে— "স্বৰ্গদেৱ ঈশ্বৰ! এনেকৈ বিশেষ কোনো সকাম নাই। ৰাজ্য ভালেই চলিছে, পিছত স্বৰ্গদেৱ ঈশ্বৰে নিজে এই ৰাজ্যখন চলোৱাৰ ভাৰ ল'লে এই বুঢ়া বন্দীয়ে তত পাওঁ। বুঢ়া বন্দীৰ ইচ্ছা হৈছে যেন গংগা, গয়া, কাশী দৰ্শন কৰি আহোঁগৈ।"

ৰজা— মোৰ বোধেৰে ৰাজ্যত এতিয়াও শান্তি স্থাপিত হোৱা নাই। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক বা ক'ত লুকাই থাকি তলে তলে আৰু কি ষড়যন্ত্ৰ কৰিবলৈ বিচাৰিছে তাক কোনে জানে। আইদেউতাও এই পৰ্যন্ত বুঢ়াগোহাঁইৰ ফৈদৰ ফলীয়া

হৈয়ে আছে। এনেকুৱা সময়ত যদি ডাঙৰীয়াৰ নিচিনা বিচক্ষণ লোক এজনে মোক অকলৈ এৰি তীৰ্থলৈ যায় তেনেহ'লে মোৰ এই ৰাজ্যত আকৌ বা কি হুলস্থুল হয় তাক বা কোনে জানে? সেই দেখি ডাঙৰীয়া! মোৰ অনুৰোধ আপুনি এতিয়া তীৰ্থলৈ যাব নালাগে। দেশ সুস্থিৰ হ'লে বাৰু গৈ আহিব তেতিয়া মই হকা-বধা নকৰো।

বদন— স্বৰ্গদেৱৰ আজ্ঞা কোনে লংঘিব পাৰে? পিছত মই বন্দীয়ে এইটোও জনাওঁ স্বৰ্গদেৱ ঈশ্বৰে নিজে ৰাজ্যখন চলোৱা বাবটো ল'লে বুঢ়া বন্দীয়ে অলপ তত পাওঁ। ৰাইজৰ অনেকেই এই বন্দীক ভাল নাপায়। স্বৰ্গদেৱক সকলোৱে ভাল পায়— সেইদেখি স্বৰ্গদেৱে নিজে ৰাজ্য শাসনৰ ভাৰ লৈ আমাক আজ্ঞাৰে চলালে ভাল হ'ব।

ৰজা— ডাঙৰীয়া! মই দেখোন দেখিছো আপোনাৰ হাতত ৰাজ্য ভালে চলিছে। আপুনি সকলোকে মৰম-প্ৰীতিৰে চলাইছে। আপুনি যিমানদূৰ পাৰে সকলোকে ক্ষমা, দয়া ইত্যাদি কৰি ৰাজ্য চলাওক। যি আপোনাক নিতান্তই মৰম আৰু ক্ষমা কৰা স্থলতো নামানে বা আপোনাক হিংসা কৰে তাক আপুনি মোৰ সলনি নিজেই দণ্ড বিহিব। ৰাজ্যৰ যাতে ভাল হয় তাৰে চেষ্টা কৰিব। আপোনাত মোৰ সম্পূৰ্ণ বিশ্বাস আছে, আন কি আপোনাৰ ওপৰতে মোৰ সৰ্ব ভৰসা। যি কামত মোৰ আজ্ঞা লাগে সেই কামো আপুনি মোৰ আজ্ঞাৰ সাপেক্ষে বুলি জানি নিঃশংকে কৰিব। মই জানো আপুনি মোৰ পৰম হিতৈষী বন্ধু। সেই দেখি মই আপোনাৰ ওপৰতে ৰাজ্য শাসনৰ ভাৰ ৰাখি অন্ততঃ আৰু তিনি বছৰ সময় সুখেৰে কটাব খোজো।

বদন— ভাল তেন্তে স্বৰ্গদেৱ ঈশ্বৰ! এতিয়া উঠিব খোজো।

ৰজা— ইমান লৰালৰিকৈনো কেলেই যাব লাগিছে।

বদন— স্বৰ্গদেৱ ঈশ্বৰ! আজি ধেনুচোচা খেল আহি স্বৰ্গদেৱৰ ভঁৰাললৈ পাঁচ হাজাৰ ধেনু-কাঁড় দিবৰ কথা আছে। সেইবিলাক লেখাই জোখাই লোৱাব লাগিব। সেই কাৰণেহে ততাতৈয়া কৰিছো।

ৰজা— ততাতৈয়া কৰিব নালাগে। ধেনুচোচা বৰুৱাসকলে এইটো নাচাব জানো।

বদন— চাওতে চাব স্বৰ্গদেৱ ঈশ্বৰ। পিছত বন্দীয়ে এবাৰ চাই ল'বলৈ পালেহে সন্তোষ পাওঁ।

ৰজা— বাৰু! চাবগৈ চিন্তা নকৰিব। পিছত ডাঙৰীয়া! মই কথা এটা আপোনাৰ পৰামৰ্শ ল'ব খোজো।

বদন— আজ্ঞা কৰা হওক।

ৰজা— আপুনি বোধকৰো জানে মোৰ ঘৰত ৰহদৈ নামেৰে কমলাবৰীয়া ভকতৰ জীয়ৰী এজনী আজি তিনি বছৰে লিগিৰী হৈ আছে। তাই দেখিবলৈ বৰ ধুনীয়া গাভৰু হৈ উঠিছে। মই তাইক মোৰ সৰু কুঁৱৰী কৰিব খোজো। আপুনি মোক কি কয়।

বদন— স্বৰ্গদেৱ ঈশ্বৰ! বন্দীক বৰ ডাঙৰ লেঠা এটাত পেলালে। যদি কওঁ স্বৰ্গদেৱ ঈশ্বৰে এই কাম কৰা উচিত নহ'ব তেন্তে হয়তো স্বৰ্গদেৱে মনত অসন্তোষ পাব। যদি কওঁ স্বৰ্গদেৱ ঈশ্বৰে 'কৰক' তেনেহ'লে আমাৰ আহোমৰ এটা গৌৰৱ নষ্ট যে হ'বই— তদুপৰি প্ৰজাৰ মনত স্বৰ্গদেৱ ঈশ্বৰলৈ ভাব-ভক্তি-সমভ্ৰম টুটিব পাৰে। কাৰেঙৰ ভিতৰতো ৰাণীমাও অসুখী হ'ব। ৰাজমাৱে বা কি বুলিব তাকো ক'ব নোৱাৰো। স্বৰ্গদেৱ ঈশ্বৰে মন কৰকচোন ঁগৌৰীনাথ সিংহ স্বৰ্গদেৱে সোণাৰি জাতৰ গাভৰু এগৰাকীক চাঙলৈ তুলি কি অনৰ্থ ঘটাই থৈ গ'ল। সেইদেখি যদি স্বৰ্গদেৱ ঈশ্বৰে সামান্য লিগিৰী এজনীক ৰাণী পাতে তেন্তে জানোচা প্ৰজা বিদ্ৰোহী হয় আৰু এই বিদ্ৰোহকে সুবিধা পাই বুঢ়াগোহাঁইৰ পক্ষৰ সকলে মহা অনৰ্থ ঘটায়। সেইদেখি স্বৰ্গদেৱ ঈশ্বৰ! বন্দীয়ে জনাওঁ, লিগিৰী এজনীক ৰাণী পতাটো ভাল নহ'ব। যদি স্বৰ্গদেৱ ঈশ্বৰে তাইৰ ৰূপত ইমান মুগ্ধ হৈছে তেন্তে তাইক এজনী ৰাখনীস্বৰূপে ৰাখক।

ৰজা— ডাঙৰীয়া! প্ৰথমতে মই মোৰ এই কাৰেঙত ৰাখনীস্বৰূপেই ৰাখিব নোৱাৰো। গোসাঁইৰ জীয়ৰী ৰাণীয়ে ঘৰখনত বৰ অশান্তি কৰি তুলিব। দ্বিতীয়তঃ ৰহদৈয়েও ৰাণী হ'বলৈ নাপালে, অৰ্থাৎ মই তাইক চাকলুং পাতি বা হোম পুৰি বিয়া নকৰালে তাইক কাটি ডোখৰ ডোখৰ কৰিলেও হেনো তাইৰ দেহটো মোৰ ভোগত নলগায়। সেই দেখি ডাঙৰীয়া! মোক এটি উপায় দিয়ক।

বদন— স্বৰ্গদেৱ ঈশ্বৰ! বন্দীয়ে আজি ভাবি-চিন্তি চাই কাইলৈ আহি স্বৰ্গদেৱ ঈশ্বৰক জনাম। এতিয়া উঠিবহে খোজো।

ৰজা— বাৰু আজিলৈ যাওকগৈ। কিন্তু মই আশা কৰি ৰ'লো। মোক এটা বুধি দিব।

বদন— ভাল স্বৰ্গদেৱ ঈশ্বৰ!

## ষড়বিংশ অধ্যায়
## ৰাণী আৰু ৰহদৈ

চন্দ্ৰকান্ত সিংহ ৰজাৰ ৰাণী বিবাহিত হৈ কাৰেঙলৈ আহিবৰে পৰা মনত অলপ অসুখী হৈছিল। ৰাণী ৰজাৰ লগত থাকিবৰ কেইমাহমানৰ পিছত অৰ্থাৎ সংৰামক

নিৰ্ব্বাসন কৰা পোন্ধৰ দিনমানৰ পিছতে ৰাণী মাৱে ৰজাক বৰকৈ ধৰি মেলি নিশা খেচালত কৰি, ৰোহ পাতি ভাদৈ, আঘোণী দুয়োজনীকে ৰজাৰ হতুৱাই ৰাজহাউলিৰে দুটা লিগিৰালৈ বিয়া দিয়াই ৰজাক নিজৰ মাজুলীৰ পৰা লগত অনা দুজনী দহ-এঘাৰ বছৰ বয়সীয়া কুমাৰীক ৰজাৰ হাতধৰি লিগিৰী কৰি দিলে। 'ৰহদৈৰ ৰূপ দেখি ৰাণী মাৱে জানিছিল যে একালত ৰহদৈ ৰজাৰ চকুত পৰি তেওঁৰ সতিনী হৈ তেওঁৰ সুখৰ বাটত কাঁইট হ'ব। এইবিলাক ভাবি-চিন্ত আৰু মনে মনে ভাদৈ আৰু আঘোণীয়ে লগোৱা কথা শুনি ৰাণী মাৱে ৰহদৈক তেওঁ (ৰাণী মাও) ৰজাঘৰলৈ আহিবৰে পৰা সন্দেহৰ চকুৰে চাইছিল। আৰু এবাৰ নে দুবাৰ "তাই অবাধ্য, হাক বচন নুশুনে, মোক নামানে" এনেকুৱা কথা লগাই তাইক খেদিবলৈকো চেষ্টা কৰি নিষ্ফল হৈছিল। ৰজাই যে তাইক পেটে পেটে ভাল পায় আৰু ৰাজমাৱে যে তাইৰ হতুৱাই স্বাভীষ্ট পূৰণ কৰিছিল এইবিলাক কথা ৰাণী মাৱে জানিছিল। কন্যাকাল হৈ উঠিবৰে পৰা ৰাণী মাৱৰ অন্তৰ জ্বলিব-পুৰিব ধৰিলে। ৰজাৰ ৰংচ'ৰালৈ ৰাণী মাও ৰজাৰ বিনা অনুমতিত আহিব নোৱাৰিলেও ভিতৰৰে পৰা প্ৰখৰা বুদ্ধিমতী ৰাণী মাৱে ৰংচ'ৰাৰ সকলো কথাৰ আলেখ-লেখ লৈছিল। যি মুহূৰ্ত্তে ৰজাই ৰহদৈক তেওঁৰ প্ৰেম জনালে আৰু ৰহদৈয়ে তাইক বিয়া কৰাবলৈ ৰজাক একপ্ৰকাৰ কবুল কৰালে সেই মুহূৰ্ত্তে ৰাণী মাৱৰ শিৰ টনকিল। ৰাণী মাৱে নিজৰ স্ত্ৰীস্বভাৱসুলভ গুণেৰে এই কথা জানি তাৰ পিছদিনা ৰজা দুপৰীয়া চাংমাইশালৰ মেললৈ যাওতে ৰহদৈক মতাই নি নিজৰ খোঁটালীত বহুৱাই সুধিলে— "ৰহদৈ মই তোক এটা কথা সোধো তই সঁচা ক'বি। সঁচা ক'লে সম্পদ পাবি। মিছা ক'লে তোৰ বিপদো হ'ব পাৰে।"

ৰহদৈ— আজ্ঞা কৰক মাতৃ। কি ক'ব লাগে। সঁচাত বাজে ৰহদৈয়ে কেতিয়াও মিছা নাজানে।

ৰাণী— কচোন তেন্তে স্বৰ্গদেৱ ঈশ্বৰে তোত চকু দিছেনে? কোনো মধুৰ আলাপ কৰিছেনে?

ৰহদৈ— মাও! ৰজাই গ'ল গধূলি মোক মৰম জনাই মোৰ দেহটো ভূগিবলৈ বাঞ্ছা কৰিছিল।

ৰাণী— পিছত ভূগিলেনে সঁচা ক'বি।

ৰহদৈ— মাও! মোৰ দেহটো ভূগিবলৈ নাপালে। মই ক'লো যে আমাৰ হিন্দুৰ দস্তুৰমতে বিয়া নকৰোৱাকৈ কোনো গাভৰুৱে কোনো ডেকাক ভজিলে কলংক যে হয়েই তদুপৰি মহাপাপ হয়। স্বৰ্গদেৱ ঈশ্বৰে ত্ৰৈলোক্যৰ ৰজা হৈ এনেকুৱা মহাপাপ কৰা যুগুত নহয়। মই এই কথা কোৱাত স্বৰ্গদেৱ ঈশ্বৰে ক'লে যে তেনেহ'লে

তেখেতে মোক চকলং পাতি বিয়া কৰাই সৰু ৰাণী কৰিব।

ৰাণী— তই, চাগে বৰ ৰং পাই সন্মতি জনাইছ নহয়নে?

ৰহদৈ— মহয় মাতৃ! মই ক'লো যে মই আই-বোপাইৰ ঘৰত থাকোতে দয়াৰাম নামেৰে ডেকা এটাক ভাল পাইছিলো। তাত মই বিয়া সোমাম বুলি সইত কাঢ়িছিলো। তাৰ বাপেকে মোক খোজা-বঢ়াও কৰিছিল। সেইদেখি মই এতিয়াও তাক ভাল পাওঁ। মোৰ মনে তাকে স্বামী গুৰু বুলি লৈছো। স্বৰ্গদেৱ ঈশ্বৰে মোৰ দেহৰ গৰাকী হ'লেও মনৰ গৰাকী নহ'ব। এই কথাত স্বৰ্গদেৱ ঈশ্বৰে কৈছে যে যেতিয়ালৈকে মই দয়াৰামক পাহৰি স্বৰ্গদেৱৰ ৰাণী হ'বলৈ সন্মত নহওঁ তেতিয়ালৈকে মোক বল কৰি ৰাণী নাপাতে। কিয়নো ইন্দ্ৰবংশীয় ৰজাই পৰৰ পেলনীয়া বস্তু হেনো গ্ৰহণ নকৰে। পিছত ৰজাই মোক হেনো সতকাই বিদায়ো নিদিয়ে। মই মহা সংকটত পৰিছো মাতৃ। মোক কেনেকৈ পাৰে আপুনি আৰু ৰাজ মাৱে উভয়ে লগ লাগি উদ্ধাৰ কৰক।

ৰাণী— বাৰু ৰহদৈ! মই তোক সোধো তই সঁচাকৈয়ে দয়াৰামক পাহৰা নাইনে?

ৰহদৈ— নাই পাহৰা মাতৃ! তদুপৰি তাক যিমানেই পাহৰিবলৈ চেষ্টা কৰো সিমানেই তাৰ মূৰ্তিটো মোৰ মনলৈ বেছিকৈ আহে।

ৰাণী— সি যদি নাই, মৰিছে তেন্তে তই কি কৰিবি?

ৰহদৈ— মাতৃ! মই বছৰেকলৈ বিধৱাভাবে থাকিম। তাৰ পিছতো যদি ৰজাই নেৰে তেন্তে ৰজাৰ দ্বিতীয়া ৰাণী হ'ম।

ৰাণী— যদি ৰজাই তাক বিচাৰি-খোচাৰি আনি প্ৰাণবধ কৰে অথবা তোৰ আগাআগিকৈ তাক তোৰ পৰা এৰুৱাই আন এজনী বিয়া কৰাই দিয়ে তেতিয়া কি কৰিবি?

ৰহদৈ— মাতৃ! মই স্বৰ্গদেউক কৈছো যদি দয়াৰাম আহি ৰজাৰ আগত আৰু মোৰো আগত কয় যে সি মোক এৰিলে তেন্তে তেতিয়া ৰজাই ইচ্ছা কৰিলে মই ৰজাৰ সৰু ৰাণী হ'বলৈ সন্মত জনাবলৈ বাধ্য হ'ম। যদি ৰজাই তাক বধ কৰে তেন্তে মই আত্মঘাতিনী হ'ম।

ৰাণী— ঠিক তোৰ এনেকুৱা প্ৰতিজ্ঞানে?

ৰহদৈ— হয় মাতৃ! মোৰ এই প্ৰতিজ্ঞা।

ৰহদৈৰ এই কথাত ৰাণী মাৱে দীঘলকৈ হুমুনিয়া এটা কাঢ়ি ক'লে— "ৰহদৈ তোৰ আচৰণ মই শলাগিছো। দৰাচলতে তই যদি সতী, তই প্ৰকৃত আমাৰ অসমীয়া গাভৰু তেন্তে তই দয়াৰামক নাপাহৰিবি— ৰজাৰ কথাত সন্মত নহ'বি।

ভগৱন্ত কৃষ্ণই তোক তোৰ দয়াৰামক নিশ্চয় আনি দিব। তই সৰ্ব ভৰসা প্ৰভু কৃষ্ণতে ৰাখিবি। ময়ো তোৰ সৰ্ব্ব কৃষ্ণতে অৰ্পণ কৰিলোঁ। মই ৰজাক বুজাম। যিমান দূৰ পাৰো চেষ্টা কৰি তোক মই উদ্ধাৰ কৰিম।"

ৰহদৈ— ভাল মাতৃ।

## সপ্তবিংশ অধ্যায়
## ৰজা আৰু ৰাণী

দিনত ৰহদৈয়ে সৈতে কথা-বতৰা হৈ নিশা যেতিয়া ৰজা শয়ন ঘৰলৈ আহিল, তেতিয়া ৰাণী ৰোহঘৰত পৰিল। ৰজাই ৰাণীক মতাত ৰাণীয়ে কোনো উত্তৰ নিদি ফেঁকুৰি ফেঁকুৰি কান্দিব ধৰিলে। ৰজাই সুধিলে, "ৰাণী! তুমিনো আজি এইখন কি পাতিছা?"

ৰাণী নিৰুত্তৰ। আকৌ কান্দে।

ৰজা— কোৱা ৰাণী! মোৰ শপত কোৱা, তোমাৰ কি হৈছে?

ৰাণী— মোৰ যি হৈছে, মোক বিদায় দিয়ক। মই আই-বোপাইৰ ঘৰত গৈ এজনী খুৰী শালিকী হৈ যাম।

ৰজা— কিয়? মই কি জগৰ লগালো?

ৰাণী— নিজেই গমি চাওকচোন কিটো অন্যায় কৰিবলৈ বিচাৰিছে।

ৰজা— মই একো অন্যায় কাম কৰা নাই। তুমিনো মোৰ কি অন্যায় দেখিলা?

ৰাণী— কিয়! স্বৰ্গদেৱে সেই টোকোনা ভকতৰ জীয়ৰী ৰহদৈত চকু দি তাইক সৰু ৰাণী পাতিব খোজা নাইনে?

ৰজা— (হাঁহি হাঁহি) দিলোৱেই বা তাই চকু তাতনো কি জগৰ হ'ল।

ৰাণী— এৰা জগৰতো নায়েই। পিছত স্বৰ্গদেৱে মোক বিয়া কৰায়েই প্ৰথম নিশাই সোণৰ মুখেৰে কোৱা নাছিলনে 'কুঁৱৰী! মই তোমাক চিৰকাললৈকে ভাল পাম। মই তোমাত বাজে আন কাকো ভাল নাপাম।' এতিয়া সেই কথা ক'লৈ গ'ল? আজি দুবছৰ পূৰ নৌহওতেই স্বৰ্গদেৱে সেই কথা পাহৰিলে। মই বুঢ়া হ'লো, এলাগী হ'লো। টোকোনা ভকতৰ জীয়ৰী, গাঁৱত থাকোতে গাঁৱলীয়া ডেকা এটাৰ সৈতে হাত-বাত কৰা সেইজনীহে স্বৰ্গদেৱৰ চকুত ধুনীয়া হ'ল। এইবিলাক কাৰণতহে মই স্বৰ্গদেৱৰ পৰা বিদায় মাগিছো। আই-বোপাইৰ ঘৰত খুৰী শালিকী হৈ থাম। স্বৰ্গদেৱে ইফালে লিগিৰী এজনীক ৰাণী পাতি সুখ কৰক।

ৰজা— ৰাণী! তুমি অন্যায়কৈ খং কৰিছা। তাইক সৰু ৰাণী পাতিলে যে তোমাক পাহৰিম বা তুমি ৰাণী গুচিবা সেইটোতো নহয়। আমাৰ ৰজা ৰাজোৱানসকলে দহ-বাৰজনীকৈয়ো ৰাণী বিয়া কৰায়। কেলেই তোমালোকে যাক

ঈশ্বৰ বুলি পূজা কৰা সেই কৃষ্ণৰে হেনো দেখাদেখিকৈ ৰাধা, ৰুক্মিণী, সত্যভামা এই তিনিজনীত বাজেও ষোল্ল হেজাৰ তিৰোতা আছিল। আমি নৰমনিচ হ'লো বুলি ষোল্লজনীও তিৰোতা বিয়া কৰাব নোৱাৰোনে!

ৰাণী— ওখ বংশৰ হ'লে ষোল্লজনী নেলাগে স্বৰ্গদেৱে ষোল্ল হাজাৰকে বিয়া কৰাওক তাত মোৰ হানি নাই; কিন্তু সেই বুলি পৰৰ ভোগ্য, ইফালে সাধাৰণ ভকতৰ জীয়ৰী, আগৰ এজনী লিগিৰীয়ে সৈতে মই মোৰ প্ৰাণটো গ'লেও সতিনী খাটিব নোৱাৰিম।

ৰজা— ৰাণী! তুমি দেখোন বাৰে বাৰে ক'ব লাগিছা ৰহদৈ পৰৰ ভোগ্যা? তাই জানো মোৰ কাৰেঙলৈ অহাৰ আগেয়ে কাৰবাৰ সৈতে হাত-বাত কৰিছিল? তাইক দেখোন পাটগাভৰু অৱস্থাতে মোৰ কাৰেঙলৈ লৈ আহিছো।

ৰাণী— পাটগাভৰুৰেই নে পূৰা গাভৰুৰেই তাক জানো স্বৰ্গদেৱে পৰীক্ষা কৰাই চাইছিল? তাই গাঁৱত থাকোতে নিশা, বিহুত ফুৰোতে কোন কোন ডেকাৰ লগত ধেমালি কৰিছিল স্বৰ্গদেৱে জানো চাই ফুৰিছিল?

ৰজা— তাই দেখোন মোক কৈছে তাই যদিও মনেৰে দয়াৰাম বোলা ডেকা এটাক ভাল পাইছিল তথাপি তাই হেনো কোনো পাপ কৰ্ম্ম কৰা নাছিল।

ৰাণী— থৈ দিয়ক ভকতৰ জীয়ৰীৰ কথা।

ৰজা— কিয়? যদি তাই তেতিয়াই তেনেকুৱা কৰিছিল তেন্তে তুমি দেখোন গাভৰু হৈ ঘৰতে উঠি আছিলা। তুমিও কিজানি কাৰবাৰ প্ৰেমত মজিছিলা?

ৰাণী— মই ম'হ-গৰু ৰখি ফুৰা, ঘাটে-বাটে-পথাৰে, হাতে-বাটে ফুৰা, চ'তৰ নিশা বিহুত নচা ঘৰৰ জীয়ৰী নহও নহয়। স্বৰ্গদেৱে যদি মোক বেয়া পাইছে তেন্তে হয় মোক হেঙদাৰে কাটি দোছোৱা কৰক, নতুবা মোক খেদি পেলাওক। ইয়াকে নকৰি যদি মোৰ চকুৰ আগতে স্বৰ্গদেৱে লিগিৰীজনীক সৰু ৰাণী পাতে তেন্তে মই বিষ খাই মৰিম।

ৰজা— আও! তোমাৰ এনেকুৱা ভাবনে? বাৰু ভয় নকৰিবা— মই সদ্যহতে তাইক ৰাণী নাপাতো। ৰাণী পাতিলেও তাইক কাৰেঙত নাৰাখো।

ৰাণী— কেলেই তাইক বিদায় নিদিয়ে কেলেই। তাই মাক-বাপেকৰ ঘৰত থাকক গৈ।

ৰজা— মই সদ্যহঁতে তিনিমাহৰ আগেয়ে তাইক একেবাৰে বিদায় নিদিওঁ। তোমাৰ যেতিয়াই ইমান আপত্তি মই তাইক এই কাৰেঙৰ পৰা বিদায় দি মোৰ ৰাঙলী বাহৰত ৰাখিম। আৰু মই তাইৰ সেই ডেকাটোক বিচৰাইছো, তাক পালে যি হয় তেতিয়া এটা কৰিম। সদ্যহতে ৰাণী মোক আৰু মিছামিছিকৈ খেচালত

নকৰিবা। বুঢ়াগোহাঁয়ে মোৰ সৎৰাম সখিক নিৰ্ব্বাসিত কৰিবৰ দিনাৰে পৰা মই বহুত সহ্য কৰিববলৈ শিকিছো, ধৈৰ্য্য ধৰিববলৈ যত্ন কৰিছোঁ। পিছত ৰাণী! বুজি চাবা ধৈৰ্য্যৰো সীমা এটা আছে।

ৰজাৰ এই কথাত বুদ্ধিমতী ৰাণীয়েও প্ৰবোধ মানিলে আৰু ৰজাৰ দুয়ো ভৰিত সাবট মাৰি ধৰি ক'লে, "স্বৰ্গদেৱ ঈশ্বৰ! বেটীৰ দায়-দোষ ক্ষমা কৰিব। আশা কৰিছোঁ স্বৰ্গদেৱ ঈশ্বৰে এটা কলঙ্ক যেন নাৰ্জ্জে।"

## অষ্টাবিংশ অধ্যায়

## ৰজা আৰু বৰফুকন

ৰজাক কোৱা মতে পিছদিনা বদন বৰফুকনে ৰজাঘৰলৈ আহি ৰজাক ৰংচৰাত সেৱা-সৎকাৰ কৰি বহিল। ৰজাই হাঁহি হাঁহি সুধিলে— "পিছত ডাঙ্গৰীয়া মই কোৱা কথাটোৰ কি সিদ্ধান্ত কৰিলে?"

বদন— স্বৰ্গদেৱ ঈশ্বৰ! বন্দীয়ে নকৈ নোৱাৰো যে স্বৰ্গদেৱ ঈশ্বৰে লিগিৰী এজনীক বিয়া কৰাই এই কাৰেঙত ৰাখিলে মহা অনৰ্থ ঘটিব। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ফলীয়া প্ৰজা এতিয়াও অনেক গুপ্তভাৱে আছে। সিহঁত স্বৰ্গদেৱৰ অনিষ্ট চিন্তাত ব্যস্ত; ৰাজমাও দেউতাও বুঢ়াগোহাঁইৰ ফলীয়া। এনেকুৱাবিলাক স্থলত স্বৰ্গদেৱ ঈশ্বৰে ভকতৰ জীয়ৰী এজনীক বিশেষ আগেয়ে লিগিৰী হৈ থকাজনীক ৰাণী কৰিলে বাহিৰত এটা বিদ্ৰোহ উপস্থিত হ'ব পাৰে আৰু ভিৰততো এটা অশান্তিৰ স্থল হ'ব। সেইদেখি বন্দীয়ে জনাওঁ স্বৰ্গদেৱ ঈশ্বৰে এটা কাম কৰিলে ভাল হ'ব। স্বৰ্গদেৱ ঈশ্বৰে তাইক জাঁজীৰ ৰাঙ্গলী বাহৰত ৰাখি তইক মনে মনে বিয়া কৰাই কমলাবৰীয়া কুঁৱৰী নাম দি ৰাখক। তেনেকুৱা হ'লে স্বৰ্গদেৱ ঈশ্বৰৰ মনস্কাম পূৰ্ণ হ'ব, ৰাইজেও নেজানিব; আনকি ৰাণী মাৱেও নেজানিব।

ৰজা— ডাঙ্গৰীয়া! আপুনি ঠিক মোৰ মনৰ কথাটোকে কৈছে। আপুনি ৰাঙ্গলী বাহৰটো ভাল কৰাবলৈ মানুহ-দুনুহ পঠিয়াওক। তাত ভাল দুজনী লিগিৰী, এটা সৰু ল'ৰা, এজনী সৰু লিগিৰী, এজনী চাংমাই ইত্যাদি নিযুক্ত কৰক। তাৰ পিছত তাৰ বন্দৱস্ত সমস্তবিলাক হৈ গ'লে মোক জনাবহি। মই ৰহদৈক আগেয়ে অৰ্থাৎ দুদিন কি তিনিদিনৰ আগেয়ে আপোনাৰ হাতত দিম। আপুনি তাইক মাজুলীলৈ পঠাই দিম বুলি কৈ তাত নি থ'বগৈ। পিছত মই দহ দিনলৈ চিকাৰ খেলিবৰ ছলেৰে গৈ যি হয় কৰিম।

বদন— সজ পৰামৰ্শ। বন্দীয়ে আজিয়েই ৰাঙ্গলী বাহৰটো ভাল কৰিবলৈ মানুহ পঠিয়াম। এতিয়া বিদায় হে মাগিলোঁ।

ৰজা— ভাল যাওক ডাঙ্গৰীয়া।

# ঊনত্ৰিংশ অধ্যায়

## ৰাজমাও আৰু বৰবৰুৱা

সেই কালত আহোম ৰজাৰ বিষয়াসকলক ভিতৰত বৰবৰুৱা ডাঙৰীয়া ৰণ-বিগ্ৰহৰ প্ৰধান সেনাপতি আছিল। তেখেত সম্পৰ্কত ৰজাৰ মোমায়েক আছিল। ৰাজনীতিত তেখেতে ৰাজমাৰৰ ফলীয়া আছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ফৈদৰ লোকসকলে প্ৰায় সততে বদনে আৰু তেওঁৰ গুণৱান পুত্ৰ দুটিয়ে যি অন্যায়-অত্যাচাৰ কৰিছিল সেই সমস্ত বাতৰি বৰবৰুৱা ডাঙৰীয়াক দাঁড়ক দাৰে জনাই আছিল। বৰবৰুৱাই আকৌ এই বাতৰি ৰাজমাৰত জনাইছিল। ৰাজমাৰে বৰবৰুৱাই সৈতে সদায় তলে তলে বুধি আলচিছিল কি উপায়েনো বদনক নষ্ট কৰিব পৰা যায়। ৰজাই বদনক আশ্ৰয় দিয়াৰ বাবে আৰু বদনৰো সপক্ষে প্ৰজা কেতখিনি আৰু ডাঙৰ মানুহো দুই-চাৰিঘৰ থকা বাবে ৰাজমাও আৰু বৰবৰুৱাই হঠাতে বদনক একো কৰিব পৰা নাছিল। উভয়ে কিন্তু বদনক আঁতৰাবৰ যত্নত আছিল।

এদিন গধূলিতে বৰবৰুৱা ৰাজমাৰৰ ওচৰলৈ আহি ক'লে— "পিছত বাইদেউ! বদনক কি উপায়েৰেনো গুচাওঁ। দেখাদেখিকৈ মই তাক ধৰিলে আকৌ দেশত এখন হুলস্থূল হ'ব। আকৌ দুই ফৈদ হৈ কটাকটি মৰামৰি লাগিব। সেইদেখি মোৰ মনেৰে হ'লে বদনক চোৰাং কৰিহে বধ কৰিব লাগিব।"

ৰাজমাও— তাক চোৰাং কৰি বধ কৰাও টান। মই মোৰ ৰহদৈ নামৰ সেই লিগিৰীজনীৰ হতুৱাই ৰজাক সোধাই জানিছোঁ বদনৰ সোঁবাহুত হেনো এটা সন্ন্যাসীয়ে দিয়া মাদলি আছে। সেইটো তাৰ হাতত থাকে মানে তাক অস্ত্ৰে-শস্ত্ৰে একোৱে হেনো ঘাইল কৰিব নোৱাৰে।

বৰবৰুৱা— তেন্তে উপায় কি?

ৰাজমাও— উপায় হয় তাক নিশা শুই থাকোতে যেতিয়া সি মাদলিটো খহাই থয় সেই সময়ত অথবা সি শৌচ কৰিবলৈ যাওতে কোনো এজনে চোপা দি বধ নকৰিলে আনপ্ৰকাৰে তাক কৰিবৰ উপায় নাই।

বৰবৰুৱা— তেন্তে এটা চোৰাংচোৱা ৰাখি মোৰ কোনো এটা ৰণুৱাৰ হতুৱাই বধ কৰাব পাৰিলে হয়।

ৰাজমাও— মোৰ বিবেচনাৰে আমাৰ কোনো আহোম ৰণুৱাই সেই কাম কৰিব নোৱাৰিব। আমাৰ দুৱাৰৰখীয়া হৈ থকা সেই ৰূপচিং নামৰ বঙাল চুবেদাৰটোৰ হতুৱাই এই কাম কৰিব পৰা যায় হ'বলা। পিছত তুমি ৰূপচিঙক হুকুম দিব পাৰা।

বৰবৰুৱা— বাইদেউ! সি ক্ষত্ৰিয় জাতৰ মানুহ। মই হ'লো তাৰ ওপৰৱালা। মই

তাক গুপ্তহত্যা কৰিবলৈ আদেশ দিলে সি মোক আগলৈকে ঘিণাব। সি লাই পাব। সি অকল ধন-সোণেৰে বশ হোৱা বিধৰ মানুহো নহয়।

ৰাজমাও— বাৰু যদি তুমি প্ৰকাশ্য আদেশ দি তাৰ হতুৱাই সেই কাম কৰাব নোৱৰা তেন্তে মই ইয়াৰ উপায় কৰি চামনে?

বৰবৰুৱা— চাব পাৰা। মই মান্তি আছোঁ।

ৰাজমাও— ভাল বাৰু। পিছত এটা কথা সাৱধান কৰি থওঁ। বদনক যদি মই খণ্ডাব পাৰোঁ তেনে তুমি তাক খণ্ডোৱা মাত্ৰেই যাতে পুতেকহঁতে মানুহ-দুনুহ গোটাই ৰণ কৰিব নোৱাৰে এনেকুৱা এটা দিহা ৰাখিবা।

বৰবৰুৱা— ৰাখিম বাৰু। পিছত এতিয়া উঠিলোহে।

ৰাজমাও— বাৰু।

## ত্ৰিংশ অধ্যায়
## কাৰেঙৰ ভিতৰত

ৰাজমাও দেউতাই বোৱাৰীয়েকক পেটে সমন্বিতে ভাল নাপালেও ৰজাই যে ৰহদৈক কুঁৱৰী পাতিব খুজিছে এই কথাটোকো পেটে পেটে ভালপোৱা নাছিল। সেই দেখি ৰাজমাৱে বোৱাৰীয়েকে ৰজাৰ কথাটো কওঁতে তেওঁক মৰম দেখুৱাই ৰহদৈক যেনেকৈ পাৰে ৰজাৰ ওচৰৰ পৰা আঁতৰাবলৈ চেষ্টা কৰিম বুলি ক'লে। ৰাজমাৱে কিন্তু ৰহদৈৰ হতুৱাই নিজৰ এটা উদ্দেশ্য পৰিপূৰ্ণ কৰাৰ অভিলাষত মুখেৰে ৰহদৈক কোনো টান কথা নক'লে। বৰং তাইক সেই আগৰদৰেই ব্যৱহাৰ কৰি থাকিল। বেচেৰী ৰহদৈয়ে ৰাজমাৱৰ ষড়যন্ত্ৰৰ কথা একো বুজিব নোৱাৰিলে। তাইৰ মন কিন্তু ৰজালৈ ঢাল নাখাই দয়াৰামতে অৰ্পিত হৈ আছিল।

বৰবৰুৱাই সৈতে আলচ-যুকুতি হোৱাৰ পিছত নিশা ৰজা চাংমাই শালৰ পৰা শুবলৈ যোৱাৰ পিছত ৰাজমাৱে ৰহদৈক নিজৰ খোঁটালীলৈ মাতি নি বহুৱাই ক'লে,— "পিছত হয়নে ৰহদৈ! তোক হেনো ৰজাই সৰু ৰাণী কৰিবলৈ খুজিছে?"

ৰহদৈ— হয় দেউতা ঈশ্বৰী! মই স্বৰ্গদেৱক মোক আই-বোপাইৰ ঘৰলৈ বিদায় দিবলৈ খাটিছিলোঁ। স্বৰ্গদেৱে কৈছে— মই হেনো মোক খোজা-বঢ়া কৰি থোৱা সেই দয়াৰাম নামৰ ডেকাটোক পাহৰি ৰজাৰ সৰু ৰাণী হ'ব লাগে।

ৰাজমাও— তেনেহ'লে ৰহদৈ! তোৰ ভাগ্য বৰ ভাল। ৰজাৰ ৰাণী হ'বলৈ পালে তাৰ সমান ভাগ্য কোনো তিৰোতাৰে হ'ব নোৱাৰে। পিছত তই সন্মত হৈছনে?

ৰহদৈ— নাই হোৱা দেউতা ঈশ্বৰী!

ৰাজমাও- ই বৰ আচৰিত! ইমান সৌভাগ্যকো তই দলিয়াই পেলাইছনে? কিয় সন্মত নহ'লি?

ৰহদৈ— (তললৈ মূৰ কৰি) মই সেই দয়াৰাম বোলা ডেকাটোক পাহৰিব পৰা নাই। সি মোক বৰ ভাল পাইছিল আৰু শপত খাই কৈছিল যে মোত বাজে সি কাকো বিয়া নকৰায়। পিছত মোক এই কাৰেঙলৈ অনাৰ পিছৰে পৰা সি ক'লৈ গ'ল তাৰ কি হ'ল ক'ব নোৱাৰোঁ। সেইদেখি তাৰ এটা সঠিক বাতৰি নাপাওঁ মানে কাকো নভজোঁ। সেইদেখি দেউতা ঈশ্বৰী! বেটীয়ে ৰাণীমাৰক খাটিছোঁ, এতিয়া দেউতা ঈশ্বৰীৰ চৰণটো খাটিলোঁ, ৰজাক কৈ-মিলি মোক আই-বোপাইৰ ঘৰলৈ বিদায় দিয়াওক।

ৰাজমাও— ৰহদৈ বাছা। তোৰ সকলো কথা মই বুজিলোঁ। ৰজা হৈছে বৰ আঁকোৰ-গজালি। হঠাতে যে তোক বিদায় দিয়াব পাৰিম এনেকুৱা আশা কৰিব নোৱাৰোঁ। পিছত মই চেষ্টা কৰিম। তোক মই এটা কাম কৰিবলৈ কওঁ। তই এতিয়াই গৈ ৰূপচিং নামৰ বঙাল চুবেদাৰটোক মোৰ ওচৰলৈ কিবা জৰুৰী সকামত লাগে বুলি মাতি আন।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰীৰ আদেশ হ'ল যেতিয়াই যাব লাগিব। পিছত কথা এটা জনাব খোজো।

ৰাজমাও— কি কথা ক।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰী! সি হ'ল তিৰোতা নথকা ডঙুৱা বঙালী। মোৰ এই ৰূপটোৱে হ'ল কাল। জানোবা সি মোক এই নিশা অকলে পাই বলাৎকাৰ কৰে।

ৰাজমাও— তোৰ ইচ্ছা নহ'লে তাৰ সিমানটো সাহ নহ'ব— ৰজাৰ লিগিৰী এজনীক হঠাতে বলাৎকাৰ কৰিবলৈ তাৰ বাপেকৰো সাধ্য নহ'ব। সি যদি অনিষ্ট কৰিব বিচাৰে তেন্তে তাক বুজাই-সুজাই ৰাখিবি। যা ভয় নকৰিবি।

ৰহদৈ— ভাল স্বৰ্গদেৱ ঈশ্বৰী! আহিলো তেন্তে।

## একত্ৰিংশ অধ্যায়

## ৰূপচিং বঙাল আৰু ৰহদৈ

মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ আহোঁতে কাপ্তান ৱেল্‌ছ চাহাবৰ লগত আঢ়ৈ-কুৰিটা চিপাহী আহিছিল বুলি বুৰঞ্জীত উল্লেখ আছে। কাপ্তান ৱেল্‌ছে মোৱামৰীয়াহঁতক অতি সহজেই দমন কৰি উঠি এমাহমান গৌৰীনাথ সিংহ ৰজাৰ আলহীস্বৰূপে আছিল আৰু বুঢ়াগোহাঁই আৰু ৰজাৰ অনুৰোধত অসম ৰজাৰ সৈন্য কিছুমানক ইংৰাজী-ধৰণে কাৱাজ-পেৰেড আদি যুদ্ধবিদ্যা শিকাইছিল। ৰূপচিং কাপ্তান ৱেল্‌ছ চাহাবৰ ফৌজৰ এজন সুশিক্ষিত ক্ষত্ৰিয় হিন্দুস্থানী চিপাহী আছিল।

ৰেল্‌ছ চাহাবৰ উলটি যাবৰ সময়ত ৰজা আৰু বুঢ়াগোহাঁয়ে ৰূপচিঙক ৰজাৰ আহোম চিপাহীবিলাকক আগলৈকো যুদ্ধ-বিদ্যা শিকাই-বুজাই আপিট্‌ কৰিবলৈ চাহাবক খুজি ৰাখিলে; আৰু মাহে একুৰি চিকা ৰূপ দৰমহা দি আহোম ৰণুৱাবিলাকৰ ওপৰত চুবেদাৰস্বৰূপে আৰু ৰজাঘৰত পৰীয়াহঁতৰ চৰ্দ্দাৰৰূপে ৰাখিছিল। মানৰ যুদ্ধত ৰূপচিঙে ৰুচিনাথ গোহাঁইদেউৰ ফলীয়া হৈ বৰ বিক্ৰমেৰে যুঁজিছিল। নিজৰ যুদ্ধ-কৌশল আৰু বীৰত্বৰ গুণত মানে ৰূপচিঙক একো কৰিব নোৱাৰিলে। ৰূপচিং ৰজাঘৰীয়া চুবেদাৰ হৈ ৰ'ল। তেওঁ বাৰ বছৰ ৰজাঘৰত চুবেদাৰ হৈ থাকিবলৈ প্ৰতিশ্ৰুতি আছিল। তেওঁ বিয়া কৰোৱা নাছিল আৰু সেই কাৰণেই তেওঁৰ ভিতৰুৱা স্বভাৱ ভাল নাছিল। যদিও নিজৰ কামত কেতিয়াও ত্ৰুটি দেখুওৱা নাছিল তথাপি নিশা হ'লেই ৰূপচিঙে দুই-চাৰি বাটি মদ বা ফটিকা পিছিল। আৰু চেগ বুজি পৰীয়াহঁতক কামত সতৰ্ক ৰাখি গাভৰু বিচাৰ-খোচাৰ কৰি নিজৰ ৰিপু চৰিতাৰ্থ কৰিছিল।

সেই নিশা ৰূপচিঙে টেঁটুলৈকে মদ, ভাত খাই উঠি নিজৰ খোঁটালীত বহি চাকৰে লগাই দিয়া গুৰগুৰীটোত মৌজ কৰি ধঁপাত হুপি আছিল। এনেতে আমাৰ ৰহদৈ লিগিৰী গৈ মিহি সুৰেৰে মাত লগালে— "চৰ্দ্দাৰ আছানে?"

ৰূপচিং— কোন তোম?

ৰহদৈ— মই ৰহদৈ লিগিৰী।

ৰূপচিং— অ' আহাঁ মোৰ হোনটি বহাহি।

ৰহদৈ— চৰ্দ্দাৰ চাহাব! মই বহি-মেলি মেল পাতি সময় কটাব নোৱাৰোঁ। তোমাক ৰাজমাৱে কিবা এটা কথাৰ কাৰণে মাতি পঠিয়াইছে। তুমি এতিয়াই মোৰ লগত আহাঁ।

ৰূপচিং— ৰাজমাৱে মাতিছে? কিয় মাতিছে কোৱা।

ৰহদৈ— কিয় মাতিছে ক'ব নোৱাৰোঁ। তুমি মাথোন শীঘ্ৰে মোৰ লগত আহাঁ।

ৰূপচিং— ৰাজমাৱৰ ওচৰলৈ মই এইদৰেতো যাব নোৱাৰোঁ। মোৰ পোছাক পিন্ধো মানে এই দুখীয়াৰ পঁজাত থোৱা বহা; তুমি অহাত মোৰ পঁজাটো পোহৰ হৈছে। দৰাচলতে ৰহদৈ তুমি স্বৰগৰ তিলোত্তমাৰ দৰে বৰ হুন্দৰী আছা।

ৰহদৈ— কিনো ঠেট্টা কৰা চুবেদাৰ— তুমি শীঘ্ৰে ওলোৱা। নহ'লে মই যাওঁগৈ।

ৰূপচিং— "নাযাবা নাযাবা হোনটি। এই মই কাপোৰ পিন্ধিব ধৰিছোঁ"— এই বুলি কৈ ৰূপচিঙে ততাতৈয়াকৈ কাপোৰ পিন্ধিলে; কঁকালত তৰোৱাল আঁৰিলে আৰু ওলাই আহি ৰহদৈক ক'লে— "হেৰা হোনটি! মই তোমাৰ ৰূপ ভোল গৈছোঁ। তুমি মোক মিঠা মাতেৰে আৰু তোমাৰ ৰূপৰ ছটাৰে, তোমাৰ নয়ন বাণেৰে

মোক ভেড়া কৰিলা। হুন্দৰি! এদিন মই তোমাক পাব লাগে।”

ৰহদৈ— ছিঃ চৰ্দ্দাৰ! তুমি এনেকুৱা কথা আৰু নক'বা। ৰজাই শুনিবলৈ পালে বৰ লেঠা লাগিব।

ৰহদৈৰ এই কথাত ৰূপচিং মনে মনে ৰ'ল। দুয়ো আহি ৰাজমাৱৰ ওচৰ পালে। ৰাজমাৱে ৰহদৈক নিজৰ খোঁটালীলৈ যাবলৈ আদেশ কৰিলে— ৰহদৈ গ'ল। তেতিয়া ৰাজমাৱে চৰ্দ্দাৰক বহিবলৈ কৈ কথা-বতৰা আৰম্ভ কৰিলে।

## দ্বাত্রিংশ অধ্যায়

## ৰাজমাও আৰু ৰূপচিং চুবেদাৰ

ৰাজমাও— চৰ্দ্দাৰ! তোমাক মই এটা বৰ গোপনীয় কথাৰ কাৰণে মতাই আনিছোঁ। মই আশা কৰোঁ তুমি কামটো কৰিবা।

ৰূপচিং— মা! কামটো কি, কেনেকুৱা জানিলেহে এই বন্দীয়ে ক'ব পাৰিম।

ৰাজমাও— “কামটো এনেকৈ ডাঙৰেই। কৰি দিব পাৰিলে মই তোমাক সোণৰ মোহৰ এশ দিম। তাৰ উপৰি তুমি উচিত মতে যিহকে খোজা তাকে দিম। সদ্যহতে হোৱা এই মোহৰ দহোটা লোৱা।”— এইবুলি ৰাজমাৱে ভিতৰৰ পৰা মোহৰ দহোটা পেলাই দিলে। ৰূপচিঙে ৰাজমাৱক সেৱা কৰি গ্ৰহণ কৰি হাত যুৰি আদেশলৈ বাট চাই ৰ'ল।

ৰাজমাও— চৰ্দ্দাৰ! তুমি জানাই এই বদন নামৰ বৰফুকনটোৱে কেনেকৈ আমাৰ বুঢ়াগোহাঁইৰ বিৰুদ্ধে মান আনি দেশখন ধ্বংস কৰিলে। এতিয়াও সেই পাষণ্ডই ৰজাক সাক্ষীগোপালস্বৰূপে থৈ এই দেশখনক অত্যাচাৰ কৰি উৎপীড়ন কৰিব লাগিছে। দেশদ্ৰোহী, নাৰকী বৰফুকনটোক আঁতৰাব নোৱাৰিলে এই দেশৰ মঙল নাই। সেইদেখি মই আদেশ কৰিলো চেগ চাই তুমি তাক বধ কৰিব লাগে।

ৰূপচিং— যদি বৰফুকনটোক বধ কৰিব লাগে তেন্তে তাক মই মোৰে সৈতে যুঁজ কৰিবলৈ মাতি পঠিয়াম। মোক তৰোৱালৰ খেলত কেৱে বলে নোৱাৰে। মই খেলত বৰফুকনক বধ কৰিম।

ৰাজমাও— তুমি তাক সেইদৰে মাতি পঠিয়ালেই যে সি আহি তোমাৰ লগত যুঁজ কৰিব সেইটো আশা নকৰিবা। যদি সি যুঁজ কৰিবলৈ আহেও তেনেহ'লেও তাক বধ কৰিব নোৱাৰিবা।

ৰূপচিং— কিয় বলে নোৱাৰিম মা! মইতো ছেত্ৰিৰহে বাচ্ছা। সমুখ ৰণত তৰোৱালৰ খেলত মোক এটা বৰফুকন নালাগে দহোটা বৰফুকনেও বেঢ়ি ধৰিও মাৰিব নোৱাৰে।

ৰাজমাও— মই সেইটো জানো। কিন্তু চৰ্দ্দাৰ! বৰফুকনৰ বাহুত এজন সিদ্ধ সন্ন্যাসীয়ে দিয়া মাদলি এটা আছে। তাৰ বাহুত সেই মাদলিটো থাকে মানে তাক অস্ত্রে-শস্ত্রে একো কৰিব নোৱাৰে। সি মাদলিটো সোলোকাই থৈ শোওতে বা শৌচ কৰিবলৈ যাওতেহে তাক কাটিব পাৰিবা। সেই দেখি তুমি তাক এই দুই সময়ৰ এক সময়তহে মাৰিব পাৰিবা। সেই দেখি চৰ্দ্দাৰ! তুমি তাক গোপনে হত্যা কৰিব লাগিব।

ৰূপচিং— মা, মই ছেত্রি। মই সমুখ ৰণত যাৰে তাৰে সৈতে যুঁজিব পাৰোঁ; কিন্তু গুপ্তভাৱে নিৰস্ত্র মানুহক বধ কৰাটো মই পাপ যেন ভাবোঁ।

ৰাজমাও— কিন্তু ভীৰু, কাপুৰুষ, দেশদ্রোহী বৰফুকনে তোমাৰ লগত কেতিয়াও সমুখ ৰণলৈ আগ নাবাঢ়ে। পাপী পাষণ্ডক গুপ্ত হত্যা কৰাত কোনো পাপ নাই। কিবা যদি পাপ হয় সেইটো মোৰ হ'ব। তোমাক কোনো পাপে নুচুব, কিয়নো, তুমি এই কামটো মোৰ আদেশতহে কৰিবা। মোৰ লোণ খাইছা যেতিয়াই তুমি মোৰ আদেশ জানো পালন কৰিব নালাগে?

ৰূপচিং— আপোনাৰ আদেশ পালন কৰিব অৱশ্যে লাগে। কিন্তু মই সেই কামটো কৰিলে কিজানি ৰজাই মোক বৰবৰুৱাৰ হতুৱাই দণ্ড কৰায়।

ৰাজমাও— তুমি সেইবিলাক একো ভয় কৰিব নালাগে। বৰবৰুৱা মোৰ নিজৰ ভাই। মই যেনেকৈ চলাওঁ তেনেকৈ চলিব। ৰজা ল'ৰা মানুহ মোৰ আদেশৰ ওপৰত একো কৰিব নোৱাৰে। তদুপৰি মই ৰজাক জানিব নিদিওঁ যে তুমি এই কামটো কৰিলা। পিছত এতিয়া কোৱা কামটো কৰিবা নে নকৰিবা?

ৰূপচিং— মা! আপুনি মোক এটা বৰ টান কামত লগালে। পিছত মই যদি এই কামটো কৰিব পাৰোঁ তেন্তে মাৱে দিব খোজা ৰূপ-বানত বাজেও মোক ৰহদৈ লিগিৰীক লাগিব। মই তাইক বিয়া কৰাই এই দেশতে অসমীয়া হৈ ৰ'ম।

ৰাজমাও— চৰ্দ্দাৰ! তুমি এইটোহে ডাঙৰ বস্তু খুজিলা। ৰহদৈক ৰজাই সৰু কুঁৱৰী কৰিব খুজিছে। তেনেস্থলত মই তাইক তোমাক দিব পাৰিম বুলি সদ্যহতে গাত ল'ব নোৱাৰো। অৱশ্যে মই আৰু ৰাণী উভয়ে তাইক সৰু ৰাণী পাতিব খোজাত নাৰাজ। আমি তাইক ৰজাৰ এলাগী কৰি পৰাপক্ষত সৰু ৰাণী হ'ব নিদিওঁ। যদিহে তাইক ৰজাৰ এলাগী কৰিব পাৰোঁ তেন্তে বাৰু মই তাইক তোমাক দিম।

ৰূপচিং— মাৱে চেষ্টা কৰিলে একোৱেই অসাধ্য নহয়। মাৱে তাইক ৰজাৰ এলাগী কৰি মোক দিব পাৰে।

ৰাজমাও— বাৰু মই চেষ্টাত ৰ'লোঁ। পিছত তুমি এই কামটো আজিৰ পৰা ১২ দিনৰ ভিতৰত কৰি দিব লাগিব।

ৰূপচিং— ভাল মা। এতিয়া বিদায় হ'লোঁ।

এই বুলি কৈ ৰূপচিঙে ৰাজমাৰক চেলাম দি গ'ল।

## ত্ৰয়োত্ৰিংশ অধ্যায়

## ৰজা আৰু বৰফুকন

ৰূপচিঙে ৰাজমাৰে সৈতে আলচ-যুকুতি হোৱাৰ দুদিনৰ পিছত ৰাতিপুৱাই বদন বৰফুকন ৰজাৰ ঘৰলৈ আহি ৰজাক জনালে যে ৰাঙলী বাহৰ সজোৱা হ'ল। এতিয়া স্বৰ্গদেৱ ঈশ্বৰ গ'লেই হয়। বৰফুকনৰ কথাত ৰজা সন্তুষ্ট হৈ ক'লে,— "বৰফুকন ডাঙৰীয়া! তোমাৰ মই শলাগ ল'লোঁ। পিছত তাত লিগিৰী, লিকচৌ, কৰামিলা মানুহ সমস্ত যো-জা হৈছেনে?"

বৰফুকন— হৈছে স্বৰ্গদেৱ!

ৰজা— তেন্তে আজি ভাটিবেলা আপুনি আহি ৰহদৈক লৈ যাব। তাইক নি আগেয়ে তাত থওকগৈ। মই আৰু সাদিনৰ মূৰত ৰাঙলী বাহৰলৈ চিকাৰ খেলিবলৈ যাম। মোলৈ হাতী-ঘোঁৰা সকলো ঠিক-ঠাক কৰক। ৰাণী আৰু ৰাজমাৰৰ আগত কম যে ৰাণীৰ মনৰ অসন্তোষ গুচাবৰ কাৰণে মই তাইক কাৰেঙৰ পৰা আঁতৰালো। আপুনি লগত দুজনী আপোনাৰ বিশ্বাসী লিগিৰী লৈ আহিব।

বৰফুকন— ভাল স্বৰ্গদেৱ ঈশ্বৰ! ভাটিবেলা আহি তাইক লৈ যাম। আজিয়েই তাইক লৈ ৰাঙলী বাহৰলৈ যাব নোৱাৰিম। বহু নিশা হ'ব। কাইলৈ পুৱাই নি থৈ আহিম। নিশা তাইক মোৰ ঘৰতে ৰাখিম।

ৰজা— ভাল বাৰু।

এই কথা-বতৰাৰ পিছত বদন গুচি গ'ল। ৰজাই ৰহদৈক ৰংচ'ৰালৈ মতাই আনি ক'লে— "ৰহদৈ! মই তোক মোৰ এই কাৰেঙৰ পৰা আঁতৰাই জাঁজীৰ ৰাঙলী বাহৰত থ'ব খুজিছোঁ, ভাটিবেলা বৰফুকনে আহি তোক লৈ যাব। তই খাই-বৈ ওলাই থাকিবি।"

ৰহদৈ— (আঁঠু কাঢ়ি হাতযুৰি) স্বৰ্গদেৱ ঈশ্বৰ! যদি বেটীক কাৰেঙৰ পৰা আঁতৰায়েই তেন্তে বেটীক আই-বোপাইৰ ঘৰলৈকে বিদায় দিয়ক।

ৰজা— ৰহদৈ! মই তোক বিদায় নিদিওঁ বুলি আগেয়ে কৈছোঁ। তই মিছামিছিকৈ সেই দয়াৰামকে ধিয়াই থাকিব নালাগে। তই তাক পাহৰি মোক ভাল পাবলৈ চেষ্টা কৰ। তোক আজিৰ পৰা দহদিন সময় দিলোঁ। তই ইয়াৰ ভিতৰতে দয়াৰামক পাহৰি মোক "ভাল পাইছো" বুলি ক'বই লাগিব। মোক "ভাল পাইছো" বুলি ক'লেই মই চকলংং পাতি তোক বিয়া কৰাই সৰু ৰাণী কৰি ৰাঙলী বাহৰতে

ৰাখিম। ইয়াত মই চকলং পাতিব নোৱাৰিম। ৰাণীয়ে আৰু আই-দেউতাই মহা অনৰ্থ ঘটাব, সেইদেখি মই তোক তাতে বিয়া কৰাম।

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! দয়াৰামৰ বা কি হ'ল তাৰ এটা সম্ভেদ নোপোৱাকৈনো বেটীয়ে কেনেকৈ স্বৰ্গদেৱক "ভাল পাইছো" বুলি ক'ম।

ৰজা— তাৰ মূৰ্তিটো মনৰ পৰা আঁতৰাই মোৰ মূৰ্তিটো সেই ঠাইত বহুৱালেই মোক ভাল পাবি। সেইদেখি তই আৰু অবুজ নহ'বি। এতিয়া যাগৈ। খাই-বই ওলাই থাকিবি।

ৰজাৰ এই আদেশত বেচেৰী ৰহদৈ ভিতৰলৈ গ'ল। দুপৰীয়া সকলোবিলাকে খাই-বই উঠাৰ পিছত ৰজাই শয়নগৃহত জিৰণি ল'বৰ সময়ত ৰাণীক ক'লে,— "ৰাণী! মই ৰহদৈক আজি বিদায় দিম। ভাটিবেলিয়া বৰফুকনে আহি তাইক লৈ যাব।"

ৰাণী— তাইক ক'লৈ বিদায় দিব? মাক-বাপেকৰ ঘৰলৈনে?

ৰজা— মই সদ্যহতে ক'ব নোৱাৰোঁ। পিছত তাইক ক'লৈ বিদায় দিব, ক'ত থ'ব সেইটো ভাৰ মই বৰফুকনক দিছোঁ।

ৰাণী— তাইক আঁতৰ কৰি নি আন ঠাইত থৈ বিয়া কৰাব হ'বলা।

ৰজা— সেইটোও মই ক'ব নোৱাৰোঁ। ঘটনাচক্ৰে কি কৰি তোলে কেনেকৈ ক'ম?

ৰাণী— বাৰু! যেনে ভাল দেখিছে কৰক। পিছত মুঠতে এইটো কৈ থওঁ যে মই তাইৰে সৈতে কেতিয়াও একেলগে সতিনী নাখাটো।

ৰজা— ভাল! সেইটো নকৰোওঁ।

ইয়াৰ পিছত ভাটিবেলা বৰফুকনে ভানু আৰু কাঁহমতী নামৰ দুজনী লিগিৰীয়ে সৈতে আহি ৰহদৈক নিজৰ ঘৰলৈ লৈ গ'ল। আৰু তাত নিশাটো ৰাখি পিছদিনা নি ৰাঙলী বাহৰত ভানু, কাঁহমতী এই দুজনীক লগত দি থ'লে।

## চতুৰ্ত্ৰিংশ অধ্যায়
## ৰাঙলী বাহৰত

বাপেকে ৰহদৈক নি নিজৰ ঘৰত ৰাখিবৰ দিনা বৰফুকনৰ গুণধৰ পুত্ৰদ্বয় জন্মি পিয়লিৰ চকুত ৰহদৈ বেচেৰী পৰাত দুয়ো ভায়েকে ইটোৱে সিটোৱে নজনাকৈ ৰহদৈক উপভোগ কৰিবৰ নিমিত্তে উত্ৰাৱল হ'ল। কিন্তু সেই নিশা নিজ ঘৰত বিশেষকৈ বানু আৰু কাঁহমতীৰ লগত ৰহদৈ একে খোঁটালীতে শোৱা বাবে পাষণ্ডহঁতে নিজৰ ৰিপু চৰিতাৰ্থ কৰিবলৈ সুবিধা নাপালে। ৰাঙলী বাহৰত নি

খোৱাৰ পিছদিনাই জন্মিয়ে বেগী ঘোঁৰ এটাত উঠি দিনতে গৈ ৰাঙলী বাহৰ পালে আৰু ভানু, কাঁহমতী দুয়োজনীকে ৰূপ-বান দি বশ কৰি ভাটিবেলাৰ পৰতে গৈ ৰহদৈৰ শোৱা খোঁটালীটোত সোমাই ৰহদৈক বহি থাকোঁতেই লগ পাই ক'লে,— "হেৰা গাভৰু! তোমাক পৰহি আমাৰ ঘৰত দেখিবৰে পৰা তোমাৰ ৰূপত মই তেনেই ভোল গৈছোঁ। মই তোমাক যিহকে লাগে তাকে দিম। মোত আজি ভজা।"

ৰহদৈ— কি কৰ পাষণ্ড! হেৰা বাইহঁত! এইটো কোন আহি ইয়াত সোমাইছে চোৱাহিচোন।

ৰহদৈৰ চিঞৰত ভানু, কাঁহমতী কেৰে উত্তৰ নিদিয়াত জন্মিয়ে হাঁহি হাঁহি ক'লে— "গাভৰু, কেলেই মিছাতে চিঞৰিছা? তুমি জানানে সিহঁত মোৰ আজ্ঞাকাৰিণী।"

ৰহদৈ— এৰা! সিহঁত যে এনেকুৱা ৰাজদ্ৰোহী, বিশ্বাসঘাতকিনী বুলি জনা নাছিলোঁ।

জন্মি— বাৰু সিহঁত যেয়ে হওক মোত ভজা।

ৰহদৈ— কেতিয়াও তেনে কাম নহ'ব। পাষণ্ড, ইয়াৰ পৰা ভালে ভালে গুচি যা।

জন্মি— গুচি যোৱাৰ আগেয়ে তোমাৰ এই অপূৰ্ব্ব ৰূপৰ দেহটো ভুগিহে যাম।

ৰহদৈ— কেলেই মিছাতে মৰিবলৈ আহিছ। তোৰ নিচিনা পাষণ্ডক বুঢী বাঢ়নী লগাম।

জন্মি— কাক তই এনে কথা কৰ। নাজাননে মই বৰফুকনৰ পো। কেঁচাই খোৱাৰ ঘৰৰ।

ৰহদৈ— খাগে তোৰ জাতৰ কুলৰ গাভৰুবিলাকক কেঁচাই। তই নাজাননে ৰজাই মোক ৰাণী পাতিব খুজিছে। তোৰ এই অত্যাচাৰৰ কথা শুনিলে ৰজাই তোক শুদাই নেৰিব।

জন্মি— "ৰজাই মোক কি কৰিব পাৰে। ৰজা মোৰ দেউতাৰ হাতৰ পুতলা। ৰজাৰ কোনো ক্ষমতাই নাই। সুন্দৰী! মোৰ আশা পূৰ্ণ কৰ"— এই বুলি জন্মিয়ে জাঁপ মাৰি উঠি ৰহদৈক আঁকোৱালি ধৰিবলৈ গ'ল। ৰহদৈয়ে তৎক্ষণাৎ কাপোৰৰ ভিতৰৰ পৰা খুৰ এখন উলিয়াই ক'লে— "আহ পাষণ্ড' তোৰ গলত এই খুৰ নবহুৱাও যদি মই ৰহদৈয়ে নহওঁ?"

ৰহদৈৰ ৰঙা চকু, খঙৰ মূৰ্তি দেখি ভীৰু, কাপুৰুষ, জন্মিয়ে পিছ হুঁহকি ক'লে— "তই কি মোৰ আশা পূৰ্ণ নকৰ?"

ৰহদৈ— (তাৰপিনে আগবাঢ়ি) নিশ্চয় নকৰোঁ পাষণ্ড! ইয়াৰ পৰা ওলাব যদি

ওলা, নহ'লে তোক বধ কৰিম।

ৰহদৈৰ মুৰ্তিত ভয় খাই জন্মি এখোজ-দুখোজকৈ পিছ হুঁহকি ওলাই আহিল। এই ঘটনাৰ পিছদিনা তাৰ ভায়েক পিয়লিয়েও সেইদৰে বেচেৰী ৰহদৈক বিৰক্ত কৰিছিল; কিন্তু সি পাষণ্ডও ব্যৰ্থ মনোৰথ হৈ কোবখোৱা ঢেকুৰা কুকুৰৰ দৰে ঘৰলৈ উলটিছিল।

## পাঁচত্ৰিংশ অধ্যায়

## ৰাঙলী বাহৰত

ৰহদৈক ৰাঙলী বাহৰত থ'বৰ ন দিনৰ দিনা ৰজা চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে বাৰটা হাতী সজাই তাৰে ঘাই হাতী মোহনত চাকজমা লগাই উঠিল। এই আন এঘাৰটা হাতীত বজাই মাল-বস্তু তোলাই লৈ ৰাণী আৰু ৰাজমাৰত বিদায় লৈ ৰাজ্য চলোৱাৰ ভাৰ বৰফুকনৰ ওপৰত থৈ সকলোকে "চিকাৰ খেলিবলৈ যাওঁ" বুলি জনাই ৰাঙলী বাহৰ পালেহি।

ৰজাৰ এই ৰাঙলী বাহৰখন জাঁজি আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলত আছিল। আজিকালি সেই ঠাইৰ চিন-মোকাম নাই। নৈয়ে খহাই নিলে। কিন্তু সেই সময়ত এই ৰাঙলী বাহৰ প্ৰসিদ্ধ ঠাই আছিল। এই কমলাবাৰী ঘাটৰ পোনে পোনে আছিল। ঠাইডোখৰ মুকলি। ডাঙৰ গছ-গছনি তাত একো নাছিল। আধামাইলমান আঁতৰত ইকৰাণি আৰু বৰতানি হাবি আছিল। এই হাবিত বাঘ, বৰা, পহু, বনৰীয়া ম'হ, প্ৰায় সকলোবিধ জন্তু আছিল। ৰজাসকলে সেই কালত যাঁঠি, জোং, কাঁড়, ধেনুৰে এইবিলাক চিকাৰ কৰি ৰং কৰিছিল। মাজে মাজে ৰজাই নৈত বৰশী মাৰিছিল আৰু জালোৱা লগাই দি মাছ মৰাইও ৰং চাইছিল।

ৰজাৰ ৰাঙলী বাহৰৰ অলপ আঁতৰতে এখন ৰজাৰ সকলো বস্তু যোগনীয়া গাঁও আছিল। এই গএগ্ৰাসকলৰ মাটি-বাৰী সমস্ত নিষ্কৰ আছিল। ৰজাঘৰতো কোনো পাইক খাটিব নালাগিছিল। কেৱল মাথোঁ ৰজা ৰাঙলী বাহৰলৈ আহিলে এই গএগ্ৰাসকলৰ খেলে খেলে ৰজাক চাউল-পাত, খৰি, চৰু-হাড়ি, শাক-পাচলি, মাছ-মঙহ, মাখন, গাখীৰ, ঘিউ ইত্যাদি খোৱা-লোৱা বস্তু যোগোৱাৰ বাব আছিল। দৰকাৰ পৰিলে এইবিলাকৰ উপৰি ৰজা ৰাঙলী বাহৰত থকা দিনত গা-খাটনি কৰিও দিব লাগিছিল।

সেইদিনা ভাটিবেলা ৰজাই ৰাঙলী বাহৰ পাই তাত পোন্ধৰ দিনমান থাকিম বুলি ৰাইজক জনালে। ৰজা গৈ পোৱা মাত্ৰেই সকলোবিলাক মানুহ খেলে খেলে আহি ৰজাৰ আগত আঁঠু ল'লে। ৰজাই মুখিয়ালবিলাকক দুটা-এটা কথা সুধি বিদায়

দিলে। ৰজাৰ খাব-ল'বৰ বয়-বস্তু আগৰেপৰা তৈয়াৰ। ভাটিবেলা ডোখৰ জিৰাই-সতাই গধূলি হ'লত ৰজাই ৰাঙলী বাহৰৰ ৰং-চ'ৰাত বহি ফটিকা আৰু মঙহ খাই ৰহদৈক মতাই আনি ক'লে,— "পিছত ৰহদৈ! মই কাইলৈকে ভাটিবেলিয়া চকলং পাতি তোক বিয়া কৰাব খুজিছোঁ। তই দয়াৰামক পাহৰি পেলা। তাৰ খা-খবৰ এতিয়ালৈকে নাপালোঁ। তই অবুজন নহ'বি। মনক প্ৰবোধ দে।"

ৰহদৈ— স্বৰ্গদেৱ ঈশ্বৰ! বেটীয়েনো কেনেকৈ নিজৰ মনৰ সংকল্প এৰোঁ আৰু স্বৰ্গদেৱ ঈশ্বৰেও দয়াৰামৰ এটা শেষ বাতৰি পালেহে দেখোন এই বেটীক গ্ৰহণ কৰিবৰ কথা আছিল।

চন্দ্ৰকান্ত— "এৰা, সেইদৰেই তোৰে মোৰে ভিতৰত বন্দৱস্ত আছিল সঁচা। পিছত দয়াৰামক যে পাম সেইটো আশা নাই— সেইদেখি ময়ো আৰু সৰহ কাল বাট চাব নোখোজো। মই তোক পাবলৈ অধৈৰ্য হৈছোঁ। যদি দৈবাৎ দয়াৰাম ওলায়হি তেতিয়া মই তাক যেনেহ'লেও এজনী গাভৰু বিয়া কৰোৱাই দি, তাক বিষয়া পাতি থাপিম। তই মিছাই বছৰেক বাট চাব নালাগে। বাৰু তই এতিয়া যাগৈ। কাইলৈ ভাটিবেলা চকলং পাতি তোক বিয়া কৰাম।" এই কথা কৈ ৰহদৈক ভিতৰলৈ যাবলৈ দি, বানু আৰু কাঁহমতীক মতাই আনি ক'লে যে তেওঁ পিছদিনাই ৰহদৈক বিয়া কৰাব। তাৰ নিমিত্তে সিহঁতে সমস্ত যো-জা কৰিব লাগে।

এইদৰে আদেশ দি ৰজা সেইনিশা দুখে-ভাগৰে মদৰ ৰাগীত পৰি নিদ্ৰা কৰিলে।

## ছয়ত্ৰিংশ অধ্যায়

## বৰফুকনৰ সপোন

চন্দ্ৰকান্ত ৰজা ৰাঙলী বাৰহলৈ অহাৰ আগদিনা নিশাই ৰজাৰ নগৰত বদন বৰফুকন ডাঙৰীয়াই নিশা এটা বেয়া সমাজিক দেখি পিছদিনা ততাতৈয়াকৈ তেওঁৰ লগুৱাটো পঠিয়াই তেওঁৰ পুৰোহিত নৰদেৱ বাপুক মতাই আনি ক'লে, "দেউ! মই আজি শেহ নিশা এটা বৰ বেয়া সপোন দেখিলোঁ। আপোনাসকলে কয় বেয়া সপোন দেখিলে হেনো গুৰু, পুৰোহিত বা নহ'লে অন্ততঃ এজন ব্ৰাহ্মণত জনাই তাৰ প্ৰতিকাৰ কৰিব লাগে।"

নৰদেৱ শৰ্মা— হয় ডাঙৰীয়া। এইটো শাস্ত্ৰৰ নিয়ম। পিছত ডাঙৰীয়াইনো কি সপোন দেখিলে কওকচোন। যি হয় ব্যৱস্থা কৰা যাব।

বৰফুকন— দেৱ! মই শেহ নিশা সপোন দেখিলোঁ যেন মোৰ বিয়ৈ পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়াই মোক আহি কৈছে, "হেৰ পাষণ্ড! তই শীঘ্ৰে আহ। তই আৰু তাত থাকিব নেলাগে।" এই বুলি কৈ তেওঁ গুচি গ'ল। তেওঁ গুচি যোৱাৰ

পিছত যেন মূৰ নোহোৱা অসংখ্য কবন্ধে বিকট শব্দ কৰি মোৰ পিনলৈ নাচি নাচি আহিছে। মই যেন সিহঁতক দেখি ভয় খাইছোঁ। পিছত সিহঁতৰ এটাই যেন মোৰ ওচৰ পাই মোক চুলে আৰু মোক চুলত যেন মোৰো মূৰটো নাইকিয়া হ'ল। এনেতে সাৰ পালোঁ। দেউ এইটো বেয়া সপোন নহয়নে?

নৰদেৰ— (অলপ পৰ মনে মনে গুনি-গাথি) দেউতা ঈশ্বৰ! সমাজিকটো অৱশ্যে বেয়া। ইয়াৰ প্ৰতিকাৰ কৰিবলৈ হ'লে বগা ম'হ দুটা বলি দি দুৰ্গাক পূজিব লাগে। পিছত দুৰ্গোৎসৱ আকৌ সকলো সময়তে কৰিব নোৱাৰি। সেইদেশি শাস্ত্ৰত বিধান আছে যে লৰালৰিকৈ বা অসময়ত কৰিবলৈ হ'লে দুৰ্গোৎসৱৰ সলনি এটা চণ্ডী পাঠকে কৰাব লাগে আৰু সেই চণ্ডীপাঠতে এযোৰ বগা ম'হ বলি দিয়াব পাৰে। লৰৰ বেগত বগা ম'হ নাপালে বগা ম'হৰ মূল্য দিব লাগে আৰু তাৰ সলনি দুটা বগা পঠাকে বলি দিব লাগে। সেইদেখি শুভস্য শীঘ্ৰম। যদি ডাঙৰীয়াই আদেশ কৰে তেন্তে মই আজি গধূলি লঘোণে থাকি কাইলৈ চণ্ডী পাঠ কৰিম। ডাঙৰীয়াই আজিৰ দিনতে পূজাৰ দ্ৰব্য গোটাই নিশা লঘোণে থাকিব লাগিব।

বদন বৰফুকন— ভাল দেউ! মই পৰাপক্ষত বগা ম'হ দুটাকে গোটাম। নোৱাৰিলে বগা পঠা আৰু ম'হৰ মূল্য দিম। পূজাৰ আৰু আন আন কি কি দ্ৰব্য লাগিব কওক।

নৰদেৰ— "হওতে যদিও পূজালৈ যি যি দ্ৰব্য লাগে সেইবিলাক সকলো মোৰ মনতে আছে তথাপি মই শাস্ত্ৰ চাই দেউতালৈ দু-দণ্ডৰ ভিতৰতে কাকতত লেখি পঠিয়াম। দেউতাই সেই কাকত মতে বস্তু গোটাবলৈ একো টান নালাগিব কিয়নো দেউতাই এই ৰাইজৰ গৰাকীস্বৰূপ।" এইদৰে কৈ আমাৰ নৰহৰি বাপুৱে বৰফুকনত বিদায় লৈ ঘৰলৈ গ'ল আৰু তাৰ পৰা দুঘণ্টাৰ ভিতৰত এখন দীঘল কাকতত পূজাৰ দ্ৰব্যৰ ফৰ্দ পঠিয়াই দিলে। বৰফুকনে সেইদৰে দ্ৰব্য সম্ভাৰ গোটাবলৈ তেওঁৰ মানুহক আদেশ কৰি দুপৰীয়া খাই-বৈ উঠি ৰজাঘৰলৈ গৈ ৰজাক ৰাওলী বাহৰলৈ বিদায় দিলে। গধূলি হওঁ হওঁতেই বৰফুকনে একঠা চাউলৰ চিৰা, এটেকেলি ম'হৰ ভাল দৈ গাখীৰ, যথেষ্ট পৰিমাণে গুড় আৰু এক আষি কলে সৈতে সানি-পুটকি জলপানটি খাই ৰাতি আৰু একো নোখোৱাকৈ পৰি থাকিল।

## সাতত্ৰিংশ অধ্যায়

## বৰফুকন বধ

পিছদিনা বৰফুকন হাউলিত ৰাতিপুৱাৰ পৰা দেৱী ঘৰত চণ্ডী পূজাৰ আৰম্ভ আয়োজন হ'ল। ভাৰে ভাৰে নৈবেদ্য আৰু এযোৰ বগা ম'হ আহিল। নৰদেৱ পুৰোহিতদেৱে লগত এজন বিধি-পাঠক লৈ প্ৰাতসতে স্নান-আহ্নিক কৰি সূৰ্যোদয়

হ'বৰে পৰা পূজাত বহিল। বৰফুকন ডাঙৰীয়াই পুৱতী নিশাতে গা তিয়াই পুৰোহিতক বিধিমতে মন্ত্র উচ্চাৰণ কৰি বৰণ দি উঠি বেলি ভালকৈ ওলোৱাত আৰু ইফালে বগা ম'হ বলি দিবৰ সময়ত তেওঁৰ টানকৈ আকৌ শৌচৰ ভাব হোৱাত হাতত ঝাৰি লৈ বাহুৰ পৰা সন্ন্যাসীপ্রদত্ত মাদলিটো খুলি হাতনি পেৰাত থৈ বাৰীৰ ভিতৰলৈ শৌচ কৰিবলৈ গ'ল। তেওঁৰ শৌচ কৰা ঘৰটো অলপ আঁতৰত। তাৰ প্রায় চাৰিওফালে আৰ-বেৰস্বৰূপে ঢেৰ কলগছ আছিল। সেই কলগছবিলাক ইমান ডাঠকৈ হৈছিল যে তাৰ মাজত বাঘ-ভালুক লুকাই থাকিলেও হঠাতে আঁতৰৰ পৰা দেখা পোৱা নগৈছিল। বৰফুকনে শৌচ কৰি ওলাই আহি তলমূৰ কৰি ওচৰতে থোৱা থালীৰ পানী আনি হাতত মাটি ঘঁহিব ধৰিছিল; ইফালে পূজা-ঘৰত ম'হ বলিৰ আয়োজন হ'বলৈ ধৰাত শংখ, ঘণ্টা, দবা, কাঁহ বাজি উঠিছিল। বলি সকলো যো-জা হৈছিল বৰফুকন ডাঙৰীয়াই গা তিয়াই যোৱা নাই দেখি বলিকটীয়া ৰৈ আছিল। ঠিক এনেকুৱা সময়তে কলৰ মাজৰ পৰা সাউৎকৰে হাতত তৰোৱাল লৈ লুকাই থকা ৰূপচিং বঙালে আহি পাছফালৰ পৰা বৰফুকনৰ গলত এনেহে তৰোৱালৰ কোব বহুৱালে যে সেই একে কোবতে বৰফুকনৰ মূৰ মাটিত ছিঙি পৰিল। বৰফুকনক কাটি ৰূপচিং বঙাল লৰি আঁতৰি নিজৰ বহা পাই বিকুল বজালে। সেই বিকুলৰ ধ্বনি শুনি ৰজাঘৰীয়া চিপাহীবিলাক গোট খাই পথাৰত শাৰী শাৰীকৈ থিয় হ'ল। ৰূপচিঙে ৰাজমাৰলৈ এই ঘটনাৰ বাতৰি পঠিয়াই হুকুম খুজি পঠিয়ালে এতিয়া আৰু কি কৰিব লাগে। ৰাজমাৰে চিপাহী পঠিয়াই বৰবৰুৱাক অনাই তেওঁক আদেশ দিলে যে বৰফুকনৰ পুতেকহঁতক সপৰিবাৰে ধৰি আনি বন্দী কৰিব লাগে। ৰাজমাৰৰ আদেশ অনুসাৰে বৰবৰুৱাই ৰূপচিঙক তাৰ পল্টন লৈ গৈ বৰফুকনৰ সকলো পৰিয়ালকে ধৰি আনিবলৈ পঠিয়ালে।

ইফালে বৰফুকনৰ পূজা-ঘৰত বলি দিয়াৰ সময় উকলি যোৱা যেন দেখি পুৰোহিতে বৰফুকনৰ বিচাৰ লোৱালে। তেওঁৰ পুতেক দুটাই বৰফুকনক শৌচ কৰা ঘৰৰ পৰা উলটি অহাত পলম দেখি সেইফাললৈ গৈ দেখে সৰ্বনাশ। বাপেকৰ মূৰ এঠাইত, গাঁৰি ডোখৰ এঠাইত। গোটেইখনতে হুৱা-দুৱা লাগিল। বৰফুকননীয়ে বিনাই কান্দিলে। কৰ চণ্ডীপূজা ক'লৈ গ'ল। থূপকাঠত মূৰ সুমাই ৰখা ম'হে ধৰফৰাব ধৰিলে। নৰদেৱ পুৰোহিত বিধি পাঠক ইত্যাদি সকলোটি পলাল। জন্মি, পিয়লিয়ে বঢ়িয়াকৈ বুজিলে যে অলপ পিছতে তেওঁলোকক ৰজাঘৰীয়া চিপাহীয়ে আহি ধৰি বন্দী কৰিব। এই কথা গমি উভয়ে লৰৰ বেগতে যি এফেৰা ধন-বিত পালে তাকে লৈ দুয়ো দুটা বেগী ঘোঁৰা শালৰ পৰা লৈ মাকক বাপেকৰ সৎকাৰ আদি কৰিবলৈ এৰি থৈ নগা পৰ্বতৰ ফাললৈ পলাল।

## অষ্টত্ৰিংশ অধ্যায়

## ৰাজমাও আৰু বৰবৰুৱা

এইদৰে চণ্ডীপূজা পূৰ্ণ হ'বলৈ নৌপাওঁতেই বুৰঞ্জীবিখ্যাত, কামৰূপৰ হৰদত্ত বীৰদত্তক অন্যায় কৰি বধ কৰোৱাৰ মূল, সতী, সাধ্বী পদ্মকুঁৱৰীক অকালত আত্মহত্যা কৰোৱাৰ পাতকী, দেশলৈ মান আনি সোণৰ অসম ছাৰখাৰ কৰোৱা নাৰকী, দেশদ্ৰোহী বদন বৰফুকন দুকুৰি পাঁচ বছৰ বয়সত ইংৰাজী ১৮২৭ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰী মাহত হিন্দুস্থানী চিপাহী ৰূপচিঙৰ হাতত প্ৰাণ হেৰুৱালে। পদ্মকুমাৰী আৰু হৰদত্তৰ অভিশাপ, কামৰূপীয়া প্ৰজাৰ অভিশাপ আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ অভিশাপ অক্ষৰে অক্ষৰে ফলিল। নিজৰ পাপৰ পৰাচিত ভালকৈয়ে হ'ল। নিশা দেখা সপোন নিজতে ফলিয়ালে। বগা ম'হৰ সলনি নিজেই ৰাইজৰ শাপত গোসাঁনীৰ আগত বলিস্বৰূপে গ'ল। ঈশ্বৰৰ বিধানত এই সংসাৰত ৰজাৰ পৰা প্ৰজালৈকে কেৰে নিজৰ কৰ্মফল নুভুঞ্জাকৈ নোৱাৰে। পাপৰ পৰাচিত নোহোৱাকৈ নেথাকে।

বৰফুকনক হত্যা কৰা আৰু তেওঁৰ বয়-বস্তু ৰাজভঁৰাললৈ অনাৰ পিছতে ৰূপচিঙে ৰাজমাৰলৈ পুৰস্কাৰ খুজি পঠিয়ালে। ৰাজমাৰে এশৰ ঠাইত দুশ টকা দি কৈ পঠিয়ালে যে তেওঁ সদ্যহতে ৰহদৈক দিব নোৱাৰে, ৰজাই ৰহদৈক ৰাঙলী বাহৰত নি থৈছে। যদি ৰজাৰ পৰা তাইক কোনোমতে বুধি লগাই এৰুৱাব পাৰে তেন্তে নিশ্চয় তাইক তাকে দিব। যদিহে আন কোনো অসমীয়া গাভৰু হ'লেও হয় তেন্তে ৰাজমাৰে পিছত দিহা কৰি অনাই দিব। ৰূপচিং যেন আগলৈকো তেওঁৰ আজ্ঞাপৰ হৈ থাকে। তেওঁৰ মাহিলি দৰমহাও একুৰিৰ ঠাইত দুকুৰি হ'ল। ৰূপচিঙে ৰহদৈক নাপাই যদিও অলপ ক্ষুণ্ণ হ'ল, তথাপি ইমানবিলাক মোহৰ পাই আৰু দৰমহা বঢ়াত মনে মনে ৰ'ল।

বদনৰ মাল-সম্পত্তি ৰজাঘৰলৈ অনাৰ পিছত ৰাজমাৰে বৰবৰুৱাৰ সৈতে পৰামৰ্শ কৰি বৰবৰুৱাক এটা বেগী ঘোঁৰাত উঠি ৰজাক ৰাঙলী বাহৰৰ পৰা ততালিকে লৈ আনিবলৈ আদেশ দিলে। বৰবৰুৱাই সেই আদেশ অনুসৰি প্ৰায় পাঁচ দণ্ডমান বেলিৰ ভিতৰত ঘোঁৰা চেকুৰাই ৰাঙলী বাহৰ পালেগৈ।

## উনচল্লিশ অধ্যায়

## ৰাঙলী বাহৰত

ৰজাৰ এনেকুৱা কঠোৰ আৰু প্ৰতিজ্ঞাব্যঞ্জক কথা শুনি বেচেৰী ৰহদৈ কিংকৰ্তব্যবিমূঢ় হৈ সেই নিশা ভাত-পানী একো নেখাই ঢাৰিপাটীত কান্দি-কাটি পৰি

ৰ'ল। বেচেৰীৰ মনত সৰুকালিৰ সকলোবিলাক কথা পৰিব ধৰিলে। দয়াৰামে সৈতে ম'হ চৰোৱা, সাঁতোৰা, নিশা নচা, ইত্যাদি স্মৃতিয়ে তাইক আকুল কৰি তুলিলে। তাইৰ মনে তাইক ক'বলৈ ধৰিলে তাই যেন এজনী চৰাই হৈ সেই ফাতেকৰ পৰা ওলাই উৰি যাব। কিন্তু তাইৰ জ্ঞানে ক'লে যে তাই সেই ৰজাৰ বাহৰৰ পৰা শৰীৰটো লৈ পলোৱাটো অসম্ভৱ। তাই বিষম সংকটত পৰি সৰুতে মাক-বাপেকে শিকোৱা মতে ভাবি পালে যে সংকটত মধুসূদন কৃষ্ণই ৰক্ষা নকৰিলে আনে ৰক্ষা কৰোঁতা নাই। ইয়াকে জানি তাই ঢাৰিপাটীতে আঁঠু লৈ, ওপৰলৈ হাতযোৰ কৰি নিজৰ মনতে ক'ব ধৰিলে— "হে প্ৰভু কৃষ্ণ! অনাথৰ নাথ, অগতিৰ গতি, এই হতভাগিনীক এই সংকটৰ পৰা ৰক্ষা কৰা। মধুসূদন! তুমি দ্ৰৌপদীৰ লাজ নিবাৰণ কৰিছিলা, তুমি তোমাৰ ভকতক হেনো ৰক্ষা কৰি ফুৰা, আতুৰত পৰি তোমাৰ নাম ল'লে হেনো প্ৰভু মহাপাপীকো ত্ৰাণ কৰা। কৃপাৰ সাগৰ দয়াময়, ভকতবৎসল, ভৱভয়হাৰী, বিপদকাণ্ডাৰী মধুসূদন! এই দুখুনীক ৰক্ষা কৰা, সংকটৰ পৰা উদ্ধাৰ কৰা। প্ৰভু মই নিৰুপায়, নিঃসহায়, অবলা। তুমি অবলাৰ সহায়। প্ৰভু উদ্ধাৰ কৰা" ইত্যাদিৰূপে তুতি কৰি নিজৰ মনতে কীৰ্ত্তনৰ সেই অতি সুন্দৰ মনোমোহা লেচাৰীটো "কৃষ্ণ একদেৱ দুঃখহাৰী কাল মায়াদিৰো অধিকাৰী। কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ" গাই, চকুৰ পানীৰে গাৰুটো তিয়াই শুলে। নিশা তাই টোপনিত সমাজিক দেখিলে যেন এজন সুন্দৰ দিব্য তেজপুঞ্জ শৰীৰৰ গোসাঁই নে মহন্তই আহি তাইক কৈছে— "ৰহদৈ! তই কেলেই মোক ইমান দিক্দাৰি কৰিছ। বাৰু যদি ৰজাৰ ৰাণী হ'ব নোখোজ নহ'বি। ভয় কৰিবৰ কোনো কাৰণ নাই।" এই বুলি কৈ যেন সেই গোসাঁইজন গুচি গ'ল। তাই সাৰ পাই দেখে যে ৰাতি পুৱাইছে। কৃষ্ণক স্মৰণ কৰি উঠি বেচেৰীয়ে মুখ-হাত ধুলে, গা-পা তিয়ালে আৰু বেলি দহোটা বজাত চাইটা আহাৰ কৰি তামোলচালি খাই উঠিছে মাথোঁ এনেতে ৰজাই তাইক, ভানু আৰু কাঁহমতীকো মতাই নিলে। তেওঁবিলাক গৈ ৰজাৰ ৰংচ'ৰাত সোমাই দেখিলে যে ৰজাৰ আগতে বৰবৰুৱা ডাঙৰীয়াই আঁঠু লৈ বহি আছে। তেওঁবিলাকেও গৈ ৰজাৰ আগত আঁঠু লোৱা হ'লত ৰজাই ক'লে— "ৰহদৈ! মই লৰালৰিকৈ এতিয়া নগৰলৈ যাব লগা হ'লো। বৰফুকনক হেনো কোনোবাই কাটিলে। নগৰত হুলস্থূল লাগিছে। মই এই ডাঙৰীয়াৰ লগতে উলটি যাওঁগৈ। তই ইয়াত সন্তোষ মনে থাকিবি, মই উলটি গৈ নগৰত শান্তি থাপি যিমান শীঘ্ৰে পাৰো আকৌ ইয়ালৈ আহি তোক বিয়া কৰাম।"

এই কথা কৈ ৰহদৈ আৰু লিগিৰী দুজনীক বিদায় দি ৰজাই নিজে নিজে আহাৰ কৰি আৰু বৰবৰুৱাকো আহাৰ কৰোৱাই হাতীয়ে ঘোঁৰাই নগৰলৈ উলটিল।

ৰহদৈয়ে মূৰৰ ওপৰেদি সদ্যহতে পানী এচলু যোৱা যেন পাই মনে মনে ঈশ্বৰ কৃষ্ণক ধন্যবাদ দি ৰ'ল।

## চল্লিশ অধ্যায়
## কাৰেঙত

বৰবৰুৱাক ৰাঙলী বাহৰলৈ পঠিয়াই ৰাজমাৱে তাৰ পিছত এযোৰ আহোম কটকীক ৰূপৰান খৰচ দি গুৱাহাটীলৈ ৰুচিনাথ গোহাঁইক আনিবলৈ পঠালে। ৰাজমাৱে জনাই পঠিয়ালে যে দেশদ্ৰোহী বদন বৰফুকনক হত্যা কৰোৱা হ'ল আৰু এতিয়া তেওঁ উলটি আহি পিতৃৰ বিষয় লৈ ৰজাক চলাবহি লাগে। মানুহ যোৰা যাত্ৰা কৰাৰ পিছত প্ৰায় গধূলি সময়ত বৰবৰুৱাই সৈতে ৰজা কাৰেং পালেহি। ৰাণী মাৱে ৰজাক অহা দেখি আনন্দিত হ'ল আৰু বৰবৰুৱাৰ এজনী লিগিৰীৰ পৰা ৰজাই যে চকলং পাতি ৰহদৈক বিয়া কৰাব নাপালে এই কথা শুনি আৰু আনন্দিত হ'ল। ৰজা সেই নিশাৰে পৰা ৰাণী, ৰাজমাও আৰু বৰবৰুৱাৰ এনেকুৱা চক্ৰান্তত পৰিল যে তেওঁ যাওঁ বুলিও ৰাঙলী বাহৰলৈ যাব নোৱাৰিলে। বৰবৰুৱাই ৰজাক বুজাই দিলে যে দেশৰ এনেকুৱা অৱস্থাত তেওঁ কাৰেঙৰ পৰা ওলাই সোমাই ফুৰা যুগুত নহয়। দেশখন দুভাগ হৈছে, এভাগ বুঢ়াগোহাঁইৰ ফলীয়া আনভাগ বৰফুকনৰ ফলীয়া। এই দুভাগৰ কোনো ভাগেই ৰজাক ভাল নাপায়। তেওঁ বৰবৰুৱাত বাজে সদ্যহতে ৰজাৰ বন্ধু কেও নাই। সেইদেখি ৰজাৰ ওলাই সোমাই ফুৰা উচিত নহয়। কিজানি বুঢ়াগোহাঁইৰ ফৈদে ৰণকে দিয়ে! সেইদেখি তেওঁ ৰূপচিং চুবেদাৰে সৈতে এদল ৰাজঘৰীয়া ৰণুৱা তৈয়াৰ কৰিব ধৰিছে। বৰবৰুৱাৰ এনেকুৱাবিলাক কথা শুনি, ৰাজমাৱৰ পৰা “সতৰ্ক সজাগ” হৈ থাকিব লাগে বুলি উপদেশ পাই আৰু বুদ্ধিমতী ৰাণীৰ আগতকৈ বেছি আদৰ-যতন-চেনেহ পাই ৰজা কাৰেঙৰ ভিতৰতে বন্দী হোৱাদি হ'ল। আজি প্ৰায় এমাহ ৰহদৈক ৰাঙলী বাহৰত এৰি থৈ অহা হ'ল। ৰজা ৰাঙলী বাহৰলৈ উলটিব নোৱাৰিলে। গোপনে স্বৰ্গদেৱে বিশ্বাসী কটকী পঠিয়াই ভানু আৰু কাঁহমতীলৈ কৈ পঠিয়ালে সিহঁতেন যেন ৰহদৈক সাৱধানে ৰাখে।

## একচল্লিশ অধ্যায়
## ৰাঙলী বাহৰত

যদিও ঘটনাচক্ৰে ৰহদৈক কেইদিনমানলৈ ৰাণী হোৱাৰ পৰা স্থগিত ৰাখিলে তথাপি ৰহদৈয়ে এইটো বঢ়িয়াকৈ বুজিলে যে আঁকোৰগজালি ৰজাই তেওঁক কেতিয়াও নেৰে। তেওঁ এই কথা জানি কেইদিনমান দয়াৰামক পাহৰিবলৈ পাৰে মানে চেষ্টা কৰিলে;

কিন্তু তেওঁ যিমানেই চেষ্টা কৰিলে সিমানেই তেওঁৰ পুৰণি স্মৃতি বেছিহে হ'বলৈ ধৰিলে। তেওঁক মনৰ ভাবে, দুশ্চিন্তাই দুৰ্বল কৰিব ধৰিলে। মনৰ লগে লগে তেওঁৰ শৰীৰৰো অৱসাদ হ'বলৈ ধৰিলে, খাব-বব নোৱাৰি বেচেৰী শুকাই-খীণাই যাব ধৰিলে। ৰজা ৰাঙলী বাহৰৰ পৰা উলটি যাবৰ পোন্ধৰ দিনমানৰ পিছত এদিন তেওঁ মাহিলি ঋতু হোৱাৰ চাৰি কি পাঁচ দিনৰ দিনা তেওঁৰ খোঁটালীৰ খিৰিকীৰ ওচৰত বহি খিৰিকীখন মেলি বিশাল ব্ৰহ্মপুত্ৰৰ পাৰলৈ চাই আছে। ওপৰৰ আকাশত ধুনীয়া জোনবাইটি উঠিছে। ৰহদৈয়ে সোঁ-গালত নিজৰ সোঁ-হাতখন দি ভাবিলে— "হায় প্ৰভু কৃষ্ণ! মই কেনে হতভাগিনী জীৱ। প্ৰভু! তুমি মোকনো কেলেই এনুৱা কৰিছা। সৰুতে যাক ভাল পাইছিলোঁ, যালৈ মোক খোজা-বঢ়া কৰিছিল সেই মোৰ দয়াৰামৰ পৰা মোকনো কেলেই এইদৰে আঁতৰ কৰি মোক জ্বলাজুইত পুৰি মাৰিছা। ৰজা! ৰজাতো মোৰ ৰূপত বলিয়া; কিন্তু ৰজাৰ প্ৰেমতো নিৰ্মল নহয়। তেওঁ মোৰ গুৰু কন্যাৰ স্বামী। মোৰ মনে দেখোন ৰজাক কোনোৰকমেই ভাল নাপায়।" এইদৰে ভাবি বেচেৰীয়ে হুমুনিয়া এটা কাঢ়ি জাঁজী নৈৰ ফালে চাই আছে এনেতে সিফাল নৈৰ সিপাৰৰ পৰা কোনোবাই গোৱা গীত এটা শুনিলে—

"থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং,
মোলৈ আহিম বুলি কাপোৰ বই দিছিলা
মনত লগাইছিলা ৰং।"

কোনে এনেকুৱা সুন্দৰ গীত গাইছে। মাতটো দেখোন কেতিয়াবা ক'ৰবাত শুনা-শুনা যেন লাগে। এনেতে আকৌ শুনিলে—

"তোমালৈ বুলি গহনা গঢ়ালোঁ
হাতলৈ গঢ়ালো খাৰু।
তুমি শুবা বুলি তুলীখান গঢ়ালো
মাদুৰি তুলাৰে গাৰু।"

গীত গোৱা মানুহটোৰ মাতটো বৰ মিঠা। আগেয়ে যেন ক'ৰবাত এই মাতটো শুনিছিল। এইদৰে ভাবোঁতে ভাবোঁতে বেচেৰী ৰহদৈৰ মনত পুৰণি সৰু কালৰ স্মৃতিবিলাক উদয় হৈ বেচেৰীক আকুল কৰিলে। বেছিকৈ ভবা-চিন্তা কৰাৰ ফলত আৰু বিশেষ যৌৱন কালত নাৰীজনমৰ যিটো ভোগ সেইটো নোপোৱাৰ কাৰণেও ৰহদৈৰ মগজুত হিষ্টিৰিয়া (Hysteria) ৰোগৰ উদ্ভৱ হ'ল। ৰহদৈ ধাঁচ কৰে মূৰ্চ্ছা গৈ চিঞৰ এটা মাৰি খাটখনত পৰি গ'ল। তৎক্ষণাৎ ভানু আৰু কাঁহমতী দুয়ো আহি ধৰাধৰিকৈ তেওঁক দাঙি নি খাটত শুৱালে।

ইয়াৰ পিছত কাঁহমতী আৰু ভানুৱে যোগনীয়া গাঁৱৰ ওজাঘৰলৈ খবৰ পঠিয়ালে। যোগনীয়া গাঁৱৰ ওজা আহি চাই-চিন্তি বীৰাই কি ভূতে ধৰিছে বুলি ভাবি ভালেখিনি পৰ জৰা-ফুকা কৰিলে। ভালেখিনি পৰৰ মূৰত ৰহদৈৰ অলপ চেতনা আহিলত ওজাই নিজৰ গৌৰৱ বঢ়াই ভানুক কিবা-কিবি দিহা-মেলা দি ঘৰলৈ গ'ল। ভানু আৰু কাঁহমতীয়ে পিছদিনা পুৱাই ৰজালৈ খবৰ পঠিয়ালে যে ৰহদৈক হয় ভূতে কি বীৰাই পাইছে নতুবা তাইৰ তেঁউৰীয়া বেমাৰ হৈছে। ভানুৰ পৰা এই বাতৰি পাই ৰজাই ততালিকে নিজৰ বেজবৰুৱাক পঠিয়াই দিলে। বেজবৰুৱা পিছদিনা গধূলি আহি পাই ৰহদৈক চাই-চিন্তি বায়ুৰ বিকাৰ হৈছে বুলি ভাবি চাউলখচা পানীৰে ক'লা চতুৰ্মুখৰ বড়ি মাৰি খুৱালে। বড়ি খাই উঠি ৰহদৈয়ে আকৌ সেই আগৰ দৰে গধূলি গড়ি যোৱাৰ পিছত খিৰিকীৰ ওচৰত বহিল। অলপ পৰৰ মূৰতে শুনিলে—

জাঁজী নৈ এৰিব পাৰোঁ মই লাহৰি
দিখৌ নৈ এৰিব পাৰোঁ,
তোমাৰে ভাৱনা এৰিব নোৱাৰি
বৰে বিহে খায়ে মৰোঁ।

গীত শুনি ৰহদৈ আজিও আকৌ মূৰ্চ্ছিত হ'ল। আজিও হুৱা-দুৱা লাগিল। বেজবৰুৱাই তেওঁৰ চতুৰ্মুখৰ বড়িয়েও গুণ নকৰা দেখি মৌৰ সৈতে মকৰধ্বজ এফেৰা মাৰি খুৱাই চালে। মকৰধ্বজেও ভাল গুণ নেদেখুৱাত বেজবৰুৱাই ৰজাঘৰলৈ উলটি গৈ ৰজাত জনালে যে গাভৰুগৰাকীক বছৰেকমান চিকিৎসা কৰিলেহে তেওঁ ভাল কৰিব পাৰিব। ভানুৱে পঠোৱা কটকীৰ মুখে ৰজাই শুনিলে যে ৰহদৈক ভূতেহে পাইছে। ৰজাই এই দুইৰকমৰ সম্বাদ পাই ভাবি-চিন্তি ভানুলৈ কৈ পঠিয়ালে যে সিহঁতে সদ্যহতে ওচৰৰ বা দূৰৰ ভূত খেদিব জনা ওজা আনি এমাহমানলৈ জৰা-ফুকা কৰাওক, তাতো যদি ভাল নহয় তেতিয়া তেওঁ বেজবৰুৱাৰ হতুৱাই বছৰেকলৈ চিকিৎসা কৰোৱাব।

## বিয়াল্লিশ অধ্যায়
## ৰাঙলী বাহৰত

পাঠক পাঠিকাসকল! গধূলি গধূলি নৈৰ সিপাৰে গীত গোৱাজন কোন বোধকৰোঁ বুজিব পাৰিছাহঁক। নাই বুজা যদি তোমালোকক খোলাখুলিকৈ কৈ দিওঁ, সেইজন আন কোনো নহয় আমাৰ সেই দয়াৰামেই। তিনি বছৰৰ আগেয়ে যেতিয়া ৰহদৈক ৰজাঘৰীয়া চাওদাঙহঁতে লৈ আহিছিল, তেতিয়া সি তাইৰ পিছে পিছে

ৰংপুৰলৈ আহি ৰজাৰ হাউলিৰ চৌকাষে অনাই-বনাই ফুৰিও তাইক দেখা পাবৰ কোনো সম্ভৱ নেদেখি ঘৰলৈ উলটি গ'ল। তাত গৈ সদায় বেজাৰ মনেৰে বন-বাৰী একো নকৰি বহি বহি থাকিব ধৰিলে। বাপেকে তালৈ আন ঠাইত ছোৱালী খুজিবলৈ যাব ওলালেই সি বাপেকক লগ সমনীয়াৰ হতুৱাই কোৱাইছিল যে সি বিয়াবাৰু নকৰায়। তালৈ ছোৱালী খোজাৰ সকাম নাই। ইফালে মাহীয়েকে তাক নিতৌ "বহি বহি খাবলৈ পাইছে নেদেখিছা" এনেকুৱা কেটেৰা মাত মাতিব ধৰাত সি মনত বেজাৰ পাই এদিন কাকো একো নকৈ নিৰুদ্দেশ হ'ল। সি হাতত অলপ পাই-পইচা লৈ বামে বামে খোজকাঢ়ি আউনীআটী পালেগৈ আৰু তাতে সেই কালত উজাই বেহা-বেপাৰ কৰিবলৈ অহা ভাটিৰলীয়া নাৱত নাৱৰীয়া সোমাই দুমাহে গুৱাহাটী পালেগৈ। তাত মঠ-মন্দিৰ, কামাখ্যা, ভুৱনেশ্বৰী, বশিষ্ঠ, নৱগ্ৰহ, হাজো ইত্যাদি তীৰ্থ ঠাইবিলাক দৰ্শন কৰি য'তে ৰাতি ত'তে কাতি হৈ থাকি প্ৰায় ছমাহমানৰ পিছত আকৌ বামেৰে লাহে লাহে আহি এবছৰৰ মূৰত ৰংপুৰ পালেহি। তাত মানুহ এঘৰত হাল-কোৰ পৰা পাইক হৈ ৰ'ল। প্ৰথম বেলি মান আহোঁতে সি বুঢ়া গোহাঁইৰ ফলীয়া হৈ মানেৰে সৈতে ৰণো কৰিছিল, ভাগ্যক্ৰমে সেই ৰণত সি নমৰিলোঁ আৰু মানেও তাক ধৰি নিবলৈ নাপালে। পিছত যেতিয়া সি শুনিলে ৰহদৈক ৰাঙলী বাহৰত নি থৈছে তেতিয়া সি জাঁজী নৈৰ সিপাৰৰ গাঁওখনৰ মানুহ এঘৰত আশ্ৰয় লৈ সিহঁতৰ হালোৱা হৈ ৰ'ল। সি নিজৰ আচল চিনাকি নিদিছিল। সি গধূলি হ'লেই নৈৰ পাৰে ফুৰি ৰহদৈক উদ্দেশ্য কৰি সেই প্ৰেমৰ বনগীতবিলাক গাইছিল। ৰহদৈয়ে তাৰ গীতত তাক চিনি পাই পূৰ্ব স্মৃতি জাগৰণ হোৱাত, অথচ বন্দী অৱস্থাৰ পৰা মুকলি হৈ যাব নোৱৰাত মুছকঁছ গৈ হিষ্টিৰিয়া ৰোগত পৰিছিল। বৈদ্যসকলে বিশেষ ইংৰাজ ডাক্তৰসকলে কয় যে মনত বৰ চিন্তা হ'লে তাৰ লগে লগে শৰীৰত ভাগৰ লাগিলে আৰু দুখ-বেজাৰত মন ভাঙিলে হিষ্টিৰিয়া ৰোগৰ উৎপত্তি হয়। Powerful emotion, bodily fatigue, break down under feelings cause hysteria. এই হিষ্টিৰিয়া ৰোগটোকে ৰজাৰ বেজবৰুৱা ডাঙৰীয়াই বায়ুৰ ৰোগ ভাবি তাইক চতুৰ্মুখৰ বড়ি খুৱাইছিল, গাঁৱলীয়া ওজাই ভূতে পাইছে বুলি জৰা-ফুকা কৰিছিল, আৰু শেহত ৰহদৈক আঁতৰাব খোজা ৰাণীমাও আৰু ৰাজমাৱে তেঁউৰীয়া বেমাৰ বুলি ৰজাক বুজাই দি তাইলৈ ৰজাৰ আসক্তিটো কমাইছিল।

## তিয়াল্লিশ অধ্যায়

## ৰাঙলী বাহৰত

ৰজাৰ আদেশত ভানু আৰু কাঁহমতীয়ে ৰহদৈক জৰা-ফুকা কৰিবলৈ আকৌ বেজ বিচৰোৱাত আমাৰ দয়াৰামে সেই বাতৰি পাই বেজৰ দৰে পিন্ধি-উৰি কাষলটিৰ তলত জোলোঙা এটা লৈ ৰাঙলী বাহৰলৈ আহি চ'ৰাঘৰৰ পৰা খবৰ পঠিয়ালে যে জাৰি-ফুকি ভূত খেদাৰ পৰা, কামৰূপ আৰু মায়ঙত শিকি অহা ওজা এজন আহিছে। অনুমতি হ'লে তেওঁ এবাৰ চেষ্টা কৰি চাব খোজে। এই খবৰ পাই ভানু ওলাই আহি, বেজক তেওঁ ক'ৰ মানুহ, ক'ত গুণ-মন্ত্ৰ শিকিছে ইত্যাদি কথা সুধি শেহত ক'লে যে যদি তেওঁ ৰহদৈক ভাল কৰি দিব পাৰে তেন্তে ৰজাই তেওঁক বঁটা দিব। ভানুৰ কথাৰ উত্তৰত দয়াৰামে ক'লে যে ভূত-প্ৰেত খেদোৱা বিদ্যাত পাকৈত। তেওঁ ৰোগীৰ মুখ দেখিলেই বুজিব পাৰিব ৰোগীক কোন দেৱতাই বা ভূতে লম্ভিছে। তেতিয়া তেওঁ দেৱতা অনুসৰি চিকিৎসা কৰিব। তেওঁৰ এই কথাত ভানুৱে গধূলি যেতিয়া ৰহদৈৰ আকৌ মূৰ্চ্ছা উপস্থিত হ'ল, তেতিয়া এই ছদ্মবেশী বেজক ভিতৰলৈ নিলে। বেজে ৰহদৈৰ ওচৰ চাপি ৰহদৈৰ মুখলৈ চালে। দেখিলে তিনি বছৰৰ আগেয়ে মুখৰ যি কান্তি আছিল এতিয়া যদিও বেমাৰত শেঁতা পৰিছে তথাপি তাতোকৈ জেউতি চৰিছে। তেওঁ ভানুক ক'লে,— "আই! মই মন্ত্ৰ মাতি যেতিয়া ৰোগীক বা ৰোগীৰ গাত লম্ভা দেৱতাজনক কথা সুধিম তেতিয়া ওচৰত কেওঁ থাকিব নালাগে। আন মানুহ ওচৰত থাকিলে ভূতে হয় বেছি উদ্ভগুলি কৰিব নতুবা ওচৰত থকা মানুহৰ গাত লম্ভিব পাৰে। সেই দেখি মই মাতি নপঠাওঁ মানে আপোনালোক কেৰে যেন ইয়ালৈ নাহে।" চতুৰ চূড়ামণি বেজৰ কথা শুনি যদিও ভানু আঁতৰিল তথাপি সিটো খোঁটালীৰ পৰা কাণ অনাই শুনিবলৈ আৰু বেৰৰ জলঙাৰে চাই থাকিবলৈ এটা সুবিধা কৰি ল'লে। ভানু যোৱাৰ পিছত আমাৰ বেজে ৰহদৈৰ মুখৰ ওচৰলৈ মুখ নি লাহেকৈ ফু এটা মৰাৰ চলেৰে যে চুমা এটা খালে সেই ৰহদৈয়ে চৈতন্য পাই চকু মেলি চাই দেখে যে তেওঁৰ হৃদয়ৰ দেৱতা দয়াৰাম কাষতে। বেচেৰীয়ে মিচিক্‌কৈ হাঁহি এটা মাৰি সুধিলে— "তুমি ক'ৰ পৰা কেনেকৈ আহিলা?" দয়াৰাম— (ফুচফুচাই) "সেইবিলাক ভালেমান কথা। মই লাহে লাহে কম। তুমি সদ্যহতে আকৌ টোপনি যোৱাৰ ভাও কৰি থাকা। মই ফুওৱাৰ লগে লগে কথা ক'ম।" বেজৰ কথাত ৰহদৈয়ে আকৌ মিচিক্‌কৈ হাঁহি চকু মুদিলে। তেতিয়া আমাৰ ছদ্মবেশী বেজে জোলোঙাৰ পৰা পুথি এখন উলিয়াই ভানুক মাত দি পানী এবাটি, নালীয়া কটাৰী এখন, নতুন গামোচা এখন অনাই ভানুক আকৌ তাৰ পৰা বিদায় দি বাওঁহাতেদি নালীয়া কটাৰীখনেদি পানী লৰাই লৰাই, সোঁহাতে নতুন গামোচাৰে লাহে লাহে মন্ত্ৰ মাতি মাতি ৰহদৈৰ

মুখৰ পৰা বুকুলৈকে কোবাব ধৰিলে আৰু মাজে মাজে ফু মৰাৰ লগে লগে— "তুমি মোলৈ পাহৰা নাইনে?" এইযাৰ কথা ক'লে? ৰহদৈয়ে উত্তৰ দিলে "মই পাহৰা নাই।" বেজে আকৌ জাৰিলে, আকৌ ফু-মৰাৰ ছলেৰে ক'লে,— "প্ৰিয়তম! আপুনি মোক তিনিদিন এইদৰে জৰা-ফুকা কৰি ঘৰলৈ যাবগৈ। মই আপুনি যোৱাৰ পিছত আকৌ বেমাৰৰ ভাও জুৰিম তেতিয়া ৰজাই দিক্‌দাৰী পাই মোক তেঁউৰীয়া বুলি জানি এৰি দিব। অথবা তুমি যদি সাহ কৰা তেন্তে ৰজাৰ সমুখ হৈ আমাৰ পূৰ্ব প্ৰেমৰ কথা জনাবা— তেতিয়া হ'লে ৰজাই মৰম কৰি মোক তোমাকে গতাই দিবও পাৰে। ৰজাই সোণ-ৰূপৰ মুখেৰে মোক এইলেখীয়া কথা একাষাৰো কৈছিল। পিছত এতিয়া তোমাতহে কথা।" এইদৰে কথা-বতৰা পাতি জৰা-ফুকা কৰিলে। তাৰ পিছত আমাৰ বেজে ভানুক মাতি আনি ক'লে,— "আই! ৰোগীৰ দেৱতাটোৱে মোক কৈছে যে আৰু দুদিন তেওঁক জাৰিলেহে তেওঁ ৰোগীক এৰা দিব। সেই দেখি মই ইয়াতে আৰু দুদিন থাকি ৰোগীক জৰা-ফুকা কৰিব লাগিব; এৰা দি গ'লেই ভূতে আকৌ উদ্ভণ্ডালি কৰিব— সেই দেখি মোক বাহিৰচ'ৰাতে এডোখৰ ঠাই দিয়ক।" বেজৰ এই কথাত ভানুৱে তেওঁক চ'ৰাঘৰৰ চুক এটাত শুবলৈ যতন কৰি দিলে। ৰান্ধি-বাঢ়ি খাবলৈ কোৱাত তেওঁ নিশালৈ নাখাওঁ বুলি জনোৱাত চ'ৰাঘৰতে খাবলৈ পানী-পিঠাগুৰি যতন কৰি দিলে। টেঙৰী ভানুৱে কাণ অনাই কথা-বতৰাবিলাক শুনি আৰু বেৰৰ জলঙাৰে দুইকো দুয়ো চুমা খোৱা-খুই কৰা দেখি বঢ়িয়াকৈ বুজিলে কথাৰ ঢাল কোন পিনে। তেওঁ পুৰাই তেওঁৰ এটা বিশ্বাসী মানুহক সকলোবিলাক কথা কৈ আৰু সেই কথাবিলাক বৰবৰুৱাত জনাব লাগে বুলি আদেশ দি বৰবৰুৱাৰ ওচৰলৈ পঠিয়াই দিলে। ছদ্মবেশী বেজক দুপৰীয়া যতনেৰে ৰান্ধি-বাঢ়ি খাবলৈ দি আৰু আদৰ কৰি ৰাখিলে।

## চৌচল্লিশ অধ্যায়
## ৰাঙলী বাহৰত (বিচাৰ)

ভানুৱে পঠোৱা মানুহৰ মুখে এনেকুৱা বাতৰি পাই বৰুৱাই তৎক্ষণাৎ ৰাজমাৰৰ ওচৰলৈ গৈ কথাটো জনালে। ৰাজমাৰে ৰাণীক ক'লে। আজি ইমান দিনে বিচৰা সুচলটো ৰাণী আৰু ৰাজমাৰে উভয়ে পালে। দুপৰীয়া ৰজাই খাই-বৈ শোৱা খোঁটালীত বিশ্ৰাম কৰা সময়ত ৰাণী মাৰে ৰজাৰ ভৰিৰ তলুৱাত হাতৰ তলুৱাত তেল দি শুশ্ৰূষা কৰাৰ লগে লগে ক'লে,— "স্বৰ্গদেৱ ঈশ্বৰ! বেটীয়ে শুনিলো দেখোন ৰহদৈয়ে হেনো বেমাৰৰ ভাও জুৰি তাইৰ সৰুকালৰ সেই দয়াৰাম বোলা লাঠুৱা ল'ৰাটোক বেজস্বৰূপে চলাই লৈ আনন্দ কৰিব লাগিছে। মই নকৈছিলো

এনেকুৱা টোকোনা ভকতৰ ঘৰৰ জীয়ৰীত সজাত নাই। স্বৰ্গদেৱে তাইক ইমানকৈ ভাল পাই তাইক সৰু ৰাণী পাতিব খুজিছিল তথাপি তাই দেখোন দয়াৰামক নাপাহৰিলে?" ৰজা— "ৰাণী! তুমি এই কথা কাৰ পৰা শুনিলা?" ৰাণী— "স্বৰ্গদেৱ ঈশ্বৰ! মই মাৰৰ পৰা শুনিলোঁ। মাৰক বৰবৰুৱাই জনাইছেহি।" ৰজা— "বাৰু তেন্তে মই এতিয়াই বৰবৰুৱাক মতাই আনি কথাটো সোধোঁ।" এই বুলি কৈ ৰজাই সৰু লিগিৰী এজনীক আদেশ দিলে বৰবৰুৱাৰ তালৈ চিপাহী এটা পঠিয়াই তেওঁক মতাই আনিবলৈ। লিগিৰীয়ে ৰজাৰ আদেশ পাই দুৱাৰৰখীয়া চিপাহী এটাক বৰবৰুৱাৰ তালৈ পঠিয়ালে। বৰবৰুৱা ততালিকে অহাত ৰজা চ'ৰালৈ ওলাই আহি বৰবৰুৱাক কথাটো সুধিলে। বৰবৰুৱাই ভানুৱে পঠোৱা কটকীয়ে যিদৰে কৈছিল সমস্তকে কোৱাত ৰজাই আদেশ কৰিলে বৰবৰুৱা নিজে চাওদাং চিপাহী লৈ গৈ বেজটোক আটক কৰি তাতে ৰাখিব লাগে আৰু গোটেই ঘটনাৰে সাক্ষীবাদীৰ জবানবন্দী লেখি আনি ৰজাৰ আদেশৰ নিমিত্তে সোধাব লাগে। লগত অপৰাধীহালক আনিব নালাগে। কিন্তু সিহঁতৰ ওপৰত কোনো অত্যাচাৰ নকৰাকৈ সিহঁত যাতে পলাব নোৱাৰে এনেকুৱাভাৱে বন্দী কৰি থৈ আহিব লাগে। ৰজাৰ আদেশ পাই বৰবৰুৱা তৎক্ষণাৎ ৰূপচিং চুবেদাৰ আৰু আঠজন চিপাহী লৈ ৰাঙলী বাহৰলৈ গ'ল— আৰু চিপাহী আঠজনৰ হতুৱাই টোলটো ঘেৰাও কৰি ৰাখি ভানু, কাঁহমতী, ছদ্মবেশী বেজ, ৰহদৈ এই সকলোটিৰে এটা এটাকৈ জবানবন্দী লেখিলে। ভানুকে ক'লে,— "তেওঁ ৰজাৰ হিতৰ অৰ্থে বেজটোৱে মানুহ-দুনুহ সকলোকে খেদাই ৰহদৈকনো কি কয়, কেনেকৈ জাৰে-ফুকে সেইবিলাক সি- খোঁটালীৰ পৰা কাণ উনাই শুনিছিল আৰু বেৰৰ জলঙাৰে চাইছিল। তাই যি সমস্ত কথা জনাই পঠিয়াইছিল সকলোখিনি নিজ কাণেৰে শুনা আৰু নিজ চকুৰে দেখা।" ৰহদৈয়ে জবাব দিলে যে "বেজজন তেওঁৰ সৰুকালৰ লগৰীয়া আৰু তেওঁলৈকে তাইক বিয়া কৰাবলৈ খোজা-বঢ়াও কৰিছিল। সতাই নৰকীয়ে তাইক মাক-বাপেক আৰু তাইৰ প্ৰেমিকৰ পৰা কাঢ়ি ৰজাঘৰলৈ ননা হ'লে এতেদিনে তাই সেই বেজৰূপী দয়াৰামৰ তিৰোতা হৈ সুখেৰে থাকিলেহেঁতেন। তাই এদিনলৈকো দয়াৰামক পাহৰা নাই, ইয়াতে থাকি ৰজাই যি ইচ্ছা তাইক সেই দণ্ড কৰিব পাৰে।" বেজৰূপী দয়াৰামক বৰবৰুৱাই ক'লে— "হেৰ চোৰ! তই এইদৰে ছদ্মবেশ ধৰি আনকি ৰজাৰ ঘৰতো সিন্ধি দিবলৈ আহিছিলি। ধন্য তোৰ সাহ! তোৰ জবাব কি?" দয়াৰাম— "দেউতা ঈশ্বৰ! বন্দীক কাটকেই বা মাৰকেই মই যাক সৰুৰে পৰা ভাল পাইছোঁ— যাৰ নিমিত্তে আজি তিনি বছৰে মই ঘৰ-দুৱাৰ এৰি বলিয়াবটিয়া হৈ ফুৰিছোঁ মোৰ সেই প্ৰণয়িনীৰ নিমিত্তে মই এই ছদ্মবেশেৰে আহি জৰা-ফুকাৰ ছলেৰে কথা কৈছো।

আপোনালোকে বন্দীক এইদৰে নধৰা হ'লে বন্দী নিজেই ৰজাৰ শ্ৰীশ্ৰীচৰণত প্ৰাৰ্থনা জনালোহেঁতেন আৰু ৰহদৈয়ে কোৱা মতে স্বৰ্গদেৱ ঈশ্বৰেও বন্দীকে ৰহদৈক দি থাপিলেহেঁতেন।"

বৰবৰুৱা— বাৰু অ'! চোৰ! তোৰ সাহ-পিতটোও কম নহয়! তই এইদৰে আৰু যে কিমান ঠাইত ভাল মানুহৰ ঘৰৰ ভিতৰলৈ সোমই কলংক কৰি ফুৰিছ তাৰ বা লেখ-জোখ ক'ত। তোৰ ৰজাই যেনেহ'লেও তোৰ গাৰ ভূতটো খেদাবলৈ নাকত, চকুত জলকীয়া দিব— গাত চোৰাত মেলি পানী ঢালিব— তাৰ পিছত তোক শূলত দি মাৰি তোৰ মঙহ কাউৰী শগুণক খুৱাব। তই শিয়ালে আহি সিংহৰ ঘৰত সিন্ধি দিছ।

দয়াৰাম— যি ইচ্ছা দেউতাৰ আৰু স্বৰ্গদেৱৰ তাকে কৰিব পাৰে।

এইদৰে জবানবন্দী লৈ দয়াৰাম আৰু ৰহদৈক ৰূপচিং চুবেদাৰ আৰু তেওঁৰ চিপাহীবিলাকৰ নজৰবন্দীত থৈ বৰবৰুৱা ৰজাৰ ওচৰলৈ গৈ সোধখন দাখিল কৰিলে। বৰবৰুৱাই সোধখন ৰজাৰ আগত পঢ়িব ধৰোতে ৰাজমাও আৰু ৰাণীও সিফালে ভিতৰৰ দুৱাৰ কাষত বহিলহি। ৰজাক পঢ়ি শুনোৱা হ'লত ৰজাই বৰবৰুৱাক সুধিলে— "ডাঙৰীয়া! এনেকুৱা দোষীক পূৰ্বাপৰ কি দণ্ড দিয়া হয়?" বৰবৰুৱাই মাতিবলৈ নৌপাওতেই সিফালে ৰাজমাৱে মাত দি ক'লে,— "সেই চোৰটোক হয় শূলত দিব লাগে নতুবা চুলি কাটি, ঘোল ঢালি নগা পাহাৰলৈ খেদিব লাগে। চুৰুণীক বঙালত বেচিব লাগে। তাইক ৰূপচিং বঙালত দিলেই উচিত শাস্তি হ'ব।" বৰবৰুৱাই ৰাজমাৱৰ মততে মত দিলে। পিছত ৰজাই বৰবৰুৱাক অলপ আঁতৰলৈ যাবলৈ দি ৰাণীক মাতি আনি সুধিলে— "ৰাণী! তুমি কি কোৱা?"

ৰাণী— "স্বৰ্গদেৱ ঈশ্বৰ! বেটীয়ে জনাও যে ৰহদৈক স্বৰ্গদেৱে বিশেষ শাস্তি একো কৰিব নালাগে। হেজাৰ হওত তাই তিৰীমতি আৰু সেই ডেকাটোক যেতিয়াই তাই সৰুৰে পৰা ভাল পাই আহিছে আৰু ৰাণী পদ যঁচাতো যে তাই তাক নাপাহৰিলে এইটো তাইৰ সতী গুণৰ চিনাকি। তাইক য'ৰ মানুহ ত'লৈ বিদায় দিব লাগে। দয়াৰাম বোলা সেই ডেকাটোক এৰি দিব লাগে। সতী-সাধ্বী তিৰোতাৰ মনস্তাপ লোৱা ভাল নহয়। দয়াৰামো প্ৰকৃত প্ৰেমিক— প্ৰেমৰ জৰীডালৰ টানতহে সি তেনেকুৱা দুঃসাহৰ কামটো কৰিছে।" ৰাণীৰ এই পৰামৰ্শত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহে দীঘলকৈ হুমুনিয়া এটা কাঢ়ি ক'লে,— "ৰাণী! তোমাৰ কথা শুনিলো। ৰহদৈ যেনেকুৱা সতী, সংসাৰৰ সকলোবিলাক তিৰোতা এনেকুৱা হোৱা হ'লে এই সংসাৰখনেই স্বৰ্গ হ'লহেঁতেন। কিন্তু সংসাৰত সতী-সাধ্বী অতি বিৰল। বাৰু ৰাণী!

তুমি কোৱাচোন ৰহদৈয়ে দয়াৰামক যেনেকৈ ভাল পায়, তুমিও মোক সেইদৰে ভাল পোৱানে?"

ৰাণী— (আঁঠু লৈ) "স্বৰ্গদেৱ ঈশ্বৰ! এই— দুখুনীয়ে হৃদয়খন ফালি দেখুৱাব পৰা হ'লে দেখুৱালোহেঁতেন। পিছত স্বৰ্গদেৱক এইমাত্ৰ জনাওঁ যে বেটীৰ যৌৱন, মন, প্ৰাণ বেটীয়ে সকলোখিনি স্বৰ্গদেৱৰ চৰণত সপিছোঁ।"

ৰজা— "ধন্য মোৰ প্ৰাণাধিক ৰাণী। তোমাৰ কথা মই সজাত কৰিলোঁ। তুমি যিদৰে কৰিবলৈ ক'লা মই সেইদৰেই কৰিম। মই ৰহদৈ-দয়াৰামক এৰি দিম। দণ্ড-বন্ধ নকৰো। যদিও বুঢ়াগোহাঁয়ে মোক অযোগ্য অপদাৰ্থ বুলি ভাবে তথাপি প্ৰিয়তমে! তোমাৰ ৰজা চন্দ্ৰকান্ত ইমান হীন মনৰ নহয়। যত ডেকা-গাভৰুৰ ভিতৰত প্ৰকৃত প্ৰেম দেখে তত চন্দ্ৰকান্তই সেই ডেকা-গাভৰুক সন্মান কৰিব জানে। প্ৰকৃত প্ৰেমৰ সন্মান ইন্দ্ৰবংশী চন্দ্ৰকান্তই জানে। ৰাণী! তুমি অলপ দুৱাৰৰ আঁৰ হোৱা মই বৰবৰুৱাক মাতোঁ।" ৰজাৰ এই কথাত ৰাণীমাও দুৱাৰৰ আঁৰ হ'ল। তেতিয়া ৰজাই বৰবৰুৱাক মতাই আনি ক'লে— "ডাঙৰীয়া, মই ৰহদৈ আৰু সেই ডেকাটোক বিনাদণ্ডে মুক্তি দিলোঁ। সিহঁত য'লৈকে ইচ্ছা ত'লৈকে যাব পাৰে। ইচ্ছা কৰিলে ডেকাজনে গাভৰুজনীক বিয়া কৰাব পাৰে। ৰহদৈক এই সোণৰ মোহৰ কুৰি দিবা। তাই আজি চাৰি বছৰে মোক সেৱা-শুশ্ৰূষা কৰিছে। মই তাইৰ ওপৰত সন্তুষ্ট হৈ তাইক এৰি দিছোঁ। তুমি গৈ মোৰ আদেশ শুনাই সিহঁতক এৰি দিবা।" ৰজাই এই আদেশ দি উঠিছে মাথোন এনেতে ৰাজমাও ভিতৰৰ ফালৰ পৰা ওলাই আহি সুধিলে— "গোহাঁইদেৱ! চোৰ- চুৰুণীহালৰ কি দণ্ড বিহিলা।"

চন্দ্ৰকান্ত— আইদেউতা, মই সিহঁতক বিনাদণ্ডে এৰি দিছোঁ।

ৰাজমাও— কেলেই তেনেকৈ এৰি দিলা?

ৰজা— আইদেউতা! সিহঁতহালেই প্ৰকৃত প্ৰেমিক-প্ৰেমিকা। ৰহদৈ সতী।

ৰাজমাও— ভাল সতীজনী পালা গোহাঁইদেৱ! যিজনী তিৰোতাই তোমাকো অৱহেলা কৰি এটা বেজৰ লগত প্ৰণয় পাতে তাই বৰ সতী! তাইক মোৰ বিবেচনাৰে চুলি কাটি বঙালত বেচিব লাগিছিল। আন কি তাইক ৰূপচিং বঙালক দিয়া হ'লেও হ'লহেঁতেন।

ৰজা— আইদেউতা! মই যেতিয়াই এটা আদেশ দি পেলালোঁ তেতিয়া আৰু তাক লুটিয়াব নোৱাৰোঁ।

ৰাজমাও— বাৰু নালাগে তুমি লুটিয়াব। (বৰবৰুৱালৈ চাই)— বৰবৰুৱা তুমি অলপমান মোক মোৰ ঘৰত লগ ধৰি যাবা।

বৰবৰুৱা— ভাল বাইদেউ!

## পঞ্চত্ৰিশ অধ্যায়
## (ৰাঙলী বাহৰত ৰজাৰ আদেশ)

ৰাজমাও দেউভাক দেখা কৰি কিবাকিবি অলপ কথা-বতৰা হৈ বৰবৰুৱা ৰাঙলী বাহৰলৈ গৈ পোৱাত অপৰাধী হালৰ কি দণ্ড হয় ইয়াক চাবলৈ চাৰিওফালৰ পৰা প্ৰজা আহি ৰাঙলী বাহৰ ভৰি পৰিল। বৰবৰুৱাই চ'ৰাঘৰৰ সমুখত আসন পাৰি বহি— ভানু, কাঁহমতী, দয়াৰাম, ৰহদৈ এই চাৰিওজনকে অনাই থিয় কৰিলে। বৰবৰুৱাই পোনপ্ৰথমে ভানুৰ বুদ্ধি, ৰাজভক্তি, এই সমস্ত সকলোৰে আগত শলাগি ৰাজমাৱে মনে মনে পঠিয়াই দিয়া সোণৰ মোহৰ দহোটা ৰজাই দি পঠিয়াইছে বুলি কৈ ভানুক দিলে। কাঁহমতীকো সেইদৰে পাঁচোটা সোণৰ মোহৰ দিলে। তাৰ পিছত দয়াৰামক ক'লে— "হেৰ চোৰ তোৰ ভাগ্য এফেৰা ভাল। নহ'লে তোক ৰজাই কাটি পেলাবলৈকে আদেশ দিছিল। পিছত ৰাজমাও আৰু ৰাণী মাৱে ৰজাক কাকূতি-মিনতি কৰাত ৰজাই তোক প্ৰাণে নামাৰি ইয়াৰ পৰা খেদি দিবলৈ আদেশ দিছে। তই সৌ নগাপাহাৰৰ ফালে যাগৈ।" এই বুলি বৰবৰুৱাই কোৱা মাত্ৰেই ৰূপচিং চুবেদাৰৰ তিনিটা চিপাহীয়ে বেচেৰাক, ঢকিয়াই ঢকিয়াই প্ৰায় এমাইল বাট লৈ গ'ল। সি সকলোৰে চকুৰ আঁতৰ হ'লত বৰবৰুৱাই ৰহদৈক ক'লে— "হেৰ ৰহদৈ! তোৰো কপাল ভাল। নহ'লে ৰজাত অবিশ্বাসিনী হোৱাৰ বাবে প্ৰাণ নামাৰিলেও চকু বা নাকটো গ'লহেঁতেন। তিৰোতা মানুহক দণ্ড-বন্ধ কৰিব নাপায় বুলি ৰাণী মাৱে আৰু ৰাজমাৱে বৰকৈ কাকুতি-মিনতি কৰিবলৈ ধৰাত ৰজাই তোক খেদি পেলাইছে। তই আৰু কেতিয়াও ৰজাৰ ওচৰলৈ যাব নোৱাৰ। ৰাজমাৱে তোক এই ৰূপচিং চুবেদাৰৰ তিৰোতা হ'বলৈ উপদেশ দি পঠিয়াইছে।"

ৰহদৈ— ৰজাই মোক ৰূপচিং চুবেদাৰক দিব দিছিনে?

বৰবৰুৱা— ৰজাই সেই বিষয়ে একো কোৱা নাই।

ৰহদৈ— তেনেহ'লে মই বঙাললৈ নেযাওঁ। ৰাজ্যৰ ৰজাহে গৰাকী ৰাজমাৱতো গৰাকী নহয়।

বৰবৰুৱা— তই এতিয়াও জনা নাইনে যে ৰজা পুতলা মাথোন। ৰাজমাৱেহে ৰাজ্যৰ ঘাই ধৰণী।

ৰহদৈ— দেউতা ঈশ্বৰ! বেটীয়ে হাত যুৰি জনাইছোঁ ৰজাৰ বৰ্তমানে মই ৰাজমাৱৰ আদেশ মানিবলৈ বাধ্য নহওঁ। যদি ৰাজমাৱে ৰূপচিং বঙাললৈ বৰফুকন বধকৰা বঁটাস্বৰূপে কোনো অসমীয়া গাভৰুক দিব খুজিছে দিয়ক। মই ৰূপচিং বঙাললৈ প্ৰাণটো গ'লেও নাযাওঁ।

বৰবৰুৱা— যদি মই বলেৰে দিওঁ বা ৰূপচিঙে বলেৰে নিয়ে তই কি কৰিবি?

ৰহদৈ— ইমানবিলাকৰ ৰাইজৰ আগত বল কৰিলে ভাল নহ'ব। আৰু দেউতা ঈশ্বৰে ৰজাৰ আদেশ নোহোৱাকৈ এনেকুৱা এটা কাম কৰিলে মই চিঞৰি চিঞৰি এই গোটখোৱা ৰাইজৰ আশ্ৰয় মাগিম তেতিয়া হ'লে জানো ভাল হ'ব?

বৰবৰুৱা— (অলপ পৰ মনে মনে থাকি) বাৰু! তই হাই-উৰুমি নকৰিবি মই বলেলে নিদিওঁ। কিন্তু মই তোক হিত বুদ্ধি দিছোঁ তই ৰূপচিঙলৈ গ'লে সুখেৰে থাকিবি।

ৰহদৈ— দেউতা ঈশ্বৰ! মই যিজনীয়ে মোৰ ৰজা চন্দ্ৰকান্ত স্বৰ্গদেৱৰো দ্বিতীয় ৰাণী হ'বলৈ অসন্মত হ'লো সেইজনী মানুহেনো ৰূপচিঙৰ নিচিনা এটাত বহিমনে? দেউতা ঈশ্বৰ নিজে অসমৰ এজনা ঘাই ডাঙৰীয়া হৈ এজনী অসমীয়া গাভৰুক বঙাললৈ দিব খোজেনে?

ৰহদৈৰ কথা বৰবৰুৱাই এটা দীঘল হুমুনিয়া কাঢ়ি ক'লে,— "বাৰু, ৰহদৈ তোৰ ইচ্ছামতে কাম কৰ। মই বল নকৰো— য'লৈকে ইচ্ছা তালৈকে যা। কিন্তু দয়াৰামৰ পিছে পিছে হ'লে নাযাবি— কিয়নো দয়াৰাম উত্তৰ ফাললৈ আহিব নোৱাৰে। আহিলেই তাৰ প্ৰাণনাশ হ'ব।"

ৰহদৈ— বাৰু! মই তাক বিচাৰি নাযাওঁ। মই সদ্যহতে আইৰ ঘৰলৈকে যাওঁ।

এইবুলি কৈ ৰহদৈয়ে ব্ৰহ্মপুত্ৰৰ ঘাটৰ পিনে যাবলৈ ওলাল— এনেতে ৰূপচিং চুবেদাৰে বৰবৰুৱাক চেলাম এটা দি ক'লে— "দেউতা ঈশ্বৰ! মই ৰহদৈক দুটামান কথা অলপ অকলশৰীয়াকৈ সুধিব খোজো।"

বৰবৰুৱা— বাৰু সোধ। মই আহিলো।

এইবুলি কৈ বৰবৰুৱাৰ নিজৰ ঘোঁৰাত উঠি ৰংপুৰৰ ফালে যাত্ৰা কৰিলে। ৰূপচিঙে ৰহদৈক অলপ আগচি ধৰি ক'লে,— "হোনটি! মই দুষাৰ কথা ক'ব খোজোঁ।"

ৰহদৈ— ক কি কথা ক'ব খুজিছ।

ৰূপচিং— তুমি যেতিয়া মোক ৰাজমাৱৰ ওচৰলৈ মাতি নিছিলা তেতিয়া তোমাক মই যি কথা কৈছিলোঁ মনত নাইনে?

ৰহদৈ— কি কথানো কৈছিলি?

ৰূপচিং— মই কৈছিলোঁ নহয় মই তোমাৰ প্ৰেমত বলিয়া।

ৰহদৈ— বলিয়া হ'লেই মানুহে যিহকে বিচাৰে তাকে পায়নে?

ৰূপচিং— কেলেইনো নাপাব। সুন্দৰি! তোমাক মই বিয়া কৰাই বৰ সুখেৰে ৰাখিম। ৰজাৰ ৰাণীতকৈও সুখে থাকিবা।

ৰহদৈ— চুবেদাৰ চাহাব! তুমি মোৰ পিতৃস্বৰূপ। মোক আৰু বেয়া কথা কৈ দুখ নিদিবা এনেয়ে মই ভালেমান দুখ ভুগিছোঁ।

ৰূপচিং— এবাৰ মোলৈ ভাবি চোৱাছোঁ।

ৰহদৈ— ভাবি চাইছোঁ। তুমি মোৰ আশা পৰিত্যাগ কৰা।

ৰূপচিং— ইটো জনমলৈ নহয়।

ৰহদৈ— বাট এৰি দে। মোক আৰু ৰাখি নথ'বি বঙাল।

ৰূপচিং— বাট এৰি নিদিলেনো কি কৰিবি?

ৰহদৈ— মই চিঞৰি ৰাইজত আশ্ৰয় মাগিম।

ৰূপচিং— বাৰু, সদ্যহতে তোক এৰি দিলোঁ— পিছত লাহৰি! মই যেনে তেনেকৈ তোক লভিম। তোক লভিব নোৱাৰিলে মই ৰূপচিং চুবেদাৰেই নহওঁ।

ৰহদৈ— বাৰু অ' বঙাল, তোৰ আশাটো কম নহয়। মই যদি ৰহদৈ হওঁ তেন্তে দয়াৰামত বাজে ইটো দেহ কাতো নলগাওঁ। বৰং প্ৰাণত্যাগ কৰিম।

এই বুলি কৈ ৰহদৈ উচাট্ মাৰি নৈৰ ঘাটৰ ফালে গ'ল। ৰূপচিং বঙালে নিজৰ চিপাহী আঠোটা লৈ ঠোঁট-মুখ চেলেকি ৰংপুৰৰ ফালে ৰাওনা হ'ল।

## ছয়চল্লিশ অধ্যায়

## ৰহদৈ

সতীত্ব তেজৰ বলেৰে ৰহদৈয়ে ৰূপচিঙৰ হাতৰ পৰা নিজকে নিজে ৰক্ষা কৰি ৰাঙলী বাহৰৰ পৰা ওলাই জাঁজী নৈৰ পাৰ হৈ হাবিয়লীয়া বাটেৰে একোলৈকে ভয় নকৰি ব্ৰহ্মপুত্ৰৰ মানুহ পাৰ হোৱা ঘাট পালেগৈ আৰু তাত ঘাটৈটোক কাবৌ-কোকালি কৰি চিকা ৰূপ এটকা দি ব্ৰহ্মপুত্ৰ পাৰ হৈ আউনীআটী সত্ৰৰ ওচৰত থকা কুমাৰ গাঁৱৰ ঘাটত উঠিলগৈ। বেচেৰীৰ ভাগ্য ভাল যে দিনৰ ভাগতেই নৈ পাৰ হৈ গাঁও পাইছিল। গাঁও পাই তাই সেই গাঁৱৰ বয়সিয়াল মানুহ এজনক লগ পাই সুধিলে,— "আতৈ! এইখান কি গাঁও?"

মানুহজনে ক'লে,— আইটি! এইখান কুমাৰ গাঁও। সৌৱা আউনীআটী সত্ৰ। তইনো ক'ৰ পৰা আহিছ অকলৈ অকলৈ ক'লৈনো যাবি?

ৰহদৈ— আতৈ! মই সিপাৰৰ পৰা এই ঘাটে নাৱত পাৰ হৈ আহিছোঁ। মোৰ ঘৰ কমলাবাৰীত। তালৈকে যাওঁ বুলি আহিছোঁ, ক'ব পাৰেনে বাট কিমান? দিনৰ ভাগতে পামগৈনে?

গাঁৱলীয়া— বাট ভালেমান। লৰাঢপৰাকৈ গ'লে দিনৰ ভাগতে পাবও পাৰ। পিছত তোৰ নাম কি? তইনো কাৰ জীয়েক?

ৰহদৈ— আতৈ, মোৰ নাম ৰহদৈ। মোৰ পিতাৰ নাম ৰতিকান্ত।

গাঁৱলীয়া— অ'! মই তোক তেনেই চিনি পালোঁ। তই ৰজাঘৰত ৰজাৰ মৰমৰ লিগিৰী আছিলি নহয়? তোক ৰজাই তেওঁৰ দ্বিতীয়া ৰাণী পাতিব খুজিছিল নহয়? পিছত তইনো আজি এই বেশে এইখিনি কেনেকৈ পালিহি?

ৰহদৈ— আতৈ, সেইবিলাক ভালেমান কথা। পিছত মই যাব পাৰিমনে? বাটত একো ভয়ৰ কাৰণ নাইতো?

গাঁৱলীয়া— বেগাই গ'লে সাজ গড়োঁতেই পাবিগৈ। নহ'লে বাটত নিশা হ'লে প্ৰাণৰ আশংকা আছে। আজি কেইদিনমানৰ পৰা কমলাবাৰী সত্ৰৰ ওচৰতে এটা বৰ ডাঙৰ ঢেঁকীয়াপতীয়া বনৰজা গধূলি গড়ি গ'লেই ওলাই গাঁৱলীয়াৰ গৰু মাৰিব ধৰিছে।

ৰহদৈ— তেনেহ'লে আতৈ, আজি নিশাটো অনুগ্ৰহ কৰি এই দুখুনীক আপোনাৰ ঘৰতে শুবলৈ ঠাই এডোখৰ দি অনাথিতি জীৱটোক ৰক্ষা কৰক।

গাঁৱলীয়া— এ আইটি! মোৰ ঘৰ মুঠেই দুটা। বৰ ঘৰটোত আমি ৰন্ধা-বঢ়াও কৰোঁ আৰু শোওঁ। মাৰল ঘৰটোত মোৰ ডেকা ল'ৰাটো শোৱে। মোৰ ঘৰত ঠাই নহ'ব।

ৰহদৈ— "আতৈ! তেন্তে মই আহিলোঁ।" এই বুলি কৈ ৰহদৈয়ে কমলাবাৰী মুখে বেগেৰে খোজ ল'লে।

## সাতচল্লিশ অধ্যায়

## মাজুলীত

হাবিয়লীয়া বাটটোৰেদি জীউ-মূৰ টাকি লৰি-ঢাপৰি তিনি দণ্ডমান বেলিৰ ভিতৰতে ৰহদৈয়ে কমলাবাৰী পালেগৈ আৰু পোনেই নিজৰ ঘৰলৈ গৈ "আই" বুলি মাত লগোৱা মাত্ৰকে মাক ওলাই আহি "আই" ঔ মোৰ বাছা! তইনো ক'ৰ পৰা কেনেকৈ আহিলি? বুলি কৈ গলত ধৰি পাৰেমানে কান্দিলে। মাকে তাইক তাই ৰজাঘৰলৈ যোৱাৰ দুবছৰ পিছতে বাপেকে (ৰতিকান্ত) টান জ্বৰত বৈকুণ্ঠী হ'ল বুলি কোৱাত ৰহদৈয়ে আকৌ ফেঁকুৰি ফেঁকুৰি কান্দিলে। মাকে তাইৰ লগতে আকৌ কিছুপৰ কান্দি-কাটি শেহত ধৈৰ্য ধৰি ক'লে,— "বাছা! তই বহ। ভায়েৰ হেমে পানী এলোটা দিয়কহি। তই ভৰি-হাত ধো। হেৰ হেম! বাইদেৰৰাক ভৰি-হাত ধুবলৈ পানী এলোটা দেহি।" এইদৰে কৈ কমলাপ্ৰিয়া ৰান্ধনি-ঘৰৰ ভিতৰলৈ সোমাই গ'ল। হেমে পানী এলোটা আনি ৰহদৈক দি সুদিলে,— "বাইটি! তই ক'ৰপৰা আহিলি?" ৰহদৈ— "ভাইটি! মই ৰজাৰ ৰাঙলীবাহৰৰ পৰা আহিলোঁ। বাৰু পিছত মই সকলো কথা ক'ম"

এই বুলি কৈ তাই ভৰি-হাত ধুলে। মাকে ৰান্ধনি-ঘৰৰ পৰা দৈ আৰু গুড়ে সৈতে চিৰা এবাটি আনি ৰহদৈক মাৰল ঘৰতে খুৱালে। তাৰ পিছত মাক-পুতেক দুয়ো খাই-বৈ ওলাই আহি মাৰল ঘৰত ৰহদৈৰ কাষত বহি তাইৰ আদ্যোপান্ত বৃত্তান্ত শুনিলে। তাই কৈ যোৱাৰ লগে লগে মাকে একোটা একোটা দীঘল হুমুনিয়া কাঢ়িলে। ৰহদৈয়ে নিজৰ বৃত্তান্ত কোৱা হ'লত মাকে সুধিলে— "বাৰু বাছা! কচোন দয়াৰামৰ কি হ'ল।"

ৰহদৈ— "আই! তেওঁক দেখোন নগা পৰ্বতৰ ফাললৈ খেদালে।" এইবুলি কৈ ৰহদৈয়ে উচুপি উচুপি কান্দিলে।

কমলা— বাছা! নাকান্দিবি। তই ধৈৰ্য ধৰ। কিছুদিন বাট চা। সি হয়তো কিছুমান দিনৰ মূৰত পলাই হ'লেও এইখিনি পাবহি। যদি সি নিতান্তই উলটি নাহে তেন্তে তিনি বছৰৰ মূৰত যি হয় আন এটা দিহা কৰিম। সদ্যহতে তোক মই গুৰুঘৰৰ পৰা আদেশ লৈ পা পৰাচিত কৰোৱাই জাতত তুলি লওঁ।

মাকৰ এই কথাত ৰহদৈয়ে চকুৰে লো টুকি ক'লে,— "আই! তেওঁ যেতিয়াই মোৰ নিমিত্তেই ইমান শাস্তি খালে মই ইটো জনমত তেওঁৰ বাজে আন কাকো নিচিন্তো।"

তাইৰ কথাত মাকে মূৰত চুমা এটা খাই ক'লে,— "বাৰু বাছা! তোৰ ইচ্ছামতেই হ'ব। দুখুনী মাৰৰ লগতে কিছু কাল ধৈৰ্য ধৰি থাক।"

## আঠচল্লিশ অধ্যায়
## কমলাবাৰী সত্ৰত

পিছদিনা ৰাতিপুৱাই ৰহদৈৰ মাক কমলাপ্ৰিয়াই গা তিয়াই উঠি হাতত অলপ ধন আৰু পাচি এটাত অলপ বাৰীৰ শাক-পাচলি লৈ সত্ৰলৈ গ'ল আৰু অধিকাৰ পুৰুষৰ বহাৰ আগচোতালত বহি আলধাৰাৰ আগত অধিকাৰলৈ জনাই পঠিয়ালে যে ঁৰতিকান্তৰ বিধৱা পত্নী কমলাপ্ৰিয়াই কিবা এটা লেঠাত পৰি প্ৰভুৰ আদেশ ল'বলৈ আহিছে। আলধৰাই এই কথা জনালত অধিকাৰে ভিতৰৰ পৰা সুধি পঠিয়ালে— "বিষয়টোনো কি" আলধৰাৰ আগত কৈ পঠিয়ালেই তেখেতে যথাবিহিত উপদেশ দিব পাৰিব। আলধৰাই গোসাঁই ঈশ্বৰৰ এই আদেশ আহি কোৱাত কমলাপ্ৰিয়াই ৰহদৈৰ সকলো বৃত্তান্ত জনাই সুধি পঠিয়ালে তাইক কি উপায়েৰেনো জাতত তুলিব পৰা যাব। ইয়াৰ উত্তৰত গোসাঁয়ে কৈ পঠিয়ালে যে তাই ভাগৱতী ভোলাই শৰ্মা বাপুৰ ওচৰলৈ গৈ ব্যৱস্থা লওক। গোসাঁয়ে নিজে ব্যৱস্থা নিদিয়ে। এইদৰে গোসাঁয়ে কৈ পঠোৱাত কমলাপ্ৰিয়া ভোলাই শৰ্মা ভাগৱতীৰ বহালৈ গ'ল আৰু তেওঁৰ বহাৰ পিৰালিত উঠি দুৱাৰমুখৰে পৰা এটা

সেৱা কৰি মাত লগালে,— "দেউ! মই বেটী আহিছিলোঁ এটা ব্যৱস্থাৰ নিমিত্তে সেই সময়ত ভোলাই শৰ্মাই সেৱাপূজা নাম-প্ৰসংগ কৰি উঠি ঢাৰি এখনত বহি এটা আগত লৈ তামোল কাটি খাইছিল। এটা সৰু আলধৰা ল'ৰাই বাপুলৈ চিলি এটাত ধঁপাত খাবলৈ আওঁঠা তুলিছিল। কমলাপ্ৰিয়াৰ মাতত ভোলাই শৰ্মাই মূৰ দাঙি চাই ক'লে— "অ' আমাৰ কমলা দেখোন! কি সকামে বা আজি ইয়ালৈ আহ হৈছে?"

কমলা— দেউ! এটা লেঠাত পৰি দেউৰ ওচৰলৈ আহিলোঁ।

ভোলাই শৰ্মা— এৰা লেঠাত নপৰিলেনো আমাৰ এইখিনি পোৱাহি জানো? পিছত লেঠাটো কি?

কমলা— দেউ! আপোনালোকে বোধকৰো জানে মোৰ জীজনীক ৰজাই চাওডাং আৰু কটকী পঠিয়াই ৰজাঘৰলৈ নি আজি তিনি বছৰ তাইক লিগিৰী কৰি ৰাখি এতিয়া বিদায় দিছে। লিগিৰী থকা কালত তাই নিজে ৰান্ধি বাঢ়ি খাইছিল। এতিয়া তাইক কি উপায়ে হয় জাতত তুলিব লাগে যদি তাইক সংস্পৰ্শ দোষে পাইছে।

ভোলাই শৰ্মা— তাইক জাতলৈ তোলাটো অসম্ভৱ। তাই আহোমৰ ঘৰত থকা বাবে তাইৰ জাত গৈছে। তদুপৰি ৰজাই তাইক সৰু ৰাণী পাতিব খোজাতো তাই ধনীৰাম মেধিৰ পুতেকে সৈতে ধৰা পৰি ৰাজদণ্ডত দণ্ডিতা হৈছে। যাতো চন্দ্ৰকান্ত ৰজা দুৰ্ব্বলী মনৰ হ'লেও মৰমিয়াল। নহ'লে তাইৰ প্ৰাণদণ্ড হ'লহেঁতেন। এনেকুৱাবিলাক স্থলত তাইক পৰাচিত কৰিব পৰা কোনো বিধিয়েই নাই। মোৰ বিবেচনাৰে হ'লে তাই উলটি গৈ তাইক কোনো এটা আহোমক গতাই ৰূপচেৰেক লৈ সুখেৰে খাওঁগে। আৰু তইও ডেকা গা বুঢ়া নকৰি মতা এটা ধৰি খাই-বৈ নাথাক কেলেই?

কমলা— দেউ! বেটীক মানুহ এটা চপাই ল'বলৈ দেৰে কোৱাটো যুগুত হোৱা নাই। বেটীয়ে ল'ৰা ডোখৰকে বুকুত বান্ধি লৈ স্বামীৰ ধৰ্মকে ধৰি আজি দুবছৰ কাল কটাইছোঁ। মোক দ্বিচাৰিণী হ'বলৈ দেৰে ক'ব নালাগিছিল।

ভোলাই শৰ্মা— হৈৰ! তোৰ নিচিনা ধুনীয়া গাভৰুৱে দ্বিচাৰিণীহে নেলাগে ত্ৰিশ্চাৰিমী, চতুশ্চাৰিণীও হৈছে। এটাৰ পিছত এটা এইদৰে চাৰি-পাঁচোটালৈকে মতা লৈছে। তই এনেয়ে ধুনীয়া তাতে এতিয়াও গাভৰুৰ দৰে হৈয়ে আছ। তই মতা নোলোৱাকৈ থাকিলে তোত যে আমাৰ ডেকা ল'ৰা কিমান পতিত হ'ব তই বুজ পোৱা নাই হ'বলা।

কমলা— দেউ! আপুনি ব্ৰাহ্মণ মানুহ। বেটীক আৰু তেনেকুৱাবিলাক কথা নক'ব। মোক মাথোন কওক মোৰ জীজনীক কেনেকৈ জাতলৈ তোলোঁ।

ভোলাই শৰ্মা— হেৰ কমলা নে ফমলা! তই দেখোন বৰ জনাজনী ওলালিহি। হেৰ হৰিৰ নামে মুক্তি দিব পাৰে, জাত দিব নোৱাৰে। জাত বেদেহে দিব পাৰে।

কমলা— তেন্তে দেউ, বেদৰে ব্যৱস্থা দিয়ক। তাই মাথোন আহোম ৰজাৰ ঘৰতহে আছিল। হাতে-পাকেও খোৱা নাই। তদুপৰি দেখোন আহোমসকলক আমাৰ গুৰুসকলে শৰণ-ভজন দীক্ষা দি উত্তম হিন্দু কৰি লৈছে। এনেস্থলত ৰজাঘৰত থকা বাবেই মোৰ জীজনীৰ জাত যাব নোৱাৰে।

ভোলাই শৰ্মা— বাৰু অ'! তই দেখোন চাৰি বেদ চৈধ্যশাস্ত্ৰ জনাজনী হ'লি। এশমান সোণৰ মোহৰ যদি মোক দিব পাৰ তেন্তে মই ব্যৱস্থা দিব পাৰোঁ।

কমলা— দেউ! দুখুনীয়ে এশ সোণৰ মোহৰনো ক'ৰ পৰা পাম। সেই দেখি এতিয়া আহিলোঁহে। নালাগে আপুনি মোৰ জীক জাতত তুলিববলৈ।

এই বুলি কৈয়েই চকু চলচলীয়া কৰি কমলাপ্ৰিয়া ঘৰলৈ গুচি আহিল।

## ঊনপঞ্চাশ অধ্যায়

## মাজুলীত

ঘৰ পাই বেচেৰী কমলাপ্ৰিয়া জীয়েকৰ গলত ধৰি ভাগৰতী বাপুৰ সমস্ত বৃত্তান্ত কৈ কান্দি কান্দি স্থিৰ কৰিলে যে লাগে যদি তাইৰো জাতি যাওক তথাপি তাই জীয়েকক নেৰে। জীয়েকক তাই নিঘিণাব। ঘৰৰ সকলো বন-বাৰী জীয়েক-পুতেক হালেই কৰিব— তেওঁ ভাত-পানী মুঠা ৰান্ধি খুৱাব। দুয়ো মাকে জীয়েকে তিনিও প্ৰসংগতে হৰি নাম গাব। এইদৰে আলচি কমলাপ্ৰিয়া কামত লাগিল। তেওঁলোকৰ গৃহস্তী সুন্দৰে টাক্ টাক্ টুক্ টুক্ কৰি চলিব ধৰিলে। ল'ৰাটোৱে খৰি-খেৰ গোটাই আনে, মাছ-কাছ মাৰি আনে, বাৰীত শাক-পাছলি গোটায়, মাক-জীয়েকেহে বাদ বাকী সমস্ত কাম কৰে। ৰহদৈয়ে ৰজাঘৰৰ পৰা অনা টকা-কড়িৰে ধান-চাউল কিনে। মাক-জীয়েকে দুয়ো সূতা কটা, কাপোৰ বোৱা কামো কৰে। এইদৰে ঘৰখন সুখেৰে চলিববলৈ ধৰিলে।

ৰহদৈৰ কিন্তু এই সমস্ত সুখৰ মাজতো মহা অশান্তি হ'বলৈ ধৰিলে। তাইৰ ৰূপত আকৃষ্ট হৈ গাঁৱলীয়া ডেকাসকলে, আন কি সত্ৰৰ দুই-এগৰাকী উদাসীন ডেকা ভকতেও তাইক বাটে-ঘাটে, পথাৰে-বননিয়ে, কু-কথা ক'বলৈ কু-অভিলাষ পূৰ কৰিববলৈ প্ৰস্তাৱ কৰিববলৈ নেৰাত পৰিল। তাইৰ শান্তি নোহোৱা হ'ল, তাইৰ দুখত হ'লে কেৱে প্ৰকৃতকৈ দুখী নহয়, কিন্তু তাইৰ সতীত্ব ধৰ্ম নষ্ট কৰি তাইক কুপথলৈ নিবলৈ হ'লে সকলোবিলাকেই উত্ৰাৱল! তাইৰ হাতে পানী-দুনি এটোপা খালেও স্বজাতীয় কলিতাসকলৰ জাতি-কুল নৰয়; কিন্তু সিহঁতৰ কাম প্ৰবৃত্তি

চৰিতাৰ্থ কৰিবৰ নিমিত্তে হ'লে তাই শুচি। তাই ডেকাবিলাকৰ এইবিলাক অন্যায় অত্যাচাৰ নীৰৱে সহিছিল, কিন্তু নিজৰ লক্ষ্যৰ পৰা হ'লে, ধৰ্মৰ পৰা বিচ্যুত নহৈছিল। তাই ঘাটলৈ পানী আনিবলৈ যাওতে প্ৰায় সততে ভায়েকক লগত লৈ গৈছিল। এইদৰেহে কোনোৰকমে সেই কালৰ পাপিষ্ঠ, অধৰ্মৰে ভৰপূৰ হোৱা ডেকাসকলৰ হাত দিনৰ ভাগত সাৰিছিল।

মাকৰ ঘৰলৈ অহাৰ প্ৰায় দুমাহ মানৰ মূৰত এদিন ৰংপুৰৰ পৰা দুটা চাওডাং টেকেলা ৰহদৈহঁতৰ ঘৰত ওলালহি। ৰহদৈ আৰু কমলাপ্ৰিয়া বিচুৰ্তি হৈ ওচৰৰ কেইজনমান মতা মানুহক মতাই আনি চোতালত বহুৱাই চাওডাং দুজনক কি লাগে সোধালে। চাওডাং এজনে উত্তৰ দিলে যে ৰহদৈক ৰাজমাৱে মাতি পঠিয়াইছে। ৰহদৈয়ে সুধিলে ৰজাৰ আদেশ আছেনে নাই। চাওডাঙহঁতক ক'লে যে ৰজা আৰু ৰাণী মাৰৰ আদেশ নহ'লে তাই কেতিয়াও ৰাজমাৰৰ ওচৰলৈ নাযায়। যদি ৰজাৰ আদেশ-পত্ৰ আছে তেন্তে ৰাইজক সিহঁতে দেখুৱাওক তেতিয়া হ'লে তাই যাব। তাইৰ এই কথাত চাওডাঙহঁতে ক'লে যে ৰূপচিং চুবেদাৰৰ অনুৰোধতহে ৰাজমাৱে তাইক মাতি পঠিয়াইছে। তাই গ'লে সিহঁতে মাকক ৰাজমাও আৰু ৰূপচিঙে পঠোৱা মোহৰ একুৰিও দিব। সিহঁতৰ কথাত ৰহদৈয়ে ৰাইজক সম্বোধন কৰি ক'লে,— "ৰাইজসকল চাওক, ভাটিয়লীয়া বঙালৰ সাহ। সি বৰফুকনক বধ কৰি, ৰাজমাৰক বশ কৰি মোক এইদৰে বাৰে বাৰে অন্যায় আৰু অপমানসূচক কথা ক'ব লাগিছে। আপোনালোকে অসমীয়া জীয়ৰী এজনীক বঙালে বল কৰি নিবলৈ এৰি দিবনে?"

ৰহদৈৰ এই কথাত উপস্থিত হোৱা সমূহ ৰাইজে একেমুখে ক'লে,— "আমি কেতিয়াও আমাৰ অসমীয়া গাভৰু এজনীক তাইৰ ইচ্ছাৰ বিৰুদ্ধে বল কৰি নিবলৈ নিদিওঁ।" ৰাইজৰ এই কথাত চাওডাং দুটাই "বাৰু! ৰহদৈ সতী হৈ থাওক মাথোন" এই কথা কৈ গুচি গ'ল।

ইয়াৰ পিছতো ৰহদৈক গাঁৱলীয়া ডেকা দুই-চাৰিজনে আমনি কৰিবলৈ কম নকৰিলে। নিশা হ'লে আন কি দুৱাৰ-ডাং কাটিবলৈকো দুই-চাৰিজন ডেকা আহিছিল; কিন্তু ৰহদৈৰ সতীত্বৰ বলত আৰু হাতত সদায় এখন কটাৰী আৰু বিছনাৰ তলত দা থকাৰ নিমিত্তে কোনা ডেকায়ে ঘৰ সোমাবলৈ বা বল কৰিবলৈ সাহ নকৰিলে। বেচেৰীয়ে এইদৰে মাকৰ লগত দুমাহ কাল কটালে।

## পঞ্চাশ অধ্যায়

### ৰহদৈ

মানুহে পাঙে, কিন্তু বিধাতাইহে যি কৰিব লাগে কৰোৱায়। কাৰো কাৰো আলচা কথা সিদ্ধি হয়, কাৰো কাৰো নহয়। আমাৰ ৰহদৈ আৰু তেওঁৰ মাকে আলচা দৰে

কাৰ্য সিদ্ধি নহ'ল। মাকে ভাবিছিল দয়াৰাম যদি কেনেবাকৈ কেতিয়াবা উলটি আহে তেন্তে তাৈলৈকে জীয়েকক দি সুখী হ'ব আৰু দৈবাৎ যদি চাৰি-পাঁচ বছৰৰ ভিতৰতো দয়াৰাম নাহে তেন্তে ৰহদৈৰ ক্ৰমে তাৈলে মৰম পাতলিলে তাইক আনলৈ দিব অথবা ঘৰত এজনক চপাই ল'ব। ৰহদৈয়ে ভাবিছিল তাই ইহজনমত দয়াৰামত বাজে কাকো নাভাবিব। কিন্তু কি হ'ল। চাওক। বেচেৰীয়ে মাকৰ লগত থাকি যি যৎকিঞ্চিৎ সুখ ভোগ কৰিছিল, বিধাতাই তাইক সেই সুখৰ পৰাও বঞ্চিত কৰিলে। তাই ঘৰ চাপিবৰ তিনি মাহমানৰ মূৰত সেই বেলি মাজুলীত বৰকৈ মাউৰ বেমাৰ লাগিল। একেবাৰে শালমৰা মুখৰে পৰা ভাটিলৈকে মাউৰে গাঁৱে গাঁৱে মানুহ মাৰি খাস্তাং কৰিলে। ৰহদৈহঁতৰ গাঁৱতো মাউৰ লাগি ঢেৰ মানুহ সিফলীয়া হ'ল। হতভাগিনীৰ মাক আৰু ভায়েকো সেই ৰোগত পৰি বাৰ ঘণ্টাৰ ভিতৰতে দুঘণ্টাৰ অগা-পিছা কৰি সিপুৰী পালেগৈ। ৰহদৈৰ হ'লে একো নহ'ল। ৰহদৈয়ে কপাল-মূৰ ঢাকুৰি কান্দি-কাটি কতনো অনুনয়-বিনয় কৰি গাঁৱৰ মানুহক শৱ দুটা নিবলৈ মাতিলে তথাপি কেও নাহিল। এনেয়ে গাঁৱত মাউৰ লাগিলে গাঁৱলীয়া মানুহে কেৱে কাৰো বুজ নলৈ মাউৰক উপদেৱতা বুলি ভাবি গধূলিতে দুৱাৰ-ঘৰ মাৰি সোমায়, তাতে আকৌ ৰহদৈৰ সংসৰ্গত থকা বাবে মাক-ভায়েকৰো জাতি গৈছিল বুলি গঞাসকলে সিহঁতক এঘৰীয়া কৰি থৈছিল। একোকে উপায় নেপাই বেচেৰীয়ে শেহত গোহালিৰ গৰুৰ পঘা এডাল লৈ শৱ দুটাৰ ভৰিত খোৰোচা গাঁঠি দি বান্ধি এটা এটাকৈ নি শৱ দুটা কান্দি কান্দি নৈত পেলাই দি মূছকঁচ গৈ নিজৰ ঘৰৰ ভিতৰতে দুদিন অনাহাৰে পৰি থাকিল।

তাইৰ মাক আৰু ভায়েক মৰাৰ তৃতীয় দিনা গাঁৱত মাউৰ থামিল। তাই চেতন লভি কোনোমতে আগৰ আনি থোৱা পানীৰে ঘৰ দুটা মচি চুচৰি-বাগৰি নৈত গৈ গা তিয়াই আহি ভোকত তত্ নেপাই টেকেলিত থোৱা পিঠাগুৰি অলপ উলিয়াই খালে। গোহালিৰ গৰু-ম'হ পথাৰে পথাৰে, গাঁৱে-ভূয়ে উদং হৈ চৰি ফুৰিছিল। বেচেৰীয়ে গঞাসকলক মাক-ভায়েকৰ দহা কাম কৰিবলৈ কিমান যে খাটিলে কিন্তু কেও নাহিল। শেহত একো উপায় নাপাই বেচেৰীয়ে নিজে নিজে অকলে অকলে ঈশ্বৰ কৃষ্ণৰ নাম-কীৰ্ত্তন কৰিলে। তাই মাক, বাপেকৰ পৰা মুখে মুখে কীৰ্ত্তন, দশম, বৰগীত ঘোষা ইত্যাদিৰ পদ শিকিছিল সেইবিলাককে বেচেৰীয়ে মাক আৰু ভায়েকৰ উদ্দেশ্যে দিনে-নিশাই এমাহলৈকে কোনোমতে এসাজ পানী পিঠাগুৰি, সাঁচি থোৱা কোমল চাউল আদি খাই গালে। আৰু হাতত যি অলপ পাই-পইচা আছিল তাকে গাঁৱৰ দুখী ল'ৰা আৰু দুই-এজন বামুণক দান কৰিলে। এইদৰেই তাই মুখৰ চুৰা গুচাই এমাহৰ পিছত নিজৰ মনক বুজাই দয়াৰাম উলটি

আহিব বুলি আশা কৰি নিজ ঘৰতে অকলে অকলে কটালে। এমাহৰ পিছৰ পৰা তাইৰ ঘৰলৈ সকলো জাতৰে গাঁৱলীয়া ডেকা দুই-চাৰিজনে আহি তাইক মুখেৰে আৰু অলপ খৰি-খেৰ দি পুতৌ কৰা দেখুৱাৰ লগেলগে সিহঁতৰ অসৎ অভিপ্ৰায়বিলাক একে একে ক'লে। তাই কিন্তু লক্ষ্যভ্ৰষ্ট নহ'ল। দুই-এজনক তাই হাঁহি হাঁহি উত্তৰ দিছিল— "মই দেখোন চোৱা পানীটোপাও অসুচি হয়, মই কটা তামোলখনো দেখোন নোখোৱা, এনেকুৱা স্থলত মোৰ প্ৰেম পাবলৈনো কিহৰ বলত আশা কৰা? মোক চুলেই দেখোন গা ধুই পৰাচিত হ'ব লাগে এনেস্থলতনো মোক কেনেকৈ পাবা?" ইয়াৰ উত্তৰত দুই-এজন ডেকাই কৈছিল "মইতো তোমাক অশুচি বুলি নাভাবোঁ। আমাৰ সমাজে আমাক আলগ কৰাৰ ভয়তহে দেখাদেখিকৈ তোমাৰ সৈতে কোনো ব্যৱহাৰ কৰিব নোৱাৰোঁ তোমাক বিয়া কৰাই তিৰোতা কৰিব নোৱাৰোঁ; কিন্তু গুপুত প্ৰণয় কৰিবলৈ বাধা কি? তোমাক ধন-সোণ দিম। সুখত ৰাখিম।"

এনেকুৱা কথাৰ উত্তৰত ৰহদৈয়ে কৈছিল,— "মই এনেকুৱা মহাপাপ কৰিবলৈ আগ নাবাঢ়ো। মোক তোমাৰ যিটো মৰম দেখুৱাইছা সেইটো তুমি যাক বিয়া কৰাবা বা কৰাইছা তেওঁক দেখুৱাহে যুগুত। মোৰ আগৰ পৰা তুমি এতিয়া আঁতৰা।"

এনেকুৱা কথাতে অনেকেই— যাৰ এফেৰাও বিবেক শক্তি আছিল— সেইবিলাক আঁতৰিল কিন্তু দুই-চাৰিজন পাষণ্ড গাঁৱলীয়া ডেকাই তাইক বল কৰি সতীত্ব নষ্ট কৰিবলৈকো যদি চেষ্টা কৰিছিল তথাপি কেৱে তাইৰ সতীত্ব নষ্ট কৰিব নোৱাৰিলে। কিন্তু তাই অকলে অকলে নিজ ঘৰত থাকি এই গাঁৱলীয়া পাষণ্ডহঁতৰ উদ্ভগুলিত ৰক্ষা নোপোৱা হৈ গৰু দুটা, ম'হটো এই তিনিওটা সম্পত্তিয়ে সৈতে দয়াৰামৰ বাপেক ধনীৰামৰ ঘৰলৈ গৈ নিজৰ সকলোবিলাক দুখৰ কাহিনী কৈ বাহিৰা ঘৰ এটাত তেওঁবিলাকৰ আশ্ৰয়ত মাথোন থাকিবলৈ বৰকৈ কাকুতি-মিনতি কৰাত ধনীৰামে তাইৰ গৰু-ম'হ নিজা কৰি লৈ তাৰ বেলেগ বাহিৰা ঘৰ এটাত নিজে কৰি-মেলি খাবলৈ দি আৰু তাইৰ পৰা গোহালিৰ গোবৰ পেলোৱা, ঠাই সৰোৱা, পথাৰৰ ধান দোৱা ইত্যাদি কামৰ সহায় পোৱাৰ বন্দৱস্ত কৰি তাইক আশ্ৰয় দিলে।

## একাৱন অধ্যায়

## মাজুলীত

ধনীৰামে ৰহদৈক আশ্ৰয় দি নিজৰ ওচৰত ৰখা কথাটো তেওঁৰ ঘৈণীয়েক হৰিপ্ৰিয়াই ভাল নাপালে। সতিনীৰ পুতেক দয়াৰাম উলটি আহি তাইক বিয়া কৰাই সুখী হ'ব এইটো হৰিপ্ৰিয়াৰ পক্ষে অসহনীয়। তাতো ৰহদৈ যেনেহে ৰূপৱতী

কিজানি তাইৰ গিৰীয়েক ধনীৰামকো মুগ্ধ কৰে এইটোও ভয়। এই দুই কাৰণত হৰিপ্ৰিয়াই পেটে সমন্বিতে ৰহদৈক আঁতৰাব পাৰিলে ভাল পাইছিল। সুযোগ মিলিবলৈও সৰহ সময় নালাগিল। ৰহদৈক এমাহৰ আগেয়ে নিবলৈ অহা চাওডাঙহঁতে গৈ ৰহদৈয়ে কোৱা কথাবিলাক ৰাজমাও আৰু ৰূপচিঙক কোৱাত ৰাজামাও আৰু ৰূপচিঙে আলচ কৰি চিকা ৰূপ দুকুৰি দি এজনী আদবয়সীয়া মানুহ আৰু তাইৰ লগতে প্ৰায় দহজনমান চাওডাং পাৰ কৰি পঠিয়াই দিলে। আদেশ দিলে যে ওচৰৰ মানুহবিলাকক অলপ-অচৰপ ধন দি বশ কৰিব আৰু যাৰ ঘৰত ৰহদৈ আছে সেই ঘৰৰ গিৰিহঁতক ৰূপ একুৰি দি তেনেই হাত কৰিব যাতে গঞাই চাওডাঙহঁতে সৈতে যুঁজ-বাজ নকৰে। ৰহদৈক বল কৰি হ'লেও লৈ আহিব। সেই কালত অসমীয়া মানুহ স্বাধীন থকা বাবে সকলোৰে বলী আৰু সাহিয়াল আছিল। গাঁৱৰ পৰা কাকো কেৱে বল কৰি ধৰি নিব নোৱাৰিছিল।

যথা সময়ত সেই আদহীয়া মানুহজনী চাওডাঙহঁতে সৈতে নৈ পাৰ হৈ মাজুলীলৈ আহিল— আৰু ৰহদৈ ধনীৰামৰ আশ্ৰয় থকা বুজ পাই, চাওডাঙহঁতক নৈৰ ঘাটত থৈ বুঢ়ী ধনীৰামৰ ঘৰৰ ওচৰত মানুহকেইঘৰত ফুৰি-চাকি শেষত ধনীৰামৰ গৃহিণী হৰিপ্ৰিয়াৰ ওচৰ চাপি হৰিপ্ৰিয়াক ৰূপ একুৰি দি ৰহদৈক পানী অনা ঘাটতে ধৰি লৈ যাবলৈ আলচ-যুকুতি কৰিলে।

হৰিপ্ৰিয়া আৰু সেই বুঢ়ীৰ আলচ-যুকুটি ৰহদৈয়ে তেনেই বুজ পালে। যেতিয়া সিহঁতে আলচিছিল তেতিয়া ধনীৰাম ঘৰত নাছিল। আলচ-যুকুতি হোৱাৰ অলপ পিছতে তেওঁ আহি পোৱাত ঘৈণীয়েকে তেওঁক ৰাজমাৰে কৈ পঠোৱা সমস্ত যুক্তি ক'লে। হৰিপ্ৰিয়াই ইয়াকো ক'লে যে ৰহদৈৰ নিচিনা জাত-কুল যোৱা বাটলু তিৰোতা এজনীৰ নিমিত্তে ওচৰৰ গঞাখনে চাওডাঙে সৈতে ৰণ দি কেতিয়াও নমমে; কিয়নো ৰাজমাৰে গঞাখনকো হাত কৰিছে। পুতেক দয়াৰাম কেতিয়াবা উলটিলেও ৰহদৈক জাতত তুলি লৈ কিবা কৰাৰ নোৱাৰিব। পুতেকে জীয়াই আছে নে নাই তাৰোতো একো নিশ্চয় নাই। যদি জীয়াই আছে আৰু কেতিয়াবা উলটি আহে তেনেহ'লেও ৰহদৈয়ে সৈতে গিৰীস্থী কৰি খাব নোৱাৰিব; কিয়নো ৰূপচিং বঙালে যেনেহ'লেও দয়াৰামক প্ৰাণে মাৰি হ'লেও— তাইক নিবই বুলি প্ৰতিজ্ঞা কৰিছে। এনেকুৱা স্থলত ৰহদৈক ৰক্ষা কৰা টান। সেই দেখি তাইক বৰং বুৰাই-বুজাই আকৌ ৰজাঘৰলৈকে পঠাই দিয়াই যুগুত। ঘৈণীয়েকৰ এনেকুৱাবিলাক অখণ্ডনীয় যুক্তিত, ধনীৰামে ইচ্ছা নথকাতো ৰহদৈক ভিতৰলৈ মাতি নি কথাবিলাক ক'লে। ৰহদৈয়ে কান্দি কান্দি ক'লে, "দেউতা! যদিও মোৰ কপালৰ দোষত মই আপোনাৰ বোৱাৰী হ'ব পোৱা নাই, তথাপি ধৰ্মত মই আপোনাৰ বোৱাৰীয়েই।

আশা কৰিছিলোঁ পুতেক উলটি আহিলে দুয়ো ৰজাঘৰলৈ আকৌ গৈ ৰজাৰ চৰণত ধৰি জাতলৈ তুলিবলৈ ৰজাৰ হতুৱাই সত্ৰীয়া ভাগৱতী বাপুক আদেশ কৰোৱাই উভয়ে পা-পৰাচিত হৈ আপোনাৰ বোৱাৰী হ'লোহেঁতেন। পুতেকক ৰজাইতো নগা পৰ্বতলৈ খেদা নাছিল। ৰাজমাও পাখৰী, ৰূপচিং আৰু বৰবৰুৱা এই তিনিও গোট-পিট খাই তেওঁক সেইফালে পঠালে। ৰজাই এই কথাৰ গম এতিয়াও নাপায়। সময় বুজি, চেগ বুজি নিশ্চয় আপোনাৰ পুতেক আহিব। দেউতা! মোক এৰি নিদিব। ২০টা চাওডাং নালাগে ১০০ টা চাওডাঙেও মোক নিব নোৱাৰে যদি আপুনি আপত্তি কৰে।"

তাইৰ এই কথাৰ কোনো উত্তৰ ধনীৰামে দিবলৈ নৌ পাওতেই হৰিপ্ৰিয়াই ক'লে,— "এইজনী আহোমৰ চুৱাখাতী বাটলু তিৰোতাৰ নিমিত্তে কৰক আপুনি অকলৈ এখান ৰণ! তাই যাওক চাওডাঙৰ লগত। যদি নাযায়ো তেনেহ'লে ভালে ভালে বুঢ়ী বাঢ়নীৰ কোব নৌখাওতেই মোৰ ঘৰৰ পৰা ওলাওক।"

হৰিপ্ৰিয়াৰ এই নিষ্ঠুৰ বাণী শুনি ৰহদৈয়ে দুয়ো চকুৰে লো টুকি টুকি ক'লে,— "বাৰু আই! মই চাওডাঙহঁতৰ লগতেই হওক বা য'লৈকে হওক ওলালো। পিছত মোক বলেৰে চাওডাঙহঁতে ধৰিব মিলিব নালাগে। মই নিজেই গৈ নাৱত উঠোঁগৈ"— এই বুলি কৈ ধনীৰামক সেৱা এটা কৰি নৈৰ ঘাটলৈ গ'ল আৰু তাত বহি থকা চাওডাঙহঁতক ক'লে— "ককাইটিহঁত! তহঁতে মোক বল কৰি ধৰা-ধৰি নকৰিবি। মই তহঁতৰ লগত যাবলৈ ওলাই আহিছোঁ। তহঁতে ইয়াতে অলপ বাট চা। মই সৌ সি ঘাটে গাটো তিয়াই আহোঁ।"

তাইৰ এই কথা চাওডাঙহঁতে বিশ্বাস কৰি তাইক গা ধুবলৈ যাবলৈ অনুমতি দিলে— তাই গা ধুবলৈ যোৱাৰ চলেৰে অলপ আঁতৰি গৈয়েই পশ্চিমে নৈৰ গৰাৰ ওপৰত বহি প্ৰথমেই দুধাৰ চকুৰ লো টুকিলে— তাৰ পিছত গাঁৱৰ ফালে চাই নিজৰ মনতে ক'লে,— "হায়! মোৰ অসমীয়া ভাতৃ! পিতৃ! মাতৃ! ভনীসকল! তোমালোকে কেৱে মোক নাৰাখিলা— মোৰ নিজ সতীত্ব ধৰ্ম ধৰি থাকিবলৈ ঠাই এফেৰা নিদিলা! প্ৰভু কৃষ্ণ! জনা-শুনা হ'বৰে পৰা প্ৰভু! তোমাক জনাই-নজনাই ভাবিলোঁ— তথাপি তুমি মোক ৰক্ষা নকৰিলা। বাৰু প্ৰভু। বাৰু মধুসূদন! বাৰু নিঠুৰ কলীয়া, মোৰ গাত পাপ নাই। প্ৰভু লোৱা এই দেহটো" এইবুলি স্তুতি কৰি গৰাৰ ওপৰত থিয় হৈ চাওডাঙহঁতে শুনাকৈ ৰিঙি মাৰি ক'লে— "হেৰা চাওডাঙসকল! ৰূপচিং, ৰাজমাও পাখৰীৰ গোলামসকল! মোক কেনেকৈ নিয়াহি নিয়াহি"— এই বুলি কৈয়েই গৰাৰ পৰা নৈত জাঁপ মাৰি পৰিল। চাওডাঙহঁত লৰি আহি নাপালে। নৈৰ সোঁতত ৰহদৈ কিমান দূৰ যে গ'ল সিহঁতে দেখাকে নাপালে।

লৰালৰিকৈ ডোম গাঁৱলৈ গৈ নদীয়ালৰ নাও আনে মানে বেলি হ'ল। নদীয়ালে নাও লৈ লৈ বিচাৰিলেহে বিচাৰিলে— ৰহদৈৰ দেহাটো নাপালে। চাওডাঙইঁত ঠোঁট-মুখ চেলেকি খবৰটো লৈ গুচি গ'ল। ধনীৰামে দুচকুৰে দুধাৰ লো মচিলে— হৰিপ্ৰিয়াই ক'লে,— "আপদ আঁতৰিল ভালেই হ'ল।" ◆◆

# ৰহদৈ লিগিৰী

## ২য় খণ্ড

## প্ৰথম অধ্যায়
## গুৱাহাটীত ৰাজমাৱৰ কটকী

বদন বৰফুকনক হত্যা কৰোৱাৰ সময় মহামতি ৺পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বৰপুত্ৰ ৰুচিনাথ গোহাঁইদেৱ গুৱাহাটীত আছিল। ৰাজমাৱে পঠোৱা কটকী লাহে-ধীৰে দুমাহমান গৈ আহিনৰ আগ পথত গুৱাহাটী পালে। কটকীৰ মুখে বদন বৰফুকনৰ হত্যাৰ বাতৰি পাই ৰুচিনাথ গোহাঁইদেৱে কটকী যোৰাক আস্ত আদৰ কৰি তেওঁবিলাকৰ দুখ-ভাগৰ পলুৱাবলৈ এমাহ অৰ্থাৎ আহাৰৰ মাহটো ৰাখি থ'লে। ইপিনে তেওঁ ততালিকে ভাগি গৈ বঙালদেশৰ চলমাৰিত থকা ব্ৰজনাথ সিংহ আৰু তেওঁৰ পুতেক পুৰন্দৰ সিংহক আনিবলৈ এযোৰা কটকী পঠিয়ালে। ব্ৰজনাথ সিংহ আগৰ যোগেশ্বৰ ৰজাৰ পুতেক। তেওঁ আহোম সিংহাসনৰ এজন উত্তৰাধিকাৰী আছিল। পিছত ৺পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই তেওঁৰ কাণ এখনত অলপ যৎসামান্য খুঁত থকা বাবে তেওঁক ৰজা নাপাতি চন্দ্ৰকান্ত সিংহক ৰজা পতাত মনৰ বেজাৰতে আৰু চন্দ্ৰকান্তই বুঢ়াগোহাঁয়ে সৈতে লগ লাগি কেনেবাকৈ আৰু অপকাৰ কৰিব বুলি ভয় কৰি পুতেক পুৰন্দৰ সিংহই সৈতে চিলামৰিত গৈ পলাই আছিল। তাৰেপৰা তেওঁ চোৰাংচোৰা লগাই উজনি অসমৰ সমস্ত বাতৰি লৈ আছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ মৃত্যু, মানৰ প্ৰথমবাৰ অসম আক্ৰমণ, পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুত্ৰসকল গুৱাহাটীত আহি পলাই থকা এই সকলো বাতৰি পাইছিল। পিছত এতিয়া ৰুচিনাথ গোহাঁইদেৱে পঠিওৱা কটকীৰ মুখে বদনৰ মৃত্যুৰ বাতৰি শুনি ৰুচিনাথ গোহাঁইৰ পৰা আহ্বান পাই তেওঁ সপৰিবাৰে উজাই আহি এমাহৰ মূৰত গুৱাহাটী পালে। তেওঁ গুৱাহাটী আহি পোৱাত ৰুচিনাথ গোহাঁইদেৱে আস্ত-ব্যস্তকৈ নৈৰ কাষত বাহৰ কৰি ৰাখি ৰাজমাওৰ কটকীৰ মাৰফতে ৰাজমাওলৈ জনাই পঠিয়ালে যে তেওঁ চন্দ্ৰকান্তক তিলাৰ্ধও বিশ্বাস কৰিব নোৱাৰে। সেইদেখি তেওঁ চন্দ্ৰকান্ত সিংহক ৰজা ভাঙি তেওঁৰ থলত ব্ৰজনাথ সিংহক ৰজা মনোনীত কৰি সসৈন্যে যাব লাগিছে। ৰুচিনাথৰ পৰা পোৱা এই উত্তৰ চন্দ্ৰকান্ত ৰজাই পাই বৰবৰুৱা ডাঙৰীয়াক হাতত লৈ ৰুচিনাথ বিৰুদ্ধে এদল সৈন্য গঠন কৰিব ধৰিলে।

## দ্বিতীয় অধ্যায়
## দয়াৰাম

বৰবৰুৱাই দয়াৰামক নগা পৰ্বতৰ ফাললৈ খেদোৱাৰ তিনিমাহৰ মূৰত দয়াৰামে চুলি-ডাড়ি ৰাখি একেবাৰে চিনিব নোৱৰা বেশ এটা লৈ মনে মনে পলাই আহি ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ মাজুলী পালেগৈ। তাত পোনেই ৰহদৈহঁতৰ আগৰ ঘৰৰ ফালে গৈ দেখিলে ঘৰকেইটা ভাগি-ছিগি গৈছে— জনপ্ৰাণী এটিও তাত নাই। বাপেকৰ ঘৰৰ ফালে যাওতে বাটতে দুই-চাৰিজন মানুহৰ পৰা গাঁৱত মাউৰ লাগি লাগি মানুহ মৰাৰ কথা, ৰহদৈৰ মাক-ভায়েক সেই বেমাৰত মৰাৰ কথা, ৰহদৈয়ে সিহঁতৰ ঘৰত আশ্ৰয় লোৱা কথা, তাৰ পিছত হৰিপ্ৰিয়া আৰু ৰাজমাৱে পঠোৱা চাওডাঙহতে অত্যাচাৰ কৰি ধৰি নিব খোজাত ব্ৰহ্মপুত্ৰৰ পানীত আগদিনা জাঁপ মাৰি মৰা কথা সকলোবিলাক ক'লে। এইবিলাক কথা শুনি বাটতে ভালেখিনি পৰ বহি নীৰৱে পাৰেমানে কান্দি শেষত মনতে এটা দৃঢ় প্ৰতিজ্ঞা লৈ ঘৰলৈ গৈ 'দেউতা' বুলি মাত দিয়া মাত্ৰকে বাপেক ধনীৰাম ভিতৰৰ পৰা ওলাই আহি "আই ঔ মোৰ বাছা দয়াৰাম নে?" বুলি সাবটি ধৰিলেহি। দয়াৰামে বাপেকৰ বুকত মূৰটো সুমাই আকৌ পাৰেমানে কান্দি কান্দি সুধিলে— "দেউতা! গল কালি ৰহদৈ পানীত জাঁপ মাৰি মৰা কথাটো সঁচানে?" ধনীৰামে ক'লে,— "বাছা উত্ৰাৱল নহ'বিচোন। ভৰি-হাত ধো। মাহীয়েৰে অলপ জা-জলপান দিয়ক, খাই-বৈ জিৰা, তেতিয়া মই সকলো কথা ক'ম।"

দয়াৰাম— দেউতা! নাখাওঁ মাহীৰ হাতৰ জলপান। তাই কেনেকৈ মৰিল, কিয় মৰিল, মই সকলো কথা বাটতে শুনি আহিছোঁ— মই মাথোন আপোনাক শেষ দেখা দিবলৈহে আহিছোঁ।

ধনীৰাম— কি কৰ বাছা! ইমান দিনৰ মূৰত বাপেৰক শেষ দেখাহে দিবলৈ আহিছনে? নক'বি বাছা তেনে কথা। তোৰ নাই কি— সকলো আছে। আহোমৰ ঘৰত থাকি জাত যোৱা বাটলু তিৰোতা এজনীৰ নিমিত্তে ইমান শোক কৰিব লাগেনে? তাই জীয়াই থকা হ'লেও পুনৰ জাতত উঠিব নোৱাৰিলেহেঁতেন। তাই পিতৃ-পিতামহক নৰকত পেলাই তাইৰ লগত জাত-কুল খেদোৱা হ'লেও তই তাইৰ সৈতে সুখেৰে গৃহস্থী কৰি খাবলৈ নাপালিহেঁতেন— ৰূপচিং বঙালে যেনেহ'লেও তোক প্ৰাণে বধি তাইক নিলেহেঁতেন। এইবিলাকৰ কাৰণ ভাবি-চিন্তি বাছা! তই সোক এৰি ধৈৰ্য ধৰ। মই তোক তাইৰ নিচিনা লাখৰ-বাখৰ আন এজনী বিয়া কৰাই দিম।

দয়াৰাম— বাৰু দেউতা? সেইবিলাক পিছ কথা— পিছত তাইৰ জীউৰ বধৰ ভাগী কিছুদুৰ মাহী নহ'লনে?

দয়াৰামে এই কথা কোৱা মাত্ৰেই মাহীয়েক উগ্ৰচণ্ডী মূৰ্তি ধৰি ওলাই আহি ক'লে— "এৰা ময়ে তাইক নিতৌ পুৰা-গধূলি গাঁৱলীয়া ডেকাবিলাকে সৈতে জাক খেদা গাইৰ দৰে ফুৰিব দিছিলোঁ। এৰা ময়ে, আহোমৰ চুৱাখাতী বাটলুজনীক ৰূপচিং বঙালে সৈতে আগৰেপৰা কথা হ'বলৈ দিছিলোঁ! জনা-বুজা মানুহে মোক দোষ নিদিয়ে! তই মোৰ নিজৰ পো হোৱা হ'লে এনেকুৱা কথা নক'লিহেঁতেন।"

মাহীয়েকৰ এনেকুৱা হাড় ভেদি যোৱা নিদাৰুণ মাত শুনি দয়াৰামে একে চাতিয়েই বাপেকৰ কাষৰ পৰা আঁতৰি গাঁৱৰ ফাললৈ গুচি আহিল— আৰু নিশা একোকে নেখাই ৰহদৈহঁতৰ ভগা ঘৰৰ ভিতৰতে পৰি থাকিলহি। বাপেকে জয়দেৱ কাকূতি কৰিও ফিৰাব নোৱাৰিলে। অৱশেষত আন একো উপায় নাপাই ওচৰৰ মানুহ ঘৰৰ হতুৱাই তাক নিশা শুবলৈ খেৰ একোছা, কানি-কাপোৰ এখান, জুই ধৰিবলৈ খৰি চাইডালমান, কলহতে পানী একলহ আৰু নিশা খাবলৈ কোমল চাউল, দৈ-গাখীৰ গুড় ইত্যাদি দিয়াই চকুৰ লো টুকি ঘৰলৈ গ'ল। দয়াৰামে নিশা সেই জলপান অলপ-অচৰপ খাই তাতে পৰি থাকিল। পিছদিনা য'ৰে বস্তু ত'তে পেলাই থৈ ৰাতিপুৱাই পশ্চিম মুখে গুচি গ'লগৈ। গাঁৱৰ মানুহ কেৱে ক'ব নোৱাৰিলে সি ক'লৈ গ'ল। বাপেকে কমলাবাৰীৰে পৰা আউনীআটীলৈকে সেই দিনটো বিচাৰিলে— কিন্তু দয়াৰামৰ কোনো শুংসূত্ৰকে নাপালে।

## তৃতীয় অধ্যায়
## ব্ৰজনাথ গোহাঁইদেৱ

ব্ৰজনাথ আৰু তেওঁৰ পুতেক পুৰন্দৰ সিংহ গুৱাহাটী পোৱাৰ পিছত ৰাজমাওৰ কটকীযোৱা বিদায় দি ৰুচিনাথ গোহাঁইদেৱে পুহৰ পোন্ধৰ দিনটো ধাৰ্য কৰি গুৱাহাটীত এটা দৰবাৰ পাতি সেই দৰবাৰলৈ কামৰূপৰ বৰুৱা, চৌধাৰীসকলক বুজৰবৰুৱা দুজনে সৈতে আৰু পাটোৱাৰী আৰু আন আন মুখাল মুখাল প্ৰজাসকলকো নিমন্ত্ৰণ কৰি আনি সকলোকে জনালে যে চন্দ্ৰকান্ত সিংহ ৰজা বৰ দুৰ্বল মনৰ। তেওঁ ৰাজকাৰ্য চলোৱাত সম্পূৰ্ণৰূপে অযোগ্য, কামৰূপ ৰাজ্যৰ দ্ৰোহী আনকি সমস্ত অসমৰে দ্ৰোহী বদন বৰফুকনৰ ফলীয়া। সেই দেখি তেওঁ ৰজা ৰখা উচিত নহয়। কামৰূপীয়া বিষয়াসকলৰ আৰু ৰাজিৰ অনুমতি পালে তেওঁ চন্দ্ৰকান্তক ৰজা ভাঙিব খোজে। বুঢ়াগোহাঁই ডাঙৰীয়াৰ মুখৰ পৰা এইবিলাক কথা শুনি আৰু ৰজা চন্দ্ৰকান্ত যে পাপিষ্ঠ বদনৰ লগত এই কথাটো বিশদৰূপে জানি

কামৰূপীয়া সকলো বিষয়া আৰু প্ৰজাই একেমুখে ক'লে যে তেওঁবিলাকে চন্দ্ৰকান্তক ৰজা ভাঙিলে বেয়া নাপায়। বৰং ভালহে পাব। তেওঁৰ স্থলত ব্ৰজনাথ সিংহক ৰজা পাতিব পাৰে। যদি ব্ৰজনাথ সিংহক ৰজা পতাত আকৌ কিবা ৰণ-বিগ্ৰহ লাগে তেনেহ'লেও সেই ৰণত কামৰূপীয়াসকলে বুঢ়াগোহাঁইক যতদূৰ সাধ্য সহায় কৰিবলৈ মান্তি আছে। কামৰূপীসকলৰ পৰা এই আশ্বাস বাক্য পাই সেই দৰবাৰৰ ভিতৰতে ৰুচিনাথ গোহাঁইদেৱে ব্ৰজনাথ গোহাঁইদেৱক এখন ওখ আসনত বহুৱাই সেৱা কৰিলে। গোট খোৱা সকলোখিনি কামৰূপীয়া প্ৰজাই হৰিধ্বনি কৰিলে।

ইয়াৰ পিছত সভা ভাঙিল। ৰুচিনাথ আৰু ব্ৰজনাথে উভয়ে বুজৰবৰুৱা দুজনক মাতি নি ক'লে যে তেওঁবিলাক সৈন্য-সামন্তৰে অলপতে উজনিলৈ যাব। তাত নি ব্ৰজনাথ সিংহক পূৰ্বৰ দস্তুৰ মতে সিংহাসনত বহুৱাব। পিছত দুয়োজন বুজৰবৰুৱাই ৰছদ-পত্ৰ, ভাৰীৰে সৈতে দুহেজাৰ ভাল কামৰূপীয়া সৈন্য দিব লাগে। বুঢ়াগোহাঁই আৰু ৰজাৰ এই আদেশত পোন্ধৰ দিনৰ ভিতৰতে দুয়োজন বুজৰবৰুৱাই বলী বলী কোঁচ, কছাৰী, কলিতা এই তিনি জাতৰ এহেজাৰ এহেজাৰ সৈন্য আৰু এহেজাৰ এহেজাৰ ভাৰী আনি দিয়াত, বুঢ়াগোহাঁই আৰু ব্ৰজনাথ ৰজাই নিজৰো প্ৰায় এহাজাৰ আহোম সৈন্য লৈ মাঘ মাহৰ আদিতে উজনিৰ ফাললৈ নাৱেদি যাত্ৰা কৰিলে কিছু সৈন্য বামেদিও পঠিয়ালে।

## চতুৰ্থ অধ্যায়
## ৰুচিনাথ বুঢ়াগোহাঁই

বামেৰে যোৱা সৈন্যদল জাগীৰ বাটেৰে, আৰু নাৱৰে যোৱা দল কলঙেদি উজাই উজাই দুয়ো দলে প্ৰায় আঠ দিনে গৈ নগাঁৱৰ পুৰণিগুদাম পাই তাতে ছাউনী কৰিলে। পুৰণিগুদামত "সাতদিন থাকিব" বুলি ওচৰৰ ৰাইজক জনাই পুৰণিগুদামত থকা বৰগোহাঁইৰ ঘৰৰ, ফুকনৰ ঘৰৰ, বৰবৰুৱাৰ ঘৰৰ ডাঙৰীয়াসকলক আৰু বাখৰৰ ঘৰৰো ডাঙৰীয়াসকলক নিমন্ত্ৰণ কৰি আনি এখন সভা পাতি ৰুচিনাথ গোহাঁইদেৱে কামৰূপত কি কৰি আহিছে আৰু উজনিলৈ গৈ কি কৰিব এইবিলাক কথা কৈ ডাঙৰীয়াসকলৰ আৰু নগএগ্ৰা ৰাইজৰো অনুমোদন আৰু সহায় খুজিলে। বুঢ়াগোহাঁইৰ প্ৰস্তাৱত সন্মত আছে। স্বাধীন চিত্তৰ আৰু পূৰ্বাপৰ ৰীতি ভংগ কৰিবলৈ অনিচ্ছুক ডাঙৰীয়া আৰু ৰাইজসকলে ক'লে যে অকল বুঢ়াগোহাঁইদেৱেই ৰজা ভাঙিব আৰু পাতিব নোৱাৰে। ৰজা ভাঙিব পাতিবলৈ হ'লে তিনিওজন ডাঙৰীয়া গোট খাব লাগিব। ইয়াৰ উপৰি ব্ৰজনাথ সিংহক তেওঁবিলাকে কোনোমতেই ৰজা পাতিবলৈ মত দিব নোৱাৰে কিয়নো তেওঁৰ কাণত এফেৰা ঘুণ থকা বাবেই আগৰ পিতৃ বুঢ়াগোঁহায়ে

তেওঁক ৰজা নকৰিলে। ডাঙৰীয়াসকলৰ আৰু ৰাইজৰ এই কথা শুনি ৰুচিনাথ গোহাঁইদেৱে জনালে, যদি ব্ৰজনাথ গোহাঁইদেৱক সকলোৱে মনোনীত নকৰে তেনেহ'লে তেওঁৰ স্থলত পুৰন্দৰ সিংক লোৱাত জানো আপত্তি হ'ব? এই কথাৰ উত্তৰত ৰাইজ আৰু ডাঙৰীয়াসকলে ক'লে যে তাত তেওঁবিলাকৰ আপত্তি নাই। ব্ৰজনাথ সিংহেও ক'লে যে, "পুতেকক ৰজা পাতিলে তেওঁ নিজ ইচ্ছামতে ৰাজপদ ত্যাগ কৰিব।" নগএগ্ৰা ৰাইজে এই কথা শুনি সন্তোষ হৈ তেওঁবিলাকক সাত দিন পুৰণি গুদামতে সিধা-পত্ৰ দি ৰাখি তেওঁবিলাক যাবৰ সময়ত ৰছদে-পত্ৰে সৈতে এহেজাৰ ৰণুৱা দি আগবঢ়ালে। তেওঁবিলাকে পুৰণিগুদামৰ পৰা বোকাখাটৰ বাটেদি যাত্ৰা কৰিলে।

## পঞ্চম অধ্যায়
## সন্ন্যাসীৰ আশ্ৰম

সেই কালত, আজিকালিৰ যোৰহাটৰ ককিলামুখ ঘাটৰ পশ্চিমে জনপ্ৰাণীহীন ওখ চাপৰি এটাত এখন সুন্দৰ-ঋষিৰ আশ্ৰমৰ দৰে সন্ন্যাসী এজনৰ আশ্ৰম আছিল। সেই কালত বৰ্তমানৰ ককিলামুখৰ ঘাট জনপ্ৰাণীহীন, অঠব্য অৰণ্য এখন আছিল। তাৰ পূবে দক্ষিণে বৰ্তমানৰ গোহাঁই গাওঁখন মাথোন তেতিয়াও আছিল। আশ্ৰম থকা চাপৰিটো বাৰিষাও তল নগৈছিল। চাৰিওপিনে মুকলি মাটি সেউজীয়া ঘাঁহেৰে ভৰা। মুঠতে মাজে মাজে দুই-এজোপা ঝাউ গছ আছিল। আশ্ৰমখনত পাঁচোটা—বৰ ডাঙৰো নহয়, সৰুও নহয়, মজলীয়া বিধৰ খেৰী ঘৰ আছিল। সমুখৰ ঘৰটো উত্তৰফালে নৈলৈ মুখ কৰা। সেই ঘৰটোৰ সোঁহাতে দুটা দীঘলীয়া ঘৰ। বাঁওহাতেও এটা। মাজতে চোতাল এখন, তাৰ দক্ষিণে প্ৰায় পাঁচ পূৰা মাটিৰ এখন বাৰী। বাৰীখনৰ কেউফালে ওখ ঢাপ। ঢাপৰ কাষে কাষে কলৰ গছ। ভিতৰৰ ফালে ফুলে শাকে-পাচলিয়ে গৰু চৰিব পৰা ঘাঁহে জাতিষ্কাৰ। দেখিলেই মনত সন্তোষ আৰু এটা শান্তিৰ ভাব আহে। আশ্ৰমখনৰ ওচৰত কোনোপিনেই দহ-বাৰ মাইললৈকে কোনো বস্তি সেই সময়ত নাছিল। গোহাঁইগাঁৱলৈ তাৰ পৰা প্ৰায় বাৰ মাইল। নৈৰ পাৰত যে এনেকুৱা এখন সুন্দৰ আশ্ৰম আছে সেই কথাৰ গম পশ্চিমফালৰ দুখন মিৰি গাঁৱৰ মিৰি মানুহত বাজে আন কেৱে নেজানিছিল। নৈত বাজে আন পিনেদি সেই আশ্ৰমলৈ একপ্ৰকাৰ কোনো বাটেই নাছিল। বাবাজীয়ে পশ্চিমফালে অহা-যোৱা কৰা যি বাট আছিল, সিও সুৰসুৰীয়া আৰু বাটত বাঘৰ ভয়। আউনীআটী আৰু আন আন সত্ৰলৈ পাৰ হৈ যাবলৈ মুঠেই জাঁজীমুখৰ ওচৰেদি এটা ৰজা আলি আৰু নৈৰ পাৰত এটা ঘাট আছিল। আশ্ৰমখনৰ পৰা সেই ঘাট প্ৰায় পোন্ধৰ মাইল পূবে।

আশ্ৰমখনৰ গৰাকী আছিল জটাজুটধাৰী কঁকাললৈকে বৈ পৰা আধা কেঁচা, আধা পকা ডাড়িয়ে সৈতে এজন গেৰুৱা কাপোৰ পিন্ধা সন্ন্যাসী। তেওঁ ওখ, ডাঙৰ, দীঘল আৰু হটঙা বলী মানুহ আছিল। তেওঁক চেহেৰাত আদহীয়া যেন দেখা গৈছিল। সন্ন্যাসীজনৰ বৰণ মিঠা বৰণীয়া। চকু দুটা বৰ ডাঙৰ ডাঙৰ, ৰঙা। তেওঁ কপালত বহল সেন্দুৰৰ ফোঁট। তেওঁৰ নাম আছিল আগমানন্দ। তেওঁ বীৰাচাৰী তান্ত্রিক পন্থৰ সন্ন্যাসী আছিল। তেওঁৰ লগত আছিল এজন চেলা নাম শ্ৰৱণানন্দ। বাৰীখন আটোম-টোকাৰি কৰি ৰাখিবলৈ, খৰি-খেৰ আনিবলৈ, বাবাজীৰ দুজনী খীৰতী গাই চাৰিবলৈ, বান্ধিবলৈ আৰু বয়সীয়া এটা অসমীয়া মানুহ চাকৰ আছিল। এই অসমীয়া মানুহজনৰ মূৰটো এটা সৰু জঁট আৰু শ্ৰৱণানন্দৰ চেলাৰ লগতে সি বাবাজীৰ দৰে লোৱা গৰিকাৰ বা ডাঙৰ দম মৰাত শ্ৰৱণানন্দকো চেৰ পেলাব পৰা বিধৰ আছিল।

শ্ৰৱণানন্দ দেখাত প্ৰায় ডেৰকুৰি বছৰ বয়সীয়া আছিল। তেওঁ বৰণত বগা। তেওঁৰ মূৰৰ চুলিবিলাক দীঘল, পাছ ফাললৈ বৈ পৰা যদিও জঁট নাই। তেওঁৰ গাতো গেৰুৱা ৰঙৰ এটা ভৰিলৈকে পৰা গেৰুৱা ৰঙৰ হলৌ চোলা। বাবাজী দুয়োজনে বাৰীৰ ওচৰতে আৰু বাৰীৰ ভিতৰতে গোমধান আৰু জৱধান ৰুই লৈছিল। শাক-পাচলি কৰি লৈছিল। অসমীয়া চাকৰটোৱে অলপ ৰঙা আলু, বগা আলু, লাও কোমোৰা ইত্যাদি ৰুইছিল। বাবাজী দুজনৰ ইচ্ছা হ'লে এখন আছাৰা জাল মাৰি মাজে মাজে নৈত মাছো ধৰিছিল। চাউল কাৰণ, পঠা ইত্যাদি লগা হ'লে আগমানন্দই অকলশৰেই সেই সৰু সুৰসুৰীয়া বাটেদি মিৰি গাঁৱলৈ গৈছিল। প্ৰবাদ আছে তেওঁক হেনো বাঘেও বাট এৰি দি সেৱা কৰিছিল। মিৰিহঁতে তেওঁৰ চেহেৰা দেখি, তেওঁৰ ৰঙা চকু দেখি তেওঁক "দেৱমানুহ" বুলি কৈ তেওঁ যেতিয়াই যি বস্তুকে খোজে, যেনে— মদ, ফটিকা, হাঁহ, পাৰ, ছাগলী, চাউল ইত্যাদি বস্তু দিছিল। মাহ দিনত প্ৰায় দেওবাৰেই কেতিয়াবা অকলৈ কেতিয়াবা আৱশ্যক হ'লে শ্ৰৱণানন্দকো লগত লৈ মিৰি গাঁৱলৈ অহা-যোৱা কৰিছিল।

সমুখৰ ঘৰটো বাবাজীয়ে আমাৰ অসমীয়া ভাল মানুহৰ দৰে বহা-মেলা কৰিবলৈ চ'ৰাঘৰস্বৰূপে ৰাখিছিল। মিৰিহঁত বা আন কোনো নাৱৰীয়া নৈয়েদি কেতিয়াবা আহিলে সেই চ'ৰাঘৰতে বহি বাবাজীৰ সৈতে কথা-বতৰা পাতিছিল— কেতিয়াবা কেতিয়াবা কোনো কোনো নাৱৰীয়াই নিশা হ'লে তাতে শুইও ৰৈছিল। পূবফালৰ ঘৰটোৰ এখোঁটালীত এজনা কালী মূৰ্তি আছিল, ইটো খোঁটালীত ভোগ ৰন্ধা-বঢ়া কৰিছিল। সেই ভোগ প্ৰায় সততে শ্ৰৱণানন্দয়ে ৰান্ধিছিল— মাজে মাজে আগমানন্দ বাবাইও ৰান্ধিছিল; নিশা অভ্যাগত হৈ কোনো নাৱৰীয়া তেওঁৰ

আশ্ৰমত থাকিলে তেৰেঁই নাৱৰীয়াক নিজৰ ৰন্ধা ভোগ দি শুশ্ৰূষা কৰিছিল আৰু নাৱৰীয়াসকলেও নিজৰ নাৱত যি যি বস্তু অনা-নিয়া কৰিছিল তাৰ অলপ-অচৰপ বাবাজীক দি সেৱা-শুশ্ৰূষা কৰিছিল। বাবাজীৰ খোৱা-পিন্ধাৰ দুখ যে নাছিলেই বৰং তেওঁৰ বস্তু বৈ-বৈহে গৈছিল।

স্বামীজী আৰু তেওঁৰ চেলা আগৰ কৰ মানুহ আছিল কেৱে ক'ব নোৱাৰিছিল। তেওঁৰ মাত-কথাৰ পৰা মিৰিসকলে আৰু নাৱৰীয়াসকলেও তেওঁক আগৰ হিন্দুস্থানী মানুহ বুলি অনুমান কৰিছিল আৰু দৰাচলতে সেই কথা সঁচাও আছিল। তেওঁৰ চেলা শ্ৰৱণানন্দ হ'লে আগৰ বঙালী বামুণ আছিল হেনো। কি কাৰণত তেওঁ সন্ন্যাসী হ'ল, কেনেকৈ আগমনন্দৰ চেলা হ'বলৈ পালে সেই কথা কেৱে নেজানিছিল।

আগেয়ে কোৱা হৈছে স্বামী আগমনানন্দ ঘোৰ বীৰাচাৰী তান্ত্ৰিক আছিল। তেওঁ পালে মদ, ফটিকা কলহে কলহে খাইছিল। হাঁহ, পাৰ, পঠা ছাগলী পালে তেওঁ নিজ হাতেই হওক বা শ্ৰৱণানন্দৰ হতুৱাই হওক গোসাঁনীৰ আগত বলি দি ৰান্ধি-বাঢ়ি খাইছিল। মাছক "গংগাৰ ফল" বুলি খাইছিল। আশ্চৰ্যৰ বিষয় "নাখাওঁ" বুলিলে তেওঁ দহ-বাৰ দিনলৈকে নোখোৱাকৈয়ো থাকিব পাৰিছিল আৰু খাওঁ বুলিলে তেওঁ মাছ, মঙহ, ৰুটী, দালি, তৰকাৰী, ভাত পাঁচ সেৰমানলৈকে অকলে খাব পাৰিছিল।

সেই বছৰ ভাদ মাহৰ এদিন পুৱাতে স্বামী আগমানন্দই বেলি আঠোটামান বজাত নৈত গা ধুবলৈ গৈ নৈৰে পানীৰ যুৱলিত এটা মানুহ শৱ যেন দেখা পাই একেথিৰে কিছুবেলি চাই সেই দেহটোৰ হাত-ভৰিকেইখন অলপ লৰ-চৰ কৰা যেন দেখি ওচৰ চাপি গৈ দেখে যে ৰিহা-মেখেলা পিন্ধা, দেখিবলৈকো ধুনীয়া এজনী গাভৰু। বাবাজীয়ে সেই মানুহজনীৰ নাকৰ গুৰিলৈ হাত নি দেখে যে দেহটোত এটা সূক্ষ্ম স্পন্দন আৰু নাকত এটা উশাহ-নিশাহ আছে। তেওঁ 'জয় মা কালী। তোমাৰ সন্তানৰ ইচ্ছা পূৰ্ণ কৰিবা'' এই বুলি কৈ ৰিঙি মাৰি তেওঁৰ চেলা শ্ৰৱণানন্দক মাতিলে। তেওঁ মতা মাত্ৰকেই শ্ৰৱণানন্দ গৈ পোৱাত স্বামীজীয়ে সেই ৰূপহী গাভৰুজনীৰ ফালে আঙুলিয়াই দেখুৱাই দুয়ো পৰামৰ্শ কৰি দেহটো ধৰাধৰিকৈ আশ্ৰমলৈ লৈ গ'ল। আৰু তাত দক্ষিণৰ চাৰিচলীয়া ঘৰটোত জ্বলি থকা ধুনিৰ কাষত নি থৈ ধুনিটো ভালকৈ জ্বলাই লাকহে লাহে পোনপ্ৰথমে মানুহজনীৰ গাৰ পৰা ভিজা কাপোৰকেইখন এখন এখনকৈ সোলোকাই তেওঁৰ শুকান গেৰুৱা কাপোৰ এখন গাৰ ওপৰত পেলাই দিলে; তাৰ পিছত কেঁচা গৰুৰ ঘিউ অলপ অলপ তাইৰ নাকে-কাণে দি পেটটো লাহে লাহে হেঁচুকি দিয়াত তাইৰ মুখে, নাকে,

কাণেদি পেটৰ ভিতৰৰ পানীবিলাক ওলাল। তাৰ পিছত তাইৰ হাত দুখনত ধৰি সেই হাত দুখন এবাৰ ওপৰলৈ তুলিব এবাৰ তললৈ নমাব ধৰিলে। এইদৰে কেইবেলিমান কৰোঁতে তাইৰ নাকেৰে উশাহ-নিশাহ ভালকৈ ববলৈ ধৰিলে। বাবাজীয়ে নিজৰ স্নান-আহ্নিক, সেৱা-পূজা এই সমস্তকে স্থগিত ৰাখি তাইক তেওঁৰ হাতৰ তলুৱা দুখন ধুনিৰ জুইত তপত কৰি কৰি সেক দিবলৈ ধৰিলে। এইদৰে দুদাড়মান বেলি সেক-পোতক দিওতে দিওতে তাই চকু মেলিলে। চকু মেলি তাই কথা ক'বলৈ চেষ্টা কৰা দেখি বাবাজীয়ে তাইক মনে মনে থাকিবলৈ ক'লে। তাই তেতিয়া আকৌ চকু মুদিলে। বাবাজীয়ে তাইক এটোপা এঁৰা গাখীৰ তপতাই অলপ অলপকৈ অৰ্ঘা এটাৰে তাইৰ মুখত দিলে— তাই সেই উমি উমি তপত গাখীৰ খাই "উঃ ৰাম" বুলি বাবাজীৰ ফালে চাই অতি ক্ষীণ মাতেৰে সুধিলে,— "আপুনি কোন? মই এতিয়া ক'ত?" বাবাজীয়ে ক'লে,— "মা তুমি এতিয়া সেইবিলাক একো সুধিব নালাগে। তুমি মোৰ আশ্ৰমত আছা। তুমি মৃত্যুৰ পৰা জীলা। মই গা-পা ধুই আহো তুমি আৰু কিছু বেলি পৰি থাকা। মই স্নান-আহ্নিকাদি কৰি আকৌ তোমাৰ ওচৰলৈ আহিম। তুমি ধুনিত জুই ফুৰাই থাকা। মই উলটি আহিলে তুমি কি ক'ব খোজা ক'বা। সদ্যহতে মই আহিলোঁ।" এইবুলি কৈ বাবাজী নৈলৈ গৈ তাত গা-পা তিয়াই স্নান-তৰ্পণ কৰি আস্ৰমলৈ আহি গোসাঁনী থকা ঘৰটোত সোমাই প্ৰায় ছয় দণ্ডমান বেলি সেৱা-পূজা কৰি ভোগঘৰত সোমাল। তাত জহা চাউলৰ ভাত, মুগৰ দালি, কাচকলা, আলু ইত্যাদিৰ শাক তৈয়াৰ কৰি গোটেইবিলাক গোসাঁনীৰ আগত লগালে আৰু আধা ঘণ্টামানৰ পিছত প্ৰসাদ উলিয়াই আনি এখন কলপাতত লৈ কেইটামান ভাত আৰু অলপ তৰকাৰী, এবাটি গাখীৰে সৈতে নি ধুনিৰ কাষতে সেই মানুহজনীক খাবলৈ দিলে। তাৰ পিছত তেওঁৰ চেলা শ্ৰৱণানন্দক আৰু চাকৰজনকো সেই প্ৰসাদ দি উঠি নিজে অলপ এমুঠি প্ৰসাদ লৈ আৰু গৰম গাখীৰ এবাটি পি বাবাজীয়ে তেওঁৰ আহাৰ শেষ কৰি ধুনি ঘৰলৈ আহিল। মানুহজনীয়ে প্ৰসাদ আৰু গাখীৰ খাই অলপ জিৰাইছিল। এনেতে বাবাজী সোমাই অহাত তাই দীঘল হৈ দণ্ডৱৎ দি পৰিল। বাবাজীয়ে ক'লে, "হা মা! তুমি কি কৰা। মোক সেৱা কৰিব নাপায়। মই কোনো মাইকী মানুহৰ সেৱা নলওঁ। মই সেৱা ল'লে, মোৰ অপৰাধ ঘটে।" মানুহজনীয়ে ক'লে,— "বাবা! কেলেইনো অপৰাধ ঘটিব। আপুনি সাধু-সন্ন্যাসী মানুহ। তদুপৰি আপুনি মোক মৰাৰ পৰা জীয়ালে। মই মৰিম বুলিয়েই কৃষ্ণৰ নাম লৈ তেওঁৰ গাতে সমস্ত দোষ থৈ পানীত জাঁপ দিছিলোঁ। পিছত মোৰ জীউ নগ'ল। আপুনি মোৰ পিতৃস্থানীয় আপোনাক সেৱা কৰিলে মোৰ কুশলহে হ'ব।"

বাবাজী— “মা! তুমি যি কৈছা হওতে সেইটো সঁচা। পিছত মা! তোমাক মই এইটো জনাওঁ যে মই মাতৃ পূজক তান্ত্ৰিক। মোৰ আৰাধ্য দেৱী গোসাঁনী। সেইদেখি মা! মই সংসাৰত সকলো তিৰোতাকে মাতৃস্বৰূপ যেন দেখি মইহে স্ত্ৰী-জাতিটোক সেৱা কৰোঁ। মই কোনো তিৰোতা মানুহৰে সেৱা গ্ৰহণ নকৰোঁ। সি যি কি নহওক মই মা! তোমাৰ দেহটো বালিৰ চৰত লাগি থকা দেখি তুলি আনি সেৱা-শুশ্ৰূষা কৰিলোঁ। তোমাৰ নাম কি, তুমি থাকা ক'ত, কেনেকৈ পানীত পৰিছিলা মোক ভাঙি-পাতি ক'বানে?”

বাবাজীৰ এই কথাত ৰহদৈয়ে (পাঠক অৱশ্যে আপোনাসকলে জানিছে এই মানুহজনী আমাৰ সেই পানৈীত জাঁপ মাৰি পৰা ৰহদৈয়ে) ক'লে,— “বাবা! মোৰ নাম ৰহদৈ। মোৰ জন্ম ঠাই সৌ সিপাৰৰ কমলাবাৰী গাঁৱত।” এইদৰে তাইৰ সকলো আদ্যোপান্ত বাবাৰ আগত কৈ এটাই চকুৰ পানী টুকি টুকি শেহত গ'লে,— “বাবা! মই যে কিয় পানীত নমৰিলোঁ ক'ব নোৱাৰোঁ। জাঁপ মাৰি পৰিছিলোঁ সিপাৰে, ইপাৰে আহি আপোনাৰ আশ্ৰমৰ ওচৰৰ ঘাটতনো কেনেকৈ লাগিলোঁ মই ক'ব নোৱাৰোঁ। অৱশ্যে মই এই মাত্ৰ ক'ব পাৰোঁ যে মই পানীত জাঁপ মাৰি পৰোতেই ডুবি পানীৰ তললৈ গৈছিলো; কিন্তু সৰহ বেলি পানীৰ তলত নাথাকিলোঁ কিয়নো মই সাঁতোৰ জানো। হয় প্ৰাণৰ মায়াত নহয় অভ্যাসৰ বলতেই ওপৰলৈ ওপঙি উঠিলো আৰু ওপৰত যদিও মই একপ্ৰকাৰৰ অজ্ঞান তথাপি হাত-ভৰি বোধকৰোঁ অলপ-অচৰপ লাৰিছিলোঁ। মই ইমানকে ক'ব পাৰোঁ, শেহত কিন্তু মোৰ আৰু কোনো জ্ঞান নাছিল।

## ষষ্ঠ অধ্যায়

## আশ্ৰমত

ৰহদৈৰ সমস্ত বৃত্তান্ত শুনি দীঘলকৈ হুমুনিয়া এটা কাঢ়ি আগমানন্দ স্বামীয়ে ক'লে,— “মা বৃত্তান্তটো দৰাচলতে বৰ দুঃখজনক অথচ শিক্ষাপ্ৰদ। তুমি তোমাৰ প্ৰথম যৌৱনৰ চেনেহৰ দেৱতা দয়াৰামক পাহৰিব নোৱাৰি ৰাণী পদকো তুচ্ছ কৰিলা? কু-চক্ৰান্তী ৰাজমাৰে আৰু লম্পট প্ৰকৃতিৰ ৰূপচিঙে চক্ৰান্ত কৰি তোমাক দয়াৰামৰ পৰা বিচ্ছেদ কৰিলে। মই যিমান দূৰ বুজিছোঁ ৰজাই তোমাক পুৰস্কাৰ দিহে বিদায় দিছিল আৰু দয়াৰামকো মুক্তি দিছিল; কিন্তু ৰাজমাৰে চক্ৰান্ত কৰি ৰজাৰ আদেশৰ লৰচৰ কৰি ভায়েক বৰবৰুৱাৰ হতুৱাই দয়াৰামক নগা পৰ্বতৰ ফাললৈ পঠালে। তুমি ঘৰলৈ গৈ অলপ কেইদিনমানহে মাৰ আৰু ভায়েৰৰ লগত বঞ্চিলা পিছত তোমাৰ মাতৃ আৰু ভাতৃ বিয়োগ হোৱাত তুমি দয়াৰামৰ পিতৃৰ ঘৰতে আশ্ৰয় ল'লাগৈ। তাতো তোমাক পাষণ্ড ৰূপচিঙে সুখেৰে থাকিব নিদি

অত্যাচাৰ কৰিব বিচৰাত তুমি তোমাৰ সতীত্ব ৰক্ষা কৰিবলৈ কৃষ্ণৰ নাম লৈ নৈত জাঁপ দিলা। মা! তুমি যে নৈত জাঁপ দি আত্মহত্যা কৰিব বিচাৰিছিলা তোমাৰ পক্ষে আৰু এনেকুৱা অৱস্থাত একো পাপ কাম হোৱা নাই। মই বুজিছোঁ তুমি পৰম ধাৰ্মিক, কৃষ্ণ প্ৰেমিকা গোপিনী। তেওঁৰ নাম লৈ যেতিয়া পানীত জাঁপ দিছিলা তেতিয়াই তেওঁ তোমাক মৰিব নিদিলে। পানীৰ তলতে তেওঁ হাত পাতি ধৰি তোমাক পানীৰ তলৰ পৰা ওপৰলৈ তুলি দিলে। তেৰেঁ তোমাৰ সৰুকালত শিক্ষা সাঁতোৰা অভ্যাসস্বৰূপে হৈ তোমাক ওপঙাই নৈৰ সোঁতে সোঁতে লৈ আহিল। নৈৰ সোঁত ঠায়ে ঠায়ে পোনে পোনে নগৈ টেৰা-বেঁকা কৰি ইপাৰৰ পৰা সিপাৰলৈ বৈ আকৌ ইপাৰে আহি খুন্দা খাই আকৌ হয়তো অলপ অলপকৈ টেৰা হৈ বয়। এনেকুৱা টেৰা হৈ যোৱা সোঁতে ঈশ্বৰ কৃষ্ণৰ ইচ্ছাত তোমোক আনি দীনহীনৰ ঘাটত চপাই দিলে। মা! কৃষ্ণ নাম বড় মধুৰ। মা! তুমি যেতিয়া জীৱন পালা তেতিয়া তুমি যদি ইচ্ছা কৰা মই তোমাক লৈ গৈ দয়াৰামৰ বাপেকৰ ঘৰতো থৈ আহিব পাৰোঁ— ইচ্ছা কৰা যদি মই নি আকৌ ৰজাকো গতাই দিব পাৰোঁ। কি ইচ্ছা কোৱা।"

ৰহদৈ— বাবা! দয়াৰামৰ বাপেকৰ ঘৰলৈ উলটি গ'লে মোৰ জীউটো অনাথিনি হ'ব, মোক ৰূপচিঙে আকৌ দিক্‌দাৰী কৰিব। ৰজাঘৰলৈ গ'লে ৰাণী মা হয়তো মোৰ নিমিত্তে অসুখী হ'ব মোৰ আকৌ হয়তো বেছি দুৰ্গতি হ'ব। সেই দেখি বাবা! মই কিছুকাল আপোনাৰ এই আশ্ৰমতে থাকি বাবাসকলৰ দাসীবৃত্তি কৰি, পাৰিলে তাৰ লগে লগে এফেৰা কৃষ্ণৰ ৰূপ চিন্তি তেওঁৰ নাম ল'ব খোজোঁ। বাবাই কৃপা কৰি দাসীৰ বাঞ্ছা পূৰণ কৰক।

আগমানন্দ— বাৰু মা! সেইদৰেই হওক। তুমি কোনো চিন্তা নকৰিবা ইয়াত তুমি সুখেৰে কাল নিয়াব পাৰিবা।

ৰহদৈ— বাবা! মই কৃষ্ণক কেনেকৈ ভাবিব লাগিব কেনেকৈ তেওঁৰ নাম ল'ব লাগিব মোক শিকাই দিবনে?

বাবাজী— মা! তোমাক শাস্ত্ৰৰ বিধানে সৈতে কৃষ্ণ চিন্তা, কৃষ্ণ সেৱা, কৃষ্ণনাম শিকাবলৈ হ'লে তুমি মোৰ ওচৰত দীক্ষা ল'ব লাগিব। পিছত মা! তোমাক দীক্ষা দিয়াৰ আগেয়ে মোৰ এফেৰা কৰ্ম আছে সেই কৰ্মফেৰাত মোক সহায় কৰিবানে?

ৰহদৈ— বাবা! মোৰ শক্তি থাকিলে মই নিশ্চয় সহায় কৰিম।

এই কথা-বতৰাৰ পিছত আগমানন্দ বাবা ওলাই আহিল। দুখুনী ৰহদৈয়ে নিজৰ চুৱাখন উলিয়াই পেলালে। তাৰ পিছত বাবাজী দুজনৰ চুৱা দুখন উলিয়াই

আনি বাচন-বৰ্তন কেডোখৰ ধুই-পখালি থ'লে। তাৰ পিছত নিজৰ ৰিহা-মেখেলাযোৰ চেপি মেলি দি গধূলি সামৰিলে। নিশা বাবাজীয়ে নিৰ্দেশ কৰি দিয়ামতে ইটো ঘৰত শুলে।

## সপ্তম অধ্যায়

## আশ্ৰমত

ইয়াৰ পিছদিনাই আগমানন্দ স্বামীয়ে বেলা চাৰিদণ্ডমান যোৱাতে গা ধুই পূজা-আহ্নিক কৰি অলপ কিবা-কিবি খাই-বৈ শ্ৰৱণানন্দক ৰহদৈৰ সম্পৰ্কে কিবা-কিবি কৈ পশ্চিমৰ মিৰিগাঁৱৰ ফালে গ'ল। তাত গৈ আগৰ সাঁচি থোৱা সোণৰ মোহৰ এটা দি মিৰিগাঁৱৰ পৰা তিনিটা পঠা ছাগলী আৰু তিনি টেকেলি মদ অকলে অকলে গৈ গধূলি আশ্ৰম পাই দেৱী ঘৰৰ ভিতৰত পঠা তিনিটা বান্ধি থ'লে আৰু মদৰ টেকেলি তিনটা থ'লে। তাৰ পিছত সেই নিশা সকলোৱে খাই-বৈ উঠাত ৰহদৈয়ে তাইক দিয়া ঘৰটোৰ ভিতৰত শুবলৈ সোমোৱাওতে আগমানন্দ তাইৰ ঘৰৰ ভিতৰত সোমাই তাই ধৰা জুইকুৰাৰ কাষত বহি ক'লে,— "মা, ৰহদৈ! তোক মই গল কালিয়ে কৈছো যে তই মোক মোৰ এটা কামত সহায় কৰিব লাগে। তইও প্ৰতিশ্ৰুত হৈছ। মা! তই ভয় নকৰিবি। মই কওঁ শুন। মই এজন ঘোৰ বামাচাৰী তান্ত্ৰিক। মা! এনেকৈ মোৰ ভালেমান বছৰ বয়স হৈছে। মই ভালেমান বছৰ বদৰিকাশ্ৰমত আছিলোঁ। তিব্বতৰ সমস্ত লামাৰ মঠত মই ফুৰিছোঁ। এই ভাৰতবৰ্ষৰো চাৰিওটা ধাম ফুৰিছোঁ। মোৰ এই দেহটো এৰিবলৈকো মুঠতে আৰু এবছৰ আছে। পিছত মা! এই সকলো সাধনাকে কৰিছোঁ— শব সাধনাদি কৰি এটালোঁ; কিন্তু মোৰ মাথোন একেটা সাধন বাকী আছে। এই সাধনটো কৰিবলৈ নাপালে মোৰ শেষ মুক্তি নহ'ব। এজনী সতী, সাধ্বী, অথচ অক্ষত যোনিৰ অতীব সুন্দৰী বা ৰূপহী গাভৰু নোপোৱাৰ কাৰণেই মই ইমান বছৰে সেই সাধনাটো কৰিব পৰা নাই। পিছত মা! মোৰ আৰাধ্যা ভাগৱতীৰ কৃপাত আজি ইমান বছৰৰ মূৰত তোক পাইছোঁ। তই অতুল ৰূপহী অথচ এই পৰ্যন্ত তোৰ কোনো পুৰুষে সৈতে সংসৰ্গ হোৱা নাই। সেইদেখি তয়েই মোৰ এই সাধনটো কৰোৱাবৰ যোগ্যা। তই যদি কৃপা কৰি কৰাৱ তেন্তে তোৰ এই দীনহীন সন্তানৰ উপকাৰ হয়। আৰু মোৰ এই সাধনটো সিদ্ধ হ'লে তই তাৰ পিছত দক্ষিণাস্বৰূপে যিহকে খোজ মই তাকে দিম। জানিবি মা! এইটো সাধন সিদ্ধ হ'লে মোৰ অসাধ্য একোৱে নোহোৱা হ'ব।"

ৰহদৈ— বাবা! মই যদি উঠি ফুৰিবলৈ হাতী এটা খোজো দিব পাৰিবনে?

বাবাজী— পাৰিম।

ৰহদৈ— যদি এখন ৰাজ্য খোজোঁ দিব পাৰিবনে?

বাবাজী— তাকো পাৰিম।

ৰহদৈ— যদি মই হীৰাৰ এধাৰ সাতসেৰী হাড় খোজোঁ তাকো দিব পাৰিবনে?

বাবাজী— মা! তাকো পাৰিম। তই নাজান— তোৰ কৃপাত বামাচাৰী তান্ত্ৰিকৰ কিমান ক্ষমতা!

ৰহদৈ— বাৰু বাবা! সাধনাটো কি? মইনো আপোনাক কিদৰে সহায় কৰিম?

বাবাজী— মা! মই সাধনাটো তোক ভাঙি-পাতি ক'ব নোৱাৰোঁ। পিছত মই কাইলৈ গধূলি প্ৰথমতে পঠা এটা বলি দি সেই পঠাৰ প্ৰসাদ খাই তোৰ ঘৰৰ ভিতৰলৈ আহি সাধনটো মাজনিশা কৰিম। তই মাথোন মই তোক যি কৰিবলৈ কওঁ ওজৰ-আপত্তি নকৰি তাকে কৰিব লাগিব।

ৰহদৈ— বাৰু বাবা আপুনি যেতিয়াই মোৰ জীৱন-দাতা তেতিয়াই আপুনি যিহকে কয় তাকে কৰিম, পিছত মই মোৰ মনৰ খুঁহধুঁহিৰ কথা এটা জনাওঁ।

বাবাজী—

ৰহদৈ— আপুনি কৈছে যে যদি আপোনাৰ মোৰ দ্বাৰা সাধনটো সিদ্ধি হয় তেন্তে আপুনি অষ্টসিদ্ধি সমস্তকে পাব, কিন্তু দুখুনীৰ কি লাভ হ'ব আৰু যদি সাধনটো সিদ্ধি নহয় তেতিয়া আপোনাৰ কি গতি হ'ব দুখুনীৰ কি গতি হ'ব।

বাবাজী— মা! মোৰ সাধনটো সিদ্ধি হ'লে তইও সেই সিদ্ধিৰ ভাগ পাবি। দক্ষিণাস্বৰূপে তই যিকে খোজ তাকে দিবলৈ বাধ্য হ'ম। যদি মোৰ সাধনটো সিদ্ধি নহয়, মই সংযম ৰাখিব নোৱাৰোঁ, তেন্তে মোৰ মাতৃগমনস্বৰূপ পাপ হৈ তোৰ আগতে সেই ঠাইতে গুহ্যদ্বাৰেদি মোৰ প্ৰাণ বহিৰ্গত হ'ব, মই ঘোৰ ৰৌৰৱ নৰকত পৰিম। তোৰ একো নহয়। তোৰ কোনো পাপ নহ'ব। তই মোৰ মৃত্যুৰ বাবেও ঈশ্বৰৰ ওচৰত, কৃষ্ণৰ ওচৰত দায়ী নহ'বি। কিয়নো সাধনটো মইহে ইচ্ছা কৰি কৰিম। মোৰহে গৰজটো।

ৰহদৈ— বাবা! এনেকুৱা কঠিন সাধনৰ আৱশ্যক কি? নকৰিলেই দেখোন হয়।

বাবাজী— কি কৰিম মা! নকৰিলে নহয়। যেতিয়াই এই কঠিন বামাচাৰী মাৰ্গটো লৈ গুৰুৰ আগত প্ৰতিশ্ৰুত হৈ ৰৈছোঁ তেতিয়াই এই সেই সাধনটোও কৰিব লাগিব, তেহেলৈ মা ভাগৱতীয়ে যি কৰে।

## অষ্টম অধ্যায়

## সাধন নে ব্যভিচাৰ?

ইয়াৰ পিছদিনা আগমানন্দ স্বামীয়ে ৰাতিপুৱাৰে পৰা দেৱী পূজাৰ নিমিত্তে এটা ডাঙৰ আয়োজন লগালে। ৰাতিপুৱাৰে পৰা ফুল, বিশেষকৈ ৰক্তজবা ফুল, বেলপাত ইত্যাদি গোটালে। ৰক্ত চন্দন পিহি ল'লে। ৰাতিপুৱা গা-পা ধুই শংখ-ঘণ্টা বজাই গোসাঁনীৰ পূজা কৰিলে। পুৱাৰ বেলাৰ ভোগ অন্ন ব্যঞ্জন তৈয়াৰ কৰি গোসাঁনীত লগাই আশ্ৰমৰ তিনিওজনকে ভগাই-বটাই দিলে। নিজে সমস্ত দিন উপবাসে ৰ'ল। গধূলি হলত বাবাজীয়ে গোসাঁনী ঘৰৰ দুৱাৰখন মাৰি বাহিৰত শ্ৰৱণানন্দৰ হতুৱাই শংখ-ঘণ্টা বজোৱাই পঠা এটা গোসাঁনীৰ আগত বলি দি লৈ তাৰ পিছত গোসাঁনীক সেৱা-পূজা কৰি পঠাটো কাটি-বাছি মাংস তৈয়াৰ কৰি লৈ সেই মাংস প্ৰায় দুসেৰমান ডোখৰে ডোখৰে এসেৰমান ঘিউত ভাজি ল'লে। বাকী মাংস শ্ৰৱণানন্দৰ হতুৱাই বেলেগ তৰকাৰী ৰন্ধাই অন্নে সৈতে শ্ৰৱণানন্দ, ৰহদৈ বাৰীচোৱা চাকৰ এই তিনিজনক পেটভৰি খুৱালে। তাৰ পিছত সকলোৰে খোৱা হ'লত আগমানন্দই গোসাঁনীৰ আগত সেই ভজা মঙহ আৰু এটেকেলি মদ নিবেদন কৰি লৈ গোটেই টেকেলি মদ মুখত কলকলকৈ ঢালি দি পিলে। তাৰ পিছত ভজা মঙহবিলাক ডোখৰে ডোখৰে খালে। খাই-বৈ কিছু কিছু ভজা মঙহ ঠাল এখনত লৈ আৰু লগতে ধূপ, দীপ, ভাত আৰু মঙহৰ নৈবেদ্য আৰু এযোৰ শাৰী কাপোৰ লৈ মাজনিশামান হওতে ৰহদৈৰ ঘৰৰ ভিতৰত সোমাই দুৱাৰ বন্ধ কৰি ল'লে আৰু প্ৰায় দুঘণ্টামান বেলিৰ পিছত ওলাই আহি নিজৰ ধুনিৰ কাষত পৰি থাকিল। তাৰ পিছৰ দুদিনতো আগমনান্দই সেইদৰে সাধন কৰিলে। আগমানন্দৰ সাধন হেনো সিদ্ধি হ'ল। পাঠক-পাঠিকা, ৰহদৈক লৈ দুৱাৰ-ঘৰ মাৰি আগমানন্দই মদ-মঙহ খাই লৈ কিটো সাধন কৰিলে আমি ক'ব নোৱাৰোঁ। কামাখ্যাত এবেলি এজন ভাটিৰ জমিদাৰে এজনী বামুণৰ কুমাৰী ছোৱালীৰ ভৰি দুখানত ধূপ, দীপ, নৈবেদ্য, বস্ত্ৰ, টকা ইত্যাদি দি পূজা কৰা নিজ চকুৰে দেখিছোঁ কিন্তু গাভৰু বিশেষ ৰহদৈৰ নিচিনা ৰূপৱতী গাভৰুক তান্ত্ৰিকে কিটো সাধন কৰে পাঠক-পাঠিকাসকল, আমিতো ক'ব নোৱাৰোৱেই বোধকৰো আনেও ক'ব নোৱাৰে। সৰ্বসাধাৰণে হয়তো ইয়াতেই ব্যভিচাৰ দেখে; কিন্তু আমি ডাঠি ক'ব নোৱাৰোঁ ই এটা নিৰ্দোষ সাধন নে ব্যভিচাৰ। আমাৰ মনেৰে ইও এটা নিৰ্দোষ সাধনেই হ'ব পায়।

## নৱম অধ্যায়

## যোগবল নে মেছমেৰিজম?

এইদৰে তিনি নিশা সাধন কৰা হ'লত চতুৰ্থ দিনা স্বামী আগমানন্দই পুৱাই স্নান-আহ্নিক পূজা-পাতল কৰি উঠি শ্ৰৱণানন্দক গোসাঁনীৰ নিৰামিষ ভোগ তৈয়াৰ কৰিবলৈ দি নিজৰ ধুনিৰ ওচৰত বহি ৰহদৈক মাতি নি সেৱা এটা কৰি ক'লে,— "মা! তোৰ কৃপাত এই দীন-হীন অধম সন্তান আগমানন্দৰ সাধন সিদ্ধি হ'ল। মা! এতিয়া ক তোক কি দক্ষিণা লাগে। যদি তই ৰাণী হ'ব খোজ তেন্তে তোক মই লৈ গৈ চন্দ্ৰকান্ত ৰজাৰ অতি প্ৰিয়তমা ৰাণী পাতি দিব পাৰোঁ। কি ৰূপচিং, কি ৰাজমাও, কি ৰজাৰ বৰ ৰাণী কেৰে তোক একো কৰিব নোৱাৰিব। যদি তই ধনবিত খোজ তেন্তে মই তোক ভিক্ষা কৰি আনি হ'লেও লক্ষ মোহৰ দিম। যদি কোনোবা দেশত জমিদাৰিণী হ'ব খোজ তেন্তে তোক মই কোনো এঠাইত জমিদাৰিণী পাতিও থৈ যাব পাৰোঁ। ক মা! তোক কি লাগে।"

ৰহদৈ— বাবা! মই আগেয়ে কৈছো মোক ৰাণী পদ নালাগে। ঐশ্বৰ্য বিভূতি নেলাগে।

আদমানন্দ— তেন্তে ক! তোক দয়াৰামক লাগেনে? যদি দয়াৰামক লাগে মই তাকে দিব পাৰোঁ।

ৰহদৈ— বাৰু বাবা! কওকচোন দয়াৰাম জীয়াই আছেনে?

আগমানন্দ— (অলপ পৰ সোঁ নাকটো টিপি) মা! সি জীয়াই আছে।

ৰহদৈ— বাৰু কওকচোন সি ক'ত আছে?

আগমানন্দ— (আকৌ নাক টিপি ধ্যান কৰি) মা! সি কমলাবাৰী সত্ৰত আছে— ভকত হৈছে গ'ল কালি।

ৰহদৈ— বাবা! মই তাক ইয়াৰে পৰা দেখিব পাৰিমনে?

বাবাজী— পাৰিবি। কিন্তু এতিয়া তই তাৰে সৈতে কথা হ'ব নোৱাৰিবি। নিশা যেতিয়া সি শোৱে তেতিয়া তাৰে সৈতে তোৰ জীউটো গৈ কথাও হ'ব পাৰিবি।

ৰহদৈ- তেন্তে বাবা! মোক এতিয়াই আপুনি তাক দেখুৱাওক।

বাবাজী— (হাঁহি) "বাৰু! তই বহ, মই এফেৰা গুণমন্ত্ৰ কৰোঁ। ভয় নকৰিবি।" এই বুলি কৈ বাবাজীয়ে সেই নিজৰ হাত দুখন ৰহদৈৰ মূৰৰ ওপৰত থৈ এবাৰ মাথোন হাত দুখন তললৈ নমাই দিলে সেই ৰহদৈ ঘোৰ ধ্যানস্থ অৱস্থাত পৰিল। তেতিয়া আগমানন্দই ক'লে— "মা' তই যা সত্ৰলৈ সোমাই যা। চা দয়াৰাম ক'ত আছে।"

ৰহদৈ— (তন্দ্ৰাৱস্থাতে অলপ ৰৈ) "বাবা! তেওঁ সেয়া নামঘৰত আন আন ভকতৰ লগত নাম গাইছে।"

বাবাজী— "তইও সোমাই যাচোন পাৰ যদি।"

ৰহদৈ— (অলপ পৰ ৰৈ) "বাবা! মই সোমাব নোৱাৰো। মোৰ সাধ্য নাই। পূৰ্বাপৰ ৰীতি আছে মাইকী মানুহ অসমৰ সত্ৰৰ নামঘৰৰ ভিতৰলৈ সোমাব নাপায়। মোৰ বাট এজনা কৃষ্ণৰ বলৱন্ত গোৰালে ভেটি ধৰিছে।"

বাবাজী— "তেন্তে পিৰালিতে অলপ পৰ ৰ! সি এতিয়াই নামগোৰা হ'লে ওলাই আহিব। তেতিয়া তাক দেখিবি।" এই কথা ৰহদৈয়ে অলপ বেলি নিতাল মাৰি ফেঁকুৰি ফেঁকুৰি কান্দি সেই তন্দ্ৰাৱস্থাতে পৰি পৰি ৰ'ল। তাৰ পিছত সাৰ পাই ৰহদৈয়ে ক'লে,— "বাবা! কি দেখুৱালা, মই তেওঁৰ লগত কথা হ'বলৈ নাপালো। কথা কেনেকৈ হওঁ।"

বাবাজী— মই এতিয়াই তোমাক আকৌ তন্দ্ৰত পেলাই তাক সচিততে তোমাৰ ছায়া ৰূপটো দেখুৱাই কথাও তোমাৰ হতুৱাই সোধাব পাৰোঁ কিন্তু সি তোমাক ভূত বুলি ভাবি ভয় কৰিব আৰু তাৰ লগে লগে তাৰ মস্তিষ্কও বিকৃত হ'ব পাৰে। সেইদেখি নিশালৈ বাট চোৱা। নিশা তাৰ টোপনি আহিলে তোমাৰ জীউটোৱে গৈ তাৰ জীউটোৰ লগত স্বপ্নাৱস্থাত থকা সকলো কথা-বতৰা হ'ব পাৰিব। নিশালৈকে ধৈৰ্য ধৰা। মই এইটোও তোমাক কৰাই দিম।

ৰহদৈ— ধন্য মোৰ বাবা! ধন্য তোমাৰ ক্ষমতা।

## দশম অধ্যায়

## যোগবল নে মেছমেৰিজম?

ইয়াৰ পিছত যেতিয়া গধূলি হ'ল, আৰু বাবাজী, শ্ৰৱণানন্দ, ৰহদৈ সকলোৱে খাই-বৈ এটালে তেতিয়া ৰাতিপুৱা স্থিৰ কৰা মতে ৰহদৈক বাবাজীয়ে আকৌ সেইদৰে হাতেৰে মূৰৰ পৰা ভৰিলৈকে মুঠেই একে বাৰ হাতবুলনি দি তন্দ্ৰাত পেলাই ক'লে,— "বাৰু মা! তই এতিয়া তোৰ দয়াৰামৰ জীউটোৰ ওচৰলৈ যা। সি টোপনিত পৰিব পায়।" বাবাৰ এই আদেশত ৰহদৈয়ে অলপ পৰ তন্দ্ৰাত পৰি থাকি ক'লে,— "মই ৰহদৈ!"

* * *

"তোমাক চাবলৈ আৰু সুধিবলৈ কি কাৰণতনো তুমি সংসাৰ ত্যাগ কৰি উদাসীন হৈছা।"

* * *

ৰহদৈ— হাঁয়! হাঁয়! আপুনি অকল এই দুখুনীৰ নিমিত্তেই এনেকৈ উদাস ধৰ্ম ধৰিলে। আপুনি আন এজনী বিয়া কৰাই দেউতাৰৰ মনত সন্তোষ লগাই গৃহস্থী নকৰিলে কেলেই!

* * *

ৰহদৈ— নাথ! নাথ! মইতো এতিয়া মৰা নাই জীয়াই আছোঁ। পিছত মোক যদি আপুনি সশৰীৰে পায় তেন্তে আপুনি উদাস ধৰ্ম ত্যাগ কৰিব পাৰিবনে?

* * *

ৰহদৈ— "নাথ! মোৰ পাপিনীৰ নিমিত্তে আপুনি শপত ভংগ কৰি নৰকগামী হ'ব নালাগে! আপোনাৰ মোৰে দৈহিক মিলন অসম্ভৱ হ'ল। হ'লে উভয়ৰ মহাপাপ হৈ দুয়ো ৰৌ-ৰৌৰা নৰকত পৰিম। সেইদেখি নাথ! আপুনি যি কৃষ্ণৰ চৰণত আশ্ৰয় লৈছে মইও সেই চৰণতে আশ্ৰয় লৈ আপেনাক মোৰ কৃষ্ণ বুলি ভাবি, কৃষ্ণৰ ধ্যান ধৰি, নাম গাই এই জীৱনটো কটাম। আত্মাই আত্মাই মই আপোনাৰ সহধৰ্মিণী, আপুনি মোৰ স্বামী, মোৰ ঈশ্বৰ!" এই বুলি কৈ ফেঁকুৰি ফেঁকুৰি বেচেৰীয়ে কান্দি সাৰ পায় আকৌ "উস, ৰাম! প্ৰভু কৃষ্ণ!" এই বুলি কৈ বাবাক সেৱা কৰি ক'লে,— "বাবা! আপোনাৰ কৃপাত মোৰ জীৱটোৱে তেওঁৰ জীৱটোৱে সৈতে কথা-বতৰাও হ'ল। তেওঁ আৰু "মায়াৰ মুখ নাচাম" বুলি শপত কাঢ়ি প্ৰতিজ্ঞা কৰি উদাস ধৰ্ম লৈছে। এতিয়া তেওঁৰে মোৰে আৰু দৈহিক বা সাংসাৰিকভাৱে স্বামী-স্ত্ৰীৰ সম্বন্ধ হ'ব নোৱাৰে সেই কাৰণে বাবা! মোক এতিয়া দক্ষিণা লাগে।"

বাবাজী— কি লাগে মা কোৱা!

ৰহদৈ— বাবা! মোক কৃষ্ণৰ মন্ত্ৰ দিয়ক। মোক কৃষ্ণক চিন্তিবলৈ তেওঁৰ নাম গাবলৈ শিকাওক। আৰু ইয়াৰ লগে লগে মোৰ এই ভুৱনমোহিনী ৰূপটো— যি মোক সকলোৰে লোভৰ বস্তু কৰি মোৰ জীৱনটো দুখীয়া কৰিলে— আপুনি গুচাই মোক আপোনাৰ যোগবলেৰে দেখিবলৈ এলাগী অথচ চৰিব ফুৰিব পৰা শক্তি থকা তিনিকুৰি বছৰীয়া বয়সীয়া বুঢ়ী মানুহ এজনীৰ ৰূপ দিয়ক— যাতে মই শান্তিৰে কাৰো মনত মোৰ দেহটোলৈ স্পৃহা নজন্মাই সুখেৰে শান্তিৰে কৃষ্ণৰ নাম লৈ ফুৰিব পাৰোঁ। কৃষ্ণৰ নাম দহজনক বিলাবও পাৰোঁ।

আগমানন্দ— "মা! তোমাক কৃষ্ণ মন্ত্ৰ দি কৃষ্ণৰ ধ্যান কৰিবলৈ, কৃষ্ণৰ নাম ল'বলৈ সহজে শিকাব পাৰোঁ. কিন্তু তোমাৰ ৰূপ বদলোৱাটো টান। সেইটো মই কৰিব পাৰিম নে নোৱাৰিম সদ্যহতে এমাহৰ আগেয়ে তোমাক ক'ব নোৱাৰোঁ। কাইলৈ মই নিশা তাতে থকাকৈ মিৰিগাঁৱলৈ যাম। পৰহিলৈ উলটিম। তুমি যদি পৰহি ৰাতিপুৱাৰে পৰা উপবাসে থাকা তেন্তে মই উলটি আহি পৰহি গধূলিয়েই

হওক বা পিছদিনা ৰাতিপুৱাই হওক তোমাক কৃষ্ণ মন্ত্রত দীক্ষিত কৰিম। কিন্তু মা! দীক্ষা লোৱাৰ আগেয়ে ভাবি-চিন্তি বঢ়িয়াকৈ চাবা তোমাৰ মনত সংসাৰ কৰিবলৈ লেশমাত্রও ভাব আছেনে। যদি তোমাৰ মনত তেনেকুৱা এফেৰি মনোভাৱ থাকে তেন্তে তুমি দীক্ষা ল'ব নোৱাৰিবা। তুমি যাকে তাকে এজন পুৰুষক বিয়া কৰাই প্ৰথমে তোমাৰ পূৰ্বাপৰ সত্ৰৰ ওচৰত শৰণ ল'ব লাগিব তাৰ পিছত স্বামী-স্ত্রী উভয়ে একেলগে মন্ত্র গ্রহণ কৰি দীক্ষিত হ'ব পাৰিবা— সেইদেখি মই তোমাক কালিৰ দিন-ৰাতিটো আৰু পৰহিৰ দিন-ৰাতিটো ভালকৈ ভাবি-চিন্তি চাবলৈ দিলোঁ।” এই কথা কৈ আগমানন্দ স্বামী নিজৰ ধুনিৰ ওচৰত আসনত বিশ্রাম ল'লেগৈ। আমাৰ ৰহদৈয়েও নিদ্রাদেৱীৰ কোলাত বিশ্ৰাম ল'লে।

## একাদশ অধ্যায়

### শ্ৰৱণানন্দ

পিছদিনা নিশা ৰহদৈক কোৱামতে আগমানন্দ স্বামী মিৰি গাঁৱলৈ গৈ নিশা তাতে ৰ'ল। ইপিনে সেই নিশা আচল ধুনি ঘৰটোত বাৰী-চোৱা বুঢ়াটোৰ টোপনি আহিলত শ্ৰৱণানন্দ ৰহদৈৰ ঘৰৰ ভিতৰলৈ আহি তাইৰ ধুনিৰ কাষত বহি ৰহদৈক ক'লে— “গাভৰু! তোমাৰ ৰূপটো বৰ মনোমোহা। মই তোমাক দেখিবৰে পৰা আজি এই সাত-আঠ দিনে তোমাৰ ৰূপত বলিয়া হোৱা দি হৈছোঁ। মোৰ যোগ ধ্যান সকলো মিছা হৈছে। তুমি মোত ভজা। মই তোমাক পলুৱাই পশ্চিমৰ ফালে গৈ বিয়া কৰাই ৰজাৰ ৰাণী সদৃশকৈ ৰাখিম।”

ৰহদৈ— “কি ক'লা বাবাজী? তুমি আগমানন্দ মহাপুৰুষৰ চেলা নোহোৱানে? মহাপুৰুষে তোমাক এইটো শিক্ষাকেহে দিছেনে? মাতৃসেৱক হৈ মাতৃগমন কৰিবলৈ বিচাৰানে? তুমি এতিয়াও বুজিব পৰা নাইনে মই কিটো বেজাৰত পানীত জাঁপ দি মৰিবলৈ বিচাৰিছিলোঁ? মই এই পৱিত্ৰ ধামত— শান্তিৰ ঠাইতো শান্তি নাপামনে? ধন্য মোৰ এই কালস্বৰূপ ৰূপটো। বাবাজী, তুমি যি এবাৰ ক'লা, ক'লা আৰু দ্বিতীয়বাৰ যদি তুমি এনেকুৱা পাপ কথা কোৱা তেন্তে মই নিশ্চয় তোমাৰ আগতে এই ধুনিতে পুৰি মৰিম। তুমি ভালে ভালে ওলাই যোৱা।” ৰহদৈৰ এই কথা শ্ৰৱণানন্দ ওলাই আহি নিজৰ আসনত পৰি থাকিল। ৰহদৈয়ে আকৌ প্ৰায় ওৰে নিশাটো কান্দি কটালে। তাৰ পিছদিনা দিনৰ দিনটো লঘোণে আছে, বাবাই কৃপা কৰি মন্ত্র দিব লাগে। ৰহদৈৰ এই কথা শুনি আগমানন্দই ক'লে— “মা' কাইলৈ পুৱা মই পূজা-সেৱা কৰি উঠি তোমাক কৃষ্ণ মন্ত্র দিম। আজি নিশাটোত তুমি যৎসামান্য মোৰ এই যৱধানৰ ৰুটি আৰু গাখীৰ খাই পৰি থাকা।”

## দ্বাদশ অধ্যায়
## আশ্ৰমত

বাবাজীৰ আদেশ পালন কৰি বেচেৰী ৰহদৈ নিশা যৱৰ ৰুটী খাই পৰি থাকিল। ৰাতি পুৱাওঁ পুৱাওঁ হওতে এটা সপোন দেখি ৰাম কৃষ্ণ স্মৰণ কৰি উঠিল। বাবাজীও উঠি নিত্য-নৈমিত্তিক কৰি স্নান-আহ্নিক পূজা-সেৱা কৰিলে। ৰহদৈয়েও গা-পা তিয়াই ঈশ্বৰ কৃষ্ণক চিন্তি দেৱী ঘৰৰ ভিতৰলৈ গৈ বাবাজীৰ সন্মুখত পাৰি থোৱা কঠ এডোখৰত বহিল। বাবাজীয়ে সুধিলে,— "মা! তই সম্পূৰ্ণ মন স্থিৰ কৰিলিনে?"

ৰহদৈ— বাবা! মই কৃতসংকল্প। যদি বাবাই মোক কৃপা কৰি কৃষ্ণ মন্ত্ৰ নিদিয়ে তেন্তে মই আকৌ ইবেলি হয় জুইত পুৰি মৰিম নহয় পানীত জাঁপ দিম। মোৰ এই কালৰূপটোকে বাবাই বদলাই দিব লাগিব।

আগমানন্দ— মা! বাৰু তোক সদ্যহতে মই কৃষ্ণ মন্ত্ৰ দিওঁ। পিছত অতি কমেও পোন্ধৰ দিনৰ পিছতহে তোৰ ৰূপ বদলোৱাৰ বিষয়ে কম। তই সাজু হৈছ মন্ত্ৰ ল'বলৈ?

ৰহদৈ— হৈছোঁ।

বাবাজী— সংসাৰ ধৰ্ম পালন নকৰো বুলিছ?

ৰহদৈ— বাবা! মই আৰু গৃহস্থী নকৰোঁ।

বাবাজী— তেন্তে মা! মোৰ দোষ নাই, মোৰ পাপো নাই। আমি হঠাতে কাকো মন্ত্ৰ দি চেলা বনাই গুৰুগিৰি নকৰোঁ কিয়নো আমাৰ মতে জীৱক তাৰ প্ৰবৃত্তি অনুৰূপ কাম কৰিবলৈ বাধা দিয়াটো পাপ। যি যিটো সুখ বিচাৰে সি সেইটোকে ল'ব তাক সেই সুখৰ পৰা বঞ্চিত কৰিব নোখোজো। যদি সেই সুখটো বিচাৰি বা লভি পৰিণামে তাৰ পৰা দুখ পায়, তেন্তে সেই জীৱই নিজে নিজে সৎ পথলৈ উলটিব। সেইদেখি আমি তান্ত্ৰিকে আনকি ওখ শ্ৰেণীৰ যোগী ঋষিসকলে হঠাতে শিষ্য ভজাই নুফুৰোঁ। তোক মই দঢ়াই দঢ়াই কৈ চালো সংসাৰ কৰিবলৈ। তই নকৰ সংসাৰ। তেন্তে তোক একেবাৰে উদাসভাৱে কৃষ্ণৰ মন্ত্ৰ জপিবলৈ দিওঁ। এই বুলি কৈ বাবাজীয়ে ৰহদৈক কৃষ্ণৰ যোল্ল অক্ষৰী জপ দিলে। কৃষ্ণৰ যুৱা অৱস্থাৰ মূৰ্তিটোৰ ধ্যান দিলে। আমাৰ অসমৰ শংকৰ-মাধৱদেৱ মহাপুৰুষে যি গীত-পদ নাম ৰচি থৈ গৈছে তাকে গাবলৈ উপদেশ দিলে। মন্ত্ৰ পাই উঠিয়েই ৰহদৈয়ে গালে—

**ৰাগ ভাটিয়ালী**

মোক দেখিয়ো কেনে, অহে জগন্নাথ,
মই বৰ পাপৰ পাপী।
সংসাৰ কূপত পৰিয়া তোমাৰ
চৰণে নধৰোঁ চাপি।।

**পদ**

কত তপসাই নৰ তনু পাই
গোৱাইলো বিষয় ভোলে।
যেন চিন্তামণি অমূল্য ৰতন
বিকাইলো কাচৰ মোলে।।
দেৱে নাহি পায় মানৱী হইবাৰ
মই পাপী অসীয়া পাইলোঁ।
তোমাৰ ভকতি অমিয়া তেজিয়া
বিষয় গৰল খাইলোঁ।।
লোভ মোহ কাম ক্ৰোধ মদ মান
ইসব বৈৰীৰ সঙ্গে।
আপোন ইচ্ছায়ে পাপ আচৰিয়া
বেৰাইলো মনত ৰঙ্গে।।

মন্ত্ৰ পাই উঠিবৰে পৰা বেচেৰী ৰহদৈৰ কবিত্ব শক্তি আপোনা আপুনি ফুটি উঠিল। দিনে-নিশাই বেচেৰীয়ে কৃষ্ণ মন্ত্ৰ জপিব ধৰিলে কৃষ্ণৰ ধ্যান ধৰিলে, আৰু পুৱা-গধূলি সৰুতে মাক-বাপেকৰ মুখে শুনা কীৰ্ত্তনৰ পদ-ঘোষাবিলাক আপোনা আপুনি সুঁৱৰি সুঁৱৰি গাবলৈ ধৰিলে। এইদৰে আঠদিন জপ কৰাৰ পিছত আমাৰ ৰহদৈয়ে নিশা এটা সমাজিক দেখি নদিনৰ দিনা পুৱাই শুই উঠি আগমানন্দ স্বামীক ক'লে,— "বাবা! মই কালি নিশা এটা সপোন দেখিলো। মন্ত্ৰ পাবৰ আগনিশাও সপোন এটা দেখিছিলো।"

আগমানন্দ— বাৰু কচোন মা! আগৰ সপোনটোত কি দেখিছিল আৰু কালি কি দেখিছিলি?

ৰহদৈ— বাবা। আগৰ সপোনটোত মই (আপুনি মিৰি গাঁৱলৈ যোৱা নিশা) দেখিছিলোঁ মোৰ ওচৰলৈ যেন মই ভালপোৱা সেই দয়াৰাম আহি মোক কৈছিল— "প্ৰিয় ৰহদৈ! তই যে কৃষ্ণৰ মন্ত্ৰ ল'বলৈ ওলাইছ মই ইয়াত বৰ আনন্দ পাইছোঁ।

তোৰে মোৰে সাংসাৰিকভাৱে স্ত্রী-পুৰুষৰ সম্বন্ধ হোৱাটো যেতিয়াই অসম্ভৱ হ'ল তেতিয়াই তইও মোৰ দৰে তোৰ দেহ-মনটো কৃষ্ণতে সমৰ্পণ কৰিলে উভয়ৰে ভাল হ'ব।" মই সপোনটো দেখি মন্ত্র ল'বলৈ দুগুণ উৎসাহ পাইছিলোঁ। গ'ল নিশাৰ সপোনত দেখিছোঁ মই যেন তাহানি পিতৃগৃহত আছোঁ। যেন পুৱতী নিশা হৈছে। এনেতে যেন দূৰত সুন্দৰ সুললিত প্রভাতী গীত গাই কোনোবাই বাঁহী এটা বজাইছে। মই যেন সাৰ পাই শুনো বাঁহীৰ মাতটো বৰ মিঠা আৰু সেই মিঠা মাতটোৱে যেন মোক আকুল কৰি তুলিলে। মই যেন ঘৰত ৰ'ব নোৱাৰি সেই শব্দৰ ফালে উত্ৰাৱলী হৈ যাবলৈ ধৰিলোঁ। গৈ গৈ যেন অন্ত নাপাওঁ। এনেতে যেন আগত নৈ এখন পালোঁ। কাণ উনাই যে শুনো নৈৰ সিপাৰেহে বাঁহীটো বাজিছে। মই নৈখন পাৰ হ'বলৈ বৰকৈ কলমলাব ধৰিলোঁ। ইচ্ছা হৈছিল যে জাঁপ মাৰি নৈত পাৰি সাঁতুৰি যাওঁ। এনেতে দেখোন ভাগ্যক্রমে আঠজনীমান মানুহে সৈতে নাৱৰীয়া এজনে এখন নাও ভাটিফালৰ পৰা উজাই আনিছে আৰু খেৱা মেলিবলৈ মই থিয় হৈ থকা ঠাইডোখৰৰ সমুখ পালে। মই যেন সুধিলোঁ হেৰা নাৱৰীয়া ককাই! তোমাৰ নাও ক'লৈ নিবা। তেলকলীয়া অথচ দেখিবলৈ ধুনীয়া সেই নাৱৰীয়াজনে ক'লে,— "গাভৰু! মোৰ নাও সিপাৰলৈ নিম। এইখিনিৰে পৰা খেৱা মেলিম।" মই যেন ক'লো,— "নাৱৰীয়া ককাই! কাবৌটি কৰিছো মোকো নিয়া। বাইটিহঁতৰ লগত ময়ো যাওঁ।" এই কথা নাৱৰীয়াজনে যেন ক'লে— "গাভৰু! এইখন নাৱত আৰু মানুহ নধৰে। কেনেকৈ তোমাক নিম।" মই ক'লো— "নহয় ককাই! মোক নিবই লাগে। আঠজনী নিব পাৰিছা যেতিয়া মোকো নিব পাৰিবা।" নাৱৰীয়াই ক'লে— "গাভৰু মোৰ নাৱৰ মাচুল দিব পাৰিবানে?" মই ক'লো— "ককাইটি! মাচুলনো কিমান?" তেওঁ যেন ক'লে— "মাচুল টকা টকা। পিছত তুমি জানো ৰূপ এটকা আনিছা?" মই ক'লো— "মোৰ হাতত ফুটা কড়ি এটাও নাই। মইনো ৰূপ ক'ৰ পৰা দিম?" নাৱৰীয়াই ক'লে— "তেন্তে তোমাক নিব নোৱাৰো।" এই বুলি যেন খেৱা দিব ওলাল। মই যেন কান্দি কান্দি ক'লো— "ককাই! তিৰী বধে চুব মোকো নিয়া।" নাৱৰীয়াই ক'লে— "উস্ ৰাম ৰাম। তুমি এনেকুৱা শপত দিব নালাগিছিল। তোমাৰ হাতত ফুটা কড়ি এটাও নাই; অথচ গৰাকীৰ বিনা হুকুমে মই পইচা নোলোৱাকৈ পাৰ কৰিবও নোৱাৰোঁ। বাৰু যি কি নহওক তোমাৰ কাণত যে সেই সোণৰ থুৰীয়া যোৰ আছে তাকে মোক দিব পাৰিলে মই পাৰ কৰিব পাৰোঁ।" তেওঁৰ কথাত মই মোৰ ভাব হ'ল, থুৰীয়ানো এটি কি বস্তু। মই ক'লো— "ককাই! সত্যে সত্যে মই তোমাক কাণৰ থুৰীয়াযোৰকে দিম তেও মোক পাৰ কৰা।" মোৰ এই কথাতে নাৱৰীয়াই যেন মোক নাৱত তুলিলে। নাও খেৱা দিলে।

কিছুদূৰ গৈ যে দেখোঁ সেইখিনি নৈ নহয় এখনি সৰোবৰহে। পানী অচল, নির্মল আৰু সৰোবৰখনিত যেন ঠায়ে ঠায়ে আমাৰ নাও যোৱা দাৰাৰ কাষে কাষে ডাঙৰ ডাঙৰ নীলা, ৰঙা, বগা তিনিবিধ পদুম ফুল ফুলি আছে। পদুমৰ মাজে মাজে এই সৰোবৰখনত যেন এযুৰি সুন্দৰ বগা ৰাজহাঁহ চৰিব লাগিছে। মোৰ এনেকুৱা ভাব হ'ল যেন মযো এজনী ৰাজহাঁহিনী হৈ তাত চৰিমগৈ। এনেতে সেই সৰু দাবাটো এৰি আমাৰ নাও যেন আকৌ বহলত পৰিল। পাৰ যেন দূৰৰ পৰা দেখিছো— এনেতে যেন উজাই আহিব ধৰিলে। ডাৱৰৰ লগে লগে কোবাল বতাহ বলে। অলপ আগতে থিৰ হৈ থকা সাগৰখান যেন ঢৌৰে উপচি পৰিল। নাৱে যেন টলংভটং কৰিব ধৰিলে। আমি কেইজনী যেন প্ৰথমতে ভয়ত বিহ্বল হৈ "হে প্ৰভু, ৰক্ষা কৰা" বুলি চিঞৰিব ধৰিলোঁ। নাৱৰীয়াজনে আমাক ক'লে— "গাভৰুসকল! ভয় নকৰিবা। থিৰেৰে বহি থাকাহঁক— কাটি-কুটা নকৰিবা। যদিও মোৰ নাওখন পুৰণি তথাপি ইয়াৰ তলি বহল, ই শকত। তাতে মই বহুদিনীয়া পুৰণি গুৰিয়াল। মই থকাত নাও ডুবিব নোৱাৰে। তোমালোকে ঢৌৰ ছেৱে ছেৱে কৃষ্ণৰ নাম-পদ গোৱা।" নাৱৰীয়াৰ এই কথাত যেন আমি সুস্থিৰ হৈ আমাৰ প্ৰভু শংকৰ-মাধৱে ৰচা গীত গালোঁ—

ঢৌ দেখি হালি পৰে গা,  
এহে কলীয়া কলীয়া!  
কাষৰ চপাই দিয়া নাও।

**পদ**

প্ৰথমে প্ৰণামো ব্ৰহ্মাৰূপী সনাতন।  
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।  
ঢৌ দেখি ইত্যাদি।

আমি এইদৰে এই গীতটো ভালেমান পৰ গোৱাৰ পিছত বতাহ অলপ কমিল। ডাৱৰে শাম কাটিলে। আমাৰ নাও যেন সাগৰখনৰ সিপাৰ পালোগৈ। মোৰ লগৰ আঠজনীয়ে নাৱৰীয়াক গাইপতি টকা একোটা দিলে। মই যেন কাণৰ কেৰুযোৰ সোলোকাই নাৱৰীয়াৰ হাতত দিলোঁ। তেওঁ যেন কেৰুযোৰ লাৰি-পিটিকি চাই মোক ওলোটাই দি ক'লে— "বাৰু গাভৰু! তোমাৰ মনহে চাইছিলোঁ। তুমি সত্যবাদিনী। মোৰ এই নাওখন নিজৰ। ইয়াৰ গৰাকী আন কেও নাই। তোমাৰ, নিচিনাজনীক মই এনেয়ে পাৰ কৰিম।" এই বুলি কৈ কেৰুযোৰ ওলোটাই দি যেন নাও লৈ গুচি গ'ল। আমি বাঁহী বজোৱাজনৰ ওচৰলৈ যাবলৈ সাজো-কাচো মানে নাও যেন কোনোবাখিনি পালেগৈ— আমি নাও আৰু নাৱৰীয়া কাকো নেদেখা

হ'লো।

নাৱৰ পৰা নামি পাৰত উঠি দেখোঁ যে যি ঠাইৰ পৰা বাঁহীৰ ধ্বনি আহিছিল সেই ঠাইলৈ অৰ্থাৎ দূৰৈত এজোপা গছৰ তললৈ যাবলৈ প্ৰায় দুমাইলমান বাট। দুপৰীয়া ৰ'দৰ তপত বালি ভাঙি যাব লাগে; কি কৰিম উলটি যাবলৈকো নাৱৰীয়াই নাওখন লৈ গুচি গ'ল। সৰোবৰৰ পাৰত বহি থাকিলেও কোনো লাভ নাই। ইপিনে ওপৰে ৰ'দ, তলে তপত বালি। মহা চিন্তাত পৰিলোঁ। কিন্তু সিফালে দেখোন বাঁহীটোৱে অতি মিঠা মাতেৰে সঘনে বাজি আমাকহে যেন খৰখেদাকৈ মাতিব লাগিছে। কি কৰিম ৰ'দেই হওক বা তলত তপত বালিয়েই হওক বাঁহীৰ মাতত প্ৰাণ উত্ৰাৱলী হৈ আমি সেই কদম গছজোপাৰ ফাললৈ যাব ধৰিলো। প্ৰায় তিনিদণ্ডমান বেলি গৈ গছৰ কাষ পালো। বাঁহী বজোৱাজনক দেখিলো। তেওঁৰ চেহেৰা যেন তাহানিখন মই ভালপোৱা সেই দয়াৰামৰ দৰেই। তেওঁৰ গলত কেতখিনি বনফুলৰ মালা মূৰত মৰাৰ পাখি। আমি গৈ ওচৰ পাওঁ পাওঁ হওতেই তেওঁ যেন সেই গছজোপাৰ তলৰ পৰা অলপ আঁতৰত থকা পৰ্বত এটাৰ ফাললৈ বাঁহী বজাই বজাই যাবলৈ ধৰিলে। মই যেন বাঁহীৰ সেই মিঠামাত শুনি আউলী-বাউলী হৈ তেওঁক চিঞৰি মাতিলো, "হেৰা দয়াৰাম! ৰ'বাচোঁ। আমি তিৰীমতী মানুহ। তোমাৰ সমানে বেগাই যাব নোৱাৰো নহয়।" আমাৰ কথাত তেওঁ যেন মিচিক-মাচাককৈ হাঁহি বাঁহীটো বজাই বজাই ধীৰে ধীৰে পৰ্বতৰ ফালেই যাবলৈ ধৰিলে। মই যেন লগৰকেইজনীক এৰি অকলৈ বেগাই যাবলৈ ধৰিলো। তেওঁ গৈ সৰু টিলা এটাৰ ওপৰত উঠিল। মই যেন খেদি গৈ তেওঁ লগ পালোঁ। তেওঁ যেন সৰু টিলাটোৰ পৰা আৰু এটা ওখ পৰ্বতত উঠিলেগৈ। ময়ো যেন বেগাই খেদি গৈ পৰ্বতত উঠি তেওঁক যেন হাতেৰে ঢুকি পাই তেওঁৰ ভৰি দুখনত সাবটি ধৰি ক'লো— "প্ৰিয়তম! আৰুনো ক'ত সাৰিবা? এইবাৰ আৰু ফাকি দি মোক এৰি পলাব নোৱাৰিবা।" মোৰ এই কথাত তেওঁ যেন ক'লে— "প্ৰিয়তম, মই আৰু ওপৰলৈ নুঠো। তুমি মোৰ ভৰিত জৰপুৰকৈ ধৰিছা, চাওঁ মই ভৰিত দুখ পাইছোঁ। মোৰ ভৰি কোমল, এৰি দিয়া— শুনাচোঁ মই আৰু কেনেকুৱা সুললিত গীত বজাব পাৰো।"— এই বুলি কৈ এনেকৈয়ে বাঁহী বজাবলৈ ধৰিলে যে মই বিমোহিত হ'লো। বাঁহীৰে মাত নে বেহেলাৰে নে পাখোৱাজৰে নে স্বৰ্গৰ দুন্দুভিৰে মাত মই স্থিৰ কৰিব নোৱাৰা হ'লো। মন্ত্ৰমুগ্ধ হৈ যেন তেওঁৰ মুখলৈ চাই ৰ'লো। চাওতে চাওতে যেন বাঁহী বজোৱা জন দয়াৰাম গুচি ত্ৰিভংগ ভংগিম মূৰ্তিৰ পীতবস্ত্ৰ পিন্ধা মূৰত কিৰীটি, কাণত মকৰকুণ্ডলে সৈতে সেই শ্যামবৰণৰ কৃষ্ণ হ'ল। তেওঁৰ ৰূপ যেন কোটি সূৰ্যতকৈও উজ্জ্বল, যেন ত্ৰিভুৱন জিনা। আহা, কি যে সেই ৰূপ কি

যে সেই কান্তি! মই ক'লো— "প্ৰভু! দাসীক ধৰাধামত জনম দি কেলেই ইমান দুখ, নিৰাশা কষ্টত পেলাইছা, প্ৰভু! মই আৰু তোমাৰ লগ নেৰো। তোমাৰ ৰাতুল চৰণ দুখানিক মোৰ চকুৰ আঁতৰ নকৰোঁ।" প্ৰভুৱে যেন ক'লে— "ৰহদৈ! তই ভাগ্যৱতী, পুণ্যৱতী। কম পুণ্যৰ ফলে মোক দেখা নাই। অনেক জন্ম-জন্মান্তৰৰ পৰা মোক সাধনা কৰিছ। পিছত তই আৰু জনম ধৰিব নালাগিব। এই জনমতে তই জীৱন্মুক্তা হ'বি। তোৰ কিন্তু এই সংসাৰত আৰু এফেৰা কাম আছে। তই দুখিতক, তাপিতক, দৰিদ্ৰক এফেৰা সহায় কৰিব লাগে। সিহঁতক মোৰ নাম-গুণ গাই শুনাব লাগে। হায়! মই কিমান যে বাঁহীটো বজাই বজাই মুখৰ বিষ তুলি মোৰ অসমীয়া জাতিটোক মোৰ ফাললৈ মাতিব লাগিছোঁ— তাক তোক কি কম। তথাপি এই অসমীয়া জাতিটোৱে মোক এৰি, মোলৈ পিঠি দি মোৰ শত্ৰু কংস, অঘ, বক, কলি ইত্যাদিৰ সেৱাতহে ব্যস্ত। মোক পাহৰিছে। মই কিমান কাকুতি-মিনতি কৰি মাতিছোঁ সিহঁতে মোৰ কথা নুশুনে। সেইদেখি ৰহদৈ। তই মোক এফেৰা সহায় কৰ। মোৰ নিমাখিত অসমীয়া জাতিটোক মোৰ নাম কৈ, গুণ বৰ্ণাই মোৰ ফাললৈ আনিবলৈ চেষ্টা কৰ। সিহঁতৰ নিমিত্তে মোৰ প্ৰাণে কান্দিছে। মই দেখিব লাগিছোঁ সিহঁতক কংস, অঘ, বক এই সমস্ত দুষ্ট দৈত্যই নানা মিছা প্ৰলোভন দেখুৱাই ধ্বংসৰ বাটলৈ নিব ধৰিছে। প্ৰিয় ৰহদৈ! মোক সহায় কৰিবলৈ তই আকৌ পৰ্বত, বালি, সাগৰ পাৰ হৈ উলটি যাগৈ।" প্ৰভুৰ এই কথাত মই যেন কান্দি কান্দি ক'লো— "প্ৰভু! এই কাৰণেই নে মোক তুমি স্ৰজি সংসাৰত সৰুকালৰে পৰা ইমান দুখ-কষ্ট দি জীয়াই ৰাখিছা? বাৰু দয়াৰাম! তোমাৰ ইচ্ছা পূৰ্ণ হওক!" মই এইষাৰ কৈ উঠা মাত্ৰকে সাৰ পালোঁ। বাবা! বাবা! কওকচোন দুখুনী দাসীক ঈশ্বৰ কৃষ্ণই কৃপা কৰিবনে?*

ৰহদৈৰ এই সপোন বৃত্তান্ত শুনি আগমানন্দ স্বামীয়ে সাইলাখ এটা ল'ৰাৰ নিচিনা হৈ ফেঁকুৰি ফেঁকুৰি কান্দি কান্দি ক'লে— মা! জননী! তই ধন্যা! তই তোৰ কৃষ্ণক পালি। হায়! মই আজি ইমান বছৰে মোৰ মাতৃক আৰাধনা কৰিলোঁ। সাধনাৰ অলপ কেইবছৰৰ পিছতে মাথোন মাতৃয়ে মোক এবেলি দেখা দিছিল তাৰে পৰা বাৰু মোক কি সপোনত কি সচিতত দেখা দিয়া হ'লে নাই; কিন্তু তেওঁক পাবৰ কাৰণে মাজে মাজে দৈব-বাণী মোৰ কাণত পেলাই মোৰ হতুৱাই মাতৃয়ে শৱ সাধন, লতা সাধন ইত্যাদি কিমান কঠোৰ কঠোৰ সাধন কৰাইছে তোক কি কম। মা ৰহদৈ! তই তোৰ কৃষ্ণক ক'বি মোক যেন কৃপা কৰি মোৰ জননীক দেখা পাবলৈ আশীৰ্বাদ দিয়ে।" এই কথা কৈয়ে স্বামী আগমানন্দই চকুৰ লো মচিলে। তাৰ পিছত প্ৰকৃতিস্থ হৈ আকৌ আনন্দতে হাঁহিলে।

## ত্ৰয়োদশ অধ্যায়
## আগমানন্দ স্বামী

এই সপোন দেখিবৰ প্ৰায় সাদিনৰ মূৰত এদিন ৰহদৈয়ে দুপৰীয়া খাই-বই উঠি আগমানন্দ স্বামীৰ ওচৰত বহি ক'লে— "বাবা! কথা এটা নিবেদন কৰোঁ।"

আগমানন্দ— "বাৰু! কি নিবেদন কৰ কৰ।"

ৰহদৈ— বাবা! মই ধ্যানত বহি মন্ত্ৰ জপিব ধৰিলে অনেক সময়তে দেখোন কৃষ্ণৰ মূৰ্তিটো মোৰ মনলৈ নাহি সেই দয়াৰামৰ ৰূপটোহে আহে। ইয়াৰ উপায় কি মোৰ দেখোন কৃষ্ণৰ ধ্যান নহৈ তাৰহে ধ্যান হয়।

আগমানন্দ— "মা! তেনেকুৱাতো হ'বই। পিছত সেই ৰূপ দেখি দেখি মোহিত হৈ কৃষ্ণ এৰি পেলাৰ তেনেহ'লেহে দোষ হ'ব। তই যদি সেই দয়াৰামৰ ৰূপটোতে কৃষ্ণৰ হালধীয়া বস্ত্ৰখন পিন্ধাৰ, মূৰত এটা কিৰীটি পিন্ধাই দয়াৰামকে কৃষ্ণ বুলি ভাব তেন্তে সেই দয়াৰামৰ ৰূপেই কৃষ্ণ ৰূপত পৰিব।"

ৰহদৈ— বাবা! মনুষ্য এজনক কৃষ্ণ ভবাটো দোষৰ কথা নহয় জানো?

আগমানন্দ— "মা! দ্বৈত ভাবত হ'লে দোষ হ'ব। কিন্তু অদ্বৈত ভাবত হ'লে দোষ নঘটে। কিয়নো অদ্বৈত ভাব মতে জীৱমাত্ৰেই শিৱ। সমস্ত জগতেই সেই পৰম ব্ৰহ্মময়। কৃষ্ণ যে কেৱল গোৱালৰ ল'ৰা, বা যশোদা বা দৈৱকী বসুদেৱৰ পুতেক সেইটো নহয়। কৃষ্ণ পৰমব্ৰহ্ম অৰ্থাৎ নিৰঞ্জন নিৰাকাৰ পৰমব্ৰহ্মাকে সাধনাৰ নিমিত্তে, ভক্তিৰ উদ্ৰেকৰ কাৰণে, কেৱে কৃষ্ণ, কেৱে ৰাম, কেৱে শিৱ, কেৱে শক্তিস কেৱে আলেখ নিৰঞ্জন, কেৱে সগুণ ব্ৰহ্ম, কেৱে নিৰ্গুণ ব্ৰহ্ম ইত্যাদি নানা নাম দি পূজা-সেৱা কৰে। মূলত ব্ৰহ্ম এক। পৰমব্ৰহ্মাই কৃষ্ণ। সেইদেখি অদ্বৈতবাদ মতে দয়াৰামকে কৃষ্ণ যদি ভাব, বা ভাবিব পাৰ তেনেহ'লে তাতেই কৃষ্ণক পাবি।"

ৰহদৈ— "বাবা! আপুনি বুজোৱা কথাটো বৰ গধুৰ। মই লাহে লাহেহে উপলব্ধি কৰিব পাৰিম। পিছত বাবা মোৰ এই ৰূপটো বদলাই দিবৰ কি উপায় কৰে কৰক।"

আগমানন্দ— "মা! তই যদি মূৰটো নেমেলাই চুলিকোছা আউলবাউলকৈ মেলি থৱ তেন্তে তোৰ সেই সুন্দৰ চুলিত জঁটা বান্ধিব, গাত যদি ছাই ভস্ম ঘঁহ আৰু গেৰুৱা কাপোৰ পিন্ধ তেনেহ'লেই তোৰ এই ৰূপ নেথাকিব।"

ৰহদৈ— "বাবা হওতে হয়। পিছত মোৰ এই যৌৱনটো ক'লৈ যাব। এইবিলাকৰ মাজেদিও মোৰ ৰূপ ফুটি উঠিব পাৰে। তেতিয়া হ'লে মই তেতিয়াও লোভৰ সামগ্ৰী হৈয়ে থাকিম— মই শান্তি নাপাম। মোৰ এই অতুল ৰূপটোৱে মোক বৈৰী, ই যেনেকৈ মোৰ সংসাৰ পথত বিঘিনি হ'ল, সাধন পথতো এই ৰূপে

মোক জলা-কলা কৰিব, সেই দেখি বাবা, মোৰ এই ৰূপটো বদলাই মোক এজনী দেখিবলৈ এলাগী, গাত ফুৰিব-চাকিবলৈ মাথোঁ সমৰ্থ থকা, ভোগৰ বাঞ্ছালৈ ইচ্ছা নোহোৱা তিনিকুৰি বছৰ বয়সীয়া বুঢ়ী কৰি দিয়ক যদিহে মই সংসাৰত থাকি কৃষ্ণনাম গাই ফুৰিব লাগে।"

আগমানন্দ— "মা! তই এটা অসম্ভৱ বস্তু বিচাৰিছ। মই কওঁ শুন। ঈশ্বৰে লীলা কৰিবৰ মনেৰেই নিজে এইদৰে অৰূপৰ পৰা অপৰূপ বহুৰূপ হৈছে। তেওঁ মনুষ্যৰূপেও জন্মিছে, বাঢ়িছে, বৃদ্ধ হৈছে, মৰিছে। পুৰুষ হ'লে স্ত্ৰীৰ সংসৰ্গ কৰি আৰু স্ত্ৰী হ'লে পুৰুষৰ সংসৰ্গ লভি সৃষ্টি বঢ়াইছে, ৰক্ষা কৰিছে, স্ত্ৰী-পুত্ৰ সন্তানাদি উৎপন্ন কৰিও কৃষ্ণ নাম ল'ব পৰাটোহে শ্ৰেষ্ঠ পথ। তোক মই গৃহী হ'বলৈ ক'লোঁ। তোৰ পূৰ্বজন্মৰ ফলত তোৰ গিৰস্থী নহ'ল, তই সন্ন্যাস লৈছ। ধীৰে ধীৰে তোৰ যৌৱন যাব, তই বৃদ্ধা হ'বি। ঈশ্বৰৰ নিৰ্দিষ্ট সময় অনুসাৰে তোৰ ৰূপ বদলি গৈ থাকিব। তই হঠাতে তোৰ ৰূপটো বদলাবলৈ খুজিলে কেনেকৈ বদলাবি। বল কৰি বদলাবলৈ গ'লে তই ঈশ্বৰ কৃষ্ণৰ নিয়মৰ বিৰুদ্ধাচাৰিণীহে হ'বি।

ৰহদৈ— "বাবা! তেন্তেনো মোক মোৰ ৰূপ দেখি সকলোৱে কিয় লালসা কৰে। দেখক আপোনাৰ চেলা শ্ৰৱণানন্দয়ো মোক তাৰ তিৰোতা কৰিব বিচাৰিছিল। এনেকুৱা মোৰ এই বৈৰী ৰূপটোক মই ৰাখিব নোখোজোঁ। মহাভাৰতত দেখোন লেখা আছে চিন্তা ৰাণীয়ে নাৰৰীয়াৰ নাৱত উঠি নাৰৰীয়াই কেনেবাকৈ তেওঁৰ ৰূপত ভোল গৈ তেওঁৰ সতীত্ব নাশ কৰে বুলি সূৰ্যক আৰাধনা কৰি সু-ৰূপটো বদলাই কুৰূপ ল'লে। যদি এই কথা সঁচা হয় তেন্তে আপুনি, যিজনে মোক ৰাণী পাতিব খোজে, জমিদাৰী দিব খোজে, হীৰাৰ হাৰ দিব খোজে, সেইজনেনো মোক মোৰ ৰূপটো যোগবলেৰে বদলাই দিব নোৱাৰেনে? যদি নোৱাৰে কওক তেন্তে মই আৰু আপোনাক দক্ষিণা নোখোজোঁ। মই মুক্তকণ্ঠে আপোনাক আপোনাৰ প্ৰতিজ্ঞাৰ পৰা মুক্ত কৰিলো। মই আপোনাৰ পৰা বিদায় ল'লো। য'লৈকে পাওঁ ত'লৈকে যাওঁ, যি ইচ্ছা তাকে কৰিম। যদি কৰিব পাৰে তেন্তে আপুনি এই কথাটো নকৰিলে আপোনাৰ সাধনা সিদ্ধি নহ'ব।"

আগমানন্দ— "(মিচিকিয়া হাঁহি) মা! তোৰ কণ্ঠত দুষ্টা সৰস্বতী বহিছে। নহ'লেনো তই মোৰ এইটো দক্ষিণা কেলেই বিচাৰিবি। যি কি নহওক মই তোক কওঁ যে এই ভাৰত-ভূমিত বিশেষ উত্তৰা খণ্ডত এতিয়াও 'যোগ' বুলি এটা বৰ ডাঙৰ বিজ্ঞান আছে। যোগৰ বলত কৰিব নোৱৰা কাম একোৱেই নাই। বুঢ়াসাপে মোটকাঢ়ি ডেকা হোৱাৰ দৰে যোগৰ বিধানমতে চলি বুঢ়া মানুহেও এতৰপ ছাল সোলোকাই বা নিজৰ মোট নিজে কাঢ়ি ডেকা হ'ব পাৰে। ডেকা অৱস্থাৰ

যোগীয়েও সেইদৰে ওলটা মোট কাঢ়ি বুঢ়া অৱস্থাৰ হ'ব পাৰে। অথবা যোগীয়ে নিজৰ দেহ এৰি ভাল মৰা শৱ পালে সেই শৱত প্ৰবেশ কৰি ৰূপ বদলাব পাৰে। ইয়াৰ কৌশল বা উপায় যেন নাই এনেকুৱা নহয়। কিন্তু মা! এই কাম অতি ক্ৰুৰ। নিজৰ মৰসাহ যত্ন, পৰিশ্ৰম লাগিব! তেনেকুৱা সাধন কৰিবলৈ যাওতে মৰিবও পাৰ। তেতিয়া হ'লে মোৰ গাত মাতৃবধ পাপ লাগিব। ঈশ্বৰৰ নিয়মৰ বিৰুদ্ধাচৰণো হ'ব। যদি নমৰি সিদ্ধা হৈ ওলাৱ তেন্তে তেতিয়া হ'লেও তোক নিজৰ মানুহেই নিচিনিব। তই স্থলবিশেষে নানা আহুকালত পৰি হয়তো অনুতপ্ত হ'বি। অনুতপ্ত হ'লেই আকৌ তোৰ যে পাপ ঘটিবই মোৰো পাপ ঘটিব। এইবিলাক কাৰণতে মই তোক এই সাধনাৰ পৰা আঁতৰি থাকিবলৈ কওঁ।

ৰহদৈ— "বাবা! এই ৰূপটো লৈয়ো মই কৃষ্ণৰ সাধন, কৃষ্ণৰ প্ৰিয় কৰ্ম একো কৰিব নোৱাৰিম। যদি মই এই সাধনাটোত মৰো তেনেহ'লেও আপোনাৰ কোনো পাপ নঘটিব। সিদ্ধা হৈ উঠিলেও মই তেতিয়াও অনুতাপ নকৰোঁ, এতেকে আপুনি মোৰ আশা পূৰ্ণ কৰক।"

আগমানন্দ— "বাৰু তেন্তে মোৰ দোষ নাই। মই ইয়াৰ ব্যৱস্থা আৰম্ভ কৰিলোঁ।" এইবুলি কৈ আগমানন্দই শ্ৰৱণানন্দক মাতি আনি ক'লে— 'বাবা! শ্ৰৱণানন্দ! তই আজিয়েই কলিয়াবৰলৈ ৰাওনা হ। তাত শিলঘাটৰ সেই পাহাৰ দাঁতিত দুটা গহ্বৰ ঠিক কৰি থ'গৈ। দহ্ মাহলৈকে গাখীৰ দিয়া এজনী বা দুজনী গৰু ৰাখিবি। তাত তই পৰমানন্দ স্বামীক ৰাখি তেঁৱে তয়ে দুয়ো লগ লাগি এই কামটো কৰিবি। পোন্ধৰ দিনৰ পিছত মই ৰহদৈ মাক লৈ ওলামগৈ। বাবাজীৰ এই কথাত শ্ৰৱণানন্দ তৎক্ষণাৎ শিলঘাটলৈ ৰাওনা হ'ল।

## চতুৰ্দ্দশ অধ্যায়

## আগমানন্দ স্বামী আৰু ৰহদৈ

ইয়াৰ পিছদিনা ৰাতিপুৱা স্নান-আহ্নিক কৰি উঠাৰ পিছত আগমানন্দই ৰহদৈক গোসাঁনী ঘৰলৈ নি পোন প্ৰথমে ভূত শুদ্ধি কৰিবলৈ শিকাই তাৰ পিছত সূৰ্যভেদ, চন্দ্ৰভেদ, সহিত প্ৰাণায়াম আৰু কুম্ভক শিক্ষা দি তিনি দিনত সিদ্ধি কৰি দিলে। তাৰ পিছত নেতি, ধৌতি, নৌলি ইত্যাদি ক্ৰিয়া, তিনি দিন শিকাই সিদ্ধ কৰি লৈ সপ্তম দিনা কেনেকৈ মূলাধাৰৰ পৰা কুলকুণ্ডলিনী জগাই স্বাধিষ্ঠান, মণিপুৰ, অনাহত বিশুদ্ধ ৰেখা, আজ্ঞা, চক্ৰ ইত্যাদি ভেদ কৰি সহস্ৰাৰলৈ তুলিব লাগে সেইটো প্ৰক্ৰিয়া শিকালে। কুল-কুণ্ডলিনী উঠাওতে কোন চক্ৰত কি বীজ, কোন দেৱতাক ধ্যান কৰিব লাগে, আৰু প্ৰত্যেক চক্ৰতে কোন কোন তত্ত্ব— যেনে মূলাধাৰত

ক্ষিতি, স্বাধিষ্ঠানত অপ্, মণিপুৰত তেজ, অনাহত মৰুৎ, বিশুদ্ধ ৰেখাত ব্যোম, আজ্ঞাচক্ৰত মহাব্যোম ভাবিব লাগে তাকো শিকাই তেওঁৰ তপৰ বলেৰে ৰহদৈক খেচৰী মুদ্ৰা শিকাই সিদ্ধি কৰি দি পোন্ধৰ দিনৰ দিনা কাতি মাহৰ ১ লা তাৰিখেই ৰহদৈক ক'লে— "মা! এই ঠাইত আৰু থকা উচিত নহয়। কিয়নো আজিৰ পৰা এবছৰৰ ভিতৰতে এই অসম দেশ, উপান্ত হ'ব। পুবফালৰ পৰা অসংখ্য নৃশংস প্ৰকৃতিৰ বৰ্বৰ জাতি আহি অসমীয়াৰ নিজৰ নিজৰ আৰু ৰজাঘৰৰো পাপৰ প্ৰায়শ্চিত্ত স্বৰূপে মাৰি-কাটি ধ্বংস কৰিব— সেইকাৰণে আৰু বিশেষকৈ তোৰ সাধনাটো সিদ্ধি কৰাবৰ কাৰণে আমি কাইলৈ এই ঠাই এৰি নগাঁৱলৈ যাম।"

ৰহদৈ— ভাল প্ৰভু! মোৰ একো কথা নাই। আপুনি য'লৈকে নিয়ে ত'লৈকে যাম।

## পঞ্চদশ অধ্যায়

## আশ্ৰমত ত্যাগ

পিছদিনা আগমানন্দ স্বামী আৰু ৰহদৈ উভয়ে পুৱা দহোটামান বজাত খাই-বৈ উঠি সেই অসমীয়া ভদৌ ককাই চাকৰটোক ৰূপ এশ আৰু সেই ঠাইৰ ঘৰ-দুৱাৰ মাটি-বৃত্তি সমস্তকে দি দুয়ো নেঘেৰিটিঙৰ বাটেদে পশ্চিমমুখে গোলাঘাটৰ বোকাখাটেদি খোজকাঢ়ি গৈ সাত দিনে শিলঘাট পালেগৈ আৰু তাত গাঁৱৰ পৰা দুমাইল আঁতৰত নৈৰ পাৰৰ পাহাৰৰ দাঁতিত ওচৰা-উচৰিকৈ বান্ধি থোৱা জুপুৰি ঘৰ পালেগৈ। তাত শ্ৰৱণানন্দই সমস্ত ঠিক-ঠাক হৈ আছে বুলি জনালে। চাৰিওজনে সেই নিশা খাই-বৈ ৰ'ল।

ইফালে ৰহদৈ আৰু বাবাজীয়ে আশ্ৰম এৰি যাবৰ পিছদিনাই আমাৰ ভদৌ ককায়ে নৈৰ পাৰত অকলৈ থাকিবলৈ সাহ নকৰি বাবাজীয়ে দিয়া ৰূপকেইটা লৈ, ঘটী-বাটী, কানি-কাপোৰকেখানৰ ভাৰ এখান বান্ধি কান্ধত ল'লে। গাই-গৰু দুজনী সাঙুৰি আগে আগে পোৱালিয়ে সৈতে খেদি লৈ নাহৰণি নেঘেৰিটিঙলৈ গ'ল। তাত গাইগৰু দুজনী বেচি আৰু কেইটামান ৰূপ লৈ গোলাঘাটৰ ফালে গ'ল। যাওতে বাটে-পথে মানুহৰ আগত কৈ গ'ল যে বাবাজীক তেওঁ এতিয়াহে চিনিলে। আজি ইমানদিনে তেওঁক এজন ভাল সাধু বুলি জানিছিল; পিছত 'মহন্তৰ চিন মাহনিত বুঢ়া গৰুৰ চিন ঘাঁহনিত' হোৱাৰ দৰে আদহীয়া ফকীৰৰ চিন গাভৰুতহে ধৰা পৰিল। আদহীয়া বয়সৰ আগমানন্দ বাবাজীয়ে অতি ৰূপৱতী অমমীয়া গাভৰু ৰহদৈক লৈ পলাল। তাৰ কথা শুনি গাঁৱৰ বুঢ়া-মেথা অসমীয়া মানুহে কৈছিল— "এৰা বোপাই; এই বঙালখনত কোনো সঁজাত নাই। ইহঁতে সাধু-

সন্ন্যাসীৰ বেশ লৈ অসমলৈ আহি মানুহক ফাঁকি দি ধন-সোণ যে নিয়েই তদুপৰি ল'ৰা পালে ল'ৰা, ভাল দেখনিয়াৰ গাভৰু পালে গাভৰুও চুৰ কৰি নিয়ে। দীঘলীয়া সেন্দুৰৰ ফোঁট লৈ মা মা কৰি ফুৰা বাবাজীবিলাকত কোনো সঁজাত নাই।

## ষোড়শ অধ্যায়
## শিলঘাটত

শিলঘাট পাৰৰ, পিছদিনাই আগমানন্দ স্বামীয়ে ঘৰৰ তলত থকা সেই গহ্বৰ দুটাৰ এটাত এখন তুলী পাৰিলে। তাৰ পিছত ৰহদৈক সেইদিনা এটা অবধৌতিক জুলাপ দি দিনৰ দিনটো জুলাপ কৰালে। পিছদিনা কাপোৰ খুৱাই পেটটো ধৌতি কৰালে। এৰাঁ সূতাৰে নাকত নেতি কৰালে। নৈত বহিব দি গুহ্যদ্বাৰেৰে পেটলৈ পানী টনাই ধৌতি কৰাই গহ্বৰটোৰ ইভতৰলৈ নি তাত শুবলৈ দি ক'লে ঃ— "মা ৰহদৈ! তই ক যে তোৰ আগমানন্দ স্বামীৰ গাত কোনো পাপ নালাগিব।"

ৰহদৈয়ে ক'লে— "মই সত্য খাই কৈছোঁ মই যদি এই ক্রিয়াতে প্রাণ ত্যাগ কৰোঁ তেনেহ'লেও মোৰ বাবা স্বামী আগমানন্দৰ কোনো পাপ নহ'ব। যদি মই সিদ্ধি পাওঁ তেন্তে সিদ্ধিৰ যি ফলেই হওক তাত মই অনুতাপ নকৰো।" ৰহদৈয়ে এইদৰে শপত খোৱা হ'লত স্বামী আগমানন্দই ক'লে— "মা! তই আগেয়ে ভূত শুদ্ধি কৰি লৈ সিদ্ধাসন কৰি বহি ঘটচক্র ভেদ কৰি কুলকুণ্ডলিনীক সহস্রাৰত তুলি লৈ খেচৰী মুদ্রা মাৰি কুলকুণ্ডলিনীক সহস্রাৰত আবদ্ধ ৰাখি তই যি ৰূপ পাবলৈ খোজ তেনেকুৱা ৰূপ এটা লৈ পুনর্জন্ম পাবলৈ তোৰ ঈশ্বৰ কৃষ্ণক আৰাধানা কৰি থাকিবি। বতাহ, পানী একো সোমাব নোৱাৰাকৈ মই এই গহ্বৰৰ মুখখন মাৰি থ'ম। তই দহ মাহ দহ দিন এই গহ্বৰৰ ভিতৰতে থাকিবি। ঈশ্বৰ কৃষ্ণত দৃঢ় বিশ্বাস কৰি এই মুদ্রাৰে বহি থাকিবি, তোৰ প্রাণ নাযায়। দহ মাহ দহ দিনৰ মূৰত শ্রৱণানন্দই তোক গহ্বৰৰ ভিতৰৰ পৰা উলিয়াই যি কৰিব লাগে কৰিব। মই নাথাকিম, কিয়নো মোৰো বর্তমানে ছকুৰি বছৰ বয়স হোৱাৰ বাবে ময়ো সিটো গহ্বৰৰ ভিতৰত সোমাই কলপ কাটি এটা ওঠৰ বছৰ বয়সীয়া ল'ৰাৰ দৰে হৈ ওলাম। মা! ভয় নকৰিবি। এই দহ মাহ দহ দিনে তই অমৃত খাই জীয়াই থাকিবি। খেচৰী মুদ্রাৰ বলত তোৰ জিভাৰ আগত মগজত উত্তৰ হোৱা ৰস বা অমৃত পৰি থাকিব সেই অমৃতৰ বলত জীয়াই থাকিবি। সাৱধান যেন চঞ্চল নহৱ, যেন যোগ ভংগ নহয়। মই ওলালোঁ— এই বুলি কৈ আগমানন্দ স্বামী ওলাই আহি সেই গহ্বৰটোৰ ওপৰত শিল এটা দি শিলটোৰ সেই কাষ লিপি-কুছি ৰহদৈক জীয়াই পুতি থোৱাৰ দৰে থৈ দিলে। কলপৰ অন্তে যিবিলাক বস্তু লাগিব সেইবিলাক শ্রৱণানন্দৰ হতুৱাই

গাঁৱৰ পৰা গোটোৱালে আৰু ৰহদৈক সেইদৰে জীয়াই জীয়াই পোতাৰ এমাহৰ মূৰত আগমানন্দ স্বামীয়েও সেইদৰে সিটো গহ্বৰত সমাধি ল'লে।

আঘোণৰ এদিন কি দুদিনতে ৰহদৈক সমাধি দিয়া হৈছিল। এদিন দুদিনকৈ, এমাহ দুমাহকৈ, দহ মা দহ দিন হ'ল। ভাদৰ ১১ কি ১২ দিন যোৱাত আগমানন্দই শিকাই থৈ যোৱা মতে শ্ৰৱণানন্দ স্বামীয়ে ৰহদৈক পুতি থোৱা গহ্বৰটোৰ মুখৰ শিলছটা গুচাই তললৈ নামি গ'ল। তাত গৈ ৰহদৈৰ দীঘল শৰীৰটো পৰীক্ষা কৰিব ধৰিলে। ৰহদৈৰ সিদ্ধাসন ভাঙি ৰহদৈ দীঘল হৈ তুলাৰ ওপৰত পৰি আছে। শ্ৰৱণানন্দই দেখিলে যে ৰহদৈৰ দুয়োখন ভৰি তলুৱাৰে পৰা মূৰলৈকে ছাল ফাটিছে। ৰহদৈৰ ভৰিৰ পৰা লাহে লাহে সেই ফটা ছালৰ মোটটো ওপৰলৈ তুলিলে। তাৰ পিছত আলফুলকৈ ৰহদৈৰ শৰীৰটো অলপ লৰাই-চৰাই মোটটো মূৰেদি কাঢ়ি উলিয়ালে। ৰহদৈৰ চকুৰ পিৰঠিত অলপ অলপ গৰুৰ গৰম ঘিউ দি লাহে লাহে মালিচ দিলে। ৰহদৈৰ শৰীৰলৈ জীৱন আহিল। ৰহদৈয়ে চকু মেলিলে। চকু মেলাত শ্ৰৱণানন্দই পগাই নিয়া যৱৰ মণ্ড সৰু কোষা এটাৰে অলপ অলপকৈ ৰহদৈৰ মুখত দিলে। ৰহদৈক সেইদিনালৈ সিমানতে গহ্বৰৰ ভিতৰত থ'লে। পিছদিনা এখন গেৰুৱা কাপোৰ নি গাত মেৰালে— আৰু যবৰ মণ্ডৰ লগে লগে গৰুৰ গাখীৰ পিয়ালে। এইদৰে প্ৰায় এমাহ যৱৰ মণ্ড, গৰুৰ গাখীৰ, পিছলৈ মোহনভোগ ইত্যাদি খুৱাই এমাহৰ মূৰত ৰহদৈক উলিয়াই আনিলে— ভূৱন মোহিনী ৰূপৰ ৰহদৈ এজনী তিনিকুৰি বছৰীয়া বুঢ়ীৰ চেহেৰা লৈ ওলাল। নৈলৈ গা ধুবলৈ গৈ ৰহদৈয়ে দেখিলে তাইৰ চেহেৰা কি হৈছে। শ্ৰৱণানন্দই ৰহদৈক ক'লে যে বাবাৰ আদেশমতে তাইৰ নাম ৰহদৈ গুচি কৃষ্ণদাসী হ'ল। এতিয়াৰ পৰা তাই কেতিয়াও আগৰ নামেৰে কাকো যেন পৰিচয় নিদিয়ে আৰু বাবাও সিটো গুহাৰ পৰা এটা ১৮ বছৰীয়া ল'ৰা হৈ নোলাই মানে তেওঁবিলাক তাতে থাকিব লাগিব।

যথাসময়ত অৰ্থাৎ আহিন মাহত আগমানন্দ স্বামীকো সেইদৰে পৰামানন্দ স্বামীয়ে গহ্বৰৰ পৰা উলিয়ালে। বুঢ়া ৰঙা বৰণৰ ওঠৰ বছৰ বয়সীয়া ডেকা ল'ৰা হৈ ওলাল। তেওঁৰ নাম প্ৰেমানন্দ স্বামী।

# ৰহদৈ লিগিৰী

৩য় খণ্ড

## প্ৰথম অধ্যায়
## চন্দ্ৰকান্ত সিংহ

ৰুচিনাথ, ব্ৰজনাথ, পুৰন্দৰ সিংহ তিনিজনাই সসৈন্যে নামতিদল পাওতেই চন্দ্ৰকান্ত ৰজাৰ ৰণুৱাসকলৰ সৈতে এটা সৰু-সুৰা ৰণ হ'ল। সেই ৰণত চন্দ্ৰকান্তৰ পক্ষ তেনেই হাৰি যেয়ে যি পিনে পাৰে পলাল। চন্দ্ৰকাকন্ত ৰজাও লগতে ৰাণী আৰু দুজনী বিশ্বাসী শৰীৰ ৰক্ষক আহোম ৰণুৱা লৈ ৰাজমাৱক কাৰেঙত অকলৈ এৰি থৈ পলাল।

ৰুচিনাথ গোহাঁইদেৱে নিৰ্বিঘ্নে ৰংপুৰ পাই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁইক লগত লৈ চন্দ্ৰকাকন্তক ৰজা ভাগিলে বুলি ঢোল পিটি শুনাই দিলে আৰু ব্ৰজনাথ সিংহৰ কাণ এখনত সেই ঘুণফেৰা থকা বাবে তেওঁক ৰজা নেপাতি পুৰন্দৰ সিংহই ৰজা হৈয়ে চন্দ্ৰকান্ত ৰজাক ধৰি বধ কৰিবলৈ আৰু বধ কৰিব নোৱাৰিলেও শৰীৰত এফেৰা চিৰস্থায়ী ঘুণ কৰিবলৈ চোৰাংচোৱা আৰু চাওডাং মেলিলে। চন্দ্ৰকান্তই ইঠাই সিঠাই কৰি পলাই ফুৰিব ধৰিলে। চন্দ্ৰকান্তৰ ফলীয়া প্ৰজা যে নাছিল এনেকুৱা নহয়। সৎৰাম আৰু বুঢ়াগোহাঁইৰ দিনৰে পৰা গোটেইখন অসমৰে প্ৰজা দুভাগ হৈ বৈছিল। কেৱে পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু ৰাজমাৱৰ ফলীয়া, কেৱে সৎৰাম, ৰজা আৰু বদন বৰফুকনৰ ফলীয়া আছিল। সেইদেখি চন্দ্ৰকান্ত ৰজাই পুৰন্দৰ সিংহৰ চাওডাঙৰ হাতত সহজে ধৰা নপৰাকৈ পলাই ফুৰিব পাৰিছিল। তেওঁ সেই ফাগুনৰে পৰা আহাৰ মাহলৈকে ৰংপুৰতে পলাই আছিল। তাৰ পিছত শাওণৰ পৰা আহিনলৈ যোৰহাট অঞ্চলত, তাৰ পিছত কাতিত তেওঁ গৈ তেওঁৰ সম্পৰ্কীয় এজন আহোম গোহাঁইৰ ঘৰত মৰঙিৰ ধনশিৰী নৈৰ পাৰৰ গাঁও এখনত লুকাই ৰ'লগৈ। ৰাজমাও দেউতা কাৰেঙতে নিজকে নিৰাপদ ভাবি ৰ'ল।

## দ্বিতীয় অধ্যায়
## ৰাজমাও দেউতাৰ পৰিণাম

অসমৰ ভাগ্যনিয়ন্ত্ৰী চন্দ্ৰকান্ত সিংহৰ ৰজাৰ মাতৃ ৰাজমাও দেউতাই ভাবিছিল যে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দিনত তেওঁ যি মান-সৎকাৰে সৈতে আছিল, ৰুচিনাথৰ দিনতো সেইদৰেই থাকিবলৈ পাব। পুতেক চন্দ্ৰকান্তক হাতৰ পুতলাস্বৰূপে ৰাখি ৰুচিনাথ গোহাঁইদেউক হাতত ৰাখি তেৱেঁ ৰাজ্য চলাব। তেওঁৰ এই আশা সম্পূৰ্ণ নিষ্ফল হ'ল। চন্দ্ৰকান্তক ৰজা ভাগি ৰুচিনাথ গোহাঁইদেৱে পুৰন্দৰ সিংহক ৰজা পতা

বুলি শুনি মনত মৰণান্তিক বেজাৰ যে পালেই তদুপৰি তেওঁক তেওঁ থকা ঘৰটোৰ পৰা উলিয়াই কাৰেঙৰ ভিতৰতে আগৰ লিগিৰা-লিকচৌ থকা খোঁটালী এটা দি তেওঁৰ খোঁটালীটোত পুৰন্দৰ সিংহৰ পিতৃ ব্ৰজনাথ সিংহ থাকিবলৈ ল'লে। ৰজা থকা খোঁটালীবিলাকত পুৰন্দৰ সিংহ ৰজাৰ হৈ ৰ'ল। ৰাজমাৱে নিজ কোঠালীৰ পৰা কান্দি কান্দি ওলাই যোৱাৰ লগে লগে গধূলি তেওঁৰ এটা কঁপনি জ্বৰ উঠিল। নিশা যদিও একো নাখালে আৰু যদিও পিছদিনা পুৱাৰে পৰা পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোহাঁয়ে বেজবৰুৱাক লগোৱাই চিকিৎসা কৰোৱালে তথাপি আৰু ৰাজমাৱৰ সেই জ্বৰ ভাল নহ'ল। প্ৰায় চৈধ্য দিন সেই জ্বৰত ভুগি তিনি দিন আগৰে পৰা মাত-বোল হেৰুৱাই অসমৰ ৰাণী চন্দ্ৰকান্ত সিংহৰ মাতৃয়ে প্ৰাণ ত্যাগ কৰিলে।

### টোকা

চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ মাতৃ ৰাজমাৱৰ বিষয়ে প্ৰফেছৰ শ্ৰীযুত সূৰ্যকুমাৰ ভূঞা এম.এ. দেৱে ছপোৱা বৰফুকনৰ গীত বোলা পুথিখনত আছে যে দ্বিতীয়বাৰ মান অহাৰ বাতৰি পাই ৰাজমাও ৰূপচিঙে সৈতে পলাই গ'ল।

"ৰূপচিং বঙাল আৰু ৰাজমাও পাখৰী ৰাতিয়ে খবৰ পাই পলাল।" বুঢ়াগোহাঁইৰ বিষয়ে আছে ঃ—

"কালহীৰা চেলেকি বুঢ়াগোহাঁই নৰকি
ৰাতিয়েই সৰকি গ'ল"

বৰফুকনৰ গীত ৰচনা কৰাজন বৰফুকনৰ পক্ষপাতী বা বৰফুকনৰ ফলীয়া মানুহ যেন ভাবি আমি, ৰাজমাও আৰু বুঢ়াগোহাঁইৰ পৰিণাম এইদৰে বুলি ধৰা নাই। আমি যিমানদূৰ জানো বুঢ়াগোহাঁই ডাঙৰীয়াৰ চিন্তা- জ্বৰ হোৱাত দেশৰ হকে চাটি-ফুটি কৰি প্ৰাণ ত্যাগ কৰিছিল। ৰাজমাৱে এইদৰে অৰ্থাৎ শোকে বেজাৰে জ্বৰত পৰি মৰা বুলিহে আমি সৰুতে পিতৃ দেৱতাৰ মুখে শুনিছিলোঁ। এই গ্ৰন্থকাৰৰ পিতামহৰ বৰ ভাতৃজনাক মানে দিহিঙৰ পাৰতে সবংশে কাটিছিল। পণ্ডিতপ্ৰবৰ পিতামহ মানৰ শেষ আক্ৰমণৰ সময়ত অসম এৰি পলাই গৈ নদীয়াত ছবছৰ থাকি তাত পঢ়ি-শুনি মানক ইংৰাজে খেদাৰ পিছত আকৌ অসমলৈ আহি বজালীত গৈ পলাই থকা ৰুদ্ৰৰাম উজীৰ ককাদেউতাৰ ভগ্নীজনীক— পিতামহী টিপিৰী দেৱীক বিয়া কৰাই বজালীত কিছুকাল থাকে। বজালীতে পিতৃদেৱতা ওপজে। পিছত তাৰ পৰা পিতামহ, উজীৰ ককাদেউতা কেউঘৰ উজাই আহি হাজোতে বাউসীত বসতি কৰে। তাৰ পিছত তাতে পিতামহ ঢুকায়। উজীৰ সৰুজনা ভায়েক আৰু দেউতাৰ ভায়েকৰ ঘৰ তাতে কিছু কাল থাকে। ৰুদ্ৰৰাম ককাদেউতা আৰু মোৰ পিতৃ

গুৱাহাটীলৈ আহে। ৰুদ্ৰৰাম উজীৰ ককাইদেউতাই ৰামছা, পাণবাৰী ইত্যাদি তিনি-চাৰিখন মৌজাৰ মৌজাদাৰ হয়। পিতৃ দেৱতাই কৰ্ণেল এগ্নিউছ, জেনেৰেল জেন্‌কিন্‌ছ এইসকলৰ চিৰস্তাৰত কাম কৰিছিল। মানৰ পৰা এই গ্ৰন্থকাৰৰ পূৰ্বপুৰুষসকলে দুখ পোৱাৰ বাবেই এই গ্ৰন্থকাৰে ঔপন্যাসিকস্বৰূপে ৰঙ্গিলী, নিৰ্ম্মল ভকত, ৰহদৈ লিগিৰী, মনোমতী এই চাৰি উপন্যাস আহোম ৰজাঘৰৰ ক্ৰমপতন আৰু মানৰ অত্যাচাৰ বৰ্ণনা কৰি ৰাইজলৈ আগবঢ়াইছে।

## তৃতীয় অধ্যায়
## শিলঘাটত

আগমানন্দ স্বামীয়ে এজন ল'ৰাৰ বেশ ধৰি গহ্বৰৰ পৰা ওলাবৰ এমাহৰ পিছত এদিন কৃষ্ণদাসী, শ্ৰৱণানন্দ, পৰমানন্দ এই তিনিওজনকে বহুৱাই লৈ ক'লে ঃ— "পিছত মা কৃষ্ণদাসী! মোৰ নাম হ'ল এতিয়াৰ পৰা প্ৰেমানন্দ। তোৰ সাধনা সিদ্ধি হ'ল। যি বিচাৰিছিলি তাকে পালি। পিছত মা! মই তোৰ ঋণৰ পৰা মুক্ত হ'লো নে?"

ৰহদৈ— বাবা! আপুনি মোৰ ঋণৰ পৰা সম্পূৰ্ণ মুক্ত যে হ'লেই বৰং আপুনি মোৰ মন্ত্ৰদাতা, নতুন জন্মদাতা গুৰু হৈ মোকহে আপুনি আকৌ ঋণত আবদ্ধ কৰিলে।

আগমানন্দ— মা! তোক মই এতিয়া কেতখিনি কথা কওঁ। তই এই সাধনাৰ বলত য'তে-ত'তে ইচ্ছা হ'লে অসাধ্যকো সাধন কৰি ফুৰিব পাৰিবি; কিন্তু সাৱধান। সতকাই অসাধ্য সাধন নকৰিবি। সতকাই তোৰ বিভূতি কাকো নেদেখুৱাবি। ইয়াৰ কাৰণ এই যে যেনেকৈ বৰ বিষাক্ত সাপে য'তে-ত'তে তাৰ বিষৰ প্ৰয়োগ কৰি খুটিয়াই ফুৰিলে তাৰ বিষদাঁত ভাগে সেইদৰে বিভূতিপূৰ্ণ যোগীয়ে বিভূতি দেখুৱাই ফুৰিলে শেহত সেই যোগীৰ পতন হয়; কিয়নো বৰ্ত্তমান কালটো কলিৰ ৰাজত্বৰ কাল। কলিয়ে তাৰ প্ৰভাৱ হীন হ'বলৈ সতকাই এৰি নিদিয়ে।

তই ইচ্ছা কৰিলে তোৰ যিমান দিনলৈকে ইচ্ছা সিমান দিনলৈকে ভোক-পিয়াহ ৰহিত কৰি বায়ুভক্ষী হৈও থাকিব পাৰিবি। তোৰ শৰীৰৰ বল এফেৰাও হ্ৰাস নহ'ব, মনতো কোনো কষ্টকেই অনুভৱ নহ'ব। খাওঁ বুলি আকৌ দহজনৰো আহাৰ অকলৈ খাব পাৰিবি। কাম ৰিপুৱে তোক পৰাজয় কৰিব নোৱাৰিব। ইচ্ছা হ'লে কাকো তোৰ সেই আগৰ ভুৱনমোহিনী ৰূপো ক্ষন্তেকলৈ দেখুৱাব পাৰিবি। তই কাকো প্ৰাণটাকি খং নকৰিবি বা শাও নিদিবি কাৰণ তই প্ৰাণটাকি যৎকিঞ্চিৎ খং কৰিলেই যাৰ ওপৰত খং কৰ সেইজনৰ সৰ্বনাশ থিতাতে হ'ব। য'ত দেখুৱাব লাগে ত'ত মাথোঁ মুখেৰেহে খং দেখুৱাবি, অন্তৰে সৈতে কাকো খং নকৰিবি, তোক

বিৰোধ কৰাজনকো তই খং নকৰিবি, শাও নিদিবি; সি আপোনা-আপুনি বিৰোধ কৰাৰ ফল পাব। তোক যোনে পৰি পৰি সেৱা কৰিব তাকো 'তোৰ ঈশ্বৰত ভক্তি হওক' এই আশীৰ্বাদত বাজে আন কোনো আশীৰ্বাদ নিদিবি। তই শীত, গ্ৰীষ্ম, সুখ এই সমস্তৰে অতীত হ'লি। তোক শীতেও ঠেঁটুৱা লগাই কষ্ট দিব নোৱাৰিব, গ্ৰীষ্মেও গৰম লগাই, মহে-দাহে কামুৰি কষ্ট দিব নোৱাৰিব। মুঠতে তই অষ্টসিদ্ধি নৱনিধিৰ গৰাকিনী হ'লি।

তোৰ ইচ্ছা আছে যদি তই কেইবছৰমান তোৰ এই অসম দেশত ফুৰ। তোৰ দেশৰ মানুহ বৰ পাপী হৈছে অলপতে আৰু চাৰি-পাঁচ মাহৰ পিছৰে পৰা প্ৰায় পাঁচ বছৰলৈকে এই অসম দেশ ধ্বংস হ'বৰ আগন্তুক হৈছে। পূবফালৰ পৰা অসংখ্য বৰ্বৰ নিষ্ঠুৰ মানুহ আহি তোৰ অসমীয়া মানুহক এফালৰ পৰা কাটি-ছিঙি খান্টাং কৰি আহিব। যি মানুহ পুণ্যবান; সি হয়তো প্ৰাণ নমৰি ৰক্ষা পাব। পাপী মাত্ৰেই এই বৰ্বৰৰ হাতত জাত-কুল, ধন-প্ৰাণ সমস্ত হেৰুৱাব। এই কালটোত আতুৰ হৈ যেয়ে কৃষ্ণক 'ত্ৰাহি মধুসূদন' বুলি আৰ্তনাদ কৰি একান্তমনে মাতে তেনেকুৱাক তই ওচৰত থাকিলে যেনেকৈ পাৰ তেনেকৈ সহায় কৰিবি— সেৱা-শুশ্ৰূষা কৰিবি। সেৱা-ব্ৰত মহৎ ধৰ্ম। তই এই পাঁচ-ছবছৰ কাল অসমত সেৱা-ব্ৰত লৈ ফুৰ। মানুহৰ লগত কথা-বতৰা পাতি ঠায়ে ঠায়ে নাম-সৰাহ ধৰোৱাই মানুহক ভগৱান কৃষ্ণৰ সেৱা ভক্তিলৈ যিমানদূৰ পাৰ নিবি, কিয়নো ঈশ্বৰ কৃষ্ণই তোক দেখুৱা সেই সপোনতে তোক এইটো আদেশ দিছে। কৃষ্ণ পৰম দয়ালু। তেওঁ সংসাৰৰ প্ৰাণীক তেওঁৰ সেই সুললিত বংশীৰে মাতিবই লাগিছে; কিন্তু দুখৰ বিষয় মনুষ্য জাতিয়ে সেইটো আহ্বানলৈ আওকাণ কৰি কলিৰ প্ৰলোভনত পৰি আত্মহাৰা হৈ নিৰয়গামী হৈছে। প্ৰাণীক তেওঁৰ ফাললৈ ঢাল খুৱাবলৈ ঈশ্বৰ কৃষ্ণই তোৰ মোৰ নিচিনা দুই-চাৰিজনক তেওঁৰ কামত সহায় কৰিবলৈ, সংসাৰত নানা দুখ-কষ্ট দি, নানা সাধনা কৰোৱাই তেওঁৰ কৰ্মৰ সহায়কাৰী কৰি লয়। এয়ে বিধান। মহাপুৰুষসকলে সংসাৰৰ পাপ-তাপ আঁতৰাই মনুষ্যক ঈশ্বৰমুখী কৰিবলৈ আদিষ্ট হৈ জন্ম লয়। মনত সন্তোষ লভিবি মা! তয়ো সেইসকলৰ সেৱা ধাৰিণী এজনী। গত জন্মত মা! তই উত্তৰাখণ্ডৰ হৰিদ্বাৰত বহি যোগ সাধন কৰিছিলি, পিছত দয়াৰাম বোলা তোৰ গতজন্মৰ আগৰ জন্মৰ স্বামীজনে গৈ তোৰ যোগ ভংগ কৰিলে। পিছত তই কাৰ কুহকত পৰি যোগৰ বাট এৰি তাৰে সৈতে আকৌ গৃহস্থী কৰিছিলি। পিছত দুয়ো নিঃসন্তান হৈ মৰিলি। সি দয়াৰাম হৈ উপজিছে, তই এই ভুৱনমোহিনী ৰূপ লৈ উপজিলি। গত জন্মৰ গৃহস্থী কৰ্মে তোক আকৌ দয়াৰামৰ প্ৰেমলৈ টানিছিল। তোৰ ঈশ্বৰ মুখী যোগে তোক তাৰ লগত লাগিব নিদি ঘটনাচক্ৰৰ মাজেদি তোক এতিয়া

এই অৱস্থালৈ আনিলে। মা! তোৰ আৰু পতন নাই। পুনৰ্জন্মও নাই। তই প্ৰাণটোক আগ কৰি দি অসাধ্য সাধন কৰিলি। তই জীৱমুক্ত হ'লি। মা! যেতিয়ালৈকে তোৰ এই দেহটো নেৰ তেতিয়ালৈকে আসক্তিশূন্য হৈ প্ৰাণীৰ সেৱা কৰি ফুৰ। ছবছৰ এই অসমভূমিত পাপী-তাপীক অলপ ধৰ্মৰ পোহৰ দেখুৱা। তাৰ পিছত বংগদেশৰ পাবনা জিলাত পদাৰ পদ্মৰত যি আখাৰা আছে তাত আখাৰাধাৰিণী হৈ জীৱৰ মাজত কৃষ্ণপ্ৰেম বিলাই তোৰ কৰ্ম কৰিবি। তাৰ পিছত দাক্ষিণাত্যত বাৰ বছৰ থাকিবি। তাৰ পিছত সেই পিনেদি ঘূৰি দ্বৰকাত গৈ বাৰ বছৰ থাকি বদৰিকাশ্ৰমলৈ আহিবি আৰু তাৰে পৰা একেবাৰে সিদ্ধাশ্ৰম পাবিগৈ; তাত অসংখ্য যোগী ঋষিৰ লগত থাকি অন্তে মুক্ত হ'বি। মা! এতিয়া তোৰ দীন-হীন সন্তান প্ৰেমানন্দক বিদায় দে। মই সদ্যহতে দাক্ষিণাত্য, নাছিক, দ্বাৰকা, হৰিদ্বাৰ, বদৰিকাশ্ৰম এইবিলাক ঘূৰি ফিৰি সিদ্ধাশ্ৰমলৈ যামগৈ। তই মোক তাতে পাবিগৈ। তই সদ্যহতে শ্ৰৱণানন্দক লগত লৈ গোলাঘাটৰ পিনে যাগৈ।" এইবুলি কৈ "ওঁ নমস্তস্মৈ নমস্তস্মৈ, নমো নমঃ" বুলি প্ৰেমানন্দ (আগৰ আগমানন্দ) স্বামীয়ে কৃষ্ণদাসীক নমস্কাৰ কৰি পশ্চিম মুখে গ'ল। যাবৰ পৰত কৃষ্ণদাসীয়ে "বাবা! আপুনি কৃষ্ণদাসীৰ সৰ্ব অপৰাধ যেন ক্ষমা কৰে" এইবুলি কৈ নমস্কাৰ কৰিলে। ইয়াৰ পিছত শ্ৰৱণানন্দ আৰু কৃষ্ণদাসীয়ে বোকাখাটৰ ফালে খোজ ল'লে।

## চতুৰ্থ অধ্যায়
## গোলাঘাটত

আমাৰ অসমৰ গোলাঘাট নগৰৰ পশ্চিমেদি ধনশিৰী নামে এখন নৈ বৈছে। সেই কালত ধনশিৰী নৈৰ কাষত গোলাঘাটৰ ওচৰৰে পৰা উত্তৰ-দক্ষিণ দুয়ো ফাললৈ নৈৰ দুয়োপাৰে কেবাখনো আহোম গাঁও আছিল। বৰ্তমান শালমৰা চাহ বাগিচাৰ পৰা দুমাইল উত্তৰে নৈৰ কাষত এখন আহোম গাঁও আছিল, সেই গাঁওখনৰ উত্তৰ মূৰত এডোখৰ অলপ পাতল হাবি আছিল আৰু সেই হাবিৰ মাজত পঁজা এটাত নৈৰ পাৰতে সদায় সোঁহাতখন ওপৰলৈ তুলি ৰখা উৰ্দ্ধবাহু সন্ন্যাসী এজন আছিল। সন্ন্যাসীজন অতি বৃদ্ধ। গাৰ ছাল শোঁটোৰা-শোঁটোৰ। দিনটোৰ ভিতৰত সন্ন্যাসীজনাই এবাৰ মাথোঁ ওচৰৰ গাঁৱলৈ গৈ ভিক্ষা কৰি ফল-মূল, চাউল-পাত যি পায় তাকে আনি ইখন হাতেৰে কৰি-মেলি দিনটোৰ ভিতৰত কোনোৰকমে এসাঁজ খাই, ঈশ্বৰ আৰাধনা কৰি জীৱন কটাইছিল। গাঁৱলৈ আহি উৰ্দ্ধবাহুজনে কেতিয়াও "ভিক্ষা দে" বুলি নুখুজিছিল। কেৱল লাওখোলাৰে এটা একতাৰা বজাই "ধুৰত কুঞ্জবনে" ৰাম ইত্যাদি ৰামৰ লীলা মাথোন গাই মানুহক শুনাইছিল। মানুহে

গীত শুনি যাৰে যি ইচ্ছা তাকে দিছিল। ঊৰ্ধ্ববাহুৰেও দ্বিৰুক্তি নকৰি যেয়ে যিহকে দিয়ে তাতে সন্তুষ্ট হৈ আশীৰ্বাদ দি ঘৰলৈ উভতিছিল।

ফাগুন মাহ। বসন্ত কাল। এনেতে এদিন মূৰত অলপ জঁট থকা, মেলি থোৱা চুলিৰে সৈতে এই আহোম গাঁৱলৈ এজন তিনিকুৰিমান বছৰ বয়সীয়াল বৈষ্ণৱী লগত এটা ডেকা সন্ন্যাসীৰে সৈতে আহি নৈৰ পাৰত আঁহত গছ এজোপাৰ তলত আসন পাতি বহিল। নৈয়েদি যোৱা মানুহক শুনাই শুনাই বৈষ্ণৱী জনাই অসমীয়া মাতেৰে বৰগীত, নাম-পদ গাব ধৰিলে। এজন-দুজনকৈ এই বৈষ্ণৱীৰ ওচৰলৈ মানুহ চাপিব ধৰিলে আৰু বৈষ্ণৱীক "ক'ৰ পৰা আহিছে, ক'লৈ যাব, কি লাগে, আগেয়ে কোন গাঁৱৰনো অসমীয়া মানুহ আছিল" ইত্যাদি নানা কথা সুধিলে। বৈষ্ণৱীয়ে 'পৰশুৰামকুণ্ড তীৰ্থ কৰিবলৈ যাম, পছিমৰ ফালৰ পৰা আহিছোঁ, আগৰ মাজুলীৰ ফালৰে অসমীয়া মানুহ আছিলোঁ, কেও কোনো নোহোৱাত বৈষ্ণৱী হৈ খুজি-মাগি খাই ফুৰিছোঁ" ইত্যাদি ৰূপে উত্তৰ দিলে। কথা সোধাৰ লগে লগে কেৰে কেৰে বৈষ্ণৱীৰ পৰা ঔষধো বিচাৰিলে। বৈষ্ণৱীয়ে "ঔষধ-পত্ৰ নাজানো" বুলি কৈয়ো ৰক্ষা নাপাই পিছত কাকো কাকো একো চিকটা মাটিকে দিলে। বৈষ্ণৱীৰ ওচৰলৈ অহা মানুহবিলাকে বৈষ্ণৱী আৰু বাবাজীৰ মন ল'বৰ নিমিত্তে কেৰে চাউল-পাতি, কেৰে গুড়, কেৰে গাখীৰ আনি দিলে। নিশা হলত বৈষ্ণৱীয়ে গছৰ তলতে ধুনি জ্বলাই থাকিব খোজাত ৰাইজে তেওঁলোকৰ ওচৰতে থকা ঊৰ্ধ্ববাহু সন্ন্যাসীৰ আশ্ৰমলৈ নি তাত থৈ ক'লে — "বাবা! আৰু বৈষ্ণৱী মা! আপোনালোক দুজন ইয়াত যিমানদিন থাকে মানে আমি ৰাইজে পুহি থাকিম।" বাবাজী আৰু বৈষ্ণৱীয়ে ঊধ্ববাহুক "নমো নাৰায়ণায়" বুলি সেৱা কৰিলে। ঊধ্ববাহুৱেও সেইদৰে "নমো নাৰায়ণায়" বুলি সেৱা জনালে। তাৰ পিছত ঊধ্ববাহুৱে বৈষ্ণৱীৰ নাম-ধাম সোধাত বৈষ্ণৱীয়ে ক'লে— তেওঁৰ নাম কৃষ্ণদাসী— তেওঁ স্বামী প্ৰেমানন্দৰ শিষ্য।

ঊৰ্ধ্ববাহু— "কোন প্ৰেমানন্দ স্বামী আঁতি-গুৰি মাৰি কোৱাচোন।" কৃষ্ণদাসীয়ে তেতিয়া বিশ্বাসতে ক'লে প্ৰেমানন্দ আগেয়ে কোন আছিল। আগমানন্দৰ নাম শুনি ঊধ্ববাহুৱে ক'লে— "মা! ময়ো সেই মহাপুৰুষৰে মন্ত্ৰশিষ্য। তেওঁ মোক এইটো হঠযোগ দি বাৰ বছৰ কাল ইয়াত থাকিবলৈ কোৱাত আজি প্ৰায় বাৰ বছৰ কাল ইয়াত আছোঁ। এতিয়া মোৰ হাতখনো অলপ অলপকৈ নামিব ধৰিছে— ইয়াত থকা কালো উকলিল। এতিয়া বহিন, মই আৰু তোৰ লগতে পৰশুৰামকুণ্ডলৈ যাম আৰু কিছুকাল তোৰ লগতে ফুৰিম।" ঊৰ্ধ্ববাহুৰ এই কথাত কৃষ্ণদাসীয়ে ক'লে— "বাৰু! কোনো কথা নাই।"

এই কথা-বতৰাৰ পিছত কৃষ্ণদাসী আৰু শ্ৰৱণানন্দ উৰ্ধ্ববাহুৰ আশ্ৰমত ৰ'ল। উৰ্ধ্ববাহুৱে কৰিব লগা সকলো কাম কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই হাতত ল'লে। আৰু উৰ্ধ্ববাহুৰ হাতখন আগৰ অৱস্থালৈ নিয়া কামত উভয়ে তেওঁক সহায় কৰি উৰ্ধ্ববাহুৰ আশ্ৰমতে ৰ'ল।

## পঞ্চম অধ্যায়
## গোলাঘাটত

উৰ্ধ্ববাহুৰ আশ্ৰমত থাকি উৰ্ধ্ববাহুক পুৰা-গধূলি কাম-বনত, যোগত সহায় কৰাৰ লগে লগে কৃষ্ণদাসীয়ে কেতিয়াবা অকলৈ অকলৈ, কেতিয়াবা লগত শ্ৰৱণানন্দ বা উৰ্ধ্ববাহুক লৈ ওচৰৰ মৰঙ্গি, গোলাঘাট, কছাৰীহাট, গেলেকি, আঠগাঁও মৌখোৱা, ঢেকিয়াল ইত্যাদি গাঁওবিলাকত ভিক্ষা মগাৰ চলেৰে মানুহক ক'বলৈ ধৰিলে যে, আমাৰ বৰ দুৰ্দিন আহিব লাগিছে। পূবফালৰ পৰা এনেকুৱা এটা ধুমুহা আহিব লাগিছে যে, মানুহবিলাক এতিয়াৰে পৰা সাজু নহ'লে, এতিয়াৰে পৰা অধৰ্ম এৰি ধৰ্মত ধৰি দেশ ৰক্ষা কৰিবলৈ সাজু নহ'লে সেই প্ৰবল ধুমুহাই সৰ্বনাশ কৰিব। ঠায়ে ঠায়ে কেৱে কেৱে কৃষ্ণদাসীৰ কথা মানি ধৰ্মত মতি আনি ৰাজহুৱা নাম-গুণ পাতিলে। অনেক ঠাইতে কিন্তু তেওঁৰ কথা নামানি তেওঁক ইতিকিঙো কৰিলে। তেওঁ গাঁওবিলাকত দেখিবলৈ পালে যে অসমীয়া মানুহৰ মনত আধ্যাত্মিক ভাব নাই। তাৰ স্থলত হিংসা, দ্বেষ, অসূয়া ইত্যাদিৰে ভৰপূৰ। নামঘৰ লৈয়ে গাঁৱে গাঁৱে দুখনীয়া মেল। নামঘৰবিলাক জীৰ্ণ-শীৰ্ণ হৈছে সংস্কাৰ হ'লে কেৱে নকৰে; কিন্তু তোৰ মোৰ কৰি কেৱল হাই-দন-কাজিয়াত মত্ত। বাপেকক পুতেকে নামানে— ঘৰে ঘৰে স্বামীয়ে স্ত্ৰীয়ে কাজিয়া। সম্পত্তি লৈ ভায়ে ভায়ে টঙনীয়া-টঙনি। মিছা, বেশ্যা ইত্যাদিৰে দেশ ভৰপূৰ। ৰাজনীতি লৈয়ো মানুহবিলাকে দুখেলীয়া। কেৱে চন্দ্ৰকান্ত-সংৰাম ফলীয়া, কেৱে বুঢ়াগোহাঁইৰ ফলীয়া। কৃষ্ণদাসীয়ে বঢ়িয়াকৈ বুজিলে যে অসমীয়া মানুহ ধ্বংসৰ বাটত। তেওঁ ঠাইতে মানুহক বুজনি দিব আৰু কৃষ্ণ গীত-পদ, কীৰ্ত্তন দশমৰ পৰাই গাই শুনাব ধৰিলে। তেওঁ নানা উপায়ে মানুহৰ মন ধৰ্মৰ ফালে আকৰ্ষণ কৰিব ধৰিলে। দেশ ৰক্ষক যোদ্ধা বীৰ জাতিৰ আহোম আৰু চাওডাঙসকলক ঈশ্বৰ চিন্তা কৰাৰ লগে লগে নিজৰ নিজৰ কৰ্তব্য পালন কৰিবলৈ উদগনি দি ফুৰিলে। ঠায়ে ঠায়ে নাম-সবাহ পতোৱালে আৰু এইদৰে কিছুদূৰ কৃতকাৰ্য হ'ল। তেওঁ সপোনত দেখা কথাটো মনত কৰি কৰি কৃষ্ণৰ ধৰ্ম প্ৰচাৰ কৰি ফুৰিলে। মানুহক সৎপথলৈ অলপ পৰিমাণে ঢাল খুৱালে।

## ষষ্ঠ অধ্যায়

## মৰঙ্গিত

আমি আগেয়ে কৈছোঁ এই সময়ত অসমৰ ভগা-ৰজা চন্দ্ৰকান্ত সিংহ এই মৰঙ্গিতে তেওঁৰ সম্পৰ্কৰ এঘৰ গোহাঁইৰ ঘৰত লুকাই আছিল। সেই সময়ত মৰঙ্গিত ৰুচিনাথ বুঢ়াগোহাঁইৰ ভাতৃ এজন মৰঙ্গিখোৱা গোহাঁই হৈ আছিল। তেওঁৰ ককায়েক ৰুচিনাথ বুঢ়াগোহাঁয়ে চন্দ্ৰকান্তক ৰজা ভাণ্ডি পুৰন্দৰ সিংহক ৰজা পাতিছিল আৰু চন্দ্ৰকান্ত ৰজা যে প্ৰাণৰ ভয়ত পলাই ফুৰিছিল এই খবৰ তেওঁ বঢ়িয়াকৈ পাইছিল। ইয়াৰ উপৰিও চন্দ্ৰকান্ত ৰজাক পালে যে প্ৰাণবধ কৰিব লাগে, নোৱাৰিলে অন্ততঃ তেওঁৰ এটা অঙ্গকে হানি কৰিব লাগে এই আদেশো তলে তলে পাই তেওঁ চাৰিজন চোৰাংচোৱা ৰাখি চন্দ্ৰকান্ত ক'ত আছে ইয়াৰ বিচাৰ লোৱাইছিল।

চন্দ্ৰকান্ত ৰজা মৰঙ্গিতে লুকাই থকা খবৰ মৰঙ্গিখোৱা গোহাঁইৰ চোৰাংচোৱাই পাই সিহঁতে চন্দ্ৰকান্তক চোপ দিব ধৰিলে। সিহঁতে প্ৰকাশ্যে চন্দ্ৰকান্তক ধৰিবলৈ সাহ নকৰিলে কিয়নো যি গোহাঁইৰ ভৰত ভগা ৰজা পলাই আছিল সেই গোহাঁইৰ ঘৰ বৰ জোৰদাৰ; আনকি অনেক মানুহৰ ওপৰতে প্ৰভাৱশালী আছিল।

দৈৱৰ দুৰ্বিপাকত সকলোবিলাক মানুহ কৃষ্ণদাসীৰ কথা শুনিবলৈ যোৱা দেখি এদিন গধূলি চন্দ্ৰকান্ত ভগাৰজাও বাবাজীৰ আখৰাৰ পিনে আহিল। সেই সময়ত বাটত কোনো মানুহ-দুনুহ নাছিল। বাবাজীৰ আখৰাৰ ওচৰ পাওঁ পাওঁ হওঁতেই নৈৰ গৰাৰ পৰা সাউৎ কৰে চাৰিটা মানুহ ওলাই আহি ৰজাক গবা মাৰি ধৰিলে। সিহঁতে মুখত সোপা দিবলৈ নৌ পাওতেই ৰজাই "আই ঔ ধৰিলেঔ" বুলি চিঞৰ এটা মাৰিলে। সেই চিঞৰ শুনি বাবাজীৰ আখৰাৰ পৰা কৃষ্ণদাসী, শ্ৰৱণানন্দ আৰু চাৰি-পাঁচজনমান মানুহ লৰি "হা হা, কি কৰ কি কৰ" বোলোতে সিহঁতে চন্দ্ৰকান্তক নিব নোৱাৰি সেই ঠাইতে এটাই কটাৰী এখনেৰে তৎক্ষণাৎ ৰজাৰ সোঁকাণৰ তলৰ লতিটো কাটি পেলাই লৰি পলাই হাবিৰ মাজত সোমাল। চন্দ্ৰকান্তৰ কাণ তেজেৰে ৰাঙলী হ'ল। কৃষ্ণদাসীয়ে তৎক্ষণাৎ দুবৰি একোছা টান মাৰি আঁজুৰি আনি হাতেৰে মোহাৰি অলপ ৰস উলিয়াই ৰসে-তসে ৰজাৰ কাণত লেপ'থেপকৈ দি ধৰি-মেলি ৰজাক আখৰালৈ লৈ গ'ল আৰু তাত কৃষ্ণদাসীয়ে আকৌ দুবৰি আৰু কিবা অলপ দৰৱ ভালকৈ শিলত বটি ৰজাৰ কাণত লগাই দি কাণখন গেৰুৱা কাপোৰ এডোখৰেৰে বান্ধি ৰজাক এটোপা গৰম গাখীৰ খুৱাই সুস্থ কৰি ভালকৈ ধুনিৰ ওচৰত আসন পাতি বহুৱাই থৈ গধূলিৰ আৰতি আৰম্ভ কৰিলে। আৰতিৰ পিছত দুয়োজন সন্ন্যাসী আৰু কৃষ্ণদাসীয়ে পিতলৰ সৰু ৰাধা-কৃষ্ণ যুগল মূৰ্তিৰ আগৰ স্তৱ গালে, ইয়াৰ পিছত কৃষ্ণদাসীয়ে গালে —

কতনো আমোঘ অপৰাধ হৰি
কৰিয়া আছোঁ প্ৰচুৰ।
হিয়াত থাকিয়া নেদাহা সুবুদ্ধি
কৃপাৰ হুয়া ঠাকুৰ।।
যিহেতু তোমাৰ চৰণ পঙ্কজে
নভজিলোঁ নাৰায়ণ।
সিহেতু অনাদি অবিদ্যা আমাৰ
কৰিলে জ্ঞান উচ্ছন্ন।।
তুমি নিজ পিতৃ গুৰু ইষ্টদেৱ
নভজো তোমাৰ পাৱে।
এহি দোষ মোক যমদূতে ধৰি
যাতনা দুখ ভুঞ্জায়ে।।
তুমি প্ৰিয়া আত্মা পৰম দেৱতা
তোমাৰ ভৈলো বিমুখ।
এতেকে তোমাৰ মায়ায়ে আমাক
দিলেক সংসাৰ দুখ।।

— নামঘোষা

মিঠা মাতেৰে সুললিত সুৰে, কৃষ্ণদাসীয়ে এই ঘোষাটি গোৱা হলত ভগা-ৰজা চন্দ্ৰকান্তই ধীৰে ধীৰে মাত লগালে— “বৈষ্ণৱী, তোমাৰ মাতটো যেন মই আগেয়ে ক'ৰবাত শুনিছিলোঁ এনেকুৱা যেন লাগিছে। তোমাৰ এই গীতটোৱে মোৰ প্ৰাণ বৰ আকুল কৰিলে। তুমি আকৌ এইটো গোৱাচোন। ৰজাৰ এই কাতৰ অনুৰোধ এৰাব নোৱাৰি কৃষ্ণদাসীয়ে আকৌ ঘোষাটো গালে। ৰজাৰ চকুৰে দুধাৰ লো বলে। তাৰ পিছত ৰজাই ক'লে,— “বৈষ্ণৱী! তোমাৰ মাতটো মোৰ তাহানিৰ ৰহদৈ লিগিৰীৰ মাত যেন লাগে। কোৱাচোঁ বৈষ্ণৱী তুমি কোন।”

কৃষ্ণদাসী— মই জানিলো আপুনি আমাৰ ভগা-ৰজা চন্দ্ৰকান্ত সিংহ। স্বৰ্গদেৱ, মই এজনী দুখুনী ভিখাৰিণী। মই দেশ-বিদেশে মোৰ একমাত্ৰ বন্ধু প্ৰভু কৃষ্ণৰ নাম গুণ গাই খুজি-মাগি খাই ফুৰোঁ।

ৰজা— তুমি আগৰ অসমীয়া মানুহ নে আন কোনো বিদেশৰ। অসমত ভালেমান দিন থাকি অসমীয়া মাত-কথা গীত-পদ শিকিছানে?

কৃষ্ণদাসী— স্বৰ্গদেৱ মোক এতিয়া যিহকে বোলে তাকে বুলিব পাৰে। মোৰ বৰ্তমানত ঘৰ-দুৱাৰ নাই, নিজৰ বুলিবলৈ কোনোখন দেশেই নাই।

ৰজা— সেইটো হয়। পিছত কোৱাচোঁ আগৰ তুমি ক'ৰ মানুহ। অৰ্থাৎ সন্ন্যাসিনী হোৱাৰ আগেয়ে ক'ৰ আছিল?

কৃষ্ণদাসী— স্বৰ্গদেৱ মই আগৰ এই অসমৰে মানুহ।

ৰজা— কোৱাচোঁ কেনেকৈ বা কেলেই বৰাগিনী হ'লা?

কৃষ্ণদাসী— স্বৰ্গদেৱ! মোৰ আই-বোপাই-ভাই সকলোবিলাক মৰি-হজি ঢুকুৱাত মই ঘৰে ঘৰে আশ্ৰয় বিচাৰি ফুৰিছিলোঁ। তেতিয়া মই ভৰ গাভৰু। দেখিবলৈকো ধুনীয়া আছিলোঁ। পিছত মোৰ অলপ কথাতে জাত যোৱা বুলি মোক কেৱে ঠাই নিদিলে। ডেকাবিলাকে আৰু যেয়ে-সেয়ে মোৰ ধৰ্ম নষ্ট কৰিবৰ মনেৰে মোক অশেষ যাতনা দিলে। একোকে উপায় নাপাই আৰু অসম দেশত অনাথিনী তিৰোতা থাকিবৰ নিমিত্তে কোনো সত্ৰ বা আশ্ৰম নথকাত দুখ পাই নৈত জাঁপ মাৰি পৰিছিলোঁ। পিছত এজন বাবাজীয়ে মোক নৈৰ ঘাটত পাই জীউ দান দি শিকাই-বুজাই সন্ন্যাসিনী কৰি দিছে। এতিয়া মোৰ ঘৰ আকাশৰ তলত। নৈৰ পানী আৰু গছৰ ফল মোৰ আহাৰ। অন্ন কেতিয়াবা পালেহে খাওঁ। গোটেই পথিৱীখনেই মোৰ দেশ।

ৰজা— মই যদি আজি অসমৰ ৰজা হৈ থাকিলোহেঁতেন তেনেহ'লে বৈষ্ণৱী! মই তোমাৰ লেখীয়া ধাৰ্মিকা বাঁৰী-বিধৱাসকলৰ নিমিত্তে মাটি-বৃত্তি দি আশ্ৰম বা সত্ৰ পাতি দিলোহেঁতেন। কিন্তু কি কৰিম মোৰ দুৰ্কপালৰ গুণে আজি ময়ো বাটৰ ভিখাৰী দৰিদ্ৰ। শত্ৰুৱে পাই যাতে মই আগলৈকো ৰজা হ'ব নোৱাৰোঁ এই ভাবি প্ৰাণ বধ বিচাৰিছিল। পিছত তোমাৰ আৰু বাবাসকলৰ আৰু এইকেইজন মানুহৰ সহায়ত প্ৰাণ নগ'ল; কিন্তু পাষণ্ডহঁতে মোৰ কাণখন চিৰকাললৈ ঘূণীয়া কৰি মোৰ আগলৈ কেতিয়াবা ৰজা হোৱাটোৰে কাণকঠীয়া মাৰিলে। এইবুলি কৈ ৰজা চন্দ্ৰকান্তই চকুৰ লো টুকিব ধৰিলে। চন্দ্ৰকান্তক সেইদৰে শোক কৰি কন্দা দেখি কৃষ্ণদাসীয়ে ক'লে— "স্বৰ্গদেৱ! নাকান্দিব। শোক নকৰিব। সুখ আৰু দুখ বোলা বস্তু দুটা চকৰিৰ দৰে ঘূৰি ফুৰে। কেতিয়াবা কেৱে মহাসুখত থাকি শেহত দুখত পৰে, কেৱে আকৌ দুখত থাকি শেহত সুখ পায়। সংসাৰ অনিত্য, ইয়াত একো বস্তুৱেই স্থায়ী বা চিৰকলীয়া নহয়। আজি আপুনি ৰাজ সিংহাসন হেৰুৱাই, গুপুত চোৰাংচোৰাৰ হাতত অঙ্গ এটাৰ ঘূণীয়া হৈ মহা শোক আৰু দুখত আছে। কোনে জানে যে আপুনি দুই কি তিনি মাহৰ মূৰত আকৌ ৰজা নহ'ব?"

ৰজা— কেলেই এনেকৈ ক'লা বৈষ্ণৱী! মোক ঘূণীয়া কৰিলে যেতিয়াই মই আৰু দুনাই ক'ত ৰজা হ'ম?

কৃষ্ণদাসী— ঘূণীয়া হ'লেও আকৌ ৰজা হোৱাটো অসম্ভৱ নহয়। বৰফুকনৰ

পুতেক দুটা পলাই যেতিয়াই আকৌ মান আনিবলৈ গৈছে তেতিয়াই এই ৰাজ্যত আকৌ তল-ওপৰ লাগিব।

ৰজা— বৈষ্ণৱী! তোমাৰ মাতটো মোৰ তাহানিৰ ৰহদৈ লিগিৰীৰ দৰে।

বৈষ্ণৱী— মাতৰ দৰে মাত হোৱাটো একো আচৰিত কথা নহয়। পিছত স্বৰ্গদেৱ! আপুনিনো আপোনাৰ সেইজনী লিগিৰীৰ বিষয়ে কেলেই বাৰে বাৰে এনেকৈ কৈছে। তাইৰ নিমিত্তে কেলেই ইমানকৈ মনত কৰিছে।

ৰজা— (দীঘল হুমুনিয়া এটা কাঢ়ি) বৈষ্ণৱী! তোমাৰ মাতে মোক তাইলৈ বৰকৈ মনত পেলাইছে। তাইলৈ মনত পৰিলেই মোৰ শোক লাগে। বেচেৰীক মই তাইৰ ভালপোৱা ডেকা জয়াৰামে সৈতে মুক্তি দিছিলোঁ। পিছত মোৰ দুৰ্ভাগ্যৰ গুণে আইদেউতা আৰু বৰবৰুৱাই চক্ৰান্ত কৰি তাইক য'লৈকে ইচ্ছা বা মাজুলীৰ ফাললৈ পঠিয়ালে, তাক মোৰ আদেশৰ বিৰুদ্ধেও নগা পাহাৰৰ ফালে খেদি পঠিয়ালে। তাৰ শেষ গতি কি হ'ল ক'ব নোৱাৰিলোঁ; কিন্তু ৰহদৈ হেনো পানীত জঁপ দি মৰিল। হাঁয় মোৰ কপালখন এনেকুৱা বেয়া যে মই এদিনলৈকে নিজ ইচ্ছামতে কোনো কামকে কৰিব পৰা নাই। মোৰ সকলো কামতে মোৰ আই-দেউতাই বাধা-বিঘিনি পেলাই ওলোটা কৰে। তাইক (ৰহদৈক) মই পোন প্ৰথমে মোৰ বৰ্তমান ৰাণীক বিয়া কৰোৱাৰ আগেয়ে বিয়া কৰাব খুজিছিলো— তাত মোক ৰাজমাও দেউতা পূৰ্ণানন্দ বুঢ়াগোহাঁই উভয়ে বাধা কৰিলে। শেষত তাইক মই দয়াৰামে সৈতে ঘৰ গিৰস্তী কৰি খাবলৈ মুক্তি দিছিলো তাতো ৰাজমাও দেউতাই আৰু বৰবৰুৱাই ওলোটা কৰিলে। মই যদি সিহঁত হালকে কাৰেঙলৈ আনি নিজ মুখে হুকুম দিলোহেঁতেন; তেনেহ'লে তাই নমৰিলেহেঁতেন। তাই সুখী হ'লহেঁতেন। আজি মই দয়াৰামৰ নিচিনা ডেকা এটাক মোৰ শৰীৰ ৰক্ষকস্বৰূপেও ৰাখিব পাৰিলোহেঁতেন। হাঁয় মোৰ কপাল!

কৃষ্ণদাসী— "স্বৰ্গদেৱ ঈশ্বৰ। আপুনি যেনেকৈ পূৰ্বজন্মৰ নিজৰ কৰ্মফলৰ বাবে আজি এই দুখ ভুঞ্জিছে তাইৰো তাইৰ পূৰ্বজন্মৰ কৰ্মফলে তেনেকুৱা গতি হৈছে; ইয়াত আপোনাৰ বেজাৰ কৰিবগীয়া একো নাই। তাইলৈ আপুনি মনত নকৰিব। নাপায়। আপুনি এতিয়া এইকেইজন মানুহৰ লগত ঘৰলৈ যাওকগৈ নতুবা য'ত আছে তালৈ খবৰ পঠিয়াই দিয়ক আৰু মানুহ আহি আপোনাক ঘৰলৈ লৈ যাওকহি।" কৃষ্ণদাসীয়ে এই কথা কৈ উঠিয়ে মাথোন এনেতে যি ঘৰত ৰজা চন্দ্ৰকান্ত আছিল সেই ঘৰত গোহাঁইজনাই দুকুৰিমান মানুহ লগত লৈ পাল্কী এখনেৰে সৈতে আহি পালে। আৰু ৰজাক আলফুল কৰি ধৰি পাল্কীত তুলি ঘৰলৈ লৈ গ'ল। ৰজাৰ এই দশা দেখি ৰাণী মাৰে পাৰেমানে কান্দি কাটি ৰজাক শুশ্ৰূষা

কৰি খুৰাই-বুৰাই কাণত দৰৰ বটি দি আৰু জ্বৰ নহ'বলৈ কিবাকিবি ঔষধ খুৱাই শুৱাই থ'লে। ৰাণী মা আৰু গোহাঁইজনে বঢ়িয়াকৈ বুজিলে যে এই কাম মৰঙ্গিখোৱা গোহাঁয়ে কৰোৱালে।

## সপ্তম অধ্যায়

## মৰঙ্গি ত্যাগ

এই ঘটনাৰ পিছদিনা ৰাতিপুৱাই কৃষ্ণদাসী, শ্ৰৱণানন্দ আৰু ঊৰ্দ্ধবাহু তিনিও স্নান-আহ্নিক কৰি পুৱাতে অলপ ভোগ তৈয়াৰ কৰি গোসাঁইত লগাই তিনিও টালি-টোপোলা বান্ধি লৈ ৰজা য'ত আছে তালৈ আহিল। ৰাণী মাৰে কৃষ্ণদাসী বৈষ্ণৱীক ভিতৰলৈ মাতি নিলে। শ্ৰৱণানন্দ আৰু ঊৰ্দ্ধবাহু দুয়ো বাহিৰতে গোহাঁইজনৰ লগত কথা-বতৰা পাতি বহি থাকিল। কৃষ্ণদাসীক মাতি নি ৰাণীয়ে কঠ এডোখৰ নিজহাতে পাৰি দি বৈষ্ণৱীক হাতযুৰি মূৰ দোঁৱাই সেৱা কৰিলে। কৃষ্ণদাসীয়ে "হাঁ ৰাণী মাও! আপুনি কি কৰে। দুখুনীক সেৱা কৰিব নাপায়। দুখুনীক সেৱা কৰিলে দুখুনীৰ পাপ হয়, কিয়নো আপুনি ৰাণী মাও।"

ৰাণী— এ বৈষ্ণৱী মা! মইতো এতিয়া ৰাণী নাই। তাতে আকৌ তুমি বয়সে ডাঙৰ আৰু ভকতনী যেতিয়াই তুমি সেৱাৰ থলী।

বৈষ্ণৱী— নহয় মা! দুখুনীক সেৱা নকৰিব। পিছত দুখুনীয়ে এই স্থান এৰি পৰশুকুণ্ডৰ ফালে যাওঁগৈ। কেৱল মাত লগাবহে সোমালোঁ।

ৰাণী— বৈষ্ণৱী মা! তুমি কালি মোৰ ৰজাক যিদৰে বচালা তাৰ বাবেনো মই তোমাক কি দিম কি থ'ম, একোকে বিচাৰি নাপালো। সেই দেখি মা! ধৰক মোৰ গলৰ এই সোণৰ হাড়ডালকে লওক, এইবুলি ৰাণীয়ে হাড়ডাল খহাব ধৰোতেই কৃষ্ণদাসীয়ে হাত থাপ মাৰি ধৰি বাধা দি ক'লে— "ৰাণী মা! ৰাণী মা! বৈষ্ণৱীৰ বধে চুব, আপুনি গলৰ হাড় নোসোলোকাব। ৰজা জীয়াই থাকোঁতেই আপুনি গাৰ অলংকাৰ নখহাব। মোক হাড় বা ধন-বিত একো নালাগে। মই সংসাৰ বিৰাগী ভিখাৰিণী। মই হাড়, ধন-সোণ লৈ কৰিম কি। যদি একো দিব নোৱাৰিলে দুখুনীক চাউল এমুঠাকে দিয়ক— নতুবা যি হয় কল বা বেল যিহকে হয় এটা ফলকে দিয়ক। ধন-সোণ ভিখাৰিণীক নিদিব। পিছত কোঁৱৰক মোৰ ওচৰলৈ আনকচোন।" কৃষ্ণদাসীৰ এই কথাত ৰাণীমাও ভিতৰলৈ গৈ কল এক আষি আৰু বেল দুটাৰে সৈতে ৰাজকোঁৱৰ ঘনকান্তক (সেই সময়ত ঘনকান্ত কোঁৱৰ দুবছৰ বয়সীয়া) কোলাত লৈ ওলাই আহিল। বৈষ্ণৱীয়ে দুয়ো হাত পাতি ভিক্ষা ল'লে। তাৰ পিছত নিজৰ জোলোঙাৰ ভিতৰলৈ হাত সুমাই তৎক্ষণাৎ সোণৰ হাড় এডাল

উলিয়াই ঘনকান্ত যুৱৰাজৰ গলত পিন্ধাই দিলে আৰু আঙঠি তিনিটা, কেৰু এযোৰ, মণি এথোপা উলিয়াই ৰাজমাৰৰ চৰণত দি ক'লে, "মা। মোৰ এইকেইপদ বস্তু লওক। এই সমস্ত মোৰ পিতৃকলীয়া বস্তু। মই সুখে-দুখে লগত ৰাখি থৈছোঁ এজনা যোগ্যৱতী মোৰ অসমীয়া মাতৃক দিবলৈ। পিছত মই এই হাড় আৰু আঙঠি মোৰ কোঁৱৰক দিলো। কেৰুযোৰ শ্ৰীশ্ৰীচৰণত অৰ্পিলো। দুখুনীৰ বস্তু বুলি নিঘিণাব। ভিখাৰিণীৰ এইবিলাক বস্তুত প্ৰয়োজন নাই। মা! আৰু এটা কথা কওঁ। তিৰোতাৰ স্বামীয়েই ধৰ্ম, স্বামীয়েই কৰ্ম। আপুনি স্বৰ্গদেৱৰ সকলো অৱস্থাতে স্বৰ্গদেৱক শুশ্ৰূষা কৰিবলৈ কম নকৰিব। মই আহোঁহে।

ৰাণী— বৈষ্ণৱী মা! তোমাক বিদায় দিবৰ মোৰ সত নুফুৰে। বাৰু জানে যদি মা! এটি কৃষ্ণৰ গীত গাই যাওক। কৃষ্ণদাসীয়ে গালে ঃ—

জয় জয় কৃষ্ণ কৃপাময়
ভজিলোঁ তোমাৰ পাৱে।
তোমাৰ চৰণ পঙ্কজত মন
মজোক মোৰ স্বভাৱে।।
জয় জয় ৰাম জগত কাৰণ
জগত জীৱন স্বামী।।
পৰম দেৱতা জানিয়া তোমাৰ
চৰণে ভজিলোঁ আমি।।
অনাদি অনন্ত হে ভগৱন্ত
ভজো কৰি প্ৰণিপাত।
মুকুত ৰসকো তেজি মহাজনে
শৰণ লৱে তোমাত।।

— নামঘোষা

মিঠা মাতেৰে কৃষ্ণদাসীয়ে এই গীতটো জাত লগাই গোৱা হলত ৰাণী মাৱে ক'লে,— বৈষ্ণৱী মা! তুমিনো কেনেকৈ ঠিক তাহানিখন আমাৰ সত্ৰত গোৱা হুবহু সুৰেৰে গালা। তুমি নিশ্চয় আগৰ অসমীয়া জীয়ৰী কিবা কাৰণত বৈষ্ণৱী হৈ ফুৰিছা। তোমাক দেখোন মোৰ আপোন আপোন যেন লাগে। তোমাৰ মাতটো ঠিক আমাৰ তাহানিৰ ৰহদৈৰ মাতৰ দৰেই। কোৱা মা! তুমি কোন?

কৃষ্ণদাসী— মা! মই ভিখাৰিণী। মোৰ নাম কৃষ্ণদাসী। মই আমাৰ অসমীয়া জীয়ৰীয়েই হওঁ। মাতৰ দৰে মানুহৰ মাত থাকে। সি একো আচৰিত নহয়। এইবুলি

কৈয়েই ৰাণীক আৰু ৰজাকো এফেৰা চিন্তাত পেলাই ঘপহকৰে উঠি বাহিৰলৈ আহিল আৰু শ্ৰৱণানন্দ, ঊৰ্দ্ধবাহু উভয়কে লগত লৈ গোলাঘাটৰ পিনে গ'ল। তাৰ পৰা পিছদিনা নেঘেৰিটিঙৰ শিৱদৌল পালেগৈ।

## অষ্টম অধ্যায়
## নাহৰণীৰ শিৱদৌলত

শিৱদৌল পাই আমাৰ কৃষ্ণদাসী আৰু সন্ন্যাসী দুজন তিনিও শিৱদৌলৰ সংলগ্নত থকা আলহী ঘৰত গধূলি গৈ উঠিল। তাত গৈ দেখে যে গধূলি আৰতি আৰু পূজা হৈ যোৱাৰ পিছত দৌলৰ আগত থকা নাটমন্দিৰ ঘৰটোৰ ভিতৰত ডেৰগণ্ডা নট-নটীসকলে নৃত্য-গীত কৰিছে। সেই নৃত্য-গীত চাবলৈ ওচৰৰ গাঁৱৰ ডেকা-গাভৰু ভালেমান আহিছে। সকলোবিলাক নটীৰ নাচনত বিভোল আন কি বামুণৰ ল'ৰাবিলাকেও নটীসকলক অশ্লীল আৰু মধুৰ বাক্য ৰসেৰে উৎসাহ দিছে। নটিনীসকলেও বিগ্ৰহৰ তৃপ্তি লগোৱাতকৈ, নিজৰ নাচনত বিভোল হোৱাতকৈ ডেকাসকলৰ তৃপ্তি লগাবলৈহে তৎপৰ। আমোদত সকলোবিলাক বিভোৰ। দূৰৰ পৰা অহা আলহী-অতিথিৰ খবৰ লওতা কেও নাই। তেওঁবিলাক তিনিও জোলোঙাৰ পৰা ৰাধাকৃষ্ণৰ মূৰ্তি দুটি উলিয়াই মাটিতে এখন থালত থাপি সৰু থাল এখনিতে এডোখৰ কৰ্পূৰ জোলোঙাৰ পৰা উলিয়াই সেই কৰ্পূৰ জ্বলাই আৰতি কৰি স্তোত্ৰ গালে— তাৰ পিছত কৃষ্ণদাসীয়ে নিজে নিজে গালে ঃ—

“পাপ সাগৰত তল নিয়াইলেক
বলে কৰি দুৰাচাৰ।
ৰাম নাম বিনে পাপ এৰাইবাৰ
উপাই নাহিকে আৰ।।
হৰিত শৰণ লৈয়া যিটো জন
সদা ৰাম নাম গাৱে।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষ নপাৱে।”

— নামঘোষা

এই ঘোষাটো গাই উঠাৰ পিছত শ্ৰৱণানন্দ আৰু ঊৰ্দ্ধবাহুৱে ঘটীতকৈ বাটৰ পৰা অনা পানী উলিয়াই এচিলিম ভাং তৈয়াৰ কৰি খাই তিনিও সেই আলহী ঘৰতে একো নোখোৱাকৈ পৰি থাকিল। ইফালে কিন্তু নাট মন্দিৰত নিশা দুটামানলৈকে নটীৰ নাচ

চলিল। নাচৰ পিছত নট-নটীসকল তেওঁলোকৰ নির্দিষ্ট বহাত সোমালগৈ। সিহঁত বহাত সোমোৱাৰ পিছত জাতি-বর্ণ-নির্বিশেষে দুই-চাৰিজন ডেকাই যি উদ্ভণ্ডালি আৰু পাপ কর্ম কৰিলে তাক বর্ণোৱাৰ সকাম নাই। কৃষ্ণদাসী আৰু সন্ন্যাসী দুজনে বঢ়িয়াকৈ বুজিলে যে দেশখন ব্যভিচাৰেৰে অধর্মেৰে ভৰপূৰ। দয়া, দাক্ষিণ্য, সংযম, সৎ চিন্তা, ঈশ্বৰোপাসনা, ভক্তি, জ্ঞান ইত্যাদিৰ ঠাইত অসমীয়া ব্ৰাহ্মণ সজ্জনৰ ভিতৰতো নিষ্ঠুৰতা, স্বাৰ্থপৰতা, সংযমহীনতা, কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসর্য, কুচিন্তা, কুকর্ম এইবিলাকেহে ঠাই পাইছে। ধর্মৰ স্থলবিলাকো পাপাচাৰণৰ স্থলহে হৈছে। ধর্মৰ নামত মঠ-মন্দিৰৰ আগত নটী আদিৰ নৃত্য কেৱল কামুকৰ, লম্পটৰ কাম উদ্ৰেক কৰি ধন অর্জাৰ উপায় হৈ পৰিছে। এইবিলাক দেখি-শুনি শ্ৰৱণানন্দ আৰু উৰ্ধ্ববাহুৱে অসম দেশখনক নিন্দা কৰিলে। বেচাৰী কৃষ্ণদাসীয়ে দীঘলকৈ হুমুনিয়া এটা কাঢ়ি পৰি থাকিল।

## নৱম অধ্যায়
## নাহৰণীৰ শিৱদৌলত

পিছদিনা ৰাতিপুৱাওতেই সন্ন্যাসী দুজন আৰু কৃষ্ণদাসী তিনিও ওচৰৰ নৈলৈ গৈ গা-পা ধুই বেলি ছয় দণ্ডমান যোৱাত আকৌ মন্দিৰ পালেহি। মন্দিৰত তেতিয়ালৈকে পূজাৰী আঠপৰীয়া কেৱে উঠা নাই। আমাৰ সন্ন্যাসী দুজন আৰু কৃষ্ণদাসীয়ে তেওঁলোকৰ আৰতি কৰি স্তোত্ৰ গালে। তাৰ পিছত উৰ্ধ্ববাহুৱে ক'লে— "হা মা! কৃষ্ণদাসী! তোমাৰ দেশখন কেনেকুৱা। ইয়াত দেখোন মঠ-মন্দিৰৰ পাণ্ডা, পূজাৰী কেৱে যে ৰাতিৰ আলহীকো নোসোধেই তদুপৰি দেখোন আচাৰভ্ৰষ্ট। বেলি ডেৰপৰলৈকে দেখোন শোৱে।"

কৃষ্ণদাসী— কি ক'ম গুৰুভাই! আগেয়ে এনেকুৱা নাছিল। গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ দিনৰে পৰা ৰজাঘৰত কলি সোমোৱাৰ লগে লগে প্ৰজাবিলাককো, ব্ৰাহ্মণ-সজ্জনকো কলিয়ে গ্ৰাস কৰিব ধৰিছে। এইটোনো কি দেখিলা আৰু এফেৰা ধেমালি দেখিবা।

উৰ্ধ্ববাহু— তেন্তে এই দেশখন ধ্বংসলৈ যাবৰ চিন হোৱা নাইনে?

কৃষ্ণদাসী— এই দেশ ধ্বংসৰ মুখত। যিদিনাই বুঢ়াগোহাঁই আৰু বৰফুকনে অৰিয়াঅৰি পাতিলে তেতিয়াৰে পৰা দেশত কলি প্ৰবল হ'ল। তাৰ পিছত যিদিনাই বদন বৰফুকনে গৈ মান আনিলে তেতিয়াৰে পৰা এইখন ঈশ্বৰৰ অভিসম্পাতত পৰি ধ্বংস মুখলৈ আহিছে। এতিয়া আকৌ বৰফুকনক কটোৱাত বৰফুকনৰ পুতেকহঁতেতো মান দেশলৈ আকৌ গৈছেই— ইফালে নেদেখিলানে চন্দ্ৰকান্ত ৰজাক বুঢ়াগোহাঁইৰ পুতেকে যে ভাঙিলেই তদুপৰি তেওঁৰ অন্য পুত্ৰ মৰঙ্গিখোৱা গোহাঁয়ে

ৰজাৰ প্ৰাণ মৰাব নোৱাৰি কাণখনকে কটোৱালে। কলি আৰু পাপৰ সোঁত ইয়াতকৈনো আৰু কি হ'ব পাৰে। বাৰু প্ৰজাৰ ভিতৰত পাপ-পুইণ কিমান তাকো এফেৰা চাই ফুৰোহঁক।

ঊৰ্দ্ধবাহু— বাৰু! তাকে হ'লেই চাই ফুৰোঁ।

এইদৰে তেওঁলোকৰ কথা-বতৰা হোৱাৰ পিছত, বেলি এপৰমান হ'লত এটি-দুটিকৈ আঠপৰীয়া পূজাৰী শুই উঠিল। কৃষ্ণদাসীয়ে আঠপৰীয়া এজনক মাত দি ক'লে— "আঠপৰীয়া বাবা! গ'ল নিশা এই সাধু দুজন এই ঠাইত অনাহাৰে পৰি আছিল। মঠৰ দলৈক গৈ কোৱাচো আমাৰ ৰাধাকৃষ্ণ যুগলত ভোগ চৰাবলৈ যি হয় অলপ সিধা দিবলৈ আদেশ কৰক।"

আঠপৰীয়া— (জেকেৰা মাতেৰে) "এৰা! মই এতিয়া 'তহঁতৰ আজ্ঞা শিৰত লৈ দলৈৰ তালৈ নগৈহে নোৱাৰিছো। যদি খকে ধৰিছে নিজে গৈ নো নকৰ কেলেই?" এইকেইযোৰ কৈয়েই আঠপৰীয়া একাষৰীয়া হৈ গুচি গ'ল। তাৰ কথাত মিচিকিকৈ হাঁহি এটা মাৰি কৃষ্ণদাসীয়ে শ্ৰৱণানন্দক ক'লে, "গুৰভাই! ব'লচোঁ দুয়ো দলৈৰ ঘৰলৈ যাওঁ।" এই বুলি শ্ৰৱণানন্দক লৈ কৃষ্ণদাসী দলৈৰ ঘৰৰ ফালে গ'ল। দলৈৰ ঘৰ পাই দুয়ো "জয় ৰাধে কৃষ্ণ, জয় ৰাধে কৃষ্ণ" বুলি চৰাঘৰৰ আগত থিয় হ'ল। দলৈয়ে সেই সময়ত ঢাৰি পাটীৰ পৰা উঠি চকু-মুখ মোহাৰি পীৰাত বহি হোকা হুপি আছিল। শ্ৰৱণানন্দ আৰু কৃষ্ণদাসীৰ মাত শুনি দলৈয়ে জেকেৰা মাৰি সুধিলে— "কোন তহঁত! কি লাগে?" শ্ৰৱণানন্দই হিন্দুস্থানী মাতেৰে ক'লে— "বাবা! আমি সন্ন্যাসী ফকীৰ। গ'ল কালি আহি এইখিনি পাই দ'লৰ আলহী ঘৰতে লঘোণে-ভোকে পৰি আছিলোঁ। পিছত এতিয়া আমাৰ ৰাধাকৃষ্ণ মূৰ্ত্তিৰ আগত ভোগ চৰাবলৈ খুজিলোঁ।"

দলৈ— চৰাগৈ ভোগ। তহঁতকনো কোনে মানা কৰিছে। ৰাতিপুৱাই কেলেই খেচখেচাব আহিলি।

কৃষ্ণদাসী— বাবা! ভোগৰ নিমিত্তে আমাৰ হাতত একোৱেই নাই। অলপ আটা, ঘিউ আৰু ৰামৰস দিলে আমি বনাই মূতিৰ আগত ভোগ চৰাব পাৰো।

দলৈ— হেৰ! তহঁতলৈ কোনেনো আটা, ঘিউ, দাইল আনি থৈছে হো। যা ভঁৰালীক কগৈ তহঁতক যি হয় অলপ চাউল, লোণ-তেল দিয়ক।

কৃষ্ণদাসী— আমি ভঁৰালীক খুজিছিলো। তেওঁ ক'লে দলৈৰ আদেশ নহ'লে "আমি কাকো সিধা দিব নোৱাৰো" বোলাতহে আমি এইখিনি পাইছোহি, নহ'লে বাবা! আপোনাক দিক্‌দাৰি নকৰিলোহেঁতেন।

কৃষ্ণদাসীয়ে এইদৰে কোৱাত দলৈয়ে তেওঁৰ চাকৰ এটাৰ আগত এই

সন্ন্যাসী ফকীৰহঁতক সিধা এটা দি বিদায় দিবলৈ ভঁৰালীলৈ কৈ পঠিয়ালে। ভঁৰালীৰ ওচৰলৈ শ্ৰৱণানন্দ আৰু কৃষ্ণদাসী যোৱাত ভঁৰালীয়ে তিনিটামান ভেকাহি মাৰি আৰু কৃষ্ণদাসীৰ আগতে নিলাজ মাত এযাৰ মাতি কোনো ৰকমে চাউল একঠা, দাইল অলপ, লোণ এজেবা আৰু ঘিউ এচিটা দি খেদি দিলে। শ্ৰৱণানন্দই মনৰ খং মনতে সামৰি কোনো ৰকমে সেই সিধাটো লৈ আহি বহাত থৈ তেওঁৰ ঘটীটো লৈ মন্দিৰৰ পাট-নাদটোলৈ পানী তুলিব গ'ল। শ্ৰৱণানন্দক সেইদৰে ঘটী লৈ নাদৰ ফাললৈ অহা দেখি মন্দিৰৰ ঠাই সাৰি থকা এজনে ডাবি দি ক'লে— "হেৰ বঙাল! ৰবি মই পানী তুলি দিওঁ। নাদটো তই নুচুবি।"

শ্ৰৱণানন্দ— "কি মই সাধুৰে চুলে তহঁতৰ নাদটোও চুৱা যায়! ধন্য তহঁতৰ জাত-কুলৰ আচাৰ-ব্যৱহাৰ, গ'ল নিশা দেখোন তহঁতৰ নটীৰ নাচৰ পিছত জাত-কুলৰ বিচাৰ একো নেদেখিলোঁ। এতিয়া সন্ন্যাসী ফকীৰে তহঁতৰ নাদটো চুলেই চুৱা যায়। ধন্যৰে বেটা।'

ঠাইসৰা— হেৰ কটা বঙাল। বেটা-ফেটা নক'বি। মাৰ মাৰি দিম বাপেৰে লাগে পানী ল মই তুলি দিওঁগৈ।

শ্ৰৱণানন্দ— তই দেখোন ঠাইসৰা মেটৰ। তোৰ হাতৰ পানী কেনেকৈ খাওঁ। এইবুলি শ্ৰৱণানন্দই কোৰো মাত্ৰেই ঠাইসৰাজনে শ্ৰৱণানন্দক মাৰিবলৈ চোঁচা এটা লৈ আহিল, কিন্তু শ্ৰৱণানন্দৰ কাষ পায়েই শ্ৰৱণানন্দক মৰাটো দূৰৈত থাওক জঠৰ হ'ল। মন্দিৰত হুৱা-দুৱা লাগিল। চাৰিওফালৰ পৰা পূজাৰী আঠপৰীয়া চাপি কথাটো কি সুধিলে তেতিয়া শ্ৰৱণানন্দ আৰু ঠাইসৰাজনে নিজে নিজে গোচৰ দিলে। পূজাৰী, দেউৰী, ঊৰ্ধ্ববাহু, কৃষ্ণদাসী সকলোবিলাকে মাজত পৰি এটা মিতমাত কৰাকলে। শ্ৰৱণানন্দই নাদৰ পৰা নিজে পানী তুলি নিলে। ইয়াৰ পিছত কৃষ্ণদাসীয়ে কাৰবাৰ কৰি দিলে। শ্ৰৱণানন্দই ভোগ তৈয়াৰ কৰি আনি ৰাধাকৃষ্ণ মূৰ্তিৰ আগত তিনিও স্তোত্ৰ গালে। দলৰ সকলোবিলাকে আহি সেই আৰতি আৰু স্তোত্ৰ শুনিলে। তাৰ পিছত শুনাই শুৱলা মাতেৰে, সুৰে-লয়ে কৃষ্ণদাসীয়ে গালে—

**ৰাগ-ভাটিয়ালী**

মোকে দেখিয়ো কোনে, অহে জগন্নাথ
মই বহু পাপৰ পাপী।
সংসাৰ কুপত পৰিয়া তোমাৰ
চৰণে নধৰোঁ চাপি।।

পদ

কত তপসাই নৰ তনু পাই
গোৱাইলোঁ বিষয় ভোলে।
যেন চিন্তামণি— অমূল্য ৰতন
বিকাইলোঁ কাচৰ মোলে।।
দেৱ নাহি পায় মানব হুইবাৰ
মঞিও পাপী আসিয়া পাইলোঁ।
তোমাৰ ভকতি অমিয়া তেজিয়া
বিষয় গৰল খাইলোঁ।।
লোভ মোহ কাম ক্ৰোধ, মদ, মান
ইসব বৈৰীৰ সঙ্গে।
আপোন ইচ্ছায়ে পাপ আচৰিয়া
বেড়াইলোঁ মনত ৰঙ্গে।।
পৰ তিৰী পৰ ধনৰ আশায়
সদায় আকুল ভৈলোঁ।
তুমি মহাধন তোমাক নেসেবি
জনম বিফল কৈলু।।

কৃষ্ণদাসীয়ে এনেকুৱা সুললিত সুৰে বৰগীত গোৱা দেখি দলৰ বামুণ-সজ্জন, আঠপৰীয়া সকলোৱে কৃষ্ণদাসীক বেঢ়ি ধৰি নানা প্ৰশ্ন কৰিব ধৰিলে। তেওঁ আগৰ ক'ৰ মানুহ— অসমীয়া নে বঙালী, তেওঁবিলাক ক'লৈ যাব, কি কৰিব ইত্যাদি নানা কথা সুধি তেওঁক হায়ৰাণ কৰিলে। কৃষ্ণদাসীয়ে সকলোকে হাতযুৰি ক'লে যে "মই আগৰ অসমীয়া তিৰোতাই আছিলোঁ। মোৰ সকলো মৰি-হজি ঢুকুৱাত আৰু অসমত ক'তো সৎসঙ্গ আৰু আশ্ৰম নাপাই মই ভাটিলৈ গৈ বৈষ্ণৱ ধৰ্ম লৈ এই ভিখাৰিণী বেশে, দেশে দেশে কৃষ্ণৰ নাম-গুণ গাই ফুৰিবলৈ ওলাইছোঁ। পিছত বাপসকল! আপোনালোকক এই দীনা-হীনা ভিখাৰিণীয়ে কেইটিমান কথা জনাব খুজিছোঁ যদি দোষ নধৰে নিৰ্ভয় চিত্তে ক'বলৈ আদেশ দিয়ে।

সকলোৱে— কোৱা বাৰু বৈষ্ণৱী মা কোৱা। আমি বাৰু কোনো দায়-জগৰ নধৰোঁ।

কৃষ্ণদাসী— তেন্তে শুনক। মই দেখোন গ'ল কালি ইয়াত এই সাধু দুজনে সৈতে চাপিবৰে পৰা এই পৱিত্ৰ ধামতো ধৰ্মৰ বেমেজালি দেখিলো। পাপৰ

প্ৰাধান্যতা পালোঁ। ইয়াত ধৰ্মৰ অঙ্গ, দয়া, দাক্ষিণ্য, আলহী-অতিথি শুশ্ৰূষা, পৱিত্ৰতা, সৎস্বভাৱ এইবিলাক হ'ব লাগিছিল। কিন্তু তাৰ স্থলত ধৰ্মৰ নামত নিলাজ নৃত্যগীত আৰু শেহত ব্যভিচাৰ দেখিলোঁ। দয়া-দাক্ষিণ্য আদি শুশ্ৰূষাৰ থানত দেখিলো নিষ্ঠুৰতা, স্বাৰ্থপৰতা ৰাতিৰ আলহীলৈ আওকাণ। পৱিত্ৰতা ৰাখিছে আপোনালোক কেৱল নাদৰ পানী কেইটোপাত। এইবিলাক ভালৰ চিন নহয়। আপোনালোকে সকলোৱে পূৰ্বৰ সেই পৱিত্ৰ ৰীতি-নীতিবিলাকত ধৰক। দয়া-দাক্ষিণ্য নৰৰূপী নাৰায়ণৰ শুশ্ৰূষা, অহিংসা, নৈষ্ঠিকতা এইবিলাকত আৰু হৰিৰ নামত আশ্ৰয় লওক। নহ'লে দিব্য চকুৰে দেখিছোঁ যে প্ৰবল ভুঁইকঁপৰ দৰে বা বৰধুমুহা এটাৰ দৰে এই অসমলৈ পূৱফালে এটা প্ৰলয় আহিব লাগিছে। যদি আপোনালোকে আমি কোৱাৰ দৰে ধৰ্মত নধৰে দেশৰ হকে, ধৰ্মৰ হকে প্ৰাণ দিবলৈ নিশিকে তেন্তে এই প্ৰলয়ত আপোনালোকে কোন-কেনি ক'ত উটি-বুৰি যাব তাৰ ঠিকনা নোহোৱা হ'ব। আমি আমাৰ ক'বলগীয়া কথা ক'লোঁ। এতিয়া বিদায় মাগিছোঁ। এইবুলি কৈ তিনিও অলপ অলপ প্ৰসাদ খাই পূবমুখে খোজ ল'লে। দলৰ সম্পৰ্কত থকা ডেকা ডেকা কেতবিলাক পূজাৰী আৰু আঠপৰীয়াই ক'লে ক'ৰবাৰ এইজনী আগৰ বেশ্যা আছিল এতিয়া মোট সলাই সাধুৱনী হৈ আমাক ধৰম শিকাব আহিছে। বুঢ়া বুঢ়া কেতখিনিয়ে ক'লে— এই মানুহজনীয়ে যি ক'লে সি সঁচা হ'বও পাৰে। বৰফুকনৰ পুতেকহঁতো আকৌ মানৰ দেশলৈকে গৈছে।

## দশম অধ্যায়

## যোৰহাট অঞ্চলত বৰভিঠাত

কৃষ্ণদাসী আৰু আমাৰ সন্ন্যাসী দুজন নাহৰণীৰ শিৱদৌল এৰি যোৰহাটৰ ফাললৈ গ'ল। আৰু দিনৰ দিনটো গৈ গধূলি হলত বৰভিঠাৰ এখন গাঁৱৰ এটা ৰাজহুৱা নামঘৰৰ আগত থকা আঁহত গছজোপাৰ তলত আসন পাতিলে। আগেয়ে কেতিয়াও নেদেখা ঊৰ্ধ্ববাহু সন্ন্যাসীক দেখি গাঁৱৰ সকলো মানুহ, ল'ৰাৰ পৰা ছোৱালীলৈকে, ডেকাৰ পৰা গাভৰুলৈকে তেওঁলোক তিনিজনক বেঢ়ি ধৰি নানা কথা-বতৰা সুধিলে। তেওঁবিলাকেও তাত আমনি নাপাই সকলো কথাৰে উত্তৰ দিলে। তেওঁবিলাকে খোজাত গাঁৱলীয়াসকলে তেওঁবিলাকত কাঠ, খেৰ, খৰি ইত্যাদি আনি দিলে। খাব-ল'বলৈকো চাউল, লোণ, তেল, দাইল, শাক-পাচলি দিলে। বাহিৰতে ৰান্ধি-বাঢ়ি খাই নামঘৰৰ ভিতৰত শুবলৈকো আদেশ দিলে। মুঠৰ ওপৰত তেওঁবিলাকক মানুহে ভাল সেৱা-শুশ্ৰূষা কৰি ৰাখিলে।

ৰাইজে দিয়া বস্তুৰে তেওঁবিলাকে ভোগ তৈয়াৰ কৰি ৰাধাকৃষ্ণ মূৰ্তিৰ আগত নিবেদন কৰি তিনিও ভোগ খাই নিশা সেই ধুনিৰ জুইৰ কাষতে ধানখেৰ পাৰি পৰি ৰ'ল। নাম ঘৰত গৈ নুশুলে।

পিছদিনা ৰাতিপুৱা আমাৰ কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই সেই গাঁওখনলৈ ভিক্ষা মাগিবলৈ গৈ পোনেই বামুণ এঘৰৰ দুৱাৰমুখত থিয় দিয়ে দেখিলে সৰ্বনাশ এটা অকৰামূৰীয়া বেঙা, দেখিবলৈ ডোমৰ দৰে ক'লা বামুণৰ ডেকাই সেই ৰাতিপুৱাই কোমল বয়সৰ তাৰ নতুনকৈ বিয়া কৰাই অনা ঘৈণীয়েকজনীক "শালীৰ বেটী নটী! " বুলি গালি পাৰি কাঠ খৰি এডালেৰে গাত উধাই-মুধাই টঙনিয়াইছে। তাই "আই ঔ পৰিলোঁ ঔ দেউতা তইনো মোক এইটোলৈহে বিয়া দিবলৈ পাইছিলিনে ঔ?" বুলি চিঞৰ মৰাত ডেকাটোৰ বুঢ়া বাপেকটো ওলাই আহি "হেৰ মঙহ খোৱা! তই কালি বিয়া কৰাই আনি আজি পুৱাইনো এই ডাঙৰ মানুহৰ ঘৰৰ জীয়ৰীজনীক টঙনিয়াব পাৰনে? "হেৰ এৰ এৰ" বুলি এৰুৱাবলৈ যাওঁতেই পাষণ্ডই বাপেকৰ ভৰিতে সেই টাঙোনডালেৰে মাৰ এটা দিয়াত বাপেক লুটি খাই পৰিল। বাপেকক মাৰি উঠি ঘৈণীয়েকক আকৌ মাৰিব খোজোঁতে কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই "হাঁ হাঁ কি কৰ" বুলি খেদা মাৰি গৈ কৃষ্ণদাসীয়ে সেই অনাথিনী গাভৰুজনীক আঁকোৱালি ধৰিলে। শ্ৰৱণানন্দই চকুৰ পচাৰত তাৰ হাতৰ পৰা টাঙোনডাল আঁজোৰ মাৰি দলিয়াই পেলালে। এনেতে গাঁৱৰ ওচৰৰ মানুহ-দুনুহ আৰু সেই গাভৰুজনীৰ এজন বলিষ্ঠ খুৰাক সেই ঠাই পালেহি। তেতিয়া কথা কি বতৰা কি সোধাত কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই যি দেখিছিল, শুনিছিল সকলোবিলাক ক'লে। তেতিয়া সেই গাভৰুজনীৰ খুৰাকে সেই পাষণ্ডটোলৈ চাই ক'লে— "তই হোৱাই-নোহোৱাই ছাৱালীজনীক কেলেই এইদৰে পিট?" এইবুলি কোৱা মাত্ৰকে সি আকৌ সেই ভাল মানুহজনকো গালি পাৰিলে "পিটিম মোৰ তিৰোতা শালা তই কোন।" এইষাৰ কোৱাত সেই ছোৱালীজনীৰ খুৰাকৰ অসহনীয় আৰু মৰ্মান্তিক খং উঠি তেওঁৰ হাতত থকা লাঠীডালেৰে সেই পাষণ্ডটোক সোঁহতখনতে এটা টাঙোন মাৰি সকলোৰে আগতে "নালাগে বাছা! তই ই শালাৰ তাত খাবলৈ। খুৰী শালিকী হৈ মোৰ ঘৰতে খাবি। বাপেৰ মৰিল মই আছোঁ।" এইবুলি কৈ গাভৰুজনীক লৈ তেওঁ ঘৰলৈ গ'ল। কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই ভিক্ষা পাওক চাৰি এইবিলাক দেখি-শুনি বেজাৰ মনেৰে তেওঁলোকৰ আসনলৈ উলটি গ'ল। কৃষ্ণদাসীয়ে শ্ৰৱণানন্দক সুধিলে— "কেনে দেখিলা গুৰুভাই?"

শ্ৰৱণানন্দ— কি দেখিম বহিন। তললৈ যাবলৈ উপক্ৰম হৈছে। কি চাই যে এই ছোৱালীজনীৰ বাপেকে এইক কেনেকুৱা পাষণ্ডটোলৈ দিছিল ক'ব নোৱাৰোঁ।

এই যি হাতেৰে বাপেকক মৰিয়ালে জৰুৰ সেই হাতত তাৰ পোক লাগিব।

কৃষ্ণদাসী— এইৰ বাপেকে এইক কেনেকুৱা এটা পাযগুত দি নিজৰ বামুণ জাত ৰক্ষা কৰিছিল। হিন্দু ধৰ্মটোৰ ধ্বজা উৰাইছিল। কইনাকাল হোৱাৰ আগেয়ে বিয়া নিদিলে হিন্দু যে নৰকত পৰে এই নৰকৰ পৰা ৰক্ষা পৰিবলৈ এনেকুৱা সুন্দৰী ছোৱালীজনী পশু এটাক দান কৰিছিল।”

শ্ৰৱণানন্দ— হাঁয়! আমাৰ আজিকালিৰ হিন্দু ধৰ্মটো। হায় কলি!

পিছদিনাখন কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই আনি এখন গাঁৱলৈ খুজিবলৈ গৈ দেখিলে যে এজনী মানুহে এটি ছোৱালী প্ৰৱস কৰি উঠিছে— ফুল পৰা নাই। তাইৰ গিৰীয়েকে তাইৰ কোনো যত্ন নলৈ “এঃ বাৰে বাৰে ছোৱালীহে ফুকাইছে” এইবুলি কৈ তাইৰ কোনো তালাপি নকৰাকৈ তাৰ কামলৈ গুচি গ’ল। কানীয়া ধাইজনীয়েও ছোৱালীজনী ধুৱাই এসোপা কাপোৰেৰে মেৰাই মাকৰ কাষতে শুৱাই থৈ কানি খাবলৈ গুচি গ’ল। পোঁৱাতীজনীয়ে পানী পানী কৰি মূছকঁছ গৈ অযতনত ফুল পাহি মৰি আছে। হিন্দু গিৰীয়েকৰ ঘৈণীয়েকলৈ এনেকুৱা নিষ্ঠুৰতাৰ ভাব দেখি কৃষ্ণদাসীয়ে দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি আসনলৈ উলটিল, মনতে কৃষ্ণদাসীয়ে ভাবিলে— “মই মোৰ ৰূপ বদলাই সংসাৰৰ মায়া এৰি ভালকে কৰিলোঁ।”

ইয়াৰ পিছত বৰভিঠাত থাকোঁতে থাকোঁতে সমাজৰ আৰু যে কিমান কলংক কিমান দোষ দেখিলে তাক বৰ্ণাবৰ সকাম নাই। মুঠতে কৃষ্ণদাসীয়ে এইটো বুজিলে যে গাঁওবিলাক প্ৰায়ে দুফলীয়া। ৰাজনীতিত যেনেকৈ কেৱে চন্দ্ৰকান্তৰ ফলীয়া, কেৱে পুৰন্দৰৰ সিংহৰ ফলীয়া সেইদৰে ধৰ্ম ভাবতো মানুহ দুফলীয়া। সততে মহাপুৰুষীয়া আৰু দামোদৰীয়া সম্প্ৰদায়ৰ ভিতৰত হাই-দন-কাজিয়া। গাঁৱে গাঁৱে নামঘৰবিলাক জীৰ্ণ-শীৰ্ণ অৱস্থাৰ। কেৱে ভাল নকৰে। দলাদলি লৈয়ে সকলো ব্যস্ত। গাঁওবিলাকত নাম-প্ৰসংগ হৰি কথা নায়েই। তাৰ স্থলত স্বেচ্ছাচাৰী পাপ, ব্যভিচাৰ, অলপ কথাতে মূৰ ফলাফলি, কিলোৱাকিলি, মৰামৰি, ডেকা-গাভৰুসকল স্বেচ্চাচাৰী, দুৰ্বলৰ ওপৰত সবলৰ অত্যাচাৰ, বিধৱাসকলৰ প্ৰতি অত্যাচাৰ, কোনো কোনো বিধৱাই জাৰজ সন্তান প্ৰসব কৰাৰ বাবে সমাজৰ বাহিৰ; কিন্তু যিজনে সেই বিধৱাৰ গৰ্ভত উৎপাদন কৰিছিল সেইজন হয়তো সমাজৰ নেতা ভোঁ ভোঁ পণ্ডিত মুঠৰ ওপৰত কোনো এটা জাতিৰ ধ্বংস হোৱাৰ আগখিনিতে যিবিলাক পাপ হয় সেই সেই সমস্ত পাপ অসমীয়াৰ গাঁৱে গাঁৱে সমাজে সমাজে ভৰপূৰ। তেওঁ তেওঁৰ জন্মভূমিলৈ অকপট স্নেহ থকা বাবে যিকেইদিন এই বৰভিঠাত আছিল সেইকেইদিনৰ ভিতৰত পাৰে মানে ভৱিষ্যতলৈ কি বিপদ আহিব লাগিছে তাৰ ইংগিত দি মানুহবিলাকৰ মন ধৰ্মৰ ফালে গতি লোৱাবলৈ উৎসাহ দি, বুজনি দি,

নামঘৰে নামঘৰে ৰাজহুৱা নাম গোৱা পতোৱালে। মাইকী মানুহৰ নাম গোৱা সবাহবিলাকত কৃষ্ণদাসীয়ে নিজে গৈ গৈ সুৰেৰে, তানে-লয়ে মনোমোহা কৰি আমাৰ অসমীয়া নামবিলাক যেনে—

"নমো মধু মোৰ মথন ৰাম
সংসাৰ তাপ কৰা উপশম
দীন দয়াশীল হৰে
সেৱকে কাতৰ কৰে।"

গাই অসমীয়া মতা-মাইকীৰ মন অলপ ধৰ্মৰ ফাললৈ নিলে।

এইদৰে পোন্ধৰ দিনমান বৰভিঠাত তাকি আমাৰ কৃষ্ণদাসী আৰ সন্ন্যাসী তিনিও জাঁজীৰ ফালে গ'ল। তাতো সেইদৰে কৃষ্ণদাসীয়ে গাঁৱে গাঁৱে কৃষ্ণৰ নাম-গুণ ধৰালে, মানুহক ধৰ্মৰ ফালে মন লোৱালে।

এফালে যেনেকৈ অসমীয়া মানুহসকলে কৃষ্ণদাসী আৰু সন্ন্যাসী দুজনক আস্ত-আদৰ কৰিছিল, আনফালে আকৌ কেতখিনি মানুহে বিশেষকৈ বিনাদোষত ঘৈণীয়েক আৰু বাপেকক কিলোৱা সেই পাষণ্ডটোৱে কিছুমান মানুহক দলবদ্ধ কৰি লৈ গৈ ৰংপুৰত বৰবৰুৱাত গোচৰ দিলেগৈ যে দুটা সন্ন্যাসীয়ে ক'ৰবাৰ এজনী অসমীয়া মানুহক ফুচুলাই সিহঁতৰ লগ কৰি লৈ গাঁৱে-ভূঁয়ে মানুহক নানা ঠগদ কথা কৈ, জুলুম কৰি, মিছা ধৰ্ম উপদেশ দি গাঁও-ভূঁই লুটি নিজৰ ৰোজগাৰৰ ফন্দি লগাই ফুৰিছে। সিহঁতক ধৰাই আনি দণ্ড বন্ধ নকৰিলে দেশখন তললৈ যাব। লগনীয়া মানুহৰ এইবিলাক কথা শুনি বৰবৰুৱাই তেওঁবিলাকক ধৰি নিবলৈ চাওডাং পঠিয়ালে।

## একাদশ অধ্যায়

## ৰংপুৰত বৰবৰুৱা আৰু কৃষ্ণদাসী

বৰবৰুৱাই পঠোৱা চাওডাঙহঁত জাঁজীলৈ আহি তাৰে পৰা কৃষ্ণদাসী আৰু সন্ন্যাসী দুজনক লৈ গৈ বৰবৰুৱাৰ চ'ৰাত তুলিলে। বৰবৰুৱাই তিনিওকো আগত থিয় কৰি লৈ নিজে খাটোলাৰ ওপৰত বহি বিচাৰ আৰম্ভ কৰিলে। বৰবৰুৱাই সুধিলে— "তহঁত ক'ৰ মানুহ, ক'লৈ যাবি। সেইটোৰ হাতখন কেলেই এইদৰে ওপৰলৈ উঠি থৰ খাই আছে।" বৰবৰুৱাৰ এই প্ৰশ্নৰ উত্তৰত কৃষ্ণদাসীয়ে বৰবৰুৱাক হাতযোৰ কৰি নমস্কাৰ জনাই ক'লে— "দেউতা! আমি মগনীয়া মানুহ। দেশে দেশে ঈশ্বৰৰ নাম-গুণ গাই খুজি-মাগি খাই ফুৰো।"

বৰবৰুৱা— (অলপ আচৰিত হৈ) তোৰ মাতটো কেতিয়াবা ক'ৰবাত শুনিছিলো শুনিছিলো যেন লাগে।

কৃষ্ণদাসী— দেউতা যেতিয়াই এই দেশখন বিচাৰ সোধাৰ গৰাকী আৰু সৈন্য-সামন্তৰে দেশখন ৰক্ষা কৰাৰো গৰাকী তেতিয়াই দেউতাই অনেক মানুহৰ মাত-কথা শুনিবলৈ পায়। সেই দেখি কোনোবা মাইকী মানুহৰ মাতে সৈতে মোৰ মাত মিলে দেখি দেউতা আচৰিত হৈছে।

ৰৰবৰুৱা— হয়। তই আচল কথাটো ধৰিছ। তই সঁচাকৈ কচোন তই আগৰ অসমীয়া মানুহ নে পছিমৰ কোনোবা অঘৰিণী অসমত বহুকাল থাকি অসমীয়া মাত-কথা শিকিছ?

কৃষ্ণদাসী— মই দেউতা! আগৰ অসমৰে মানুহ।

ৰৰবৰুৱা— তই যদি অসমৰে মানুহ তেন্তে কচোন ইহঁতৰ কেনেকৈ লগ লাগিলি?

কৃষ্ণদাসী— দেউতা ঈশ্বৰ! মোৰ আই-বোপাই, ভাই সকলোবিলাক মাউৰত মৰাত মই অনাথিনী হ'লো। তেতিয়া মই গাভৰু। তেনেকুৱা অনাথিনী অৱস্থাতো মোক কেৱে ঠাই নিদিলে, সকলোৱে কেৱল মোৰ ধৰ্ম নাশ কৰিবলৈহে চেষ্টা কৰিব ধৰিলে। অগত্যা তত্ নাপাই পানীত জাঁপ মাৰি পৰিছিলো মৰো বুলি। ঈশ্বৰে মোক নামাৰিলে। নৈৰ পাৰত আশ্ৰম পাতি থকা সন্ন্যাসী এজনে মোক তুলি জীয়ালে আৰু তেতিয়াৰ পৰা মই এই লেখীয়া মগনীয়া হৈ ফুৰিছোঁ।

ৰৰবৰুৱা— এই ওপৰলৈ হাত তুলি থকা ফকীৰটোৱে তোক বচাইছিল নে?

কৃষ্ণদাসী— নহয় দেউতা ঈশ্বৰ! এওঁলোক দুয়োজন মোক জীৱন দান দিয়া সেই সন্ন্যাসীৰে শিষ্য সেই দেখি সম্পৰ্কত মোৰ গুৰুভাই।

ৰৰবৰুৱা— সেইটোৱে তাৰ হাতখন কেলেই এনেকৈ জঠৰকৈ দাঙি থৈছে।

কৃষ্ণদাসী— তেওঁ সেইটো সাধনা কৰিছে। সেইখন হাত তেওঁ ঈশ্বৰত অৰ্পণ কৰিছে।

ৰৰবৰুৱা— কি উদ্দেশ্যেনো সি সেইটো কঠোৰ সাধনত ধৰিছে? কিয় সি ঈশ্বৰে দিয়া হাতখনক এইদৰে ব্যৱহাৰৰ অযোগ্য কৰিছে। সি ঈশ্বৰৰ দ্ৰোহ চিন্তা নাইনে? তেওঁৰ বিধানৰ লৰচৰ কৰি পাপ অৰ্জা নাই নে?

কৃষ্ণদাসী— দেউতা ঈশ্বৰ! কিয় তেওঁ সেইটো কঠোৰ সাধন কৰিছে মই ক'ব নোৱাৰোঁ।

ৰৰবৰুৱা— বাৰু তাক সুধি কচোন।

ৰৰবৰুৱাৰ আদেশত কৃষ্ণদাসীয়ে তেওঁক হিন্দুস্থানী মাতেৰে সুধিলে। তেৰোঁ হিন্দী মাতেৰেই কৃষ্ণদাসীক বুজাই দিয়াত কৃষ্ণদাসীয়ে ক'লে— "দেউতা ঈশ্বৰ। তেওঁ হেনো ধন-সোণ, ঐশ্বৰ্য-বিভূতি ইত্যাদি পাবলৈ নহয়— কেৱল সেই ত্ৰিভংগ

ভংগিম নটবৰ শ্যামক পাবলৈহে সেইটো কঠোৰ ব্ৰত বাৰ বছৰলৈকে কৰিছে। বাৰ বছৰৰ মূৰত তেওঁৰ হাতখন নামি আহি আকৌ পূৰ্বাৱস্থাত পাব। তেওঁৰ এই কামৰ দ্বাৰাই ঈশ্বৰৰ দ্ৰোহো আচৰা হোৱা নাই, পাপো হোৱা নাই, কাৰণ তেওঁ যেতিয়াই সন্ন্যাসী তেতিয়াই তেওঁ অবিনাশী। গীতাৰ শোলোখৰ মতে তেওঁক পাপ, পুণ্য, সুখ, দুখ, শীত, গ্ৰীষ্ম একোৱে ধৰিব নোৱাৰে।"

বৰবৰুৱা— বাৰু, তহঁত তিনিওনো কেলেই এইদৰে ফুৰিছ। কিয় গাঁৱলীয়া মানুহক ভুৱা দি ভয় লগাই ধন-সোণ কমাই ফুৰিছ?

কৃষ্ণদাসী— দেউতা ঈশ্বৰ! আমি কাৰো মনত কোনো ভয় লগা কথা কৈ ফুৰা নাই। আমি সকলোৱে ঈশ্বৰৰ নাম-গুণ ল'বলৈহে উদগাই ফুৰিছোঁ।

বৰবৰুৱা— বাৰু! তহঁতে কি কৰিছ কি নকৰিছ তাৰ প্ৰমাণ লওঁ।

এইবুলি কৈ বৰবৰুৱাই বাহিৰত জুম পাতি থকা ৰাইজক মাতি পঠিয়ালে। বৰভিঠাত বাপেকক মৰা সেই গুণ্ডা বামুণৰ ডেকাটো আহি আঁঠু লৈ তাৰ খোনা মাতেৰে ক'লে— "দেউতা ঈশ্বৰ! ইহঁতে গাঁৱে-ভূঁয়ে কৈ ফুলিছে। অলপতে হেনো কিবা এটা বিপদ হ'ব। সকলোৱে হেনো লজাল হকে, দেশৰ হতে সাজু হৈ থাকিব লাগে। আৰু সেই ডেকা সন্ন্যাসীটোৱে দেউতা ঈশ্বৰ মোক মালিছে মই এইদৰে কৈ ফুৰিবলৈ হাক দিয়া কাৰণে।"

বৰবৰুৱা— হেৰ! ইহঁতে কোন ৰজাৰ হকে মানুহক সাজু হৈ থাকিবলৈ কৈছিল?

বাপীৰাম— (গুণ্ডা বামুণৰ ল'ৰাটোৰ নাম) দেউতা ঈশ্বল। কোন লজাল হকে ক'ব আলু। ইহঁতে চন্দ্ৰকান্ত লজাল হকে কৈছিল।

বৰবৰুৱা— (কৃষ্ণদাসীৰ ফালে চাই) এতিয়া তহঁতে কি কৱ। তহঁতে গাঁৱে-ভূঁয়ে মিছাতে মানুহক ভয় লগাই ফুৰিছ আৰু তাৰ লগে লগে চন্দ্ৰকান্ত ৰজাৰ ফলীয়া হ'বলৈ উদগাই ফুৰিছে। তহঁত বৰ্তমান ৰজা স্বৰ্গদেৱ পুৰন্দৰ সিংহৰ দ্ৰোহী।

কৃষ্ণদাসী— দেউতা! বিচাৰ যদি কৰে তেন্তে আমি নিৰ্দোষী। প্ৰথমতে আমি অনাহকত কাকো ভয়-সংশয় লগাই ফুৰা নাই। আমাৰ মানুহবিলাকৰ মন ঈশ্বৰবিমুখী হৈ কলিৰ প্ৰভাৱত বৰকৈ পৰা দেখি আমি য'তে পাৰিছোঁ তাতে এফেৰা মানুহক ঈশ্বৰৰ নাম-গুণ ল'বলৈ শিকাই ফুৰিছোঁ; কিয়নো আমাৰ জীৱনৰ লক্ষ্যই হৈছে পাৰিলে মানুহক সজ বাটলৈ অনা। আৰু এই যে ডেকাটোৱে কৈছে আমাৰ এওঁ বাবাজীয়ে তাক মাৰিছে সেইটো তেনেই মিছা। আমি ইহঁতৰ ঘৰলৈ এদিন পুৱা ভিক্ষা মাগিবলৈ গৈ দেখোঁ যে ই জধে-মধে তাৰ ফুকলীয়া বয়সৰ ঘৈণীয়েকজনীক কাঠখৰিৰে মৰিয়াইছে। এনেতে তাৰ বুঢ়া বাপেকটো

ওলাই আহি তাক মাৰিবলৈ হাক দি কাঠখৰিডাল তাৰ হাতৰ পৰা টানি পেলাবলৈ যাওতে সি বাপেকৰ ভৰিত মাৰ এটা মাৰি বুঢ়াক বগৰাই পেলাই আকৌ ফুকলীয়া ছোৱালীজনীক মাৰিবলৈ খোজাত আমাৰ এওঁ বাবাজীয়ে এটা জীৱৰ প্ৰাণ ৰক্ষাৰ কাৰণে খেদা মাৰি গৈ তাৰ খৰিডাল আঁজোৰ মাৰি পেলাই দিছে। পিছত ছোৱালীজনীৰ চিঞৰ শুনি তাইৰ খুৰাকে আহি তাক ধমক দিয়াত সি তাইৰ খুৰাকলৈকো খেদা মাৰিব খোজোতে ছোৱালীৰ খুৰাকজনে তেওঁৰ হাতৰ লাখুটিৰে তাৰ সোঁহাতৰ কজাত কোব এটা মৰাতহে সি নিৰস্ত হৈছে। খুৰাকে তাক মাৰি সহ্য কৰিব নোৱাৰি ছোৱালীজনীক লৈ গৈছে। আচল কথাটো এই। ই সেই খণ্ডতে, ঘৈণীয়েকৰ প্ৰাণ বধ কৰিবলৈ নোপোৱা হেঁপাহতে, মোৰ ওপৰত এই লেখীয়া গোচৰ দিছে। দেউতাই আন আন মানুহক এই বিষয়ে সোধক।

কৃষ্ণদাসীৰ এই কথাত বৰবৰুৱাই এই বিষয়ে সোধাত ছোৱালীজনীৰ খুৰাক আৰু আন আন গঞা মানুহে সমস্ত আচল ঘটনাটো কোৱাত বৰবৰুৱাই সেই বাপীৰামক ডাবি-ধমকি দি খেদি দি আকৌ কৃষ্ণদাসীক সুধিলে— "বাৰু তহঁতে গাঁৱে গাঁৱে মানুহক কৈ ফুৰা নাইনে যেন আমাৰ অসমত এটা বৰ ডাঙৰ বিপ্লৱ হ'ব?"

কৃষ্ণদাসী— হয় আমি এইটো কৈ ফুৰিছোঁ আৰু ক'মো যাতে মানুহে এতিয়াৰে পৰা ধৰ্মত মন দি সেই বিপ্লৱৰ অলপ শাম কটাব পাৰে।

বৰবৰুৱা— তহঁতে নো কেনেকৈ জানিলি বিপ্লৱ হ'ব বুলি?

কৃষ্ণদাসী— আমি ধ্যানত পাইছোঁ। ধ্যানত নাপালেও এইটো দেখাদেখি জল্‌জল্ পট্‌পট্ কথা নহয়নে যে বৰফুকনৰ পুতেকহঁতে যেনে হ'লেও আকৌ মানৰ দেশলৈ গৈছে আৰু মান আনি এই দেশখন আকৌ ছাৰখাৰ কৰিবলৈ বিচাৰিব। কিন্তু যদি অসমীয়া ৰাইজ এতিয়াৰে পৰা ইমূৰৰ পৰা সিমূৰলৈকে একমুঠি হৈ আনকি চন্দ্ৰকান্ত ৰজাৰ আৰু তেওঁৰ ফলীয়া মানুহকো লগ ধৰি দেশৰ হকে, ধৰ্মৰ হকে যুঁজিবললৈ সাজু হৈ থাকে তেন্তে নিশ্চয় বিপ্লৱে কিছু শাম কাটিব। মানুহ এমুঠি হ'বলৈ গ'লেই দলাদলি, আত্মবিগ্ৰহ আৰু কু-কথা, কু-চিন্তা এই সমস্ত এৰিব লাগিব। এই সমস্ত এৰিবলৈ হ'লে প্ৰথমতে মনটোক দেশৰ ফালে, ধৰ্মৰ ফালে ঢাল খুৱাব লাগিব। দেউতা! আমি অসম দেশৰ হকে হিত চিন্তিহে ফুৰিছোঁ।

বৰবৰুৱা— তহঁত খোজনীয়া মগনীয়া হৈ যে অসম দেশৰ ৰাজনীতি অসমীয়াক শিকাব আহিছ আন কি মোকো শিকাব আহিছ ইয়াৰ পৰা এইটো

থিৰাং নহয়নে তহঁত চন্দ্ৰকান্তৰ চোৰাঙচোৰা আৰু চন্দ্ৰকান্তক তই গোলাঘাটত শুশ্ৰূষা কৰা নাছিলিনে তাৰ কাণখন কটা যোৱাত?

কৃষ্ণদাসী— চন্দ্ৰকান্ত ৰজাক চোৰাঙচোৰা চাওদাঙে অকলশৰীয়াকৈ পাই কাণ কটাত তেওঁৰ চিঞৰ শুনি আমি গৈ তেওঁৰ কাণখনত ততালিকে বনদৰব দি তেজ ৰাখি আখৰালৈ নি শুশ্ৰূষা কৰা সঁচা; কিয়নো এনেকুৱা আতুৰত পৰা মানুহৰ প্ৰাণ ৰক্ষা কৰা, তেওঁক শুশ্ৰূষা কৰা আমাৰ ধৰ্মৰ এটা অংগ।

বৰবৰুৱা— বাৰু অ! তই বেটীৰ মই দেখিছো মুখখনক কেৰে-বলে নোৱাৰে। বাৰু কচোন বিল্লৱটো কেতিয়া হ'ব।

কৃষ্ণদাসী— (অলপ পৰ ৰৈ) আৰু এমাহমানৰ মূৰতে।

বৰবৰুৱা— বাৰু তেন্তে তহঁত তিনিওকো মই ডেৰমাহলৈ বন্দী কৰিলোঁ। তহঁতক ৰজাঘৰৰ পৰা নিতৌ সিধা-ভোজনি দি থকা হ'ব। তহঁতক চাওডাঙে দিনে-নিশাই পৰ দি ৰাখিব। যদি তহঁতৰ কথা সঁচা হয় তেতিয়া তহঁতক এৰি দিম আৰু যদিহে তহঁতৰ কথা এই ডেৰমাহে নফলিয়ায় তেন্তে তোৰ জিভাখন কাটিম। তহঁত দুটাক শূলত দিম।

কৃষ্ণদাসী— "আমি ভাল কৰোঁতে এয়েহে হ'লনে? মোক তুমি বান্ধি ৰাখিব নোৱাৰিলাহেঁতেন। কিন্তু মই এই দুজনা সাধুৰ নিমিত্তে ইচ্ছাপূৰ্বক তোমাৰ বন্দীশালত থাকিম।" কৃষ্ণদাসীৰ এই কথা বৰবৰুৱাই খঙতে কৃষ্ণদাসীৰ মুখৰ ফালে চায়ে কিবা এটা অদ্ভুত কথাত দেখা দি দেখিলে। কৃষ্ণদাসীৰ থলত খন্তেকলৈ তেওঁ আগৰ ৰহদৈক দেখি মূছকঁছ গৈ পৰিল। ততালিকে বৰবৰুৱাক তেওঁৰ মানুহে যতন কৰিব ধৰিলে। চাওডাঙহঁতে কৃষ্ণদাসী আৰু সন্ন্যাসী দুজনক বন্দীশালত নি থ'লেগৈ।

## দ্বাদশ অধ্যায়

## ৰংপুৰত

বৰবৰুৱায়ে কিয় কৃষ্ণদাসীৰ আগৰ ৰহদৈ ৰূপটো দেখিলে আৰু কৃষ্ণদাসীয়েই বা কেলেই নিজৰ এই বিভূতিটো দেখুৱালে ইয়াৰ কাৰণ পাঠক-পাঠিকাসকলে সুধিব পাৰে। তাৰ উত্তৰত আমি ইয়াকে ক'ব পাৰোঁ যে কৃষ্ণদাসীক অকলৈ যদি বৰবৰুৱাই বন্দী কৰিবলৈ আদেশ দি লগৰ সাধু দুজনক এৰি দিলেহেঁতেন তেনেহ'লে কৃষ্ণদাসীয়ে কেতিয়াও নিজৰ সেই পূৰ্ব ৰূপ নেদেখুৱালেহেঁতেন। কিন্তু যি মুহূৰ্ততেই বৰবৰুৱাই তেওঁৰ লগৰ সাধু দুজনকো বন্দী কৰিবলৈ হুকুম দিলে। সেই মুহূৰ্তে কৃষ্ণদাসীৰ মনত ঈষৎ ক্ৰোধ হ'ল আৰু যিহেতু বৰবৰুৱাইও আগেয়ে অন্যায়ৰূপে চন্দ্ৰকান্ত ৰজাৰ হুকুম নামত ৰাখি কামত

ৰাজমাৰৰ ফলীয়া হৈ ৰহদৈ আৰু দয়াৰামৰ চিৰ বিচ্ছেদ কৰি এটা ডাঙৰ পাপ আৰ্জি থৈছে, তেতিয়াই কৃষণদাসীয়ে যৎকিঞ্চিৎ ক্ৰোধ হোৱাত বৰবৰুৱাই কৃষ্ণদাসীৰ আগৰ সেই মোহিনীমূৰ্তি দেখি ভয়তে মূৰ্ছিত হৈ পৰিল। তেওঁৰ ভৃত্যবৰ্গই তেওঁক সেৱা-শুশ্ৰূষা কৰাত যেতিয়া জ্ঞান লভিলে তেতিয়া তেওঁৰ মনলৈ কৃষ্ণদাসীলৈ এটা ভয় আৰু তেওঁৰ পূৰ্বকৃত পাপৰ নিমিত্তে অনুতাপ এটা হ'ল। তেওঁৰ আদেশমতে চাওডাঙহঁতে ততালিকে তেওঁলোক তিনিজনক বন্দীশালত নি থ'লে। বৰবৰুৱা কিয় মূছকঁছ গৈছিল এই কথা মানুহে সোধাত তেওঁ কৈছিল যে ক'ব নোৱাৰে কিয় তেওঁ মূৰ্চ্ছা গৈছিল।

কৃষ্ণদাসী আৰু সন্ন্যাসী দুজনক, সেইদৰে বন্দী কৰি থোৱাৰ তিনিদিনৰ দিনা এটা প্ৰবল ভূমিকম্প হ'ল। ঝেৰ গছ-বিৰিখ ঠায়ে ঠায়ে ভাঙি পৰিল, ঠায়ে ঠায়ে উহ ফুটি মাটিৰ তলৰ পৰা এঙাৰ, খাৰ ইত্যাদি ওলাল। মানুহৰ মনত বিষম শংকা হ'ল। চতুৰ্থ দিনৰ দিনা ৰজাঘৰত হঠাৎ এটা উল্কাপাত হ'ল। পঞ্চম দিনৰ দিনা ৰজাঘৰৰ ওচৰতে গাঁৱত হঠাৎ জুই লাগিল— সেই চ'তমহীয়া দিনত। এইবিলাক উৎপাত আৰু তাৰ লগতে দিনতে শিয়ালৰ ৰাৱ, ঢোৰা কাউৰীৰ কা কা ৰব, নিশা হ'লে হুদু, ফেঁচা, যমডাকিনী ইত্যাদিৰ মাতে মানুহৰ মনত বৰ ভয় ওপজাব ধৰিলে। ৰজা পুৰন্দৰ সিংহই আৰু বুঢ়াগোহাঁই, বৰগোহাঁই সকলোজনে গোটপিট খাই এইবিলাক অমংগলৰ কাৰণ গণি পঢ়ি উলিয়াবলৈ তেওঁলোকৰ দেওধাই আৰু দৈবজ্ঞ বা জ্যোতিষী ব্ৰাহ্মণ অনালে। উভয় যোৱায়ে গণি পঢ়ি ক'লে, "যে দেশত এটা বিপ্লৱ হ'বৰ চিন হৈছে আৰু সাধু-সাধুৱনী তিনিজনক বন্দী কৰি থোৱাটো অন্যায় হৈছে। তেওঁলোক তিনিজনক এৰি দিব লাগে আৰু অলপ মান-সৎকাৰ কৰি সন্তোষ দিব লাগে। তাৰ পিছত ৰজাঘৰৰ খৰচেদি এটা ডাঙৰ গ্ৰহযোগ আৰু এটা ডাঙৰকৈ বগা ম'হ বলি দি চণ্ডীপাঠ কৰোৱাব লাগে।" তেওঁবিলাকৰ কথামতেই ৰজাই তিনিওজনকে বন্দীশালৰ পৰা উলিয়াই অনাই সুধিলে— "হেৰা সাধু-সাধুৱনীসকল! তোমালোক ক'লৈ যাবলৈ আহিছিলা।"

কৃষ্ণদাসী— স্বৰ্গদেউ ঈশ্বৰ! আমি পৰশুৰামকুণ্ডলৈ যাব আহিছোঁ।

পুৰন্দৰ সিংহ— বাৰু! তোমালোকে যাব পাৰা। পিছত তোমালোকক যে বন্দী কৰিছিলোঁ সেই বাবে যদি কিবা দোষ হৈছে আমাক ক্ষমা কৰিব লাগে আৰু এইবিলাক যে উৎপাত হৈছে, এইবিলাকৰ কি বিধান কৰিব লাগে আমাক ক'বানে?

কৃষণদাসী— স্বৰ্গদেৱ ঈশ্বৰ! আমাৰ কপালে আমাক আপোনাৰ ইয়াত এইকেইদিন বন্দী কৰালে— তাৰ বাবে স্বৰ্গদেৱৰ কোনো দোষ নাই। আমি মগনীয়া মানুহৰ কোনো দোষ হৈছে যদি স্বৰ্গদেৱেহে ক্ষমা কৰিব লাগে। পিছত এইবিলাক উৎপাতৰ বিষয়ে যে সুধিছে আমি মাত্ৰ ইয়াকে স্বৰ্গদেৱক জনাব পাৰোঁ যে স্বৰ্গদেৱৰ

পণ্ডিতসকলে যি বিধান দিছে সেইবিলাক কৰিব পাৰে তাত আমাৰ বাধা দিবলৈ একো নাই। অৱশ্যে মই বলি কটাৰ বিৰোধী। ম'হ বলি নিদিয়াকৈয়ে চণ্ডী মাৰব পূজা হ'ব পাৰে। কিন্তু যিহকে স্বৰ্গদেৱে কৰক নকৰক মই মাগনীৰ মতে হ'লে সমস্ত অসমীয়া ৰাইজেই ঈশ্বৰত সৰ্বভৰসা ৰাখি; ঈশ্বৰৰ নাম-গুণ লৈ আপোনাৰ ভিতৰত হাই-দন এৰি সকলোকে একে মুঠি হৈ দেশৰ হকে, ধৰ্মৰ হকে যদি প্ৰাণ দিবলৈ সাজু হ'ব পাৰে তেন্তে যিটো বিপ্লৱ আহিব লাগিছে সেইটো বাধা দি ৰাখিব পাৰিব। কিন্তু যদিহে অসমীয়া মানুহ সেইলেখীয়া হ'ব নোৱাৰে তেন্তে দেশৰ অমংগল হ'ব। ইয়াৰ ওপৰে আৰু আমি ক'ব নোৱাৰোঁ। পিছত এতিয়া যদি স্বৰ্গদেৱে কৃপা কৰে তেন্তে শদিয়াৰ শদিয়াখোৱা গোহাঁইলৈ আমাৰ হকে এডোখৰ পত্ৰ সন্দেশ দিলে আমি তালৈ গৈ স্বৰ্গদেৱৰ কৃপাত শদিয়াখোৱা গোহাঁইৰ আশ্ৰয় লৈ পৰশুৰামকুণ্ডত স্নান কৰি উলটি আহিব পাৰোঁ।

পুৰন্দৰ সিংহ— বাৰু বৈষ্ণৱী! তোমাৰ হাততে পত্ৰসন্দেশ দিম। সদ্যহতে তোমালোকে মোৰ ৰাজভঁৰালৰ পৰা দিয়া সিধাৰে ভোগ নৈবেদ্য তৈয়াৰ কৰি খাই-বৈ ওলাই আহাগৈ। এইবুলি কৈ ৰজাই তেওঁবিলাকক বিদায় দি ইফালে কাকতিৰ হতুৱাই শদিয়াখোৱা গোহাঁইলৈ এই সাধু-সাধুৱনীকেইজনক সহায় কৰি পৰশুৰামকুণ্ডলৈ পঠাবলৈ অনুজ্ঞা-পত্ৰ লিখি থ'লে।

যথাসময়ত তেওঁবিলাক তিনিজন ৰজাৰ ওচৰলৈ খাই-বৈ টালি-টোপোলা বান্ধি আহিলত ৰজাই কৃষ্ণদাসীৰ হাতত পত্ৰসন্দেশ দিলে। কৃষ্ণদাসী বাবাজী দুজনে সৈতে লাহে লাহে খোজ কাঢ়ি আঠদিনমানে চৈখোৱা পালে। তাৰ পিছত কোনোমতে ব্ৰহ্মপুত্ৰ পাৰ হৈ আৰু তিনিদিন মানে প্ৰায় ১৫ চ'ত মানত চূণপোৰা পালেগৈ।

## ত্ৰয়োদশ অধ্যায়

## মানৰ দ্বিতীয় অসম আক্ৰমণ— নাজিৰাৰ ৰণ

শিৱসাগৰৰ দৌলত, বৰভিঠাত, জাঁজীত আৰু ৰংপুৰতো কৃষ্ণদাসীয়ে যি বিপ্লৱৰ বিষয়ে ভৱিষ্যদ্বাণী কৰিছিল বিপ্লৱৰ বতাহ কৃষ্ণদাসী যোৱাৰ কুৰিদিনৰ পিছতে আৰম্ভ হ'ল। বৰফুকনৰ গুণধৰ পুত্ৰদ্বয়ে পলাই বৰ্মা দেশলৈ গৈ বৰ্মা ৰজাক তেওঁবিলাকৰ পিতৃ বৰফুকনৰ অপঘাত মৃত্যুৰ বাতৰি কান্দি কান্দি জনালত বৰ্মা ৰজাই এইবাৰ মিঙ্গিমাহা ক্যাডেউং নামৰ সেনাপতিজনৰ অধীনে দহ হেজাৰ মানসৈন্য পঠিয়ালে। সিহঁতে পাটকাই পাৰ হৈ জয়পুৰত কোঠ মাৰিলে। ৰজাঘৰীয়া চোৰাংচোৱাই দিনে-নিশাই খোজকাঢ়ি আহি ৰংপুৰত বৰবৰুৱা আৰু বুঢ়া গোহাঁইক জনালত তেওঁবিলাক আৰু ৰজা পুৰন্দৰ সিংহ এটাইকেউজনেই দিনে-নিশাই

কোনোৰকমে ৰংপুৰৰ চাৰিওফালৰ পৰা প্ৰায় পাঁচ হেজাৰ ৰণুৱা গোটাই সেই ৰণুৱাৰেই বৰবৰুৱাক মানক আগভেটী নাজিৰা মানতে ধৰিবলৈ পঠিয়ালে। বৰবৰুৱাই ৰূপচিং চুবেদাৰক সেনাপতি পাতি সেই ৰণুৱা লৈ গৈ নাজিৰাত কোঠ মাৰিলে। ইফালে ৰজা আৰু বুঢ়াগোহাঁই, বৰগোহাঁই তিনিও আৰু সৈন্য-সামন্ত গোটাবলৈ হয় চেষ্টা কৰিলে কিন্তু আৰু এহেজাৰ কি দুহেজাৰতকৈ আৰু সৈন্য গোটাব নোৱাৰিলে কিয়নো এনেয়ে মানুহ তাকৰ তাতে মানুহবিলাক দুফলীয়া। যিসকল প্ৰজা পেটে পেটে চন্দ্ৰকান্তৰ ফলীয়া আছিল সেইসকলে মান অহা শুনিয়েই পলাব ধৰিলে। অগত্যা একো উপায় নাপাই বুঢ়াগোহাঁই, ৰজা, বৰগোহাঁই তিনিও নাৱেৰে দিখৌয়েদি সপৰিবাৰে ভটিয়ালে আৰু প্ৰায় এমাহ সেই নাৱৰে তেওঁবিলাকে কলিয়াবৰ পাই তাতে কোঠ মাৰি ৰ'ল।

ইফালে বৰবৰুৱাৰ সৈন্যই মান সৈন্যৰ সৈতে নাজিৰাত সংঘৰ্ষ হ'ল। দুয়ো পক্ষে তয়াময়া ৰণ হ'ল। মানৰ দহ হেজাৰ সৈন্যৰ লগত অসমীয়া পাঁচ হেজাৰ সৈন্য থাৰৰিব নোৱাৰিলে। ৰণত ঘাটি অসমীয়া সৈন্য দহোদিশে পলাল। মানে বৰবৰুৱা আৰু ৰূপচিং চুপবেদাৰ দুয়োকো জীয়াই জীয়াই ধৰি বন্দী কৰি ল'লে। তাৰ পিছত নগৰলৈ আহি নগৰ অধিকাৰ কৰিলে। মিঙ্গিমাহা ক্যাডেউঙেই অসমৰ হৰ্তা-কৰ্তা বিধাতা হ'ল। জন্মি, পিয়লি তাৰ মন্ত্ৰী আৰু ৰচিদ-পত্ৰ যোগোৱা বিষয়া হ'ল

বৰবৰুৱাক মানৰ সেনাপতি মিঙ্গিমাহাই তেওঁৰ বিৰুদ্ধে যুঁজ কৰা বাবে কাটিলে, বৰগোহাঁইকো পাষগুহঁতে বুঢ়াগোহাঁইৰ ফলীয়া বুলি ভাবি কাটিলে। বৰবৰুৱাৰ স্থলত পাতাৰ নামেৰে কছাৰী এজনক বৰবৰুৱা পাতিলে। ৰূপচিং চুবেদাৰক জন্মি পিয়লিক গতাই দিলে। সিহঁতে পিতৃহন্তাক নিজ হাতে এদিন তাৰ আঙুলি এটাকে কাটি আনি দিন বা হাত এখনকে কাটি এইদৰে সাতদিনে যন্ত্ৰণা দি দি মাৰিলে। বদন বৰফুকনক গুপুতভাৱে হত্যা কৰাৰ প্ৰতিশোধ ৰূপচিঙে এইদৰে পালে।

## চতুৰ্দ্দশ অধ্যায়
## মানৰ উৎপাত

পাতালক বৰবৰুৱা পাতি মানে প্ৰায় এমাহলৈকে পাতাল আৰু জন্মি পিয়লিৰ হতুৱাই ওচৰৰ ঠাইবিলাকৰ পৰা মানুহে এৰি যোৱা ঘৰ-দুৱাৰবিলাকৰ ধান-চাউল, গৰু-ম'হ, ছাগলী, হাঁহ, পাৰ, কুকুৰা, গাহৰি গোটাই গোটাই আনি মিঙ্গিমাহাক ৰচদ দিলে। অসমীয়া মানুহ লগাই মান সৈন্য থাকিবলৈ বাহৰো কৰি দিলে। মিঙ্গিমাহা ক্যাডেউঙে নগৰ অধিকাৰ কৰি উঠিয়েই জন্মি পিয়লিক চন্দ্ৰকান্ত ৰজাক বিচাৰি

আনিবলৈ আদেশ দিলে। জন্মি পিয়লিয়ে চোৰাংচোৰা লগাই চন্দ্ৰকান্ত ৰজালৈ নিৰ্ভয় আৰু পত্ৰ সন্দেশ দি মানুহ পঠিয়ালে। সেই মানুহে চন্দ্ৰকান্ত ৰজাক বিচাৰি মৰঙ্গিৰ পৰা সপৰিবাৰে ৰংপুৰলৈ আনিলে আৰু ৰংপুৰ পোৱা মাত্ৰেই মিঙ্গিমাহা ক্যাডেউঞে তেওঁক অভ্যৰ্থনা কৰি বৰ্মা ৰজাৰ আদেশমতে আকৌ অসমৰ ৰজা পাতিলে। ৰজা পাতি উঠি চন্দ্ৰকান্ত ৰজাক তেওঁবিলাকৰ খোৰাকী যোগাবলৈ জনালে। চন্দ্ৰকান্ত ৰজাই পাতাল বৰবৰুৱাৰ গাতে সেইটো ভাৰ থৈ নামমাত্ৰ ৰজা হৈ কাৰেঙত ৰ'ল। মিঙ্গিমাহায়ে একপ্ৰকাৰ ৰজা হৈ বুঢ়াগোহাঁইৰ ফৈদৰ যাকে য'তে পালে ত'তে কাটিলে আৰু পুৰন্দৰ সিংহ আৰু ৰুচিনাথ গোহাঁইক ধৰি নিবলৈ এজাক মান সেনা গুৱাহাটীলৈ পঠিয়ালে কিন্তু মান গুৱাহাটী গৈ পোৱাৰ আগেয়ে পুৰন্দৰ সিংহ গুৱাহাটীৰ পৰা পলাই বংগদেশৰ চিলামাৰি পালেগৈ আৰু তাৰ পৰা মানক খেদি অসম উদ্ধাৰ কৰি তেওঁক দিবলৈ ইংৰাজ কোম্পানীক খাটিব ধৰিলে।

## পঞ্চদশ অধ্যায়

## শদিয়াত

আমাৰ কৃষ্ণদাসীয়ে চুণপোৰা পাই পুৰন্দৰ সিংহ ৰজাৰ চিঠি শদিয়াখোৱা গোহাঁইক দিলে। ৰজাৰ চিঠি পাই তেওঁ সাধু দুজনক আৰু কৃষ্ণদাসীক আস্ত কৰি তেওঁৰ হাউলিৰ পৰা প্ৰায় পোৱা মাইল আঁৰত থকা এটা শিৱ মন্দিৰৰ সংলগ্ন ঘৰ এটাত থাকিবলৈ দি ক'লে যে এতিয়া যেতিয়াই চ'ত-ব'হাগ মাহ পৰিল তেতিয়াই তেওঁ সাধু দুজনক আৰু কৃষ্ণদাসীক পৰশুৰাম কুণ্ডলৈ কোনো ৰকমেই পঠিয়াব নোৱাৰে কিয়নো অলপ বৰষুণ পৰিব ধৰিলেই পৰশুৰামলৈ যাবলৈ অসাধ্য হয়। সৰু সৰু জান-জুৰিবিলাকেই একোটা প্ৰবল, অতি খৰতৰ নৈ হৈ পাৰ হ'ব পৰা অসাধ্য হৈ উঠে। সেই দেখি তেওঁবিলাকে অন্ততঃ দুৰ্গাপূজাৰ পিছলৈকে বাট চাব লাগিব। এই ছমাহে তেওঁবিলাকে শদিয়া চুণপোৰা এইবিলাক ঠাইতে থাকিব পাৰে। তেওঁবিলাকক তেওঁ মাহে মাহে খাবলৈ সিধা ভেজা দিব। তেওঁবিলাকে গাঁও-ভূঁইবিলাকৰ পৰা খুজি-মাগিও আনিব পাৰিব। তাত তেওঁ কোনো হকা-বধা নকৰিব। তেওঁলোকে মানুহক ধৰ্মৰ উপদেশো দিব পাৰিব। শদিয়াখোৱা গোহাঁইৰ এনেকুৱা আস্ত-আদৰ পাই তেওঁবিলাকে তিনিও হৃষ্টচিত্তে চুণপোৰাৰ সেই শিৱ মন্দিৰতে ৰ'ল।

তেওঁবিলাকৰ ওচৰলৈ— বিশেষ কৃষ্ণদাসীৰ নাম-গুণত আকৃষ্ট হৈ কি চুতীয়া, কি মিৰি, কি আহোম, কি হিন্দু, কোঁচ, কলিতা, আনকি মিচিমি মানুহো তেওঁলোকৰ ওচৰলৈ অহা-যোৱা লগালে। তেওঁবিলাকেও সকলোকে আস্ত-আদৰ কৰি দয়া-মৰম

দেখুৱাই সকলোৰে ভাল পোৱাৰ পাত্ৰ হ'ল। কৃষ্ণদাসীয়ে অনেককে কৃষ্ণৰ কথা শুনালে। তেওঁ লীলাবিলাক বৰ্ণাই বৰ্ণাই ক'লে। কৃষ্ণৰ বিষয়ে ৰাগ, পদ, গীত, গাই গাই শুনালে। দেউৰী বা শক্তি উপাসক মানুহ আহি গোসাঁনীৰ বিষয়ে সুধিলে শ্ৰৱণানন্দে সেই বিষয়ে সাত্বিক ভাবৰ, শুদ্ধাচাৰ শাক্ত ধৰ্ম ক'বলৈ ধৰিলে। শিৱক ভালপোৱাসকলক শিৱৰ বিষয়ে সুধিলে আমাৰ ঊৰ্ধ্ববাহুৱেও সাত্বিক ভাবৰ ধৰ্ম উপদেশ দিব ধৰিলে। অনেক সময়তে গাঁৱলীয়া আহোম আৰু চুতীয়া আৰু আন আন হিন্দু প্ৰজাসকলে কৃষ্ণদাসীক লৈ গৈ তেওঁৰ হতুৱাই ৰাজহুৱা নামত নাম পদ লগোৱাই দি নাম গোৱাবলৈ ধৰিলে। নাম নজনা মানুহেও নাম গাবলৈ শিকিলে। শৈৱ পন্থৰ মানুহেও তেওঁক মাজে মাজে নি শিৱৰ নাম গোৱাব ধৰিলে। শাক্ত পন্থৰসকলেও তেওঁৰ হতুৱাই গোসাঁনীৰ নাম গোৱালে। এইদৰে সকলো মানুহৰে মন ধৰ্মৰ ফাললৈ, দেশৰ ফাললৈ আকৰ্ষণ কৰিলে। কৃষ্ণদাসীৰ ওচৰলৈ যোৱা মানুহৰ ভিতৰত ধনেশ্বৰ চুতীয়া নামৰ ডেকা এজন জেঠ, আহাৰ মাহৰে পৰা সঘনে গৈছিল আৰু কৃষ্ণদাসীক অকপটভাৱে ভক্তি কৰি ধনেশ্বৰ ডেকাই কৃষ্ণৰ বিষয়ে শিক্ষা লভিছিল। পিছত যেতিয়া দৈৱদুৰ্বিপাকত সি ষাঁড়ত পৰি তাম্ৰেশ্বৰীৰ মন্দিৰত উছৰ্গীকৃত হৈছিল তেতিয়া এই কৃষ্ণদাসীয়ে তেওঁৰ বিভূতিৰ বলেৰে, বিশেষকৈ এই ধনেশ্বৰ নিৰ্দোষী আৰু তেওঁৰ ওচৰত কৃষ্ণত শৰণ লোৱা বাবে, ধনেশ্বৰৰ প্ৰাণ ৰক্ষা কৰিছিল। এই বিষয়ে ইয়াত বহলাই ক'বৰ সকাম নাই। এই নিঃকিনে লিখা 'তাম্ৰেশ্বৰী মন্দিৰ' নামৰ উপন্যাসত সবিশেষ পাব।

## ষোড়শ অধ্যায়

## ৰংপুৰত— মিঙ্গিমাহা আৰু চন্দ্ৰকান্ত

মিঙ্গিমাহা সেনাপতিৰ অনুগ্ৰহত যদিওবা চন্দ্ৰকান্ত সিংহ ৰজা হ'ল, তথাপি তেওঁৰ সুখ আৰু ৰাজত্ব স্থায়ী নহ'ল। পাতাল বৰবৰুৱাই মানে পতা বুঢ়াগোহাঁই— জন্মি আৰু বৰগোহাঁই— পিয়লিৰে সৈতে দুমাহলৈকে মানহঁতক সুকলমে ৰচদ পাতি দিলে। কিন্তু দুমাহৰ পিছৰ পৰা তেওঁবিলাকেও গাঁও-ভূঁইৰ পৰা আনকি নৈৰ সিপাৰে থকা মাজুলীৰ সত্ৰবিলাকৰ পৰাও ৰচদ-পত্ৰ আনিও মানহঁতক জোখাৰে ৰচদ দিব নোৱৰাত পৰি তলে তলে ৰজাক মানক বিদায় দিবলৈ খাটিলে। তেওঁলোকৰ খাটনি অনুসাৰে এদিন মান সেনাপতি মিঙ্গিমাহা ক্যাডেউঙক বৰুৱাই লৈ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ক'লে— "সেনাপতি। ভাই ৰজালৈ এতিয়া আপোনাসকলে মোৰ পৰা পত্ৰ-সন্দেশ লৈ উলটি যাওকগৈ।'

ৰজাৰ এই কথাত মিঙ্গিমাহাই ক'লে যে "তেওঁক সিংহাসনত থাপি ইমান সোনকালে উলটি গ'লে ৰাজ্যত আকৌ বিশৃংখলা ঘটিব। আৰু তাত বৰ্মাৰ ৰজাইও

তাৰ দোষ ধৰিব। আৰু আগত এই বাৰিষা বতৰটো লৈও পৰ্বত-পাহাৰ পাৰ হৈ যাব নোৱাৰিব। সেই দেখি তেওঁ তেওঁৰ সৈন্য-সামন্তৰ সৈতে শীতকাললৈকে থাকিব। শীতকাল পৰিলেহে তেওঁবিলাক যাব। এই ছমাহে তেওঁবিলাকক খোৰাক-পোছাক দি ৰাখিব লাগিব। ৰজাই বৰবৰুৱা আৰু ই দুজনা বিষয়াৰ হতুৱাই প্ৰায় দহ-বাৰ দিনৰ বাটৰ পৰা হ'লেও ৰচদ আৰু কাপোৰ-কানি অনাই দিব লাগিব।

মিঙ্গিমাহাৰ এনেকুৱা সমিধানত চন্দ্ৰকান্ত ৰজা বৰ ম্ৰিয়মান হ'ল। সিংহাসন পুনৰ লভি যিটো আনন্দ পাইছিল সেইটো গৈ নিৰানন্দত পৰিল। একো উপায় নেদেখি ৰজাই মিঙ্গিমাহাৰ সৈন্যৰ খোৰাক-পোছাক যোগোৱাৰ ভাৰ পাতাল বৰবৰুৱাৰ আৰু জন্মি পিয়লিৰ ওপৰতে সম্পূৰ্ণকৈ থ'লে। তেওঁবিলাক তিনিও আৰু এমাহমানলৈকে মানুহক বুজাই-বঢ়াই ৰচদ, কাপোৰ-কানি গোটাই-পিটাই দিলে; কিন্তু সেইবেলি ৰংপুৰ অঞ্চলত চ'তৰে পৰা জেঠলৈকে বৰষুণ এটোপা নোহোৱাত আহুখেতি একেবাৰেই নহ'ল। যিবিলাক প্ৰজাই নিজৰ গাঁও, ঘৰ-দুৱাৰৰ মায়া এৰি পলাই নগৈছিল সেইসকলৰ নিজৰে খাবৰ নোহোৱা হ'লত আলু-কচু খানি সিজাই খাই প্ৰাণ ৰক্ষা কৰাত পৰিছিল। মানক এইবিলাক কাৰণত পাতাল বৰুৱাই ৰচদ যোগাব নোৱৰাত পৰিল। মানৰ সেনাপতিয়ে তেতিয়া চন্দ্ৰকান্ত ৰজাক একো নজনোৱাকৈ মানহঁতক নিজৰ নিজৰ খোৰাক গাঁও-ভুঁই লুটি খাবলৈ দিলে। সেনাপতিৰ আদেশ পাই মানহঁতে গাঁওবিলাকৰ পৰা ধান, চাউল, হাঁহ, কুকুৰা, গৰু, ছাগলী ধৰি ধৰি অনাৰ লগে লগে গাঁৱে-ভুঁয়ে অসমীয়া তিৰোতাৰ বল কৰি সতীত্ব নাশ কৰিব ধৰাত পাতাল বৰুৱাই মিঙ্গিমাহাক এনেকুৱা অত্যাচাৰটো নিবাৰণ কৰিবলৈ খটাত মিঙ্গিমাহাই ৰজাক একো নজনাই নিজেই আদেশ দি পাতাল বৰুৱাক পেট ফালি মাৰি পেলালে। তাৰ পিছত মিঙ্গিমাহাই তাৰ সেনাবিলাকক ওচৰৰ গাঁও-ভূঁইবিলাক লুট-পাট কৰিবলৈ মুকলি হুকুম দিলে। মানহঁতে বস্তু-বাহানি লুট কৰাৰ লগে লগে যেতিয়াই আকৌ ঠায়ে ঠায়ে অসমীয়া তিৰোতাৰ সতীত্ব নাশ কৰিব ধৰিলে তেতিয়াই দুই-চাৰি অসমীয়া প্ৰজায়ো দুই-চাৰিটা মানক যেই টঙনিয়াই মাৰিলে সেই মানবিলাক বলিয়া কুকুৰৰ দৰে হৈ অসমীয়া মানুহক কাটি-মাৰি নাশ কৰিব ধৰিলে— অসমীয়া গাঁওবিলাকত জুই লগাই দিলে আৰু এইদৰে জেঠ, আহাৰ, শাওণ এই তিনিমাহ শিৱসাগৰ আৰু লক্ষীমপুৰৰো কোনো কোনো ঠাই উপান্ত কৰিলে। মানৰ এনেকুৱাবিলাক অত্যাচাৰ দেখি চন্দ্ৰকান্ত ৰজাই এনিশা মানে বুজ নোপোৱাকৈ ল'ৰা-তিৰোতাৰে সৈতে লগত বিশ্বাসী শৰীৰ ৰক্ষক দুজন আহোম সেনা লৈ নিশাৰ নিশাটো নাৱেৰে দিখৌৰেদি ভটিয়াই ব্ৰহ্মপুত্ৰ ওলালগৈ আৰু তাৰ পৰা ভটিয়াই ভটিয়াই গুৱাহাটী পালেগৈ।

## সপ্তদশ অধ্যায়

## বুৰঞ্জী— মানৰ অত্যাচাৰ

চন্দ্ৰকান্ত ৰজা ভাগি যোৱাৰ পিছত মান সেনাপতিয়ে যোগেশ্বৰ নামৰ গোহাঁই এজনক নামমাত্ৰ ৰজা পাতি নিজেই উজনি অসম কঠোৰৰূপে শাসন কৰিবলৈ ধৰিলে। সেই বছৰ মানহঁতে বাৰিষাৰ কেইমাহ চলাচল নকৰি আগেয়ে লুটি-পুটি অনা গৰু-ম'হ কাটি খাই বাৰিষাটো কটালে তাৰ পিছত কাতি মাহ সোমোৱা মাত্ৰকে সিহঁতে উজনিফালৰ পৰা ক্ৰমে ভাটিলৈ আৰু উজনিৰ শদিয়াৰ ফাললৈকো, মাজুলীৰ ফাললৈকো দিগ্বিজয় কৰিবলৈ ওলাল। মাজুলীত সিহঁতে প্ৰায় জনপ্ৰাণী শূন্য পালে। সিহঁত উত্তৰ লক্ষীমপুৰৰ ফাললৈকো গ'ল। তাতো সিহঁতে মানুহ কাটি-মাটি গাঁৱে-ভূঁয়ে জুই লগাই নথৈ অত্যাচাৰ কৰিলে। শদিয়ালৈ যদিও মিঙ্গিমাহা নিজে গৈছিল তথাপি শদিয়াখোৱা গোহাঁইৰ আৰু তেওঁৰ সৈন্যসকল আৰু ধনেশ্বৰ, কমল গোহাঁই এই সেনাপতি দুজনৰ বীৰত্বত আৰু কৌশলত শদিয়াত মান তেনেই ঘাটি উলটি আহিল। মাজুলীত মানে উপদ্ৰৱ কৰিব নোৱৰাৰ কাৰণ হৈছিল মাজুলীৰ মানুহ প্ৰায় সকলোবিলাকেই হয় ডাঠ হাবিৰ মাজে মাজে পলাই আছিল নতুবা মাজুলী এৰি পলাই গৈছিল। চন্দ্ৰকান্ত ৰজা পলাই যোৱা শুনি মাজুলীৰ চাৰিসত্ৰীয়া আৰু বৰ বাৰজনীয়া মহাপুৰুষীয়া সকলোবিলাক সত্ৰৰে অধিকাৰসকল উদাসীন ভকতসকলৰ সৈতে মান পাৰ হৈ নোযোৱাৰ আগেয়ে নাৰেৰে গুৱাহাটীলৈ পলাই গৈছিল আৰু গুৱাহাটীৰ দুয়ো পাৰে নৈৰ দাঁতিয়ে দাঁতিয়ে নাওবিলাক ৰাখি ওপৰত বাহৰ সাজি সাজি বাস কৰি আছিল।

গুৱাহাটী পাই চন্দ্ৰকান্ত ৰজাই কিছুমান অসমীয়া সৈন্যই মানৰ লগত অলপ যুঁজি তিষ্ঠিব নোৱাৰিলে। ৰজা আৰু সন্ত-মহন্ত সকলোৰেই নাৰেৰেই পলাই ভটিয়াই গৈ গোৱালপাৰা এলেকাত ৰ'লগৈ। মানে গুৱাহাটী, জাগি, কলীয়াবৰ, এইবিলাক ঠাইত কোঠ মাৰি অলপ অলপ সৈন্য সেই কোঠবিলাকত থৈ আকৌ উজাই গ'ল। মান উজাই যোৱা শুনি চন্দ্ৰকান্ত ৰজাই গোৱালপাৰা, কামৰূপ এইবিলাক ঠাইৰ পৰা কিছুমান সৈন্য গোটাই আৰু গোৱালপাৰাৰ সিফালৰ পৰা কিছুমান হিন্দুস্থানী আৰু শিখ সৈন্য আনি গুৱাহাটীলৈ উজাই আহি তাত মানৰ তাকৰীয়া সৈন্য পাই গুৱাহাটী, তাৰ পিছত ক্ৰমে ক্ৰমে জাগি, কলিয়াবৰ এই ঠাইবিলাক অধিকাৰ কৰি গুৱাহাটীত তেওঁ ৰাজধানী পাতিলে। তেওঁৰ আশ্বাসতে উজনিৰ সত্ৰাধিকাৰ আৰু ভকত বৈষ্ণৱসকলো আকৌ গুৱাহাটীলৈ আহি আগৰ ঠায়ে ঠায়ে বাহৰ সাজি ৰ'ল।

## অষ্টাদশ অধ্যায়

## কৃষ্ণদাসী

দুৰ্গোৎসৱত ধনেশ্বৰ চুতীয়া সেনাপতি ৰক্ষা পৰাৰ পিছত, মানৰ সৈতে শদিয়াখোৱা গোহাঁইৰ যুঁজ লগাৰ অলপ আগতে আমাৰ কৃষ্ণদাসী বৈষ্ণৱী বাবাজী দুজনৰ সৈতে শদিয়াখোৱা গোহাঁইৰ পৰা পত্ৰ-সন্দেহ লৈ খামতি ৰাজ্য পালেগৈ। তাত প্ৰায় পোন্ধৰ দিনমান থকাৰ পিছত খামতি ৰজাই তেওঁৰ মানুহ দি হাবিয়লীয়া বাটৰ পটি কটাই কটাই প্ৰায় দহ দিনে টেমিমুখত নি তেওঁবিলাকক থোৱালে। টেমিমুখত মিচ্‌মিৰ নাৱত লুইত পাৰ হৈ সুন্দৰ পৰ্বতৰ দৃশ্য চাই চাই, বাবা ব্ৰহ্মপুত্ৰৰ গভীৰ গৰ্জন ধ্বনি শুনি প্ৰায় পাঁচ মাইল বাট ওখ-চাপৰ আৰু হাবিয়লীয়া থলেদি এঠাইত ডাঙৰ ডাঙৰ শিলৰ ওপৰেদি বগাই বগাই ওপৰত গছৰ মাজত সোঁ-সোঁ শব্দৰ বতাহ উপভোগ কৰি কৰি তেওঁবিলাকৰ চিৰ বাঞ্ছিত সেই গহীন-গম্ভীৰ দৃশ্যৰ পৰশুৰামকুণ্ড পালেগৈ। তাত মিচ্‌মিসকলে এওঁবিলাকক ভাল সাধু আৰু সাধুৱনী বুলি বুজি পাই 'জয় সীতাৰাম জয় সীতাৰাম' শবদেৰে নমস্কাৰ জনালে। তিনিওজনাই কুণ্ডত সেইদিনা স্নান কৰি উঠি পূজা সন্ধ্যা আৰতি এই সকলোকে কৰি গধূলি হলত লগত নিয়া চাউল এমুঠি তেওঁলোকৰ ঘটী এটাত সিদ্ধ কৰি সেই প্ৰসাদ তিনিও ৰাতি খাই ধুনি জ্বলাই কুণ্ডৰ ওচৰতে নিশা পৰি থাকিল। পিছদিনা আকৌ স্নান আহ্নিকাদি কৰি তিনিও সেইদৰে অলপ ভোগ তাত খাই ভাটিবেলা কুণ্ডৰ পৰা উলটি আহি টেমিমুখত ৰ'ল।

পিছদিনা টেমিমুখৰ পৰা আকৌ অহা পটিয়ে পটিয়ে আহি সাতদিনে খামতি গাঁও ওলাল। তাত খাম্‌তি ৰজাৰ অনুৰোধত তিনি নিশা থাকি তেওঁবিলাকে আকৌ নানা সুন্দৰ সুন্দৰ দৃশ্য চাই নৈ জুৰি পাৰ হৈ চূণপোৰা পালে। চূণপোৰাত তেওঁবিলাকক আকৌ শদিয়াখোৱা গোহাঁয়ে আস্ত-আদৰ কৰি সাতদিন ৰাখিলে আৰু কৃষ্ণদাসীক বিশেষকৈ শলাগি ক'লে— "বৈষ্ণৱী মা! তোমাৰ শিক্ষা মতে, উদগনি মতে আমাৰ শদিয়াৰ বীৰসকলে মানক যুঁজত ঘটুৱাই ফিৰাই পঠিয়ালে।" সেই সাতদিনে ধনেশ্বৰ সেনাপতি নিতৌ গধূলি গধূলি কৃষ্ণদাসীৰ ওচৰলৈ আহি বৈষ্ণৱ ধৰ্মৰ তথ্যবিলাক আকৌ সুধি সুধি ল'লে। কৃষ্ণদাসীয়ে ধনেশ্বৰক বিশেষকৈ হৃদয়ংগম কৰি দিলে যে গৃহস্থী সুখতো থাকি, দেশৰ মংগল চিন্তিও আৰু দৰিদ্ৰ নাৰায়ণক সেৱা-শুশ্ৰূষা কৰিও বৈষ্ণৱ ধৰ্ম সুন্দৰে পালন কৰিব পাৰি— কৃষ্ণ-প্ৰেমত নিজৰ জীৱন উছৰ্গা কৰি জীৱনক সুন্দৰ, মধুৰিমাময়, অমৃতময় কৰিব পাৰি। "বাছা! সুখেৰে গৃহস্থী ধৰ্ম পালন কৰি সংসাৰত জনপ্ৰাণী বঢ়াই কৃষ্ণত ভক্তি ৰাখি চলিবি। অন্তে সেই কৃষ্ণক পাবি'— এই কথা কৈ কৃষ্ণদাসীয়ে তাৰ পৰা

শদিয়াখোৱা গোহাঁই সমূহৰ পৰা বিদায় লৈ পশ্চিমমুখে খোজ লৈ লৈ মাছখোৱা ধেমাজী পালে। তাৰপৰা খোজকাঢ়ি মাজে মাজে মিৰি গাঁৱত থাকি মিৰিৰ নাৱেৰে ধেমাজী, সোৱণশিৰী, ৰঙা নৈ ইত্যাদি পাৰ হৈ কলাবাৰী পালেগৈ। সেইফালৰ মানুহবিলাকৰ পৰা জানিলে যে মানে ইফালে মাজুলীৰ লুইতৰ সীমালৈকে, সিফালে বোকাখাটলৈকে দেশ-নগৰ উপান্ত কৰিলে। ৰজা চন্দ্ৰকান্ত, মাজুলীৰ সত্ৰীয়া গোসাঁই ভকত সকলোবিলাক গুৱাহাটীৰ ফাললৈ পলাইছে। কলাবাৰী, নাৰায়ণপুৰত এইবিলাক বাতৰি পাই তেওঁবিলাক তিনিও তাত মুঠেই দুনিশা থাকি আকৌ পশ্চিমৰ ফাললৈ খোজ লৈ প্ৰায় সাতদিন গৈ বিশ্বনাথ পালে। বিশ্বনাথত মন্দিৰাদি দৰ্শন কৰি ব্ৰহ্মপুত্ৰত স্নান দান কৰি বিশ্বনাথ অঞ্চলৰ প্ৰজাকে ধৰ্ম-কৰ্মত মন দিবলৈ উদগনি দি তেওঁবিলাকে তেজপুৰ পালেগৈ। তাতো সেইদৰে কিছু শিক্ষা-দীক্ষা দি, মঙলদৈয়েদি গৈ গৈ বৰনৈ পাৰ হৈ ডুম্‌নিচকি পাই তাত মদন কামদেৱ তাৰ পিছত হাজোৰ মাধৱ, কেদাৰ ইত্যাদি দৰ্শন কৰি আকৌ উজাই আহি কৃষ্ণদাসী আৰু শ্ৰৱণানন্দে উত্তৰ গুৱাহাটীয়েদি ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ কামাখ্যা পালেহি আৰু তাত কামাখ্যাৰ নামনিত থকা এটা সন্ন্যাসীৰ আখৰাত দুয়ো আশ্ৰয় ল'লে। ঊৰ্ধ্ববাহুৰ হাজোতে ঊৰ্ধ্বলৈ তুলি থোৱা হাতখন নামিল। তেওঁ গুৱাহাটীলৈ নাহি সেইপিনেদি বৰপেটালৈ গৈ বৰপেটাৰ যুগীৰ পামত হৰকান্ত বৰুৱাৰ ওচৰত জটীয়া বাবাজী নাম লৈ ৰ'ল।

## ঊনবিংশ অধ্যায়

## গুৱাহাটী

আমাৰ পাঠক-পাঠিকাসকলে মনত ৰাখিব সে সেই সময়ত গুৱাহাটী নগৰখন আজিকালিৰ দৰে নাছিল। ক'তো এটিও সেই সময়ত অৰ্থাৎ ইংৰাজৰ দিনৰ আগত, পকী ঘৰ নাছিল। কেৱল মঠ-মন্দিৰবিলাকেহে পকা ইটাৰ আছিল। গুৱাহাটী নগৰত সেই সময়ত আজিকালিৰ পাণবজাৰ বৰফুকন টোল আছিল। ঘৰবিলাক ডাঙৰ-দীঘল হ'লেও সকলোবিলাক খেৰী ঘৰ আছিল। উজান বজাৰৰ নৈৰ পাৰৰ কেতখিনি নদীয়াল আৰু বৃত্তিয়াল মানুহ আছিল। আজিকালি য'ত কাছাৰী, গিৰ্জা, স্কুল, চাহাবসকলৰ নৈৰ পাৰৰ বঙলাবিলাক আছে এই আটাইবিলাক ঠায়েই সেই কালত জনপ্ৰাণীবিহীন ঠাই আছিল। নগৰখনিৰ পুবে সৰু টিলা এটাৰ ওপৰত ছত্ৰকাৰ দেৱালয়ৰ মঠ-মন্দিৰ। উজান বজাৰৰ যোৰ পুখুৰীৰে সৈতে উগ্ৰতাৰা মাতৃৰ মন্দিৰ। পছিমে নৈৰ দাঁতিৰ টিলাৰ ওপৰত শুক্লেশ্বৰ মহাদেৱৰ মন্দিৰ। তাৰ ওচৰত তলত জনাৰ্দনদেৱৰ মন্দিৰ। নগৰৰ অলপ বাহিৰতে পুবে নৱগ্ৰহৰ দেৱালয়। পছিমে

ভুৱনেশ্বৰী আৰু কামাখ্যা মাতৃৰ মন্দিৰ। দক্ষিণে ছমালিমান আঁতৰত সন্ধ্যা, ললিতা, কান্তা এই তিনি ধাৰা সোঁতেৰে বশিষ্ঠৰ মন্দিৰ। ব্ৰহ্মপুত্ৰৰ মাজত উমানন্দ। উত্তৰ গুৱাহাটীত নৈৰ পাৰত পছিমে অশ্বক্লান্ত, পূবে মণিকৰ্ণেশ্বৰ।

উজনিৰ পৰা মানৰ উপদ্ৰৱত পলাই অহা গোসাঁইসকলে নাৰত আৰু নৈৰ পাৰত বা বালিত সজা বাহৰবিলাকত দুয়োপাৰে উজনিৰ সত্ৰৰ আৰ্হিৰে খেৰ-বাঁহেৰে মফচলীয়া বাহৰ কৰি কৰি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে আছিল। পুৱা, দুপৰীয়া, গধূলি এই সত্ৰসকলত ভোৰতালেৰে কৰা প্ৰসংগ, হৰিধ্বনি ইত্যাদি শবদেৰে গুৱাহাটী নগৰ খলকি আছিল। দেৱালয়বিলাকতো দবা, শংখ, ঘণ্টা, বৰকাঁহ ইত্যাদিৰ শবদে ভৰপূৰ আছিল। উজনিৰ ২০।২৫ খন সত্ৰৰ গোসাঁয়ে ভকতে গুৱাহাটী জাগৃত হৈ আছিল। বামুণীয়া সত্ৰৰ ভকতসকলৰ অনেকেই গুৱাহাটী নগৰৰ এই মঠ-মন্দিৰবিলাক আনকি কামাখ্যা, নৱগ্ৰহ, বশিষ্ঠাদি তীৰ্থস্থানবিলাকো চাই ফুৰিছিল।

কমলাবাৰী সত্ৰৰ ভকতসকলৰ ভিতৰত আমাৰ দয়াৰামো আছিল। গুৱাহাটী পাই কামাখ্যাৰ নামনিৰ আখৰাত থিতাপি লৈ আমাৰ কৃষ্ণদাসী আৰু শ্ৰৱণানন্দই নিতৌ পুৱা-গধূলি এই সত্ৰবিলাক চাই ফুৰিছিল। কৃষ্ণদাসীয়ে অনেক স্থলত ভকত দুই-চাৰিজনৰে সৈতে আলাপো কৰি ফুৰিছিল। তেওঁৰ উদ্দেশ্য আছিল ভকতসকলৰ নৈতিক বল পৰীক্ষা আৰু তাৰ লগে লগে তেওঁলোকৰ মনক কৃষ্ণলৈ আকৰ্ষণ কৰা আৰু দেশৰ হকে চিন্তা কৰিবলৈ শিকোৱা।

এদিন কৃষ্ণদাসীয়ে কমলাবাৰীৰ বাহৰৰ কৰাপাটত গৈ শ্ৰৱণানন্দই সৈতে বহি আছিল এনেতে দয়াৰাম সেইপিনে সিহঁতৰ কাষেদি নৈলৈ গা ধুবলৈ গ'ল! গা ধুই অহাৰ পিছত সত্ৰৰ ভিতৰলৈ যাবলৈ ধৰোঁতেই কৃষ্ণদাসীয়ে মাত লগালে— "হেৰি আতৈ! আপুনি নাম-প্ৰসংগ কৰি এটাই অলপ প্ৰসাদ খাই এবাৰ আমাক লগ ধৰিবনে?"

দয়াৰাম— (থমকি ৰৈ) "তোমাৰ মাতটো ক'ৰবাত শুনা শুনা যেন লাগে। কোৱাচোঁ তুমি কোন— কেলেই ইয়ালৈ আহিছা। কেলেই মোক লগ পাবলৈ ইচ্ছা কৰিছা।"

কৃষ্ণদাসী— সেইবিলাক সকলো কথাৰে উত্তৰ দিম। পিছত আপুনি এতিয়া তিতা তিয়নীৰে আছে যেতিয়াই ভিতৰলৈ গৈ আপোনাৰ নিত্য-নৈমিত্তিক নাম-প্ৰসংগ কৰি এমুঠি খাই-বৈ আহকগৈ আমি ইফাল-সিফাল কৰি ওচৰৰ সত্ৰবিলাক চাওঁ।

কৃষ্ণদাসীৰ কথাত দয়াৰাম ভিতৰলৈ গৈ, কানি-কাপোৰ সলাই দুপৰীয়া নাম-

প্ৰসংগ কৰি বহাত চাউল এমুঠি সিজাই খাই হাতত তামোল-পাণ আৰু কটাৰীৰে সৈতে কৰাপাটলৈ ওলাই আহি শ্ৰৱণানন্দ আৰু কৃষ্ণদাসীৰ আগত বহি তামোলখন কটাৰ লগে লগে সুধিলে— কেলেই নো মোক লগ পাব বিচাৰিছিলা?

কৃষ্ণদাসী— মই আপোনাক সুধিব খোজো আপোনাৰ নাম কি?

দয়াৰাম— মোৰ নাম দয়াৰাম আগৰ। এতিয়াৰ নাম দীনবন্ধু দাস।

কৃষ্ণদাসী— বাৰু আতৈ! আপুনি কওকচোন আপুনি এই ভৰ ডেকা বয়সতে সংসাৰ ধৰ্ম এৰি কেলেই উদাসীন হ'ল।

দীনবন্ধু— সেইবিলাক ভালেমান কথা। মনত পৰিলে বেয়া লাগে আৰু ক'বও নাপায়। পিছত তোমাৰ মাতটো এই ক'ৰবাত শুনিছিলো শুনিছিলো যেন লাগিছে। মোক নাভাবিবা। কোৱাচোঁ তুমি আগৰ অসমীয়া মানুহ নে বঙালী, নে হিন্দুস্থানী মানুহ।

কৃষ্ণদাসী— আতৈ! মই আগৰ অসমীয়া জীয়ৰীয়েই।

দীনবন্ধু— তেন্তে তুমি কোৱাচোঁ তুমি তিৰোতা মানুহ হৈ এই গেৰুৱা কাপোৰ কেলেই পিন্ধিছা। তোমাৰ লগৰজন কি জাতৰ মানুহ। তোমাৰ কি হয়।

কৃষ্ণদাসী— মোৰ লগৰজন আগৰ বঙালী ব্ৰাহ্মণ। মোৰ গুৰুভাই হয়। পিছত মোৰ বিষয়ে ইয়াকে ক'ব পাৰোঁ যে মোৰ আই-বোপাই, বাই এই সকলো মৰি ঢুকুৱাত আৰু মোৰ জাতৰ কুলৰ মানুহৰ কাৰো ঘৰত আশ্ৰয় নোপোৱাত আৰু তাৰ লগে লগে মানুহৰ আৰু সমাজৰ অত্যাচাৰত মই ভিখাৰিণী হৈ দেশে-বিদেশে কৃষ্ণৰ নাম গাই, কৃষ্ণৰ ৰূপ চিন্তি খুজি-মাগি খাই ফুৰিছোঁ। মুঠৰ ওপৰত মোৰ বৃত্তান্ত ইমানেই।

দীনবন্ধু— তামোল কাটি উঠি দুয়োকো দুখন তামোল দি তাৰ পিছত নিজেই এখন খাই ক'লে— হওতে ফকীৰণি! তুমি যি দুখত ফকীৰণি হ'লা ময়ো প্ৰায় তেনেকুৱা দুখ-বেজাৰতে সংসাৰ ত্যাগ কৰি বৈৰাগী হৈ সত্ৰৰ উদাসীন ধৰ্ম কৰিলোঁ।

কৃষ্ণদাসী— নহয় আতৈ! আপুনি কি দুখত এই ভৰ ডেকা বয়সত বৰাগী হ'ল মোক ক'ব লাগে।

দীনবন্ধু— যদি মই ক'ব লাগে তেন্তে আশা কৰোঁ তুমিও মোক তোমাৰ আঁতিগুৰি সকলো কথা ক'ব লাগিব।

কৃষ্ণদাসী— বাৰু। আপোনাৰ বিৱৰণ কোৱাৰ আগেয়ে আপুনি অকপটচিত্তে কওক আপুনি "আৰু সংসাৰ নকৰোঁ মায়াৰ মুখ নাচাওঁ" এনেকুৱা বুলি গুৰুৰ আগত শপত খাই উদাসীন হৈছে নে ইচ্ছা কৰি সত্ৰৰ পৰা ওলাই গৈ সংসাৰ

কৰিব পাৰিব এনেকুৱা নিয়মে উদাস লৈছে।

দীনবন্দু— মই আৰু ইহজন্মত কস্মিন কালেও বিয়া নকৰাওঁ, মায়াৰ মুখ নাচাওঁ বুলি শপত খাই উদাস ধৰ্ম লৈছোঁ।

কৃষ্ণদাসী— কিন্তু আপুনি কাম ৰিপুক সম্পূৰ্ণ জয় কৰিছেনে?

দীনবন্ধু— সেইটোনো কেনেকৈ ক'ম। উদাস ল'বৰ মুঠেই বছৰেক হৈছে। আগলৈ ভালেমান দিন আছে। কৃষ্ণই ব্ৰহ্মাচৰ্য ৰক্ষা কৰো বুলিলে ৰক্ষা কৰাব পাৰে।

কৃষ্ণদাসী— আতৈ! আপোনাৰ কথা শুনি বৰ আনন্দ পালোঁ। বাৰু কওক আপোনাৰ কাহিনী—

দীনবন্ধু— বাৰু শুনা......

এইবুলি দীনবন্ধুৱে (আগৰ দয়াৰামে) তেওঁৰ জীৱনৰ বৃত্তান্ত সকলোখিনি সঠিককৈ ক'লে। কৈ যাওতে যদিওবা দুবাৰ-এবাৰ অলপ শোকৰ খুন্দাত কাহিব লগাত পৰিছিল তথাপি শেহলৈকে আচৰিতৰূপে ধৈৰ্য ধৰি সমস্ত বিৱৰণ যথাযথৰূপে ক'লে। তেওঁৰ বিৱৰণ শেষ হোৱাত কৃষ্ণদাসীয়ে ক'লে— "আতৈ! মোৰ বিৱৰণ কোৱাৰ আগেয়ে মাথোন এটা কথা কওক। সেইটো এই— আপুনি কৈছে আপুনি দুখুনী ৰহদৈৰ বিৰহত কৃষ্ণৰ চৰণত আশ্ৰয় ল'লে। বাৰু যদি আপুনি জানে ৰহদৈ জীয়াই আছে আৰু ৰহদৈক সেই আগৰ ৰূপেৰেই দেখে তেতিয়া আপুনি বিচলিত নহ'বনে? জানোবা কৃষ্ণক পাহৰি দুখুনী ৰহদৈকহে ভাবিব ধৰে?"

দীনবন্ধু— সকলো কৃষ্ণৰ ইচ্ছা। ৰহদৈক যদি আগৰ সেই ৰূপেৰেও দেখোঁ, তাই যদি জীয়াইও আছে তেনেহ'লেও মই উদাস ধৰ্ম ত্যাগ কৰিব নোৱাৰিম। তাইকনো বাৰু ক'ত দেখা পাম! মৰা মানুহে জানো কেতিয়াবা দেখা দিয়ে?

কৃষ্ণদাসী— ৰহদৈয়ে যদি দেখা দিয়ে তেনেহ'লেও আপুনি বিচলিত নহওঁ বুলি কওক।

দীনবন্ধু— তাইক দেখিবলৈ পালে অৱশ্যে মই এটা আনন্দ পাম; বিচলিত হ'ম নে নহ'ম সেইটো থিৰাংকৈ ক'ব নোৱাৰোঁ।

কৃষ্ণদাসী— আতৈ! আজিলৈ মই আহিবহে খুজিলোঁ।

দীনবন্ধু— মই আশা কৰিছিলোঁ তুমি তোমাৰ আঁতিগুৰি সকলো কথা মোক ক'বা। পিছত নক'লা দেখোন।

কৃষ্ণদাসী— সদ্যহতে গুৰুৱে মোক সেই কথা ক'বলৈ মানা কৰিছে। আপুনি মোৰ লগত কিছু কৰ্ম কৰিব লাগিব— যদি কৰে তেন্তে কৰ্মৰ অন্তে মই আপোনাক মোৰ আঁতিগুৰি সকলো কথা ক'ব পাৰিম। আজিলৈ আহিলোঁ। আমি কাইলৈ আকৌ এই সময়তে আহিম। আপোনাৰ সৈতে বাৰু কথা-বতৰা হ'ম।

# বিংশ অধ্যায়
## গুৱাহাটী

কৃষ্ণদাসী আৰু শ্ৰৱণানন্দ বিদায় হৈ যোৱাৰ পিছত আমাৰ দীনবন্ধুৱে ভাবিব ধৰিলে এই মানুহজনীৰ মতে আৰু তাহানি তেওঁৰ ৰহদৈৰ মতে একে, যদিও ৰূপ আৰু বয়সত স্বৰ্গ-মৰ্ত্যৰ প্ৰভেদ। বেচাৰীয়ে ওৰেনিশাটো গুণি-গাঁথি খেদালে। পিছদিনা ঠিক সেই সময়তে দীনবন্ধু ওলাই আহি কৰাপাটত বহিল এনেতে সিফালৰ পৰা কৃষ্ণদাসী আৰু শ্ৰৱণানন্দ আহিল। তেওঁবিলাক আহি কৰাপাটত বহা হলত দীনবন্ধুৱে ক'লে— "বৈষ্ণৱী! তোমাৰ মাতটো দেখোন তাহানি মোৰ সেই ৰহদৈৰ নিচিনাই। তোমাৰ মাতটোনো কেনেকৈ তাইৰ নিচিনা হ'ল।"

কৃষ্ণদাসী— এজনৰ মাতৰ দৰে আন এজনৰো মাত হ'ব পাৰে তাত কোনো আচৰিত হ'বলগীয়া নাই। পিছত আতৈ! আপুনি উদাস হৈয়ো তাইক পাহৰিব পৰা নাইনে?

দীনবন্ধু— মাজে মাজে মনত পৰে।

কৃষ্ণদাসী— হতভাগিনী সেই আপতীয়া মানুহজনীক নাভাবিব। আপুনি কৃষ্ণক ভাবিব, কৃষ্ণৰ নাম ল'ব। উদাস ধৰ্ম লৈছে যেতিয়াই তেতিয়াই ভক্তিৰ বিৰোধী কামিনী আৰু কাঞ্চন এই দুটাক যে এৰিবই, আন কি এই দুটাৰ বিষয়ে নেভাবিবই। কামিনী মাত্ৰকে মাতৃ বা ভনী বা মায়া বুলি ভাবিব। কাঞ্চনক মাটি বুলি ধৰিব। তেহে কৃষ্ণত ভকতি সিজিব।

দীনবন্ধু— বাৰু মইনো তোমাৰ লগত কি কৰ্ম কৰিব লাগিব, কোৱা।

শ্ৰৱণানন্দ— বাৰু আতৈ! মই কথা এটা সোধোঁ ক'বনে?

দীনবন্ধু— ক'ম। কেলেইনো নক'ম হোঁ?

শ্ৰৱণানন্দ— বাৰু! আপুনি অকল সত্ৰত নাম-প্ৰসংগ কৰি থাকে, তাৰ পিছত হাতত কাম নাথাকিলে আৰে-তাৰে সৈতে কেৱল কথা-বতৰা পাতি মেল মাৰি ফুৰাহে ধৰ্ম বোলেনে; নাম-প্ৰসংগ কৰি যিখিনি আজৰি সময় পায় সেইখিনি সময়ত দেশৰ সেৱা, আতুৰৰ সেৱা, জননী জন্মভূমিৰ সেৱা এইবিলাককো ধৰ্মৰ ভিতৰৰ কাম বুলি ধৰে!

দীনবন্ধু— অৱশ্যে সময় পালে, সুবিধা পালে, দেশৰ হকে, জন্মভূমিৰ হকে কাম কৰিব লাগে আৰু আতুৰক সেৱা, ক্ষুধাৰ্তক পাৰিলে খুউৱা, তৃষ্ণাৰ্তক পানী এটুপি দিয়া, এই সমস্তই ধৰ্মৰ প্ৰধান অংগ।

কৃষ্ণদাসী— আতৈ! আপোনাৰ কথা শুনি মই বৰ আনন্দ পালোঁ। মোক মোৰ গুৰুজনে কৈ গৈছে যে মই প্ৰথমতে মোৰ নিজৰ দেশৰ সেৱা এফেৰা কৰিব লাগে, আতুৰক সেৱা কৰিব লাগে, তৃষ্ণাৰ্তক পানী দিব লাগে, ক্ষুধাৰ্তক পাৰিলে অলপ খুৱাব লাগে, এইবিলাক কৰিলেহে হেনো মই কৃষ্ণৰ দৰ্শন পাম। পিছত আতৈ। মই সেইবিলাক কামত মোক সহায় কৰিবৰ কাৰণেই মোৰ লগত মোৰ এওঁ গুৰুভাইক লৈছোঁ। পিছত এওঁ যেতিয়া বঙালী মানুহ এওঁ হয়তো অসমীয়া ডেকাক কথা-বতৰা বুজাবলৈ নোৱাৰিবও পাৰে। সেই দেখি আতৈ! মোক আপোনাৰ সহায় লাগে। পুৱা-গধূলি পূজা-সেৱা কৰি বা নাম-গুণ গাই, নিজৰ আহাৰমুঠি খাই যি সময় পায়, সেই সময়ফেৰা মোৰ লগত সত্ৰে সত্ৰে বাসিন্দা গুৱাহাটীয়া মানুহৰ ঘৰে ঘৰে ঘূৰি-মেলি বুজাই যদি এটা সেৱক দল গঢ়িব পাৰে তেন্তে বৰ ভাল হ'ব।

দীনবন্ধু— বাৰু কোৱাচোঁ। সেৱক দলনো কেলেই লাগে?

কৃষ্ণদাসী— কিয় এতিয়াও আপুনি বুজিব পৰা নাইনে? উজনিৰ ফালৰ পৰা মানে এই দেশখন ধ্বংস কৰি আহিব লাগিছে। অসমীয়া প্ৰজা কিমান যে মৰিব আৰু আহত হ'ব, কিমান যে যুঁজত পৰি পানী পানী কৰি মৰিব লাগিব, তাক মই কৈ অঁতাব নোৱাৰোঁ। তদুপৰি মান এইখিনি পোৱাৰ আগেতে প্ৰথমতে চন্দ্ৰকান্ত আৰু পুৰন্দৰ ৰজাৰ ভিতৰতে আৰু সাতদিনমানৰ পিছত এখন ৰণ লাগিব। তাৰ পিছত মহাগড়ত মানৰ সৈতে চন্দ্ৰকান্ত ৰজাই এখন তয়া-ময়া ৰণ কৰিব। সেই ৰণত আহত হোৱাসকলক শুশ্ৰূষা কৰিবলৈ ঔষধ-পত্ৰ, পথ্যাদি দিবলৈ মোক এদল ভাল কৰ্মী ডেকা লাগে। অতি কমেও তিনিশ ডেকা হ'লে সুবিধা হ'ব। মই বন-ঔষধ ঢেৰ জানো— মই অলপ-অচৰপ আহত হোৱাসকলক মোৰ তলত ৫০ জনমান ডেকা ৰাখি সেইসকলৰ হতুৱাই ঔষধ দিয়াম। আপুনি আৰু মোৰ গুৰুভাই জনাই আহত হোৱাসকলক পথ্য দিব— সেৱা-শুশ্ৰূষা কৰিব। আপুনি এইবিলাক কামত এতিয়াৰে পৰা ওলাব নে?

দীনবন্ধু— ওলাম! ব'লা সত্ৰে সত্ৰে ফুৰি আৰু নগৰীয়া মানুহসকলৰো ঘৰে ঘৰে ফুৰি সেৱক দল গঢ়োগৈ।

কৃষ্ণদাসী— ধন্য মোৰ আতৈ! আপুনি আচল কৃষ্ণৰ সেৱক— কিয়নো কৃষ্ণই কৈছে মোক, ভকতক মোৰ কঙাল সেৱকসকলক যেয়ে সেৱা কৰে মই তাৰ বশ্য।

এইদৰে কৈ কৃষ্ণদাসীয়ে শ্ৰৱণানন্দ আৰু দীনবন্ধুক লগত লৈ সত্ৰে সত্ৰে আৰু নগৰীয়া মানুহৰ ঘৰে ঘৰে ফুৰি তিনিশ (৩০০) সেৱক গোটালে। কৃষ্ণদাসীৰ গাত এনেকুৱা এটা শক্তি আছিল, বাক্যত এনেকুৱা এটা মধুৰতা আৰু তেজ আছিল

যে তেওঁ যাকে তেওঁৰ সেৱক দলত সোমাবলৈ আহ্বান কৰিছিল সেইজনেই তেওঁৰ কথা পেলাব নোৱাৰিছিল।

## একবিংশ অধ্যায়

## পুৰন্দৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহ

চন্দ্ৰকান্ত ৰজাই গুৱাহাটীত থাকি ভাটিৰ ফালৰ পৰা অহা শিখ আৰু হিন্দুস্থানী দুহেজাৰ চিপাহীৰ লগতে কামৰূপৰ পৰাও তিনি হাজাৰমান ভাল কোঁচ, কলিতা, কছাৰী সৈন্য গোটালে। তেওঁ যি সময়ত এইদৰে গুৱাহাটীত সৈন্য গোটাই-পিটাই আছিল সেই সময়ত পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোহাঁয়ে ভূটান আৰু বিজনী দুৱাৰৰ ফালে সৈন্য গোটাই লৈ মে' মাহৰ অন্তত যুগীঘোপাত আগৰে পৰা থকা ব্ৰুছ নামৰ এজন চাহাবক সেই সৈন্যৰ কাপ্তান পাতি গুৱাহাটী দখল কৰিবলৈ অহাত চন্দ্ৰকান্তই ততালিকে তেওঁৰ সৈন্যদলৰ হতুৱাই ব্ৰুছৰ সৈন্যক আক্ৰমণ কৰি ঘটুৱালে আৰু ব্ৰুছক বন্দী কৰিলে। পিছত ব্ৰুছে চন্দ্ৰকান্তৰ অধীনত কাম কৰিব বুলি প্ৰতিজ্ঞা কৰাত তেওঁক এৰি দিলে। ব্ৰুছে কলিকতাৰ পৰা তিনিশ বন্দুক আৰু ন মোন খাৰ আনি চন্দ্ৰকান্ত ৰজাক দিয়াত চন্দ্ৰকান্তই মানৰ সৈতে ৰণ দি দেশ উদ্ধাৰ কৰিবলৈ সাজু হৈ ৰ'ল।

এই যুঁজত যিবিলাক সৈন্য আহত হৈছিল সেই সমস্তকে আমাৰ কৃষ্ণদাসী, দীনবন্দু আৰু শ্ৰৱণানন্দই তেওঁবিলাকৰ সেৱক দলৰ সহায়ত নৈৰ পাৰত এটা দীঘলকৈ বাহৰ সাজি সেই আহতসকলক তালৈ কঢ়িয়াই আনি ৰাখি সেৱা-শুশ্ৰূষা কৰিব ধৰিলে। কৃষ্ণদাসীয়ে বিশেষকৈ দুবৰিৰ ৰস খুন্দি খুন্দি উলিয়াই ঘাবিলাকত দি তেওঁৰ সেৱক দলে তোলা পুৰণি কাপোৰ খাৰেৰে সিজাই লৈ ধুই সেই ঘাবিলাক বন্ধাইছিল আৰু আহত হোৱাসকলক খুজি-মাগি অনা পথ্যাদি দিছিল। তেওঁবিলাকৰ এই কাম সন্ত-মহন্ত সকলোৰে শলাগিছিল। ৰজা চন্দ্ৰকান্তইও এই আহত হোৱাসকলক চাবলৈ আহোঁতে সেৱক দলৰ ভিতৰত কৃষ্ণদাসীক দেখি সুধিলে— "বৈষ্ণৱী মা! তুমিও এই ৰণত ঘাইল হোৱা সৈন্যবিলাকক শুশ্ৰূষা কৰি ফুৰিছা নহয়নে?"

কৃষ্ণদাসী— হয় স্বৰ্গদেউ। কিন্তু মই অকলে এই কাম কৰা নাই। এইজনা উদাসীন ভকতৰ (দীনবন্ধুক দেখুৱাই) আৰু মোৰ এই গুৰুভাই এই দুজনৰ সহায়ত দাসীয়ে এই সেৱক দলটো গঢ়ি ৰোগী আতুৰসকলক সেৱা কৰি ফুৰিছোঁ। মানৰ সৈতে স্বৰ্গদেৱৰ বোধকৰো অহা আঘোণ মাহত আকৌ এখন তুমুল ৰণ লাগিব।

চন্দ্ৰকান্ত— এৰা! মইও সেইটো উমান পাইছোঁ। পিছত তাতো মোক সহায়

কৰিবানে?

কৃষ্ণদাসী— স্বৰ্গদেৱ ঈশ্বৰ! দাসীয়ে তাতো সহায় কৰিম।

চন্দ্ৰকান্ত— বৈষ্ণৱী! মই তোমাৰ ঋণ শুজিব নোৱাৰিম। তুমি দেখোন মোক মোৰ বিপদ কালত য'তে-ত'তে তোমাৰ সাধ্য অনুসাৰে সহায় কৰি ফুৰিছা। নিশ্চয় তুমি মোৰ কোনোবা জনমৰ পৰম হিতৈষী বন্ধু আছিল। ধন্যা তুমি!

কৃষ্ণদাসী— স্বৰ্গদেৱ ঈশ্বৰ। মোক ধন্যবাদ নিদিব। মই যিদিনাই এই ভিখাৰিণীৰ বেশ লৈছোঁ, সেইদিনাই মই আতুৰক, ৰোগীক সেৱা-শুশ্ৰূষা কৰা, দুখীয়াক পুতৌ কৰা ধৰ্ম লৈছোঁ।

চন্দ্ৰকান্ত— হ'লেও তুমি মোৰ কোনোবা জন্মৰ বন্ধু আছিলা। তুমি আন ঠাইত নাথাকি যদি তোমাৰ ৰাণীৰ লগত থাকা তেন্তে মই বৰ সন্তোষ পাম।

কৃষ্ণদাসী— স্বৰ্গদেৱ ঈশ্বৰ! মই নিতৌ একোবাৰ ৰাণীমাৰ তালৈ গৈ দুই-তিনি দণ্ডমান বহি-মেলি কথা-বতৰা পাতিম; কিন্তু মই নিশা মোৰ ভিখাৰীৰ আখৰাত বা গছৰ তলত বাজে গৃহস্থী মানুহৰ ঘৰত থাকিব নোৱাৰোঁ।

চন্দ্ৰকান্ত— বাৰু তেনেকৈয়ে হওক।

## দ্বাবিংশ অধ্যায়

## মহাগড়ৰ ৰণ

বাৰিষা অন্ত হৈ কাতি মাহ পৰোঁতেই বৰ্মা দেশৰ পৰা এই বছৰ অৰ্থাৎ ১৮২২ খ্ৰীষ্টাব্দত মিঙ্গিমাহা তিলোৱা নামৰ এজন সেনাপতিৰে সৈতে অসংখ্য মান নতুনকৈ আহি ৰংপুৰত মিঙ্গিমাহা ক্যাডেউঙৰ লগ লাগিল। মানৰ সেনা অপৰিমিত হ'ল। যোগেশ্বৰকে আৰু মিঙ্গিমাহা ক্যাডেউঙকে উজনি অসম শাসন কৰিবলৈ থৈ মিঙ্গিমাহা তিলোৱাই প্ৰায় কুৰি হেজাৰ সেনা লৈ ভাটি অসম জয় কৰিবলৈ ওলাল। তেওঁ সৈন্য তিনিভাগে ভগালে। এজাকক মিঙ্গিমাহা বন্দুলাৰ তলে, এজাক নৈয়েদি নাৱেৰে শ্যাম ফুকনৰ তলে, এজাক নিজে দক্ষিণ পাৰেদি লৈ যাত্ৰা কৰিলে।

মান অহা বাতৰি শুনি আমাৰ চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱেও মনে মনে বহি নাথাকি তেওঁৰ দুহেজাৰ হিন্দুস্থানী আৰু শিখ সৈন্য, তিনি হাজাৰ কামৰূপীয় সৈন্য আৰু নিজৰ আহোমৰে অতি যত্ন কৰি এক হেজাৰ হিলৈদাৰী সৈন্য, তিনিশ বন্দুক আৰু ন মোন খাৰে সৈতে নিশাকে দিন কৰি দিনকে নিশা কৰি এটা গড় সজাই তাত যিমানদূৰ পাৰে ৰছদ-পত্ৰ লৈ মানেৰে সৈতে ৰণ দিবলৈ সাজু হৈ ৰ'ল। তেওঁৰ ল'ৰা-তিৰোতা গুৱাহাটীতে বৰফুকনকৰ আশ্ৰয়ত এৰিলে। তেওঁৰ লগতে আমাৰ কৃষ্ণদাসীৰ সেৱক দলো গ'ল। গুৱাহাটীৰ পৰা নাৱেদিও কিছু অসমীয়া

সৈন্য আগবাঢ়ি গ'ল।

মহাগড়তে মানেৰে সৈতে চন্দ্ৰকান্ত ৰজাৰ তয়া-ময়া ৰণ হ'ল। এই যুঁজত চন্দ্ৰকান্ত ৰজাই নিজৰ জীৱনটোকে পণ কৰি অতি বিক্ৰমেৰে সৈতে চালনা কৰি ৰণ দিছিল। সাত দিন সাত ৰাতি স্বৰ্গদেৱে অক্লান্তভাৱে পৰিশ্ৰম কৰি নিজে বগা ঘোঁৰা এটাৰ ওপৰত উঠি হিলৈদাৰীসকলৰ হতুৱাই খাৰ নুটুকালমানে বন্দুক মৰাই মান বধ কৰিলে। কাঁড়ীসকলেও কাঁড়েৰে মান বধিলে— ৰজাই নিজেও বেগী ঘোঁৰাৰ ওপৰত উঠি দুয়োহাত তৰোৱাল চলাই ভালেমান মান ৰণুৱা ধ্বংস কৰিলে। কিন্তু অসমীয়াৰ দুৰ্কপালৰ গুণত শ্যাম ফুকনৰ নাৱৰীয়া সৈন্যজাক আহি তিলোৱাৰ লগ লগাত আৰু উত্তৰ পাৰৰ বন্দুলাৰ সৈন্য জাকৰো প্ৰায় আধা সৈন্য পাৰ হৈ আহি তিলোৱাৰ লগ লগাই মানৰ সোতৰ হাজাৰ সৈন্য হ'ল। সোতৰ হাজাৰৰ লগত ৰজাৰ সাত হাজাৰ তিষ্ঠিব নোৱাৰিলে। ৰজাৰ সৈন্য ঘাটি পলাল। ৰজাইও শেষত কৃষ্ণদাসী আৰু তেওঁৰ দল আৰু নিজৰো আহত হোৱা যিমান সৈন্য পাৰিলে নিজৰ নাৱত আৰু আনহঁতে এৰি থৈ যোৱা নাওবিলাকত তুলি দি নৈৰে ভটিয়াই গুৱাহাটী পাই তাতো নৰৈ একেবাৰে গোৱালপাৰা সোমালগৈ। উজনিৰ সন্ত-মহন্ত উদাসীন সমস্তই নাৱেদি ভটিয়াই গৈ গোৱালপাৰা জিলাৰ এলেকাত নৈৰে পাৰে পাৰে বাহৰ বান্ধি বান্ধি ৰ'ল। আমাৰ শ্ৰৱণানন্দ, কৃষ্ণদাসী আৰু দীনবন্দুও সেৱক দলেৰে সৈতে গোৱালপাৰালৈ গ'ল। মানে প্ৰতিদ্বন্দ্বী নাপাই এফালৰ পৰা দেশ জয় কৰি গ'ল। য'তে-ত'তে অসমীয়া মানুহে এফেৰাও সিহঁতৰ বিৰুদ্ধাচাৰণ কৰিলে ততে ততে মানে পৈশাচিক অত্যাচাৰ কৰি অসমীয়া মানুহক কাটি-মাৰি, ঘৰে-দুৱাৰে জুই দি জীয়াই জীয়াই পুৰি মাৰি, বাপেকৰ আগত পুতেকক, স্বামীৰ আগত তিৰোতাক কাটি-মাৰি নাশ কৰি গ'ল। মানৰ লগতে কেতখিনি দেশদ্ৰোহী অসমীয়াইও মানৰ সাজ-পাৰ লৈ নিজ দেশৰ ওপৰতে অত্যাচাৰ কৰিছিল। মানে বৰনগৰলৈ গৈ বৰনগৰীয়া চণ্ডী বৰুৱাক কিদৰে ধৰি মাৰিলে, হাদিৰাচকিত চন্দ্ৰকান্ত ৰজাই আকৌ কিদৰে মানেৰে সৈতে যুঁজি শেহত ঘাটি চকুৰ লো টুকি টুকি আকৌ গোৱালপাৰাৰ ফাললৈ ভটিয়াই গ'ল, এই সমস্ত বিষয় 'মনোমতী'ত আছে। চন্দ্ৰকান্ত ৰজাৰ শেহ পৰিণাম কি হ'ল বুৰঞ্জী পাঠক মাত্ৰেই জানে। মানে হাদিৰাচকিৰ ৰণৰ পিছত কোম্পানীৰ হাতত ঘটাৰ পিছতো চন্দ্ৰকান্তক উজনিত ৰজা পাতিম বুলি মাতি পঠিয়ালে। চন্দ্ৰকান্ত ৰজাইও কোম্পানীৰ তেওঁক ৰজা নাপাতি পুৰন্দৰ সিংহক হে ৰজা পাতিবলৈ খোজাত তেওঁ আকৌ মানৰ কথা বিশ্বাস কৰি উজনিৰ যোৰহাটলৈ গ'ল। তেওঁ যোৰহাট পোৱা মাত্ৰকে মানহঁতে তেওঁক ধৰি বন্দীশালত থৈ তাকে খোৱা বস্তুৰ লগত বিষ দি তেওঁৰ প্ৰাণ মাৰিলে।

## ত্রয়োবিংশ অধ্যায়

## কৃষ্ণদাসী

চন্দ্রকান্তই কৰা প্রত্যেক ৰণতে আমাৰ কৃষ্ণদাসীয়ে তেওঁৰ সেৱক দল লৈ আহতক সেৱা-শুশ্রূষা কৰিছিল। ৰজাইও অনেক সময়তে তেওঁৰ পৰা বুধি-ভৰসা লৈছিল। আৰু ৰাণীয়েও কৃষ্ণদাসীৰ পৰা অনেক সময়ত বুজনি আৰু সান্ত্বনা বাক্য পাইছিল।

হাদিৰাচকিৰ ৰণৰ শেহত কৃষ্ণদাসীয়ে চন্দ্রকান্ত ৰজাৰ লগতে শ্রৱণানন্দ আৰু দীনবন্দুৰে সৈতে গোৱালপাৰাৰ এলেকালৈ গ'ল। গোৱালপাৰাৰ ঘাটত ৰজাৰ নাও চপাৰ পিছদিনা কৃষ্ণদাসীয়ে চন্দ্রকান্ত ৰজাৰ আগলৈ আহি জনালে যে, তেওঁৰ কৃষ্ণদাসীৰ অসমৰ কৰ্ম কৰা শেষ হ'ল। তেওঁ এতিয়া আৰু অসমত নাথাকে, বৃন্দাবনলৈ হেনো যাব। কৃষ্ণদাসীৰ এই কথা শুনি ৰজা বৰ ম্রিয়মান হ'ল। কৃষ্ণদাসীয়ে ৰজা আৰু ৰাণী উভয়কে কাকুতি-মিনতি জনাই বিদায় ল'লে। তেওঁৰ সেৱাদলৰ সকলোকে বিদায় দিলত তেওঁৰ দলৰ সকলোবিলাকেই কেৱল দীনবন্ধুত বাজে নিজ নিজ সত্রৰ গুৰুৰ লগ লৈ গৈ অনেককাল গুৰু ভকতসকলৰে সৈতে গোৱালপাৰাৰ এলেকাত বাস কৰিলে। পিছত অসমত ইংৰাজৰ আমোল পৰি শান্তি স্থাপিত হ'লত সত্ৰীয়া গোসাঁই-ভকতসকল আকৌ উজনিলৈ আহি নিজ নিজ সত্র সংস্কাৰ কৰি আকৌ নিজ নিজ সত্রত ৰ'লহি। অনেক প্রজা দেশলৈ উলটি নাহি গোলাৱপাৰা, ৰংপুৰ, কোচবিহাৰ ইত্যাদি জিলাতেই ঘৰ-দুৱাৰ কৰি ৰ'ল অসংখ্য মানুহ ছিলট জয়ন্তীয়াৰ ফালেও ৰ'ল। অনেকক মানে ধৰি নিলে। অসংখ্য অসমীয়াই মানৰ হাতত প্ৰাণ হেৰুৱালে। মানৰ দিনৰ আগৰ মুঠ চল্লিশ লক্ষ অসমীয়াৰ স্থলত ইংৰাজে অসম ল'বৰ সময়ত মুঠেই আঠ লক্ষহে অসমীয়া লৈছিলগৈ।

কৃষ্ণদাসীৰ পৰা সকলাৰে বিদায় লোৱাৰ শেহত দীনবন্ধুৱে কৃষ্ণদাসীৰ আগত পিছদিনা ক'লে— "পিছত বৈষ্ণৱী! তুমি দেখোন মোক তোমাৰ পূৰ্বৰ পৰিচয় আজিলৈকে নিদি এতিয়া অসম এৰি বৃন্দাবনলৈ যাবলৈ ওলালা।"

কৃষ্ণদাসী— আতৈ! মোৰ পূৰ্ব পৰিচয় পাই আপোনাৰ যে লাভ নহয়েই বৰং আপোনাৰ মন বিচলিতহে হ'ব পাৰে।

দীনবন্ধু— আজি এই দুই-তিনি বছৰে তোমাৰ লগত ফুৰিও মোৰ মন ডাঠ কৰিব নোৱাৰিলোঁ নে?

কৃষ্ণদাসী— সেইটো মই কেনেকৈ ক'ম। আপোনাৰ মনক আপুনিহে জানে।

দীনবন্ধু— মই আশা কৰিছোঁ ঈশ্বৰ কৃষ্ণই মোক বিচলিত নকৰে।

কৃষ্ণদাসী— তেন্তে আপুনি যদি বিশ্বাস কৰে কওঁ শুনক।

দীনবন্ধু— কোৱা।

কৃষ্ণদাসী— অৱশ্যে মই ইমানদিনে ক'তো নক'লোঁ। কিন্তু আপোনাক এৰাব নোৱাৰিলোঁ। আপুনি ধৈৰ্য ধৰিবনে?

দীনবন্ধু— ধৰিম।

কৃষ্ণদাসী— তেন্তে ময়ে আপোনাৰ সেই "ৰহদৈ লিগিৰী"।

দীনবন্ধু— অসম্ভৱ। ৰহদৈ লিগিৰীৰ ৰূপ আছিল ভুৱনমোহিনী— তুমি হ'লা এজনী বুঢ়ী বৈষ্ণৱী।

কৃষ্ণদাসী— যদি সেয়ে হয় তেন্তে ভালেই।

দীনবন্ধু— নহয়! তুমি মোৰ সন্দেহ সম্পূৰ্ণৰূপে আঁতৰাব লাগে।

কৃষ্ণদাসী— বাৰু মই আগৰ ৰহদৈ লিগিৰী হওঁনে নহওঁ এবাৰ চকু মুদি অলপ পিছত চাওকচোন।

কৃষ্ণদাসীৰ এই কথাত দীনবন্ধুৱে ক্ষন্তেকলৈ চকু মুদি আকৌ মেলি দেখে কৃষ্ণদাসীৰ স্থলত ভুৱনমোহিনী ৰূপেৰে ৰহদৈ থিয় হৈ আছে।

এই ৰূপ দেখা মাত্ৰকে দীনবন্দুৱে "আই ঔ মোৰ হেৰোৱা ৰতন পালোঁ ঔ" বুলি আগবাঢ়ি ৰহদৈক দুয়ো হাতে সাবটি ধৰিবলৈ গ'ল । কিন্তু ৰহদৈয়ে তৎক্ষণাৎ পিছ হুঁহকি ক'লে— "সাৱধান! ধৈৰ্য ধৰক। মোক আপুনি স্ত্ৰীভাৱে আঁকোৱালি নধৰিব। আপুনিও ধৰ্মৰ পৰা পতিত হ'ব, মোৰো সৰ্বনাশ ঘটিব।" এইবুলি কৈয়েই ৰহদৈ লিগিৰীয়ে সেই ৰূপ সামৰি কৃষ্ণদাসী ৰূপেৰে দীনবন্ধু দয়াৰামৰ আগত থিয় হ'ল। দয়াৰামে "তুমি মানৱী নে মায়াবিনী" বুলি মূছকঁছ গৈ পৰিল। তৎক্ষণাৎ শ্ৰৱণানন্দই কমণ্ডলুৰ পানী এচিটা চকুৱে-মুখে মাৰি দয়াৰামৰ চৈতন্য সঞ্চাৰ কৰি তেওঁক বহুৱালে। কৃষ্ণদাসীও তেওঁৰ সমুখতে বহি ক'লে— "প্ৰিয়তম! আপোনাক মই এই কাৰণেহে ইমানদিনে মোৰ পূৰ্বৰূপ দেখুৱা নাছিলোঁ। এতিয়াই সৰ্বনাশ হ'ব নধৰিছিল নে?"

দীনবন্ধু— মই একোকে বুজিব পৰা নাই। মই বাস্তৱিক জগততে আছোঁ নে কিবা মায়াৰ ৰাজ্যতে আছোঁ।

কৃষ্ণদাসী— যিদৰেই ভাবে। যদি ভাবে বাস্তৱ জগতত আছে তেনেহ'লে বাস্তৱ জগতত আছে— যদি বাবে মায়া ৰাজ্যতে আছে তেন্তে মায়া ৰাজ্যতে আছে। মোৰ মনেৰে বাস্তৱ জগত বা মায়া ৰাজ্য দুয়ো একে।

দীনবন্দু— মই আৰু বিমোৰত পৰিলোঁ। ধৰ্মৰ দোহাই দি কৈছোঁ, বৈষ্ণৱী মোৰ ভ্ৰম দুৰ কৰা।

কৃষ্ণদাসী— তেন্তে শুনক। মই আগৰ আপোনাৰ সেই ৰহদৈয়ে। সৰুকালৰ পৰা মোৰ সেই আপদীয়া ৰূপটোৰ গুণেই আশাত নিৰাশা হৈ হৈ কামুক, লম্পটসকলৰ প্ৰলোভনৰ বস্তু হৈ, মই যি আপোনাক ভাল পাইছিলোঁ, আপোনাক নাপাই, ৰূপচিং বঙালৰ বিশেষ অত্যাচাৰত উপায় নাপাই আত্মহত্যা কৰিবৰ কাৰণে নৈত জাঁপ মাৰি পৰিছিলোঁ। পিছত আত্মহত্যা কৰিবৰ সময়তো কৃষ্ণৰ নাম লৈ "প্ৰভু! মোৰ গাত দোষ নাই। মোৰ পাপ নল'বা।" এনেকুৱা কাতৰ কৰি পানীত পৰাৰ বাবেই নেকি মোক কৃষ্ণই মৰিব নিদি মোৰ দেহাটো পানীত উটুৱাই উটুৱাই নি ককিলামুখত থকা আগমানন্দ স্বামীৰ আশ্ৰমৰ ঘাটৰ ওচৰৰ বালিত লগাই দিলে। ছয়শ বছৰ বয়সীয়া মহাপুৰুষে মোক তাৰ পৰা তুলি নি সেৱা-শুশ্ৰূষা কৰি মোক বচালে। মহাপুৰুষে মোক সংসাৰলৈ উলটি গৈ ঘৰ-গৃহস্থী কৰি সংসাৰ চলাবলৈ আদেশ দিছিল। মই কিন্তু স্বামীজীৰ অনুগ্ৰহত সমাধিস্থ হৈ আপোনাক সত্ৰৰ ভিতৰতে চাইছিলোগৈ। আপোনাক নিদ্ৰাত মোৰ জীউটোৱে গৈ সোধাত আপুনি কৈছিল— "প্ৰাণৰ ৰহদৈ তোমাক পালে মই স্বৰ্গ এৰি নৰকলৈ যাব পাৰো।" এই কথাত মই পাৰোমানে কান্দিছিলোঁ, এনেতে আপোনাৰ সত্ৰৰ মঠৰ ভিতৰৰ সেই নবঘনশ্যাম, মূৰতিমোহন যেন ওলাই আহি আমাক ক'লে— "বাছাহঁত! তহঁতে পূৰ্বজন্মৰ কথা আৰু সাধন পাহৰিলিনে। আকৌ দুখময়, যাতনাময়, মায়া-মোহ পৰিপূৰ্ণ সংসাৰত সোমাই পাপৰ বাটলৈ যাব খুজিছনে?" যেন এই কথা ক'লে। উভয়ে পাৰোমানে কান্দিলো। তাৰ পিছত মই কৈছিলোঁ— "নালাগে প্ৰাণনাথ! এই হতভাগিনী পাপিনীৰ নিমিত্তে নিজৰ ধৰ্ম এৰিবলৈ। আপুনি কৈবল্য ধৰ্ম অৱলম্বন কৰি কৃষ্ণক পাবলৈ যি পথ লৈছে অভাগিনীয়েও সেই পথকে ল'ম। অভাগিনীয়ে আপোনাক কৃষ্ণৰূপে ভাবি জীৱন কটাম। সাৰ পাই এই সপোনৰ কথা কৈ বাবাক সোধাত বাবাই ক'লে যে আপুনি সঁচাকৈয়ে প্ৰতিজ্ঞা কৰি কেৱলীয়া ধৰ্ম লৈছে। আপুনি মোৰ নিমিত্তে বিচলিত হ'লে উভয়ৰে ধৰ্ম নাশ হ'ব। বাবাৰ এই কথা শুনি মোৰ সংসাৰলৈ বিৰক্তি জন্মিল। মই বাবাৰ শ্ৰীশ্ৰীচৰণত ধৰি কাতৰ কৰি মোৰ সেই ভুৱনমোহিনী ৰূপটো সলোৱাই এই ৰূপটো পাবলৈ খাটিলোঁ। বাবাই মোক যোগ শিক্ষা দি মোৰ হতুৱাই মোক কল্পাণ্ডি কৰি এই ৰূপ দিছে। মই এতিয়া অষ্টসিদ্ধি, নবনিধি এই সমস্তৰে গৰাকিনী। মই ইচ্ছা কৰিলে আহাৰ, নিদ্ৰা এই সমস্তকে পৰিত্যাগ কৰিও জীয়াই থাকিব পাৰোঁ। ইচ্চা কৰিলে— মই অতুল ঐশ্বৰ্যৰ গৰাকিনীও হ'ব পাৰোঁ। কিন্তু মই এই সমস্ত ঐশ্বৰ্য, সাংসাৰিক সুখ একোকে ইচ্ছা নকৰি মোৰ মন-প্ৰাণ সেই কলীয়া কানাইৰ চৰণতে সমৰ্পণ কৰিলোঁ। অনেক সময়ত কলীয়া কানাইৰ ৰূপ চিন্তা কৰিবলৈ ধৰোঁতে প্ৰিয়তম! আপোনাৰ

ৰূপটোহে মোৰ মনত পৰিছিল। পিছত মই মহাপুৰুষক ইয়াৰ উপায় সোধাত মোৰ মহাপুৰুষে শিকালে যে আপোনাৰ ৰূপটোতে যদি মই মনেৰে মূৰত ম'ৰাৰ পাখি অৰ্পণ কৰোঁ, কাণত কুণ্ডল, হাতত বাঁহী, গলত বনমালা, কটিত পীতবস্ত্ৰ অৰ্পণ কৰোঁ তেন্তে আপোনাৰ ৰূপতেই মই কৃষ্ণক পাম। মই সেইদৰে কৰোঁতে কৰোঁতেই প্ৰিয়তম! কৃষ্ণৰ ৰূপ এতিয়া সুন্দৰকৈ ধ্যানত ধৰিব পাৰোঁ।

দীনবন্ধু— অ' ভালেতোহে মইও আজি চাৰি বছৰৰ আগেয়ে সত্ৰত কেৰলীয়া হৈ সোমোৱাৰ তিনিদিনৰ দিনা তোমাক সপোনত দেখিছিলো আৰু তুমি কোৱাৰ দৰে হুবহু তোমাৰ সৈতে কথা পাতিছিলো। বাৰু প্ৰাণাধিক মোক এটা কথা কোৱাচোঁ মানুহ এজনক কৃষ্ণ বুলি ভাবিলে পাপ জানো নহয়।

কৃষ্ণদাসী— জ্ঞানেৰে সৈতে ভাবিব জানিলে পাপ নহয়। নাজানিলে পাপ হয়।

দীনবন্ধু— ইয়াৰ ভাব কি?

কৃষ্ণদাসী— "ইয়াৰ ভাব এই যে প্ৰত্যেক মানুহৰে আচল আত্মাটো ঈশ্বৰ কৃষ্ণৰে অংশ বা ঈশ্বৰ কৃষ্ণই— সেই আত্মাই এটা নাম বা ৰূপত আবদ্ধ হৈ লীলা কৰে। সেই দেখি আপোনাক ভাবোঁতে মই যদি আপোনাৰ ৰক্ত-মাংস হাত-ভৰি এইবিলাকতে মন সংযম নকৰি আপোনাৰ দেহৰ ভিতৰত লুকাই থকা সেই আত্মাটোক ভাবোঁ তেনেহ'লেই মোৰ চিন্তা কৰা হয়। সেই দেখি! আপোনাক ভাবোঁতে ভাবোঁতেই, আপোনাক মনে-প্ৰাণে ভাল পোৱাৰ কাৰণেই মই কৃষ্ণক পাইছোঁ। এই কৃষ্ণক পোৱা যিটো সুখ, তাৰ লগত সংসাৰৰ কোনো সুখৰেই তুলনা হ'ব নোৱাৰে। যি স্থলত আপোনাৰ ভালপোৱা কাৰণেই মই কৃষ্ণক পাইছোঁ সেই কাৰণে প্ৰাণনাথ, আপোনাৰ আত্মাটোৱেই মোৰ আত্মাটোৰ কৃষ্ণ— আপোনাক দণ্ডৱৎ" এইবুলি কৃষ্ণদাসীয়ে দীনবন্ধুক তৎক্ষণাৎ দুয়োহাত পাৰি দণ্ডৱৎ কৰিলে।

দীনবন্ধু— প্ৰিয়তমা! যদি মই তোমাৰ সেই পৰম প্ৰিয়তম কৃষ্ণই হওঁ তেন্তে মোৰ পৰা আঁতৰি যাব খুজিছা কিয়। মোক এৰি বৃন্দাবনলৈ যাব খুজিছা কিয়?

কৃষ্ণদাসী— নাথ! আত্মা আত্মাৰ পৰা কেতিয়াও আঁতৰি থাকিব নোৱাৰে। চাব জানিলে মোৰ দেহটো বৃন্দাবন বা হিমালয় য'লৈকে যাওক মোৰ আত্মাটো আপোনাৰ আত্মাৰ পৰাতো আঁতৰ হ'ব নোৱাৰে। কিয়নো আত্মা একেটাহে।

দীনবন্ধু— প্ৰিয়তমা! মই তোমাৰ কথা বুজিব নোৱাৰোঁ। তেন্তে তুমি বৃন্দাবনলৈ যাবাগৈয়ে।

কৃষ্ণদাসী— মোৰ দেহটো যাবই।

দীনবন্ধু— ময়ো যদি লগতে যাওঁ?

কৃষ্ণদাসী— ক্ষমা কৰিব। আপোনাৰ ঢেৰ কৰ্ম অসমতে আছে। দেখক এতিয়া অসম ভূমি সাগৰৰ সিপাৰৰ সুসভ্য ব্ৰিটিছ জাতিৰ হাতলৈ আহিব। অসমত শান্তি স্থাপিত হ'ব। মান মৰাণৰ উপদ্ৰৱত অসমৰ ধৰ্ম-কৰ্ম সমস্ত লোপ হৈ ৰৈছে। এই সমস্তৰে পুনৰ সংস্কাৰ লাগিব। অসমত মাইকী মানুহৰ দ্বাৰাই ধৰ্মৰ সংস্কাৰ হোৱাৰ নিয়মো নাই, উপায়ো নাই। মহাপ্ৰভু শংকৰ, দামোদৰ, মাধৱ, হৰিদেৱ এইসকলৰ নাম-ধৰ্মইহে অসমীয়া জাতিক উদ্ধাৰ কৰিব পাৰিব আৰু সেই নাম-ধৰ্ম আপোনাৰ নিচিনা উৎসাহী ডেকা ভকতে সত্ৰে সত্ৰে, গাঁৱে-ভূঁয়ে নাম গাই ফুৰিহে মানুহৰ মাজত বিলাব পাৰিব। সেই দেখি প্ৰিয়তম! আপুনি অসমতে ৰ'ব লাগিব। আপোনাৰ কণ্ঠত সৰস্বতী বহিল বুলি জানিব। আপুনি য'লৈকে যায় ত'তে হয় নাম গোৱাসকলৰ লগত নাম গাই, নতুবা ওজা গাই, মানুহৰ মন প্ৰভু কৃষ্ণলৈ আকৰ্ষণ কৰিব।

দীনবন্ধু— প্ৰিয়তমা! তুমিনো সেইদৰে অসমত কেলেই নাম-ধৰ্ম প্ৰচাৰ কৰিব নোৱাৰিবা?

কৃষ্ণদাসী— তাৰ কাৰণ অসমত এতিয়ালৈকে মাইকী মানুহে ধৰ্ম বিলাই ফুৰা নাই। চাৰিসত্ৰীয়াসকল উদাসীন পুৰুষ। মাইকী মানুহ থাকিবলৈ বেলেগকৈ সত্ৰৰ আৰ্হিৰে অসমত আশ্ৰম নাই। মোৰ কৰ্ম আছে পশ্চিম জগতত। কৃষ্ণই মোক সপোনতে আদেশ কৰিছে তেওঁৰ নাম তেওঁৰ প্ৰাণীৰ মাজত বিলাবলৈ। বোধকৰোঁ এই কাৰণেই প্ৰভুৱে মোক সৰুৰে পৰা নিৰাশ কৰি কৰি সোণক জুইত পুৰি পুৰি উজ্জ্বল কৰাৰ দৰে দুখ দিছিল। এতিয়া নাথ! মোৰ দুখ নাই। ক্ষুধা-তৃষ্ণাই, শ্ৰমে-ক্লান্তিয়ে, শীতে-উষ্ণে একোৱে মোক বিকল কৰিব নোৱাৰে। মোৰ এই দেহ কৃষ্ণৰ কৰ্মত অৰ্পিত।

দীনবন্ধু— প্ৰিয়তমা! কিন্তু কৃষ্ণই তোমাক মোকে এনেকৈ বিচ্ছেদ কৰিহে তেওঁৰ নাম প্ৰচাৰ কৰোৱাব পাৰে নে এনেই নোৱাৰে নে?

কৃষ্ণদাসী— নাথ! ভাবি চাওকচোন। দুখৰ মাজত হে কৃষ্ণক পোৱা যায়। সুখৰ মাজত পোৱা নাযায়। মনত কৰকচোন বুদ্ধদেৱ, চৈতন্য মহাপ্ৰভু, শ্ৰীশংকৰদেৱ, শ্ৰীমাধৱদেৱ এই সকলোৱেই কৃষ্ণৰ অৰ্থে কিমান দুখ পাইছিল আপোনাৰ মোৰ নো বেছি কি দুখ!

দীনবন্ধু— প্ৰিয়তমা! তেন্তে তোমাৰ মোৰে দৈহিক মিলন অসম্ভৱ?

কৃষ্ণদাসী— অসম্ভৱ! আপুনি দৈহিক মিলনৰ বিষয়ে ভাবিলেও পাপ হ'ব— কিয়নো আপুনি উদাস লওঁতেই প্ৰতিজ্ঞা লৈছে। মোৰ পক্ষেতো অসম্ভৱেই কাৰণ যি পুৰুষেই মোক কামভাৱে ধৰিবলৈ আহিব সেই পুৰুষেই মোৰ অনিচ্ছাসত্ত্বেও তৎক্ষণাৎ মোৰ যোগৰ জুইত পুৰি ভস্ম হ'ব।

দীনবন্ধু— হাঁয় যোগ! হাঁয় উদাসৰ প্ৰতীক্ষা! এইবিলাক কি সাংঘাতিক বস্তু।

কৃষ্ণদাসী— প্ৰিয়তম, আপুনি ভুল বুজিছে। নহয় সাংঘাতিক। এইবিলাক কৰ্মইহে মায়া মুক্ত কৰি জীৱক শিৱত্ব পোৱায়। দৈহিক সংসৰ্গৰ সুখ অতি ক্ষুদ্ৰ, অতি নিকৃষ্ট। এই সুখে দুখো আনে। কিন্তু কৃষ্ণপ্ৰেমত যি সুখ সি অতুলনীয়। তাৰ হৰণ-ভগন নাই। এতেকে নাথ! মনক বুজাই আপুনি বিদায় হওক।

দীনবন্ধু— বাৰু বিদায় হ'ম। শেষ কথা এটা সোধোঁ। যি চন্দ্ৰকান্ত ৰজাই তোমাৰে মোৰে এইদৰে বিচ্ছেদ ঘটালে, আমাৰ জীৱনক দুখময় কৰিলে, সেই ৰজাকে দেখোন সহায় কৰি ফুৰিলা!

কৃষ্ণদাসী— মই যিদিনাই কৃষ্ণপ্ৰেম বুকুত বান্ধি লৈছোঁ, সেইদিনাৰ পৰাই জানি লৈছোঁ মোৰ শত্ৰু-মিত্ৰ, আপোন-পৰ সকলো সমান। চন্দ্ৰকান্ত ৰজাই আমাক কোনো দুখ দিয়া নাই। আমাৰ পূৰ্বজন্মকৃত কৰ্মফলেই আমাক আমাৰ নিজৰ নিজৰ গতিৰ ফালে টানি আনিছে।

দীনবন্ধু— বাৰু তুমি ক'ব পাৰানে আমি পূৰ্বজন্মত কি কৰিছিলোঁ?

কৃষ্ণদাসী— আকৌ ক'লেও নপতিয়াব পাৰে। বাৰু কওঁ শুনক। পূৰ্বজন্মত আপুনি হিমালয়ৰ হৃষীকেশত সাধুবেশে তপস্যা কৰি আছিল। মোক বিয়া কৰাই থৈ মোৰ মনৰ বাঞ্ছা সম্পূৰ্ণ হ'বলৈ নৌ পাওঁতেই মোক ত্যাগ কৰি আপুনি যোগত ধৰিছিল। পিছ মইও সংসাৰ ত্যাগ কৰি আপোনাক বিচাৰি বিচাৰি গৈ হৃষীকেশত পাই আপোনাৰ যোগ ভংগ কৰাই সংসাৰলৈ ওলোটাই আনো। উভয়ৰে সতি-সন্তান একো নহ'ল। পিছত কালপ্ৰাপ্ত হৈ উভয়ে মানৱ লীলা সামৰি এই জনমত এই ৰূপ হৈছোঁ। পাৰ্থিৱ সুখত আমাক কৃষ্ণই আৱদ্ধ হ'ব নিদিলে। সেই দেখি প্ৰিয়তম! বেজাৰ নকৰিব। কৃষ্ণৰ চৰণ একান্তমনে ধ্যান কৰক। মই আহিলোঁ। দুখুনী ৰহদৈক নাভাবিব। তেনেকুৱা ভাৱ কেতিয়াবা আহিলেই গাব ঃ—

"তুমি চিত্তবৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথ ৱন্ত।
চৰণ ছত্ৰৰ ছাঁয়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।
ধৰ্ম্মক জানোহোঁ মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মতো নিবৃত্তি নোহয়।
হৃদি স্থিত হৰা তুমি যেন কৰাবাহা স্বামী
হৃষিকেশ কৰিব তেনয়।

নাজানোহোঁ আৱাহন নাজানোহোঁ বিসৰ্জ্জন
পূজা মন্ত্ৰ নেজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলোঁ চৰণৰ
মোক কৃপা কৰিতে উচিত।”

নামঘোষাৰ এই স্তবটি গাই আমাৰ কৃষ্ণদাসী একেছাৱে উঠি দীনবন্ধুক দুয়ো হাত যুৰি সেৱা কৰি পশ্চিমমুখে খোজ ল'লে। আমাৰ দীনবন্ধুৰে দুয়ো হাত যুৰি কৃষ্ণদাসীক সেৱা জনাই গালে ঃ —

মই দুৰাচাৰ কেৱলে তোমাৰ
অপৰাধী নাৰায়ণ
ক্ষমিয়োক হৰি! লৈয়ো দাস কৰি
পশিলোঁ হেৰা শৰণ।

এই ঘোষাটি গাই উঠি দয়াৰামে পূব মুখে খোজ ল'লে। ◆◆

।। ওঁ কৃষ্ণাৰ্পণমস্তু।।